


NOWGONG GIRLS COLLEGE
ESTD 1962
NOWGONG-ASSAM

# নগাঁও ছোৱালী কলেজ আলোচনী

১৯৯৯-২০০০

# নগাঁও ছোৱালী কলেজ আলোচনী

# NOWGONG GIRLS' COLLEGE MAGAZINE

১৯৯৯-২০০০ চন

সম্পাদিকা

পল্লৱী শইকীয়া

**NOWGONG GIRLS' COLLEGE MAGAZINE** : Annual publication, 1999-2000.
Edited by Pallabi Saikia & Published by the Principal, Nowgong Girls' College, Nagaon (Assam).

নগাঁও ছোৱালী কলেজ আলোচনী ঃ বাৰ্ষিক প্ৰকাশ, ১৯৯৯-২০০০ চন

সম্পাদিকা ঃ পল্লৱী শইকীয়া

প্ৰকাশক ঃ অধ্যক্ষ, নগাঁও ছোৱালী কলেজ

প্ৰচ্ছদপট ঃ Sunflower (Arles, 1888)

আলোকচিত্ৰ ঃ জ্যোৎস্না ষ্টুডিঅ'

মুদ্ৰণ ঃ গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যন, মিলনপুৰ, নগাঁও (অসম)

## সাহিত্য উপসমিতি

অপূৰ্ব শৰ্ম্মা, অধ্যক্ষ
কৃষ্ণৰাম বৰা, উপাধ্যক্ষ
অধ্যাপক তিলক চন্দ্ৰ মজুমদাৰ
অধ্যাপক ড° ৰাজেন শইকীয়া
অধ্যাপিকা স্বপ্না নেওগ
অধ্যাপিকা মুনি কাকতি
অধ্যাপক জয়ন্ত কুমাৰ শৰ্মা
অধ্যাপিকা ড° গায়ত্ৰী দেৱী }
অধ্যাপক বিশ্বজিৎ দাস } আহ্বায়কদ্বয়
আৰু
পল্লৱী শইকীয়া
প্ৰজ্ঞা বৰুৱা

# সূচী পত্ৰ

## অসমীয়া বিভাগ

### প্ৰবন্ধ

অসমৰ জাতীয় জীৱনত কীৰ্ত্তন-ঘোষা আৰু নামঘোষাৰ প্ৰভাৱ ❑ অধ্যাপক শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ ◆ ০৯-১৪
বাৰ্ট'ল্ট্ ব্ৰে'খ্ট্ আৰু তেওঁৰ নাট্যৰীতি ❑ জয়শ্ৰী শইকীয়া ◆ ১৫-১৯
অসমত পৰিৱেশ সজাগতা আৰু বেচৰকাৰী সংগঠনৰ ভূমিকা ❑ লীজা কলিতা ◆ ২০-২৩
ভাৰতীয় নাৰী ঃ অতীত, বৰ্ত্তমান আৰু ভৱিষ্যত ❑ বৰ্ণালী শৰ্মা ◆ ২৪-২৬
তোমালৈ পৰিছে মনত ❑ পিংকী শৰ্ম্মা ◆ ২৭-২৯
নিপীড়িত জনতাৰ কণ্ঠস্বৰ ঃ ছফদৰ হাছমী ❑ পপী শইকীয়া ◆ ৩০-৩২
উচ্ছৃংখল যুৱ-মানসিকতাৰ উৎস সন্ধান আৰু ইয়াৰ প্ৰতিকাৰ ❑ মীনাক্ষী শইকীয়া ◆ ৩৩-৩৫
ৰেইকি ঃ স্পৰ্শচিকিৎসা ❑ মানসী ভাগৱতী ◆ ৩৬-৩৮
ভাৰতবৰ্ষৰ আদিমতম কলা-সম্পদ ঃ গুহাচিত্ৰ ❑ নমিতা বৰা ◆ ৩৯-৪০
কবিতাৰ ছন্দে ছন্দে ❑ ববিতা শৰ্মা ◆ ৪১-৪২
অ'ৰ ছিগা চুলি' ত'ৰ ছিগা চুলি বান্ধি যাওঁ নেঘেৰী খোপা ❑ শ্ৰীদিব্যজ্যোতি মহন্ত ◆ ৪৩-৪৪

### কবিতা

বৰষুণৰ গান ❑ অপৰাজিতা পূজাৰী ◆ ৪৭
বগীতৰালৈ বুলি ❑ জয়শ্ৰী শইকীয়া ◆ ৪৭
আকাশ ❑ মৌচুমী বৰা ◆ ৪৮
আশা ❑ চন্দনা বেজবৰুৱা ◆ ৪৮
আগমন ❑ পল্লৱী শইকীয়া ◆ ৪৮
কবিতা ❑ পূৰবী বড়ো ◆ ৪৯
নিৰ্জনতা ❑ শৰ্মিলা হাজৰিকা ◆ ৪৯
সুৰ ❑ অনামিকা শইকীয়া ◆ ৫০
মোৰ দৃষ্টিত তুমি ❑ বিম্‌ঝিম্ দত্ত ◆ ৫০
একবিংশ শতিকাৰ প্ৰতি ❑ গাৰ্গী গীতম বৰা ◆ ৫১
অনুৰনন ❑ ববিতা শৰ্মা ◆ ৫২
সখি ❑ কুমাৰী পূৰ্ণিমা দাস ◆ ৫৩
স্বাধীনতাৰ স্বাদ ❑ সোমা আচাৰ্য্য ◆ ৫৪

### গল্প

এদিনত দিনবোৰ ❑ জয়শ্ৰী শইকীয়া ◆ ৫৭-৬০
মাৰ মৃত্যুত ❑ পূৰবী বড়ো ◆ ৬১-৬২

## সাক্ষাৎকাৰ

শ্ৰীযুতা নিৰুপমা হাগজেৰ ◆ ৬৩-৬৪

## মন-দৰ্পন

এটি প্ৰশ্নোত্তৰ শিতান ◆ ৬৫-৬৮

## ক্ষেত্ৰ অধ্যয়ন

চাপানালা অঞ্চলৰ এটি ভৌগলিক অধ্যয়ন ◆ ৬৯-৭৪

## প্ৰতিবেদন

সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ◆ ৭৫-৭৬

## ফটো

সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ◆ ৭৭-৮৪

## English Section.

### ARTICLES

THE CONCEPT OF MAN IN THE PHILOSOPHY OF DR. SARVAPALLI RADHAKRISHNAN
❑ Sanchita Bora ◆ 87-89

BIODIVERSITY AND ITS CONSERVATION
❑ Jayanta Kr. Sarma ◆ 90-93

CHILD LABOUR– THE HARSH REALITIES
❑ Rukmini Barua ◆ 94-95

WOMAN'S DIALECT: A BRIEF STUDY
❑ Mithu Chakraborty, Dinee Samad ◆ 96-101

SOME DIFFICULTIES FACED BY THE ASSAMESE AND BENGALI SPEAKERS IN THE PRODUCTION OF ENGLISH SOUNDS
❑ Mitali Das ◆ *Collaborators : Marlin Ahmed, Trishna Baruah* ◆ 102-109

### POEMS

TEARS THAT TELL
❑ Syeda Tastiya Huda ◆ 110

LIFE
❑ Dollymoni Dutta ◆ 110

REMINISCENCE
❑ Minakshi Goswami ◆ 110

### STORY

SELF – JUDGEMENT
❑ Dinee Samad ◆ 111


# সম্পাদকীয়

নিজৰ ৰুচি অনুসৰিয়েই আলোচনী সম্পাদিকা পদৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হ'লো। কৃতজ্ঞচিত্তে বিজয়ীও হ'লো। অতি উৎসাহেৰে আলোচনীখন সৰ্বাংগসুন্দৰ কৰি প্ৰকাশ কৰাৰ দায়িত্ব ল'লো। কিন্তু দায়িত্ব পালনৰ সময়চোৱাত উপলব্ধি হ'ল, কল্পনা বা ইচ্ছাক বাস্তৱত ৰূপায়িত কৰা কিমান কঠিন! সান্ত্বনা এয়ে যে অভিজ্ঞতা একআপুৰুগীয়া সম্পদ।

আটাইতকৈ গুৰুত্বপূৰ্ণ অভিজ্ঞতাটি হ'ল এই সম্পাদকীয় লিখিবলৈ বহি। সাধাৰণ পৰম্পৰা অনুযায়ী কাকত-আলোচনীৰ সম্পাদকে কোনো চিৰন্তন বা সাম্প্ৰতিক, আৰ্থ-সামাজিক, ৰাজনৈতিক কিম্বা শৈক্ষিক সমস্যা একোটা সম্পাদকীয় টোকাৰ মাজেৰে দাঙি ধৰে আৰু কোনো-কোনোৱে তাৰ সমাধান সূত্ৰ পৰ্যন্ত নিৰ্দেশ কৰে। মই নিজে এই পৰম্পৰাত বিশ্বাসী। কিন্তু মই কি সমস্যাৰ বিষয়ে লিখিম? আজি অসমক বানপানীৰ সমস্যা, মূল্যবৃদ্ধিৰ সমস্যা, অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ সমস্যা, নিৰক্ষৰতাৰ সমস্যা, নাৰীৰ অনগ্ৰসৰতাৰ সমস্যা, নিবনুৱা সমস্যা, বিদেশী সমস্যা, উগ্ৰপন্থীৰ সমস্যা............. আদি এশ এবুৰি সমস্যাই আবৰি ধৰি জুৰুলা কৰি পেলাইছে। কোনটো সমস্যাক মুখ্যস্থান দিম, কোনটোক গৌণ? সমস্যাটোৰ প্ৰকৃত স্বৰূপ আৰু স্থায়ী সমাধানৰ বাস্তৱ-সম্মত পথ কি হ'ব? উপলব্ধি হৈছে, সমস্যাৰ এই ধুঁৱলী-কুঁৱলিৰ মাজত এটা সমস্যাক আটাইতকৈ জৰুৰী হিচাপে চিনাক্ত কৰা, ইয়াৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন কৰা আৰু সমাধানৰ প্ৰকৃত পথ বিচাৰি উলিওৱাটোৱেই মোৰ বাবে এতিয়া আটাইতকৈ ডাঙৰ সমস্যা। নিজৰ এই বৌদ্ধিক দৈন্যৰ বাবে নিজলৈ পুতৌ জন্মিছে।

কিন্তু এয়া জানো কেৱল মোৰ ব্যক্তিগত সমস্যা? দুই-চাৰিজন মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে হয়তো নিজা-উদ্যোগত নিজৰ বৌদ্ধিক উৎকৰ্ষ সাধন কৰিবলৈ সমৰ্থ হৈছে। কিন্তু বাকী বেছিভাগৰে ক্ষেত্ৰত? মহাবিদ্যালয়ৰ এই আলোচনীখন সম্পাদনা কৰিবলৈ লৈ মই খুবেই আচৰিত হৈছিলো। শেষত উপায়হীন হৈ লেখনীৰ মানদণ্ড বিচাৰৰ কথাটো প্ৰায় এৰাই চলিছো। পৰিতাপৰ কথা যে বিশেষভাৱে দুই-এখন কলেজ বাদ দিলে অসমৰ প্ৰায়বোৰ স্কুল-কলেজৰ আলোচনীত একেই অৱস্থা পৰিলক্ষিত হয়। সাধাৰণ ভাবে অসমৰ ছাত্ৰ-সমাজ মানসিক – বৌদ্ধিক দিশত পুতৌ লগাকৈ পিছপৰা। বৌদ্ধিক ভাবে পৰিপক্ক কোনো ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বৃহৎ ছাত্ৰ-সমাজক নেতৃত্ব দিছে বুলিতো ক'ব নোৱাৰি। স্বৰাজোত্তৰ কালৰ অসমৰ ছাত্ৰ সমাজে অসমৰ সামাজিক তথা ৰাজনৈতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ছাত্ৰ-সমাজৰ নেতৃত্বত হোৱা বিগত সমস্ত আন্দোলনৰ ফলাফল বিচাৰ কৰি বহু গণ্য-মান্য বুদ্ধিজীৱিয়ে দেখুৱাইছে যে ইবোৰৰ সদৰ্থক ফলৰ লগতে বহু অনুপেক্ষনীয় কু-ফলো আমি লাভ কৰিছো। ইয়াৰ অন্যতম কাৰণ হ'ল এয়ে যে ছাত্ৰ-সমাজৰ বৌদ্ধিক অনগ্ৰসৰতাৰ সুযোগ লৈ বহুতে ছাত্ৰ-সমাজক শিখণ্ডী ৰূপে ব্যৱহাৰ কৰি নিজৰ ন্যস্তস্বাৰ্থ পূৰণ কৰে।

সৌ সিদিনালৈকে কোৱা হৈছিল — "আজিৰ ছাত্ৰ কাইলৈৰ নাগৰিক।" কিন্তু আজিৰ ছাত্ৰ আজিৰেই 'নাগৰিক', কিয়নো আজিৰ কলেজীয়া ছাত্ৰ-ছাত্ৰীয়ে ভোটাধিকাৰ লাভ কৰি দেশৰ ৰাজনীতিত প্ৰত্যক্ষ ভূমিকা পালন কৰিব লাগে। কিন্তু এই গধুৰ দায়িত্ব পালন কৰিব পৰাকৈ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উন্নতি আৰু ৰাজনৈতিক চেতনা বৃদ্ধিৰ হকে কিবা ব্যৱস্থা লোৱা হ'লনে?

আৰু এটা পৰিতাপৰ বিষয় যে অসমৰ তথা ভাৰতবৰ্ষৰ ছাত্ৰ-সমাজ ক্ৰমশঃ জাতি, ধৰ্ম, ভাষা, উপজাতি, সম্প্ৰদায় আদিৰ ভিত্তিত বিভক্ত হ'বই লাগিছে। ফলত ছাত্ৰ-ছাত্ৰী হিচাপে ছাত্ৰ-সমাজৰ নিজা সমস্যাবোৰ তল পৰি যোৱাৰ লগতে ই ছাত্ৰ-সমাজৰ বৌদ্ধিক বিকাশতো বাধা জন্মাব পাৰে, কিয়নো উগ্ৰ জাতি বা সম্প্ৰদায়-চেতনা প্ৰায়েই যুক্তিবাদী চিন্তাৰ পৰিপন্থী হোৱা দেখা যায়।

সেয়ে অসমৰ ছাত্ৰ-সমাজৰ বৌদ্ধিক জাগৰণ বৰ্তমান সময়ৰ অতি জৰুৰী আহবান। এই আহবান দৃঢ়তা আৰু আন্তৰিকতাৰে গ্ৰহণ কৰাটোৱেই আমাৰ পৰম কৰ্তব্য।

— পল্লৱী শইকীয়া

# কৃতজ্ঞতাৰ শৰাই

শ্ৰদ্ধেয় অধ্যক্ষ অপূৰ্ব শৰ্ম্মা, অধ্যাপিকা গয়ত্ৰী দেৱী,
অধ্যাপক বিশ্বজিৎ দাস, অধ্যাপিকা মুনি কাকতি,
অধ্যাপক জ্যোতিৰ্ময় জানা আৰু অধ্যাপক জয়ন্ত শৰ্মা;

ছাত্ৰী-বান্ধৱী
জোনালী, ববিতা, মীনাক্ষী, ৰূপালী, জাহ্নৱী, ভাগৱী;

এই সংখ্যাৰ প্ৰতিগৰাকী সহৃদয় লেখক-লেখিকা
আৰু
গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যনৰ
স্বত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দৰ প্ৰতি।



# প্ৰবন্ধ

# অসমৰ জাতীয় জীৱনত কীৰ্ত্তন-ঘোষা আৰু নামঘোষাৰ প্ৰভাৱ

অধ্যাপক শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ

ভাৰতৰ আন আন অঞ্চল বা ৰাজ্যত ভক্তি আন্দোলনে আলোড়ন কৰা সময়তে পূৰ্বাঞ্চলত আৰ্বিভাৱ হয় শ্ৰীমন্ত শঙ্কৰদেৱৰ। পূৰ্বাঞ্চলৰ 'কামৰূপ বেহাৰ-অহম' ৰাজ্যত মহাপুৰুষজনাৰ প্ৰৱৰ্তিত আৰু প্ৰচাৰিত ভক্তি-আন্দোলনে গণ-আন্দোলনৰ ৰূপ ধাৰণ কৰে। মহাপুৰুষ শঙ্কৰদেৱ জনগণৰ অকল আধ্যাত্মিক গুৰুৱেই নহয়; সমাজৰ উচ্চ-নীচ, ৰজা-প্ৰজা, পণ্ডিত-অপণ্ডিত, ধনী-নিৰ্ধনী, আখৰী-অনাখৰী আদিৰ মাজত থকা ভেদাভেদ বা অসমতাৰ প্ৰাচীৰ নিঃচিহ্ন কৰি মানৱ সমাজক এক পতাকাৰ তলত সমবেত কৰাই কেবাখনো ৰাজ্যৰ শাসক-শোষক আৰু দুষ্ট চক্ৰক মৰ্দন কৰি 'বিজয়ী' হোৱা এগৰাকী সমাজ সংস্কাৰক, গণতন্ত্ৰৰ ভেটি প্ৰতিষ্ঠা কৰা অসমৰ জাতীয় গুৰুও। জাত্যাভিমান বা পাণ্ডিত্যৰ গৰ্বই দূষিত কৰা সমাজ ব্যৱস্থাক নিকা কৰি নুতুলিলে শোষিত-নিস্পেষিত জনতা যে প্ৰাপ্য অধিকাৰৰপৰা সদায় বঞ্চিত হৈ থাকিব সেইকথা মহাপুৰুষজনাই হৃদয়ঙ্গম কৰি সত্ৰ-নামঘৰ প্ৰতিষ্ঠা কৰি তাত ধৰ্ম-বাণী আৰু তত্ত্বসমূহ জনসাধাৰণৰ হৃদয়স্পৰ্শীকৈ সুৰ লগাই গোৱাই, বুজাই, নচাই, ভাওনা কৰি জনগণৰ মানসিক আৰু আধ্যাত্মিক বিকাশ সাধন কৰি মানৱক সমসত্ব দান কৰি এখন সৰ্বাঙ্গ সুন্দৰ সমাজ আৰু এটা সুস্থ সৱল জাতি গঢ়ি তোলাৰ সকলো সমল বা উপাদান দি থৈ গৈছে।

মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ দুজনা গুৰুৱে আগবঢ়োৱা সকলো অৱদানেই অসমৰ ধৰ্ম-সাহিত্য-সংস্কৃতি জগতৰ অমূল্য সম্পদ, অসমৰ জাতীয় জীৱনৰ স্পষ্ট প্ৰতিফলন। কোৱাটো নিস্প্ৰয়োজন যে অসমৰ ধৰ্ম-সাহিত্য-সংস্কৃতিক সাত খলপীয়া সিংহাসনত অধিষ্ঠিত কৰি থৈ যোৱা শ্ৰীশ্ৰীশঙ্কৰদেৱ-মাধৱদেৱৰ অনবদ্য উপহাৰসমূহৰ ভিতৰত 'কীৰ্ত্তন-ঘোষা' আৰু 'নাম-ঘোষা' সবাতোকৈ শীৰ্ষস্থানত সুশোভিত। অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত উক্ত গ্ৰন্থ দুখনিৰ স্থান অদ্বিতীয়, অতুলনীয়। আজি পৰ্য্যন্ত অসমৰ ভক্ত-সমাজত মহাপুৰুষ শঙ্কৰদেৱৰ 'কীৰ্ত্তন' আৰু 'দশম', মহাপুৰুষ মাধৱদেৱৰ 'নাম-ঘোষা' আৰু 'ভক্তি-ৰত্নাৱলী' অকল সত্ৰ নাম-ঘৰতেই থাপনা নহয়, ভক্ত হৃদয়ৰো থাপনা স্বৰূপ। মহাপুৰুষ মাধৱদেৱক ধৰ্ম বস্ত্ৰ দান কৰি মালা পিন্ধাই আচাৰ্য্য পদ অৰ্পণ কৰি মহাপুৰুষ শঙ্কৰদেৱে কৈছিল ঃ

"কীৰ্ত্তন দশম পুথি থাকয় যথাত।
জানিবা নিশ্চয় মই থাকোঁহো তথাত।।"

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনৰ কীৰ্ত্তিস্তম্ভ 'কীৰ্ত্তন-ঘোষা'ৰ দৰে অনুপম গ্ৰন্থ সাহিত্য জগতত বিৰল, প্ৰকৃততে ই এখনি মহাকাব্য। উল্লেখযোগ্য যে অসমৰ ভক্ত-সমাজত মহাপুৰুষ মাধৱদেৱৰ 'নাম-ঘোষা'য়ো শ্ৰীশঙ্কৰদেৱ গুৰুজনাৰ 'কীৰ্ত্তন ঘোষা'ৰ সমান মৰ্যাদা-শ্ৰদ্ধা-ভক্তিৰ আসন লাভ কৰিব পাৰিছে। সূৰ্য্যক দিনৰ পোহৰৰপৰা বাদ দিব নোৱাৰাৰ দৰে অসমৰ ধৰ্ম, দৰ্শন,

ভাষা-সাহিত্য জগতৰ পৰা 'কীৰ্ত্তন-ঘোষা'ক 'নাম-ঘোষা'ৰপৰা বেলেগাই ৰাখিব নোৱাৰি। ভক্তৰ মানত 'শঙ্কৰ-মাধৱ' দুজনা গুৰু যেন 'কৃষ্ণ-উদ্ধৱ'হে। শ্ৰীকৃষ্ণৰ 'উদ্ধৱ-বান্ধৱ' — শ্ৰীমন্ত শঙ্কৰ গুৰুৰ 'মাধৱ-বান্ধৱ' মন কৰিবলগীয়া। 'কীৰ্ত্তন-ঘোষা' আৰু 'নাম-ঘোষা' একে থুপতে সংগ্ৰহ কৰি ৰখা কথা লক্ষ কৰিবলগীয়া।

'নাম-ঘোষা' ৰচনাৰ গুৰিতে মহাপুৰুষ শঙ্কৰদেৱ। 'ৰামানন্দৰ চৰিত'ত উল্লেখ আছে ঃ

**"তোমাত কহিলো ইটো ৰহস্য ভকতি।**
**ঘোষা-ৰত্নাৱলী পুথি লিখিবা সম্প্ৰতি।।**
**পদ-দুলড়ি জানা ছবিৰ অৰ্পক।**
**ঝুমুৰি লেছাৰি ছন্দ তাহাৰ বসক।।**
**নমস্কাৰ স্মৰণ ভজন আত্মনিন্দা।**
**তাৎপৰ্য্য উপদেশ প্ৰশংসা প্ৰাৰ্থনা।।**
**নামৰ মহিমা যত কৰুণা আছয়।**
**ঘোষাৰ মাজত তাক দিবাহা নিশ্চয়।।"**

অমূল্য ঘোষা শাস্ত্ৰখনি ৰচনা কৰা সম্পৰ্কত সত্ৰ-সমাজত প্ৰচলিত কিংবদন্তি উল্লেখযোগ্য। "পকা বগৰিৰ দৰে বাহিৰে কোমল, ভিতৰি কঠিন" হোৱাকৈ মহাপুৰুষ শঙ্কৰদেৱে ঘোষা শাস্ত্ৰখন ৰচনা কৰিবলৈ আজ্ঞা বিহাত মাধৱদেৱ পুৰুষে আৰম্ভিলে দশাৱতাৰ শ্লোকেৰে। মহাপুৰুষ গুৰুজনাই 'ভগৱন্ততকৈ ভকত সে যে আগ' এইকথাত গুৰুত্ব দি 'মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো......" চৰণটি লিখি দেখুওৱাত তাৰপিছৰ চৰণ সংযোগ কৰাৰ পৰা হেজাৰলৈ (সমগ্ৰ ঘোষা শাস্ত্ৰখনিৰ স্তৱকসমূহ) ঘোষা মহাপুৰুষ গুৰুজনাৰ একাত্ম-স্বৰূপ, পৰম বান্ধৱ মাধৱপুৰুষে কেইবছৰমানৰ ভিতৰত ৰচনা কৰি অন্ত কৰে। 'নাম-ঘোষা'ত মাধৱদেৱৰ সমগ্ৰ জীৱনৰ সমস্ত শক্তি-বুদ্ধিৰ প্ৰকাশ ঘটিছে। মহাপুৰুষ গুৰুজনাৰ উপযুক্ত উত্তৰাধিকাৰী মাধৱদেৱ পুৰুষ। কিন্তু মহাপুৰুষ মাধৱদেৱৰ পাছত উত্তৰাধিকাৰী কোন হ'ব এই বিষয়ে জানিবলৈ ইচ্ছা কৰাত মাধৱদেৱ পুৰুষে শিষ্যসকলক সমিধান দিছে ঃ

**"দেখা ঘোষা শাস্ত্ৰখন আমাৰ আছয়।**
**সৱে কহি আছো যিবা কহিতে লাগয়।।**
**তাহাৰ অৰ্থক যিবাজনে বুজিলেক।**
**সেহিজনে জানা লাগ আমাক পাইলেক।।**
**ঘোষাতে সমস্ত মোৰ বল-বুদ্ধি যত।**
**যাৰ ভাগ্যে আছে তাত পাইবে সমস্ত।।"**

মাধৱদেৱ পুৰুষক প্ৰিয় শিষ্য কণ্ঠভূষণে কোচবিহাৰত দৰ্শন কৰাত থাপনাত প্ৰতিষ্ঠা কৰিবলৈ 'নাম-মালিকা' পুথিখনি দি মাধৱদেৱ গুৰুজনাই জনাইছে ঃ 'মহাপুৰুষ গুৰু শঙ্কৰদেৱক 'দশম' আৰু 'কীৰ্ত্তন'ত; আমাক 'ৰত্নাৱলী' আৰু 'নামঘোষা'ত পাবা।

ভক্ত আৰু ভগৱন্ত সম্পৰ্ক অবিচ্ছেদ্য। ভগৱন্তক ভক্তই আৰু ভক্তক ভগৱন্তই বুজে। অকপট গুৰুৱে শিষ্যক আৰু শিষ্যই গুৰুক আন্তৰিকতাৰে বুজি পায়। মহাপুৰুষীয়া বা বৈষ্ণৱ ভক্তই শঙ্কৰদেৱ-মাধৱদেৱ দুজনা গুৰুক বুজিবলৈ আন একোৰে প্ৰয়োজন নাই, 'কীৰ্ত্তন' আৰু 'নামঘোষা' ধৰ্মগ্ৰন্থ হৃদয়ঙ্গম কৰিলেই দুয়োজনাকে বুজিব পাৰে। এই দুয়োখন পবিত্ৰ গ্ৰন্থ এফালে পৰমব্ৰহ্মৰ স্বৰূপ নিৰ্ণায়ক অতুলনীয় ভক্তি কাব্য, আনফালে সকলো শ্ৰেণীৰ লোকৰ মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনৰ দ্বাৰা উচ্চ-নীচৰ ব্যৱধানত কুঠাৰাঘাত কৰি দুৰ্লভ মনুষ্য জীৱনৰ সাৰ্থকতা উপলব্ধি কৰোৱা প্ৰচাৰ-ধৰ্মী ভক্তি ৰসাস্বাদিত ধৰ্মশাস্ত্ৰ। দুয়োখন গ্ৰন্থ ছন্দোময়ী কাব্য, সুৰগন্ধী ঘোষা-পদ যুক্ত অনুপম ভক্তিমূলক গীতি সাহিত্য।

'কীৰ্ত্তন' আৰু 'নাম-ঘোষা'ত জাত্যাভিমানী, গৰ্বী ফোপোলা জ্ঞানৰ পণ্ডিতক তাচ্ছিল্য কৰি সেই প্ৰতিক্ৰিয়াশীল চক্ৰটোৰ গ্ৰাসৰপৰা সহজ-সৰল নিৰীহ জনতাক পৰিত্ৰাণ কৰিবলৈ মহাপুৰুষ দুজনাই সঁকীয়নি দিছিল। এখন সুন্দৰ সমাজ গঢ়িবলৈ বদ্ধপৰিকৰ হোৱাত সকলো ভেদাভেদৰ প্ৰাচীৰ নিৰ্মূল কৰিবলৈ চোকা বাক্যবান মৰাটো অত্যন্ত প্ৰয়োজন হৈ পৰিছিল। মহাপুৰুষৰ 'কীৰ্ত্তন-ঘোষা'ত আছে ঃ

**'মুৰ্খ হুয়া বোলে মঞি পণ্ডিত।**
**নষ্ট কৰি ফুৰে আনৰ চিত।।"**
**"হৰিৰ নামত যিটো ৰসিক।**
**ব্ৰাহ্মণ জন্ম তাঙ্ক লাগে কিক।।"**

প্ৰতিক্ৰিয়াশীল স্বাৰ্থান্ধসকললৈ উদ্দেশ্য কৰি



মহাপুৰুষ মাধৱদেৱেও 'নামঘোষাত' বাক্যবাণ হানিছে ঃ

**"নজানে শাস্ত্ৰৰ নয় যেন আসে তাকে কয়**
**ছেদিবাক নপাৰে সংশয়।**
**গুৰু বোলাই তথাপিতো ফুৰয় লোকৰ মাজে**
**মান্য সৎকাৰ খুজি লয়।।"**

সমাজত বিভেদৰ সৃষ্টি কৰা গুণ-জ্ঞান নথকা গুৰুৰ ভাও দিয়া মুৰ্খ ধৰ্মাচাৰ্যসকলক প্ৰত্যাহ্বান জনাই শোষিত, বঞ্চিত জনসাধাৰণৰ অন্তৰ ভক্তি-ধৰ্মৰ বাণীৰে আলোকিত কৰিবলৈ গুৰু দুজনাৰ সৰ্বোৎকৃষ্ট গ্ৰন্থ দুখনত ঘোষণা কৰা হৈছে।

'কীৰ্ত্তন-ঘোষা' আৰু 'নাম-ঘোষা'ৰ ভাষাৰ লালিত্য, ভাবৰ গভীৰতা, শব্দৰ কোমলতা আৰু সুৰৰ ঝঙ্কাৰে শ্ৰোতাক আৰু পাঠকক পৰমানন্দত নিমগ্ন কৰি ভগৱান প্ৰাপ্তিৰ পথত ধাবিত কৰায়। ঈশ্বৰ প্ৰাপ্তিৰ তিনিটা পথ কৰ্মমাৰ্গ, জ্ঞানমাৰ্গ আৰু ভক্তিমাৰ্গ। তিনিওটাৰ ভিতৰত ভক্তি মাৰ্গ সহজ, শুদ্ধ, প্ৰশস্ত পথ। ভগৱানৰ প্ৰতি ভক্তিমান নহ'লে জ্ঞান, কৰ্ম একোৰে সুফল পোৱা নাযায়। ভক্তি ধৰ্মত সকলোৰে সম-অধিকাৰ আৰু ভক্তিৰ বলত ভক্তই ভগবানৰ কৃপা লাভ কৰি পৰমফল প্ৰাপ্ত হয়। এই ক্ষেত্ৰত জাত-পাত, বিস্তৰ শাস্ত্ৰ জ্ঞান, তপ- জপ-যজ্ঞ সকলো বিড়ম্বন। মহাপুৰুষে 'কীৰ্ত্তন'ত গাইছে ঃ

**"নালাগে ভক্তিত দেৱ-দ্বিজ-ঋষি হুইবে।**
**নলাগে সন্তুত শাস্ত্ৰ বিস্তৰ জানিবে।।**
**তপ-জপ-যজ্ঞ দান সবে বিড়ম্বন।**
**কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।"**
**মাধৱদেৱৰ 'নামঘোষা'তো ব্যক্ত হৈছে ঃ**
**"গাৱো ভোষ যবনে হৰিৰ নাম লয়।**
**হেনয় নামক কোন সজ্জনে নিন্দয়।।"**

কাব্য আলঙ্কাৰিকসকলে ভক্তিক ৰসৰ অন্তৰ্গত কৰিব বিচৰা নাই যদিও বৈষ্ণৱ সাহিত্যত ভক্তি ৰসৰ উদ্ৰেক ঘটাটো মনকৰিবলগীয়া। ভগবান শ্ৰীকৃষ্ণৰ প্ৰতি ভক্তৰ ৰতি প্ৰকাশৰ পৰিগণিত শান্ত, বাৎসল্য, দাস্য, সখ্য বা শৃঙ্গাৰাত্মক ভক্তিৰস 'কীৰ্ত্তন' আৰু 'নামঘোষা'ত পৰিলক্ষিত হৈছে। ভক্তি হৈছে হৃদয়ৰ অতি আকাঙ্খিতজনক পাবলৈ হোৱা অন্তৰৰ অনুৰাগ বা ধাউতি। মায়া-মমতা, বিষয়- বাসনা, অহঙ্কাৰ আদিৰপৰা দূৰত থকাৰ একমাত্ৰ উপায় শ্ৰীকৃষ্ণ প্ৰেম। মহাপুৰুষৰ ভাষাত ঃ

**"তোমাক নপাই অনুৰাগ বাঢ়ি যাৰ।**
**সেহিসে ভকতি যোগে চিন্তে অহঙ্কাৰ।**
**তাহাৰেহে গুচে বিষয়ত অনুৰাগ।**
**হৃদয়ত বিচাৰি তোমাক পাৱয় লাগ।।"**

ভক্তি ধৰ্মৰ মূল গ্ৰন্থ "শ্ৰীমদ্ভাগৱত"ত উল্লেখ থকা নৱবিধ ভক্তি শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চন, পাদসেৱন, দাস্য, সখিত্ব, বন্দন আৰু দেহ অৰ্পণ — এই কেইবিধৰ উল্লেখ মহাপুৰুষৰ "কীৰ্ত্তন-ঘোষা"তো কৰা হৈছে। নৱবিধ ভক্তিৰ শ্ৰৱণ-কীৰ্ত্তন সবাতোকৈ শ্ৰেষ্ঠ।

**"যদ্যপি ভকতি নৱবিধ মাধৱৰ।**
**শ্ৰৱণ-কীৰ্ত্তন তাতো মহা শ্ৰেষ্ঠতৰ।।"**

ভগৱানৰ নাম-গুণ উচ্চাৰণ বা পাঠ কৰাটোৱেই কীৰ্ত্তন। কীৰ্ত্তন কৰিলে শ্ৰোতাই তাক শ্ৰৱণ কৰিবই। 'কীৰ্ত্তন-ঘোষা' ৰচনাৰ ইয়েই মুখ্য উদ্দেশ্য। এই প্ৰসঙ্গত মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ হৰি নাম-গুণ গাবলৈ প্ৰতিষ্ঠা কৰা জাতীয় সম্পদ ধৰ্মানুষ্ঠান 'কীৰ্ত্তন-ঘৰ' পঠন, শ্ৰৱণ বা প্ৰসঙ্গৰ বাবে ৰচনা কৰা 'ধৰ্ম-শাস্ত্ৰ' 'কীৰ্ত্তন-ঘোষা' আৰু ভক্তি ধৰ্ম সাধনাৰ 'কীৰ্ত্তন' এই তিনিওটা মন কৰিবলগীয়া। 'কীৰ্ত্তন'ত ভগৱান শ্ৰীকৃষ্ণৰ লীলা- মাহাত্ম্যক কেন্দ্ৰ কৰি বিভিন্ন আখ্যান ঘোষা আৰু পদৰ দ্বাৰা চিত্ৰিত কৰা হৈছে। 'নামঘোষা'ত কাহিনীৰ চিত্ৰণ নাই। এই গ্ৰন্থত সুৰ লয়ত গাব পৰাকৈ পয়াৰ ত্ৰিপাদী, দুলৰী, ছবি, লেছাৰি ছন্দৰ দ্বাৰা বিভিন্ন ঘোষা বা স্তৱকত পৰমতত্ত্ব, পৰমসত্যৰ সন্ধান দি কৃষ্ণ ভক্তিৰ তাৎপৰ্য বা তত্ত্ব দাঙি ধৰা হৈছে। প্ৰাচীন ভাৰতৰ সৰ্বশাস্ত্ৰৰ সাৰতত্ত্ব বা পৰমতত্ত্ব জনসাধাৰণে উপলব্ধি কৰিব পৰাকৈ আৰু ভক্ত মাত্ৰেই নিজ মুখেৰে কীৰ্ত্তন কৰি পৰমানন্দত নিমগ্ন হ'ব পৰাকৈ 'শঙ্কৰ-মাধৱ' দুজনা গুৰুৱে দুয়োখন ধৰ্মপুথিত চিত্ৰিত কৰিছে। পাঠক বা কীৰ্ত্তন কৰোঁতাই সুৰ-তাল লয়ত গোৱাৰ সুবিধা থকা বাবে শ্ৰোতা সমাজেও সুমধুৰ সুৰ শুনি পৰমানন্দত মগ্ন হৈ পৰমফল লাভ কৰিবলৈ সমৰ্থ হৈছে।

ভক্ত সমাজক মানৱ জীৱনৰ মুখ্য কৰ্ত্তব্যৰ কথা

সঁকীয়াই দি আত্ম-সংযমেৰে মনুষ্য মাত্ৰেই ভগৱানৰ গুণানুকীৰ্ত্তনেৰে কেনেকৈ অমূল্য মানৱ জনম সফল কৰিব পাৰি তাৰ পথ প্ৰদৰ্শিত হৈছে মহাপুৰুষ মাধৱদেৱৰ 'নামঘোষাৰ' উপদেশ, আত্ম উপদেশ, ভজন, প্ৰাৰ্থনা, মহিমা, প্ৰশংসা, নিন্দা, বস্তু প্ৰকাশ, নাম-মহিমা আদিৰ অন্তৰ্গত ঘোষাসমূহতো।

মানৱী জনম আৰু সামাজিক জীৱনত নৈতিকতা আৰু আধ্যাত্মিকতাৰ গুৰুত্ব প্ৰত্যেকে উপলব্ধি কৰিব পৰাটোতেই যে জীৱনৰ সাৰ্থকতা, সফলতা তাক প্ৰতিপন্ন কৰা হৈছে 'কীৰ্ত্তন' 'নাম-ঘোষা'ত। জীৱন-যুদ্ধত লটিঘটিহৈ জীৱন বিষময় কৰি তোলা অস্থিৰ মনৰ লোকক শান্তি সুধা পান কৰাব পাৰিছে গুৰুদুজনাৰ এই গ্ৰন্থ দুখনে। ভক্ত সমাজে এই অমৃতৰ ভাণ্ড পান কৰি আজিও উদং কৰিব পৰা নাই আৰু নোৱাৰেও। এই ভাণ্ডাৰ অক্ষয়-অব্যয়।

**"যি মুখে বুলিবে ৰাম যি মুখে ভণ্ডাৰ।**
**সদায়ে ভাবিয়ো ৰাম ক্ষয় নাহি আৰ।।**
**অনন্ত ৰসেৰ নিধি ৰাম কৃষ্ণ ৰাম।**
**মুখ ভৰি তৰিয়া সদায়ে বোলা ৰাম।।"** (নাম-ঘোষা)

অসমৰ জন সমাজত মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰৱেশ ঘটে এজনা সত্যান্বেষী জনমঙ্গলকামী সাধক আৰু সমাজ সংস্কাৰক ৰূপে। বৰ লুইতৰ দুয়োপাৰে বসবাস কৰা বিভিন্ন জনগোষ্ঠী, সম্প্ৰদায়ৰ মাজত ভক্তি-ধৰ্মৰ মূল তত্ত্বসমূহ নাম-প্ৰসঙ্গ, গীত-পদ, নৃত্য-ভাওনাদিৰ মাধ্যমেৰে প্ৰচাৰ কৰি ভক্তৰ দল সমন্বিতে নতুন নতুন ঠাইত ধৰ্ম-সত্ৰ, নামঘৰ প্ৰতিষ্ঠা কৰি দুয়োজনা গুৰুৱে অগণন লোকক ভক্ত দলভুক্ত কৰি লৈছিল। যি সম্প্ৰীতি, সদ্ভাৱ বা সমন্বয় কুৰি শতিকাৰ 'স্পুটনিক্' যুগতো নামৰ পিছত বা আগত পাশ্চাত্য দীঘলীয়া ডিগ্ৰীৰে বিভূষিত বুদ্ধিজীৱী মহাপণ্ডিত বুলি বঢ়াই কৰি ফুৰা সকলৰ সমাজখনে আজিও গঢ়ি তুলিব পৰা নাই, তেনে কাৰ্য্য পাঁচশ বছৰ পূৰ্বৰ অশিক্ষিত অজ্ঞ সমাজখনত মহাপুৰুষে সমাধা কৰিবলৈ সক্ষম হৈছিল। আচৰিত কথা, মানৱৰ কল্যাণ আৰু সকলো সম্প্ৰদায়ৰ মাজত ঐক্য প্ৰতিষ্ঠা কৰি যোগ্যতা অনুসৰি ধৰ্ম -সমাজ-সংস্কৃতিৰ আসনত বহুৱাব পৰা সত্ৰ-নামঘৰৰ দৰে গণতান্ত্ৰিক অনুষ্ঠান প্ৰকৃতাৰ্থত আজি পৰ্য্যন্ত গঢ়ি তুলিব পৰা নাই।

বৈষ্ণৱ ভকতৰ সত্ৰ-নামঘৰৰ নাম-প্ৰসঙ্গৰ আৰু আধ্যাত্মিক অনুষ্ঠান পাঠ-প্ৰসঙ্গৰ ধৰ্মগ্ৰন্থ 'কীৰ্ত্তন-ঘোষা' আৰু 'নামঘোষা'। মহাপুৰুষ মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰে অসমৰ বিভিন্ন সত্ৰৰপৰা সংগ্ৰহ কৰি দুয়োখন মহান গ্ৰন্থ একথূপ কৰি এটা মহান কাম কৰি থৈ গৈছে। পীড়িত, তাপিত, শোকাভিভূতজনৰ সান্ত্বনাৰ সাৰথি 'কীৰ্ত্তন' আৰু 'নামঘোষা'। দাস্য ভক্তি মাধৱদেৱ পুৰুষৰ জীৱনৰ সৰ্বস্ব। 'নামঘোষা'ত অভিব্যক্ত দাস্য ভক্তিয়ে অসমৰ জনসাধাৰণক উদাৰ, সহিষ্ণু, সমভাবাপন্ন, পৰোপকাৰী, নিৰহঙ্কাৰী, মৃদুভাষী কৰাৰ উপৰিও জ্ঞানী, গুণী, সজাগ সচেতন কৰিছে। যিকোনো দুস্কৃতি, অন্যায়, অনীতিৰ বিৰুদ্ধে মাত মাতি শান্তি শৃঙ্খলা বজাই ৰাখি সমাজক সুন্দৰ কৰি তুলিবলৈ পোৱা শিকনিও লাভ কৰা হৈছে 'কীৰ্ত্তন-ঘোষা'ৰ পৰা। সত্ৰ নামঘৰ, বিভিন্ন সামাজিক উৎসৱ-পাৰ্বন, কাজ-সকাম, ঘৰে ঘৰে কৰা সন্ধিয়াৰ প্ৰাৰ্থনা, ঘৰলৈ অহা অতিথিক মান-সৎকাৰ আদি উপলক্ষে 'নামঘোষা'ত থকা বিভিন্ন বিষয়ৰ ঘোষা মধুৰ সুৰেৰে গাই সুন্দৰ পৰিবেশ গঢ়ি তুলি অন্তৰ পবিত্ৰ কৰি তোলা হয়। 'কীৰ্ত্তন' আৰু 'নামঘোষা'ৰ দৰে ভগৱদ্ভক্তিৰ উদ্ৰেক কৰি যুগ যুগ ধৰি মানুহৰ মনত পৰমানন্দ দান কৰি জীৱন সম্ফল কৰি তুলিব পৰা গ্ৰন্থ বিশ্বৰ ইতিহাসত বিৰল।

**"তুমি চিত্ত বৃত্তি মোৰ প্ৰবৰ্ত্তক নাৰায়ণ**
**তুমি নাথ মঞি নাথৱন্ত।**
**চৰণ-ছত্ৰৰ ছায়াঁ দিয়া দূৰ কৰা মায়া**
**কৰা দয়া মোক ভগৱন্ত।।...ইত্যাদি।**

'নামঘোষা'ত থকা এনে প্ৰাৰ্থনাৰ তুলনা পাবলৈ নাই। পৰমভক্ত মাধৱদেৱে 'কাকুতি' ঘোষাত ভক্তি বিগলিত হৃদয়েৰে ভগৱন্তৰ চৰণত আত্মসমৰ্পণ কৰি গোৱা প্ৰাৰ্থনাৰ কাকুল্যই আজিও প্ৰতিজন ভক্তৰ হৃদয় একেদৰে স্পৰ্শ কৰিব পাৰিছে। ই চিৰনতুন, ভক্ত হৃদয়ৰ ঘৰে ঘৰে আজিও প্ৰকাশ পাই আছে।

**"কিমতে ভকতি কৰিবো তোমাত হৰি এ**
**মঞি মূঢ়মতি নজানো তাৰ উপায় ৰাম ৰাম।**



**ভকতি মিনতি প্ৰণতি নজানো হৰি এ**
**মোত পৰে জ্ঞানশূন্য হীনমতি নাই ৰাম ৰাম।।**
**তুমি প্ৰভু কৃপা ৰসেৰ সাগৰ হৰি এ**
**দিয়ো মোক তুৱা পদ ছায়া তলে ঠাই ৰাম ৰাম।।"**

মহাপুৰুষ শঙ্কৰদেৱৰ 'কীৰ্ত্তন'ৰ 'প্ৰহ্লাদ চৰিত'ত ভক্ত হৃদয়ৰ কাকুতি অতি হৃদয়স্পৰ্শী ঃ

**তোমাৰ চৰণ ছত্ৰৰ ছায়াক**
**কৈসানিনো দিবা মোক।**
**কহিয়ো উপায় কিমতে এড়াঞো**
**নিদাৰুণ দুঃখ শোক।**
**ভৱ বৈতৰণী মাঝে মজিলোঁহো**
**নেড়ে মোক শোক ভয়।**
**তোমাৰ চৰণে শৰণ পশিলোঁ**
**কৃপা কৰা কৃপাময়।।"**

এনে অনেক কাতৰ কাকুতি বাণী 'নামঘোষা' আৰু 'কীৰ্ত্তন-ঘোষা'ত চিত্ৰিত হৈছে, যিবোৰ অমৰ ধৰ্ম বাণী হৈও ভাষা সাহিত্য-সঙ্গীতৰো অমূল্য সম্পদ হৈ পৰিছে।

কুৰি শতিকাৰ আধুনিকতাৰ ওৰণি পিন্ধা সমাজখনত অস্পৃশ্যতা বৰ্জন আৰু সমন্বয় বা ঐক্য-সংহতি স্থাপনৰ বাবে ৰাজহুৱা আৰু চৰকাৰীভাৱে নানা সভা-সমিতি, পৰিষদ পাতি অশেষ শ্ৰম-কষ্ট কৰি অলেখ ধনো খৰচ কৰা হৈছে। সামাজিক আৰু ৰাজনৈতিক সুবিধাবাদীৰ লগতে বিভেদকামীৰ চক্ৰান্তত সেয়া ফলৱতী হোৱা বুলি বাস্তৱতে ক'ব পৰা নাযায়। মহাপুৰুষ শঙ্কৰদেৱে কিন্তু তাহানিৰ সমাজখনত পোন প্ৰথম তেনে প্ৰচেষ্টা হাতত লৈ আন্তৰিকতাৰে জনতাৰ সেৱা আগবঢ়াই কৃতকাৰ্য্যতা লাভ কৰিবলৈ সমৰ্থ হৈছিল। লুইতৰ দুয়োপাৰ আৰু পৰ্বত-ভৈয়ামত বসবাস কৰা কিৰাত, কছাৰী, ভোট, নগা, গাৰো, খাছী, আহোম, ম্লেছ, চণ্ডাল আদি, আনকি যবন পৰ্য্যন্ত সকলোকে সমদৃষ্টিৰে চাই একেলগে কীৰ্ত্তন পদ গাই ভক্ত পাতি এক সমাজভুক্ত কৰি লৈছিল। সেইকালৰ 'কিৰাট খাচী গাৰো, মিৰি, যবন, গোৱাল। অসম মলুক ৰজক তৰুক কুৱাচ ম্লেছ চণ্ডাল।।" সকলোকে ভক্তি ধৰ্মত সমসত্ব দান কৰিছিল। গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, মিৰিৰ বলাই, ভোটৰ দামোদৰ আনকি মুছলমানৰ চান্দসাকো ভক্তি-ধৰ্মত শৰণ দি আজিৰ প্ৰগতিৰ যুগতো আন্তৰিকতা আৰু দৃঢ়তাৰে কৰিব নোৱাৰা কাম মহাপুৰুষ দুজনাই সমাধা কৰি থৈ গৈছে।

শিল্প-বিজ্ঞান-কলা সকলো দিশতে উন্নত বুলি বিশ্বৰ কথা ভাটৌৰ দৰে আওৰাই সন্তুষ্টি লাভ কৰা আজিৰ নতুন পুৰুষ বা বুদ্ধিজীৱীসকলে ঐক্য, সমন্বয়, সংস্কৃতি, সভ্যতা, অস্পৃশ্যতা বৰ্জন আদি দিশৰ আলোচনাত মহাপুৰুষৰ অৱদানৰ ঋণ স্বীকাৰ কৰাৰ বাহিৰে আন্তৰিকতাৰে কোনো বাস্তৱ ব্যৱস্থা হাতত লোৱা চকুত নপৰে। ধৰ্ম আৰু সাহিত্য প্ৰসঙ্গতে গুৰু দুজনাৰ 'কীৰ্ত্তন' আৰু 'নামঘোষা'ৰ কথা গৌৰৱেৰে সোঁৱৰণ কৰাৰ বাহিৰে আন গতি কি আছে ? আধুনিক অসমীয়া ভাষাত মহাপুৰুষ দ্বয়ৰ বিখ্যাত কাব্যৰ প্ৰভাৱত নানা গ্ৰন্থ ৰচনা কৰা হৈছে।

উল্লেখযোগ্য যে মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ-মাধৱদেৱে সেই কালৰ আঞ্চলিক কামৰূপী তথা অসমীয়া ভাষাত ৰচনা কৰা সাহিত্যত 'ভাৰতবৰিষ' (ভাৰতবৰ্ষ)ৰ উল্লেখ কৰি মনুষ্য জনমৰ সাৰ্থকতা দাঙি ধৰিছে ঃ

**'কোটি কোটি জন্ম অন্তৰে যাহাৰ**
**আছে মহাপুণ্যৰাশি।**
**সি সি কদাচিত মনুষ্য হোৱয়**
**ভাৰতবৰিষে আসি ।।' (কীৰ্ত্তন)**

**"ভাৰতে মনুষ্য জন্ম নুহিকে সেস্থৰে**
**তোমাক নভজি আত্মঘাত কৰি মৰে।" (কীৰ্ত্তন)**

**"ভাৰত ৰত্নৰ-দ্বীপ মনুষ্য শৰীৰ নৌকা**
**ৰাম-নাম মহাৰত্ন সাৰ।**
**হেনয় বাণিজ্য পাই যিটো জীৱে নকৰিলে**
**তাত পৰে সুখী নাহি আৰ।।" (নামঘোষা)**

ভাৰতবৰ্ষৰ লগত কামৰূপ-অসমৰ প্ৰাচীন তত্ত্বৰ সম্পৰ্কৰ লগতে বহু পুণ্যৰ ফলত ভাৰতত জন্ম লাভ কৰা সকলোকে ভক্তি ধৰ্মত মন নিয়োজিত কৰি জীৱন সফল

করি তুলিবলৈ 'কীৰ্ত্তন' আৰু 'নামঘোষা'ত গুৰু দুজনাই আহ্বান জনাইছে। অকল ভাৰতবৰ্ষেই নহয়, সমগ্ৰ বিশ্বৰ মানৱ জাতিলৈ এই আধ্যাত্মিকতাৰ আহ্বান নিশ্চয়কৈ প্ৰযোজ্য।

"জগততে বিষ্ণু আছন্ত ব্যাপি।
শুনিয়া তাক নুবুজয় পাপী।।
স্ত্ৰী-মদ্য-মাংস সেৱাৰ কথা।
কৈ মৰে কৈ মৰে জন্ম-বৃথা।।
শুনা সৰ্বজন ঐত কেদিন জীৱন।
বোলা হৰি হৰি আছে যাৱত চেতন।। (কীৰ্ত্তন)

বিশ্ব ব্ৰহ্মাণ্ডৰ সকলো জীৱৰ পালক সৰ্বশক্তিমানক 'নাম-ঘোষা'ত তুতি কৰা হৈছে ঃ

আমি যত জীৱ তোমাৰ পালন
হৰি হৰি হৰি হৰি
তুমিসে পালিয়া ফুৰা হুয়া অন্তৰ্যামী।।"
সমগ্ৰ মানৱ এক ভগৱানৰ সন্তান।

'যত জীৱ জঙ্গম, কীট-পতঙ্গম, অগ নগ জগ তেৰি কায়া।' জ্ঞান বিবেকৰ অধিকাৰী মানৱে এখন সমাজ, এটা জাতিভুক্ত হৈ বসবাস কৰাটো নিতান্ত প্ৰয়োজন। "ভাই-ভাই" ভাবেৰে চলাটো প্ৰতিজন লোকৰ কৰ্তব্য। মানৱ সমাজত ভাতৃত্ব-বোধ জগাই তোলাৰ আহ্বান 'কীৰ্ত্তন-ঘোষা' ত গুৰু দুজনাই জনাইছিল ঃ

"ৰাম পাৰে কৰা ৰতি।
ভাই ৰামৰ নামেসে গতি।।" (কীৰ্ত্তন)

"ভাল উপায় পাইলোঁ ভাই ভাই এ
ৰাম নাম নিগম ৰহস্য।।" (নামঘোষা)

নিজক মূৰুখমতি বুলি কৈ সকলো লোকক 'ভাই' বুলি সম্বোধন কৰি মাধৱদেৱ পুৰুষে "নামঘোষা'ৰ সামৰণি পেলাইছে ঃ

"জানিয়া ভজিয়া ভাই ভগৱন্ত পাৱে।
এহু ৰস মাধৱ মুৰুখমতি গাৱে।।"

অসমৰ মাটি-পানী-বায়ু সেৱনৰ দ্বাৰা জাতীয় ভাৱত উদ্বুদ্ধ হোৱা লোক মাত্ৰেই জাতি-বৰ্ণ-সম্প্ৰদায় নিৰ্বিশেষে আজিও ভ্ৰাতৃত্ব ভাবত, সম্প্ৰীতি সদ্ভাৱত শান্তিৰে বসবাস কৰাটো বিশেষ উল্লেখযোগ্য। মহাপুৰুষৰ এই প্ৰভাৱে অসমীয়া জাতীয় জীৱন মহীয়ান কৰি তুলিছে।

আধ্যাত্মিক জগতৰ অমূল্য সম্পদ, অসমীয়া ধৰ্ম-ভাষা-সাহিত্যৰ কীৰ্ত্তিস্তম্ভ, সাঙ্গীতিক সকলো গুণেৰে বিভূষিত ভকতি ৰস ৰঞ্জিত 'কীৰ্ত্তন-ঘোষা' আৰু 'নাম-ঘোষা'ৰ অসমৰ জাতীয় জীৱনত পৰা প্ৰভাৱ অসীম, অতুলনীয়। যশোদাই শিশুপুত্ৰ শ্ৰীকৃষ্ণৰ গৰ্ভত সমস্ত জগতৰ লগতে নিজকো দেখাৰ দৰে অসমৰ বায়ু-পানী - অন্নেৰে পৰিপুষ্ট জাতীয় ভাবাপন্ন লোকে নিজক, সমূহ লোক তথা জাতিক মহাপুৰুষ দ্বয়ৰ মহান গ্ৰন্থ দুখনত সুন্দৰভাৱে দেখিবলৈ পাইছে। অসমৰ আধ্যাত্মিক, সাংস্কৃতিক, সামাজিক তথা জাতীয় গুৰু অপৰিসীম প্ৰতিভাশালী আৰু ব্যক্তিত্বসম্পন্ন মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱে আন কোনো গ্ৰন্থ নিলিখাহেঁতেনো অকল 'কীৰ্ত্তন-ঘোষা' আৰু 'নামঘোষা'ৰ বাবে দুয়োজনা 'মহাপুৰুষ' হৈ ধৰ্ম-ভাষা-সংস্কৃতি জগতত অমৰ হৈ ৰ'লহেঁতেন।

মহাপুৰুষৰ অমৰ আদৰ্শ যুগে যুগে অসমীয়া জনগণ তথা জাতীয় জীৱনৰ সাৰথি হৈ আছে আৰু চিৰকাল থাকিব। অৱক্ষয়প্ৰাপ্ত নৈতিক, আধ্যাত্মিক, সাংস্কৃতিক তথা সাম্প্ৰতিক জাতীয় জীৱনক সুন্দৰ আৰু সুস্থ কৰি তুলিবলৈ, মহাপুৰুষ দ্বয়ৰ আধ্যাত্মিক আৰু সাংস্কৃতিক আদৰ্শক নতুন দৃষ্টিভঙ্গীৰে জীৱন্ত কৰি তুলিবলৈ প্ৰতিজন অসমীয়া তথা নতুন পুৰুষ আগবাঢ়ি আহিলে অসমীয়া সমাজ আৰু জাতি নিঃসন্দেহে চিৰসুন্দৰ আৰু সুস্থ-সবল হৈ বিশ্বত জিলিকি থাকিব পাৰিব।

●●●



# বাৰ্ট'ল্ট্ ব্ৰে'খ্ট্ আৰু তেওঁৰ নাট্যৰীতি

জয়শ্ৰী শইকীয়া, স্নাতক দ্বিতীয় বৰ্ষ



বিশ্বৰ নাট্য-সাহিত্যক আলোড়িত আৰু প্ৰভাৱিত কৰা নাট্যকাৰসকলৰ ভিতৰত জাৰ্মানীৰ বাৰ্ট'ল্ট্ ব্ৰে'খ্ট্ নিঃসন্দেহে এজন। অকল নাট্যকাৰেই নে? নাট-পৰিচালক, সাহিত্যিক, কবি, চিন্তাবিদ, যুদ্ধ-বিদ্বেষী, সাম্ৰাজ্যবাদ-বিদ্বেষী, ফেচিজীম্-বিদ্বেষী — এই সকলোৰে মনত প্ৰভাৱ বিস্তাৰ কৰিব পৰা নামটোৱেই হৈছে বাৰ্ট'ল্ট্ ব্ৰে'খ্ট্। ১৮৯৮ চনত জাৰ্মানীৰ মিউনিক্ চহৰৰপৰা ৪০ মাইল আঁতৰত অৱস্থিত আউচ্‌বুৰ্গ চহৰত জন্ম গ্ৰহণ কৰা এই প্ৰখ্যাত লোকজনৰ নামৰ লগত জড়িত হৈ আছে —- মানুহ নামৰ প্ৰাণীটোক লৈ ৰচনা কৰা সুদীৰ্ঘ কাহিনী। ওঠৰ শতিকাৰ কাব্য-জগতৰ 'অদম্য সম্ৰাট' আলেক্‌জেণ্ডাৰ্ পোপে কৈছিল — 'The proper study of mankind is man'. বাস্তৱিকতে ব্ৰে'খ্টে দেখুৱাব খুজিছিল যে মানুহৰ অধ্যয়নৰ উপযোগী বিষয়সমূহৰ ভিতৰত অন্যতম হৈছে মানুহ নিজেই। হয়তো সেয়ে, বিংশ শতিকাৰ সমাজজীৱনৰ বিভিন্ন সৰু-বৰ সমস্যাবোৰে ঠাই পাইছিল তেওঁৰ মূল্যবান কৰ্মৰাজিত।

দুখন উপন্যাস, পঞ্চাশৰো অধিক নাটক, অসংখ্য চুটিগল্প আৰু দুশৰো অধিক কবিতাৰ স্ৰষ্টা ব্ৰে'খ্ট্ প্ৰকৃততেই আছিল এক মহৎ শিল্পী। সমাজ-জীৱনত আৰু সমগ্ৰ বিশ্বত মানুহৰ স্থান সম্পৰ্কে নতুন মূল্যায়ন দাঙি ধৰোঁতে, কুসংস্কাৰ আৰু অন্যায়ৰ বিৰুদ্ধে থিয় দিওঁতে তেওঁৰ তত্ত্ব আছিল বাস্তৱধৰ্মী। নীতি, ন্যায় আত্মতুষ্টিৰ মুখা পিন্ধি যিসকলে দুখী-দৰিদ্ৰক উৎপীড়ন কৰে, শোষণ কৰে, তেওঁলোকক কঠোৰভাৱে আক্ৰমণ কৰি ভণ্ডামি, অসৎ বৃত্তি, গোপন পাপাচাৰ আদি আঁতৰ কৰিবলৈ সঁকিওৱা তেওঁৰ সাহসী পদক্ষেপ প্ৰকট হৈ উঠিছে তেওঁৰ বিখ্যাত নাটক – 'দ্য থ্ৰী পেনি অপেৰা' (The three penny opera), 'মেহগনি' (Mahagoany) 'দ্য মাদাৰ্ কাৰেজ্ এণ্ড হাৰ্ ছিলড্ৰেন্' (The mother courage and her children) আদি নাটকত। তেওঁৰ মহত্তম আৱিষ্কাৰ 'এপিক্ থিয়েটাৰে' তেওঁৰ এই কাৰ্যত প্ৰভূত অৰিহণা যোগাইছে যি বিশ্বৰ

নাট্যপ্ৰেমীসকলক তেওঁৰ বিষয়ে জানিবলৈ স্বাভাৱিকতে উৎসুক কৰি তুলিছে।

দুখন বিশ্বযুদ্ধ, ফেচিবাদৰ উত্থান-পতন, প্ৰথম সমাজবাদী দেশ ছোভিয়েট-ৰুচিয়াৰ জন্ম আৰু বিকাশ, নাৎসী জাৰ্মানীৰ অধঃপতন আৰু জাৰ্মান জনবাদী প্ৰজাতন্ত্ৰৰ অভ্যুত্থান— তেওঁৰ জীৱিত কালত ঘটা এই ঐতিহাসিক ঘটনাসমূহে তেওঁৰ লগতে তেওঁৰ ৰচনাৱলীকো গুৰুতৰ ভাৱে প্ৰভাৱিত কৰিছে। ১৯১৮ চনৰ পৰা দ্বিতীয় বিশ্বযুদ্ধৰ সময়লৈকে জাৰ্মান জাতিৰ ওপৰত প্ৰবল ধুমুহা বৈছিল। কাইজাৰ, শিল্পপতি আৰু নাৎসীবাদৰ সমাজব্যৱস্থাই শোষণ, উৎপীড়ণ আৰু বিপৰ্যয়ৰ মাজেদি জাৰ্মানীৰ ঘৰুৱা পৰিৱেশৰ লগতে আতঙ্কিত কৰি তুলিছিল সেইসময়ৰ চফল ডেকা ব্ৰে'খ্‌টকো। ব্ৰে'খ্‌টৰ নাট্যজীৱন আৰম্ভ হৈছিল ১৯১৮ চনত তেওঁৰ কুৰি বছৰ বয়সত 'Ballad of the Dead Soldier' নামৰ নাটকখনৰ জৰিয়তে। এইখন প্ৰথম মঞ্চস্থ হয় ১৯২৩ চনত, তেওঁ 'মিউনিক্ থিয়েটাৰ হল'ৰ লগত জড়িত থকাৰ সময়তে। অৱশ্যে সেইসময়ৰ জাৰ্মানীৰ প্ৰচলিত নাটকবোৰৰ দৰেই এই অভিব্যক্তিমূলক নাটকখনত নাছিল কোনো ৰাজনৈতিক বা আৰ্থ-সামাজিক চিন্তাৰ আভাস। ১৯২১ চনৰ পৰা'২২ লৈকে 'মিউনিক্ বিশ্ববিদ্যালয়'ত ঔষধি-বিজ্ঞান আৰু প্ৰকৃতি-বিজ্ঞানৰ শিক্ষা লোৱাৰ পিছত ১৯২৮ চনত জন্ প্ৰে ৰচিত 'দ্য বে'গাৰ্চ্ অ'পেৰা' (১৭২৮) খনৰ ওপৰত ভিত্তি কৰি তেওঁ লিখি উলিয়ালে তেওঁলৈ প্ৰথম আন্তৰ্জাতিক খ্যাতি কঢ়িয়াই অনা নাটক 'দ্য থ্ৰী পেনী অপেৰা' (The three penny opera)। প্ৰথম বিশ্বযুদ্ধৰ তিক্ত অভিজ্ঞতাই সমাজতন্ত্ৰৰ প্ৰতি তেওঁক আগ্ৰহশীল কৰাৰ ফলস্বৰূপে এই নাটকতে পোন প্ৰথমবাৰৰ বাবে ব্ৰে'খ্‌টৰ বৈপ্লৱিক চিন্তাধাৰা আৰু তেওঁৰ ওপৰত মাৰ্ক্সবাদৰ প্ৰভাৱ স্পষ্টকৈ দেখা যায়। ইতিমধ্যে ১৯৩৩ চনত নাৎসীবাদৰ প্ৰধান কৰ্তা হিটলাৰৰ উৎপীড়ণত অতীষ্ঠ হৈ ব্ৰে'খ্‌টে স্বদেশ ত্যাগ কৰে। ১৯৩৩ চনৰপৰা ১৯৪৭ চনলৈ ব্ৰে'খ্‌টে নাৎসীবাদ আৰু ইয়াৰ মিত্ৰপক্ষৰ বিৰুদ্ধে অবিৰত সংগ্ৰাম চলাইছিল। 'The fear and the misery of the third Reich' নামৰ নাটকখনৰ জৰিয়তে ব্ৰে'খ্‌টে হিটলাৰৰ শাসনৰপৰা উদ্ভৱ হোৱা ভয়াবহ জীৱন-ধাৰণ আৰু ফেচিবাদৰ বিৰুদ্ধে গঢ়ি উঠা গণবিক্ষোভ বঢ়িয়াকৈ বৰ্ণাইছিল। ১৯৩৫ আৰু ১৯৩৭ চনত পেৰিচ আৰু মাদ্ৰিদত অনুষ্ঠিত বিশ্ব লেখক সন্মিলনত তেওঁ যুক্তি আৰু উদাহৰণসহ দাঙি ধৰিলে যে সাম্ৰাজ্যবাদ আৰু পুঁজিবাদৰ সংকটৰ মাজেদি ফেচিবাদে মূৰ তুলি উঠিছিল। ফেচিবাদ আৰু যুদ্ধৰ সম্পৰ্ক অত্যন্ত স্বাভাৱিক আৰু বিৰামহীন। নিঃসন্দেহে তেওঁৰ ৰাজনৈতিক চিন্তাধাৰা এই মতবাদৰ ওপৰত প্ৰতিষ্ঠিত হৈছিল। এই সময়ছোৱাতে ব্ৰে'খ্‌টে তেওঁৰ 'Man equals Man,' 'Mahagony', 'The life of Galileo', 'The caucasion chalk circle' আদি অনেক নাটকৰ জৰিয়তে মানুহে নিজৰ ভাগ্যৰ অনিশ্চয়তা, ভয়, ভীতি, মৃত্যুৰ হাতত বিপন্ন নকৰি বৰং সংকটৰপৰা কেনেকৈ নিজকে ৰক্ষা কৰিব পাৰে তাৰ ব্যাখ্যা, বিশ্লেষণ আৰু বৰ্ণনা কৰিছিল। ৰাজনীতি, অৰ্থনীতি আৰু সমাজনীতিৰ দৈনন্দিন পথ ব্যাখ্যা কৰি দৰ্শক-শ্ৰোতাক নিজস্ব অভিমত গঢ়ি তুলিবলৈ আহ্বান জনাইছিল। সেই একে উদ্দেশ্যেৰে পূৰ্বৰ নাট্য-পৰম্পৰাক ভাঙি নতুন নাটক, নতুন অভিনয়—শৈলী আৰু নতুন মঞ্চপৰিকল্পনাৰে তেওঁ বিশ্বত আলোড়ণ সৃষ্টি কৰিলে — - যিদৰে ১৯১৪ চনৰ প্ৰথম বিশ্বযুদ্ধৰ সময়ৰ জাৰ্মানীৰ সম্ৰাট কাইজাৰ্ উইলহেল্মৰ অত্যাচাৰৰ পৰা সেই দেশৰ জনসাধাৰণক মুক্তিৰ পথ দেখুৱাইছিল , জাৰ্মান মনীষী ফ্ৰান্‌ৎস্ কাফ্‌কাই তেওঁৰ বিখ্যাত গ্ৰন্থ 'লেটাৰ্ টু হিজ্ ফাদাৰ'ৰ জৰিয়তে। হিটলাৰৰ পতনৰ লগে লগে ১৯৪৮ চনত ব্ৰে'খ্‌ট্ বাৰ্লিনলৈ আহে। জাৰ্মানী বিভক্ত হৈ পূব আৰু পশ্চিমখণ্ডৰ নামকৰণ হোৱাত তেওঁ পূব বাৰ্লিনত থাকিবলৈ লয়। ইয়াতেই 'বাৰ্লিনাৰ এনচেম্বল্' (Berliner Ensamble) নামৰ ৰংগমঞ্চ প্ৰতিষ্ঠা কৰি তেওঁৰ নাটকসমূহৰ নিয়মিত অভিনয় কৰে। ১৯৫৫ চনত তেওঁক 'আন্তঃৰাষ্ট্ৰীয় লেনিন শান্তি বঁটা'ৰে সন্মানিত কৰাৰ এবছৰ পিছতে ১৯৫৬ চনত তেওঁ ইহলীলা সম্বৰণ কৰিলে। তেওঁৰ মৃত্যুত হোৱা জাৰ্মান থিয়েটাৰৰ অপূৰণীয় ক্ষতিয়ে সমগ্ৰ বিশ্বৰ নাট্যসাহিত্যিকেই প্ৰভাৱান্বিত কৰিলে।

দৃশ্যকাব্য আৰু শ্ৰব্যকাব্য একত্ৰিত কৰি ব্ৰে'খ্‌টে যি নতুন নাট্য-পদ্ধতি উদ্ভাৱন কৰিছে তাক বিখ্যাত নাট্য-পৰিচালক আৰ্‌উইন্ পিচ্‌কাটোৰে (Erwin Piscator) নামকৰণ কৰিছে 'এপিক্ থিয়েটাৰ' বুলি। নাট্য-জীৱনৰ আৰম্ভণিতে ব্ৰে'খ্‌টে ঘোষণা কৰিছিল যে আধুনিক জগতক প্ৰতিফলিত কৰাৰ একমাত্ৰ উপায় হৈছে 'এপিক্



থিয়েটাৰ্'। ব্ৰে'খ্‌টৰ পূৰ্বে জাৰ্মানীৰ নাটক আৰু ইয়াৰ মঞ্চৰীতিৰ ক্ষেত্ৰত গা-কৰি উঠা জাকজমকতাত নাটক হৈ পৰিছিল গৌণ; য'ত বিষয়বস্তুৰ বেলিকা এক আধ্যাত্মিক দৰ্শনৰ ওপৰত ভিত্তি কৰি নাট্য-ভংগীৰ গঢ় দিয়া হয় আৰু সমাজৰ চিত্ৰ মানেই আছিল অভিজাত শ্ৰেণীৰ প্ৰেম-প্ৰীতি, লাহ-বিলাহ আদিৰ নাটকীয় ৰূপ। এনে নাটক দেখিলে ভাৱ হয় সেইখন সমাজত যেন দুঃখ-দৈন্যৰ কোনো চিনেই নাই। ব্ৰে'খ্‌টে অনুভৱ কৰিছিল যে পুঁজিবাদী সমাজত বুৰ্জোৱা নাট্যকাৰ, অভিনেতা, পৰিচালক আদি আটায়ে লগ হৈ সৰ্বহাৰা আৰু শ্ৰমিক শ্ৰেণীৰ বিৰুদ্ধে এক বিৰাট ষড়যন্ত্ৰ কৰি আহিছে যাতে চিৰকাল আবেগ-অনুভূতিৰ বশৱৰ্তী হৈ থাকি তেওঁলোক কোনো বৈপ্লৱিক চিন্তাৰ দ্বাৰা উদ্বুদ্ধ হ'ব নোৱাৰে। এইবোৰ কাৰণতে তেওঁ বিদ্ৰোহ ঘোষণা কৰিলে প্ৰচলিত নাট্যৰীতিৰ বিৰুদ্ধে। আচলতে ব্ৰে'খ্‌ট্ স্বভাৱতেই আছিল এজন বিদ্ৰোহী আৰু তেওঁৰ সমগ্ৰ সৃষ্টি এই বিদ্ৰোহী মনৰেই ফচল। মঞ্চত বাস্তৱক হুবহু ৰূপায়িত কৰাৰ উদ্দেশ্যেৰে নাট্যৰীতিৰ লগতে মঞ্চৰীতিৰো সংস্কাৰ সাধন কৰি নাট্যজগতলৈ নতুনত্ব আনিলে। ইয়াত অকল চৰিত্ৰ সৃষ্টি, সংলাপ আৰু অংগাভিনয়ৰ মাজতে নাটক আৱদ্ধ হৈ থকা নাই। গীত গোৱা, সংলাপ প্ৰক্ষেপণ কৰা, বক্তৃতা দিয়া, কবিতা আবৃত্তিৰ মাজেৰে এটি কাহিনী ৰূপ দিয়া হয়। তাতেই 'এপিক্ থিয়েটাৰ'ৰ জন্ম।

আমোদজনক কথা এই যে , ইয়াত 'এপিক্' শব্দটো এৰিষ্ট'টলীয় অৰ্থতেই ব্যৱহাৰ কৰা হৈছে যদিও ব্ৰে'খ্‌টে এৰিষ্ট'টল্ আৰু তেওঁৰ অনুগামীসকলে অনুমোদন কৰা পৰম্পৰাগত ৰোমান্টিক আৰু ভেজাল বাস্তৱবাদী নাটকৰ ঘোৰ বিৰোধিতা কৰিছিল। এৰিষ্ট'টলীয় সংজ্ঞামতে, নাটকৰ কাহিনীৰ অন্তৰ্গত ঘটনাসমূহৰ মাজত অবিচ্ছেদ্য সম্পৰ্ক বিৰাজ কৰাৰ বিপৰীতে, ব্ৰে'খ্‌টৰ নাটকসমূহত নাট্যকাহিনীৰ অন্তৰ্গত পৰিস্থিতিসমূহৰ মাজত তেনে সম্পৰ্ক স্থাপন নহয়। উদাহৰণস্বৰূপে, ব্ৰে'খ্‌টৰ বিখ্যাত নাটক 'ককেচিয়ান্ চক্ ছাৰ্ক্‌ল্ (Caucasian chalk circle) ৰ তিনিটা অংশৰ প্ৰতিটোকেই স্বতন্ত্ৰভাৱে উপভোগ কৰিব পাৰি য'ত অংক তিনিটাৰ মাজত এক ক্ষীণ সম্পৰ্কহে ৰক্ষিত হয়। আগৰ নাটকসমূহত লক্ষ্যত উপনীত হওঁতে বাস্তৱমুখী আবেগক মূলধন স্বৰূপে ব্যৱহাৰ কৰা হৈছিল। কিন্তু এপিক্ থিয়েটাৰত বিবেচনা সাপেক্ষ বুদ্ধি আৰু জ্ঞানক মূলধন কৰা হৈছে। নাটকীয় যি মানসিক উদ্বেগ তাক অগ্ৰাহ্য কৰি ব্ৰে'খ্‌টে প্ৰাধান্য দিলে যুক্তি, বাখ্যা আৰু বিশ্লেষণক। কাৰণ, তেওঁৰ লক্ষ্য আছিল দৰ্শক-শ্ৰোতাক চিন্তাৰ খোৰাক যোগোৱা, আবেগ সঞ্চাৰ কৰা নহয়। তেওঁ আশা কৰিছিল সমাজৰ সৰ্বহাৰা আৰু শ্ৰমিক শ্ৰেণীয়ে এসময়ত পৰিকল্পিতভাৱে চিন্তা কৰিবলৈ শিকিব আৰু নিজৰ বিভিন্ন সমস্যাবোৰ নিজেই সমাধা কৰাত যত্নপৰ হ'ব, যি তেওঁলোকক 'মানুহ' হিচাপে সমাজত জীয়াই থকাৰ বাবে প্ৰকৃত অৰ্থত উপযুক্ত কৰিব পাৰিব। 'এপিক্ থিয়েটাৰ'ক ব্ৰে'খ্‌টে মাৰ্ক্সীয় থিয়েটাৰ হিচাপে উল্লেখ কৰিছিল যদিও মাৰ্ক্সীয় থিয়েটাৰ হিচাপে গঢ়ি তুলিবলৈ কোনো স্পষ্ট নিৰ্দেশনা দিয়া নাই। ব্ৰে'খ্‌টৰ চৰম লক্ষ্য আছিল দৰ্শকৰ সামাজিক সচেতনতা জাগ্ৰত কৰাৰ লগতে মাৰ্ক্সীয় পথ অৱলম্বন কৰোৱা। ব্ৰে'খ্‌টে দৰ্শকক আহ্বান জনাইছিল আবেগ অনুভূতিৰ দাস নহৈ নাটকৰ ঘটনাৰ কেৰোণ ক'ত তাক বিচাৰ কৰি চাবলৈ। পৃথিৱীখন পৰিৱৰ্তনশীল। মানৱজীৱনো তদ্ৰূপ। সেয়েহে পুৰণি সমাজৰ এলান্ধু গুচাই পৰিৱৰ্তনৰ জৰিয়তে এখন সুস্থ-সবল, শোষণহীন, শ্ৰেণী- বিবৰ্জিত সমাজ সৃষ্টি কৰাৰ মুখ্য উদ্দেশ্য আগত ৰাখি ব্ৰে'খ্‌টে অতীতৰ কাহিনী বুটলি লৈছিল। ইতিহাসক নাটকৰ আধাৰ কৰি লোৱাটো নিঃসন্দেহে ব্ৰে'খ্‌টৰ বুদ্ধিমত্তাৰ পৰিচায়ক। কাৰণ, ব্ৰে'খ্‌টৰ নাটকৰ মূলমন্ত্ৰ-পদদলিত, শোষিত জনগণক শ্ৰেণী-সংগ্ৰামলৈ আহবান। ব্ৰে'খ্‌টৰ মতে ধনতান্ত্ৰিক সমাজত শোষিত শ্ৰেণীয়ে নিজৰ অস্তিত্ব ৰক্ষাৰ খাতিৰত সদায় শ্ৰেণী-সংগ্ৰামত লিপ্ত থাকিবলৈ বাধ্য। অতীতৰ ঘটনাৱলীয়ে শোষিত কৃষক-বনুৱাক শ্ৰেণী-সংগ্ৰাম শক্তিশালী কৰাত যথেষ্ট অৰিহণা যোগাব। এই আদৰ্শ আগত ৰাখি তেওঁ 'এপিক্ থিয়েটাৰ'ৰ ভিত্তি কৰি লৈছে একো একোটা ঐতিহাসিক ঘটনা। ব্ৰে'খ্‌টৰ অদ্বিতীয় কীৰ্তি 'মাদাৰ্ কাৰেজ্' (Mother Courage) খনৰ পটভূমি হৈছে ফিউদেল্ যুগীয় সপ্তদশ শতিকাৰ ত্ৰিশ বছৰীয়া ধৰ্মযুদ্ধ। ব্ৰে'খ্‌ট্ এই ধৰ্মযুদ্ধৰ ঘোৰ বিৰোধী আছিল। নাট্যকাৰে এই নাটকত সামৰিক জীৱনৰ ব্যংগৰূপ অংকন কৰি, যুদ্ধৰ ধ্বংসলীলাৰ দৃশ্য দাঙি ধৰাৰ চলতে, মানুহৰ দৈনন্দিন জীৱনৰ ব্যংগৰূপ অংকন কৰি তাক উদঙাই দেখুৱাইছে। ইয়াত ব্ৰে'খ্‌টে দেখুৱাইছে যুদ্ধৰ পৃষ্ঠপোষক, পৰিচালকসকলৰ যুদ্ধৰ নামত অন্যায়ভাৱে

অৰ্থ সংগ্ৰহ কৰা কাৰ্য্য। কূটনীতিয় সম্প্ৰসাৰণবাদিতাই যুদ্ধৰ ধ্বংসলীলা আমন্ত্ৰণ কৰি অনাৰ লগতে দুৰ্নীতিৰদ্বাৰা অৰ্থসংগ্ৰহৰ পথো মুকলি কৰে। সেয়েহে তেওঁ দলিত-পীড়িতক বিপ্লৱৰ পথলৈ আহ্বিবলৈ ৰিঙিয়ায়। ই যেন মহাকাব্য ৰামায়ণ, মহাভাৰতৰ ৰাম-ৰাৱণ আৰু কৌৰৱ-পাণ্ডৱ ৰ যুদ্ধ নাইবা ইলিয়াদ্-ওদিছীৰ গ্ৰীক বীৰসকলৰ যুদ্ধলৈ আহ্বান। সাম্যবাদৰ ওপৰত ব্ৰে'খ্‌টৰ দৃঢ় বিশ্বাস 'Mother' নামৰ নাটকখনত সুন্দৰ ভাৱে প্ৰতিফলিত হৈছে। গৰ্কিৰ বিখ্যাত উপন্যাস 'মা'ৰ অৱলম্বনত ব্ৰে'খ্‌টে এইখন ৰচনা কৰিছিল। মূল উপন্যাসখন যদিও ১৯০৭ চনতে লিখা, তেওঁ ১৯১৭ চনৰ অক্টোবৰ বিপ্লৱৰ বিজয় গৌৰৱৰ ঘটনাৰে ইয়াক নাটকীয় ৰূপত সজাই মেলি লৈছিল — যুগৰ মৌলিক পৰিৱেশৰ লগত খাপ খুৱাই। নাটকৰ মূল চৰিত্ৰ পেলাগিয়া (মা)ৰ সৈতে সামাজিক বিৱৰ্তনৰ সাৰ্থক বাট দেখুওৱা মাৰ্ক্সবাদক একেস্বৰতে নাট্যকাৰে সংযোগ কৰিছে।

ব্ৰে'খ্‌টে দৰ্শক-শ্ৰোতাৰ সচেতনতা জাগ্ৰত কৰাৰ উদ্দেশ্যেৰে কাঢ়া নীতি পোষণ কৰিছিল যে অভিনেতা এজনে অভিনয় কৰোঁতে চৰিত্ৰটোৰ মাজত বিলীন হৈ যাব নালাগে। অভিনেতাজনে সদায় মনত ৰখা উচিত যে তেওঁ চৰিত্ৰটোৰ অভিনয়হে কৰিছে তেওঁ নিজে সেই চৰিত্ৰটো নহয়। ব্ৰে'খ্‌টৰ ইচ্ছা-দৰ্শক-শ্ৰোতাই যেন পৰ্যবেক্ষক হিচাপে নাটকৰ ঘটনালৈ নিৰীক্ষণ কৰে, অনুসন্ধিৎসু দৃষ্টিৰে আৰু তাৰ প্ৰতিকাৰৰ বাবে চিন্তাশক্তিৰ আশ্ৰয় লয়। নাটকীয় পৰিস্থিতিৰ লগত যাতে দৰ্শক একাত্মীভূত হৈ নপৰে তাৰ বাবে মাজে সময়ে গীত পৰিৱেশন কৰা হয়। নাট্য-চৰিত্ৰৰ মুখত অনাৱশ্যকীয়ভাৱে দীঘলীয়া বচন দিয়া হয়; যাতে দৰ্শকৰ মনোযোগ বিছিন্ন হয়। ১৮শ শতিকাৰ নাটকত ইব্‌চেনে ত্যাগ কৰা 'স্বগতোক্তি' ব্ৰে'খ্‌টে বিংশ শতিকাত আকৌ ব্যৱহাৰ কৰিলে alienation effect-ৰ সুবিধাৰ বাবে। আনকি ব্ৰে'খ্‌টীয় নাটকত নাট্য-চৰিত্ৰই পোনে পোনে দৰ্শকলৈ সংলাপ প্ৰক্ষেপণো কৰে। এই সকলোবোৰ কৰাৰ মূলতে আছিল জনগণৰ চিন্তাশক্তি জাগ্ৰত কৰাৰ উদ্দেশ্যেৰে তেওঁলোকক নাটকৰ প্ৰদৰ্শনীৰ সময়ত নাট্য-চৰিত্ৰৰ আবেগ-অনুভূতিৰ পৰা বিছিন্ন কৰি ৰখাটো। ব্ৰে'খ্‌টৰ এই ৰীতিক কোৱা হয় "বিচ্ছেদীকৰণ ৰীতি" (alienation effect)। সাধাৰণতে প্ৰচলিত নাটকত বাস্তৱ পৰিস্থিতি সৃষ্টি কৰিবৰ কাৰণে মঞ্চত পোহৰ নিয়ন্ত্ৰণ কৰা হয় আৰু তাৰ ফলপ্ৰসূ অংশ হিচাপে প্ৰেক্ষাগৃহক, নাটক চলি থকা সময়ত আন্ধাৰ কৰি ৰখা হয়। কিন্তু ব্ৰে'খ্‌টৰ নাটকত বিচ্ছিন্নকৰণৰ 'টেক্‌নিক্' সাফল্যমণ্ডিত কৰিবলৈ মঞ্চত উজ্জ্বল পোহৰৰ ব্যৱস্থাৰ উপৰিও প্ৰেক্ষাগৃহকো পোহৰ কৰি ৰখা হয়। ব্ৰে'খ্‌টে alienation effect সৃষ্টিৰ বাবে মঞ্চত খণ্ড খণ্ড দৃশ্যপটৰ পৰিকল্পনাৰে দৰ্শকৰ সমুখতে মঞ্চসজ্জা কৰে। বিচ্ছেদীকৰণৰ বাবেই ব্ৰে'খ্‌টে মঞ্চত বোৰ্ডৰ ব্যৱহাৰ কৰি প্ৰতিটো ঘটনাৰে স্থান আৰু কালৰ নিৰ্দেশ দিছিল। এটা ঘটনা শেষ হোৱাৰ লগে লগে আন এটা ঘটনাৰ সাৰাংশ দাঙি ধৰিছিল। এই প্ৰসংগত আমাৰ দেশৰ লোকনাট্যৰ যি পৰম্পৰা তাৰ লগত ব্ৰে'খ্‌টৰ 'এপিক্ থিয়েটাৰ'ক ৰিজাব পাৰি। ওজাপালি, ঢুলীয়া-ভাৱৰীয়া আদিত ঘটনা আৰু চৰিত্ৰ বৰ্ণনাৰ যি পদ্ধতি, ব্ৰে'খ্‌টৰ নাটকতো ঠিক তেনে পদ্ধতিকেই কম-বেছি পৰিমাণে লক্ষ্য কৰা হয়। মুঠতে, ব্ৰে'খ্‌টৰ মূল কথা আছিল — নাটক এখনৰ অভিনয় চলি থকা অৱস্থাত দৰ্শকৰ মনত এই ভাৱে ক্ৰিয়া কৰি থাকিব লাগিব যে, তেওঁলোকে বাস্তৱ জীৱনত চলি থকা ঘটনাৰ সন্মুখীন হোৱা নাই, বৰঞ্চ শুনিছে বহুদিন পূৰ্বে কোনো ঠাইত সংঘটিত হোৱা এটা ঘটনাৰ বিৱৰণ। ব্ৰে'খ্‌টৰ বিচ্ছেদীকৰণ নীতিৰ সফল প্ৰয়োগ দেখা যায় তেওঁৰ "ককেচিয়ান্ চক্ ছাৰ্কল্" নাটকখনত। ৰাজ প্ৰসাদত বিদ্ৰোহ হওঁতে গৰ্ভৰ্ণৰৰ স্ত্ৰীয়ে মূল্যবান বয়বস্তু, অলংকাৰ আদি লগত নিয়াৰ বিপৰীতে নৱজাত সন্তানটোক নিবলৈ পাহৰাটোৱেই দেখুৱাইছে যে সন্তানৰ প্ৰতি মাকৰ যি মৰমৰ বান্ধোন, নাটকখনে তাক বিচ্ছিন্ন কৰিছে। নাটকখনত সন্তানটোক কেনেকৈ এখন উৰঁলি যোৱা সামন্তবাদী সমাজৰপৰা উদ্ধাৰ কৰি নতুন এখন সমাজৰ অন্তৰ্ভুক্ত কৰা হ'ল তাৰ ইংগিত বোধগম্য হয় সন্তানটো গ্ৰুশাই লগত নিয়াৰ জৰিয়তে। সমাজৰ মংগলৰ বাবে দায়িত্ব সদায় যোগ্যজনৰ হাতত থাকিব লাগে — ব্ৰে'খ্‌টৰ এই চিন্তাধাৰা নতুন পুৰুষৰ বাবে এক বলিষ্ঠ পদক্ষেপ। বিচ্ছেদীকৰণৰ যোগেদি তেওঁ মানুহৰ অন্তৰত প্ৰৱেশ কৰিছিল আৰু মূল সমস্যাৰ বিচাৰ–বিশ্লেষণ কৰিছিল। এই বিচাৰ –বিশ্লেষণ আছিল নাটকীয় ঘটনাৰপৰা স্বতন্ত্ৰ আৰু নিৰ্লিপ্ত, মুকলি আৰু আপোচহীন। অকল সেইবাবেই ব্ৰে'খ্‌টে উলাই কৰিছিল এৰিষ্ট'ট্‌লৰ Catharsis প্ৰক্ৰিয়া।



যদিও ইব্‌চেন্, ষ্ট্ৰীণ্ডবাৰ্গ আদিৰ নাট্য-জগতৰ বিভিন্ন অভিজ্ঞতাবোৰ তেওঁৰ চকুৰ আগত আছিল, যদিও মানৱীয় প্ৰমূল্যবোধৰ হকে তেওঁ পিৰাণ্ডেলোৰ যুক্তিযুক্ততা, এব্‌চাৰ্ডধৰ্মী নাট্যকাৰসকলৰ চিন্তা-ভাৱনাৰ বিচাৰ-বিশ্লেষণ কৰিছিল, তথাপি তেওঁৰ নাট্যৰীতি আছিল ভিন্ন। কিয়নো, তেওঁ আছিল বস্তুবাদী প্ৰমূল্যৰ প্ৰবক্তা। ব্ৰে'খ্‌টৰ নাটকত আমি এনে কিছুমান চৰিত্ৰ আৰু দৃশ্য দেখিবলৈ পাওঁ, যিবোৰ আন নাট্যকাৰে নাটকৰ বিষয়বস্তু বুলি কল্পনাই কৰিব নোৱাৰিছিল। উদাহৰণস্বৰূপে, মল্লযুঁজ, খেল-ধেমালি, আলিবাটৰ ঘটনা, বেশ্যালয় আদি ব্ৰে'খ্‌টীয় নাটকৰ পৰিচিত বিষয়বস্তু। ৰুছদেশীয় লেখক ওছিপ্ ব্ৰিকে কৈছিল যে ব্ৰে'খ্‌টৰ নাটকত বিচাৰৰ দৃশ্য (Court Cases) দেখা যায়। প্ৰকৃততে প্ৰচলিত সমাজব্যৱস্থাৰ বিচাৰৰ ঠাইত আছিল ন্যায়, সততা আদি কিছুমান কোমল শব্দ মাথোন, যিবোৰ শোষিত জনসাধাৰণৰ কোনো কামত নাহে। সেয়ে এই বুৰ্জোৱা আইনৰ বিৰুদ্ধে যুঁজিবলৈ ব্ৰে'খ্‌টে নাটকত বিচাৰৰ দৃশ্যৰ অৱতাৰণা কৰি ব্যংগ আৰু নিৰ্দয়তাৰে এইবোৰৰ বিৰুদ্ধে যুক্তি প্ৰদৰ্শন কৰিছিল। এইক্ষেত্ৰত ব্ৰে'খ্‌টৰ কলম আছিল বুলেটৰ দৰে শক্তিমান, অব্যৰ্থ।

ব্ৰে'খ্‌টে নাটকত মনোৰঞ্জনৰ অংশটোক গৌণ স্থান দি উপলব্ধিক মূল লক্ষ্য কৰি যি নতুন নাট্য-ৰীতিৰ প্ৰৱৰ্তন কৰিলে, সেই উপলব্ধিৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ প্ৰত্যক্ষ বা পৰোক্ষভাৱে হ'লেও আজিও পূৱ জাৰ্মানীত উজ্জ্বল প্ৰদীপৰ দৰে জিলিকি আছে।

অৱশ্যে নতুন মঞ্চৰীতি তথা ইয়াৰ প্ৰয়োগ-পদ্ধতিৰ ক্ষেত্ৰত যদিও নিজকে 'আইন্‌ষ্টাইন্' বুলি দাবী কৰিছিল, তেওঁক কিন্তু এই কলা-কৌশল সমূহৰ জনক বুলি ক'ব নোৱাৰি। ব্ৰে'খ্‌টৰ পূৰ্বেও ষ্ট্ৰীণ্ডবাৰ্গৰ নাটকসমূহত 'এপিক্ থিয়েটাৰ'ৰ কিছু উপাদান লক্ষ্য কৰা যায়। চীনা, জাপানী আৰু ভাৰতীয় থিয়েটাৰ আদি আৰু ঠাই বিশেষৰ লোক–নৃত্যৰ কথা ব্ৰে'খ্‌টে নিজেই কৈ গৈছে। তথাপিও তেওঁ সকলোবোৰ উপাদানৰ সংমিশ্ৰণ ইমান সুন্দৰকৈ ঘটাইছিল যে 'এপিক্ থিয়েটাৰ'ৰ জনক বুলি তেওঁকেই ধৰা হয়। প্ৰকৃততে 'এপিক্ থিয়েটাৰ'ৰ ধাৰণা অংকুৰিত হৈছিল পিছ্‌কাটোৰৰ হাতত আৰু ইয়াৰ কাৰ্য্যকৰী ৰূপ দিলে বাৰ্টল্ট ব্ৰে'খ্‌টে। ব্ৰে'খ্‌টে তেওঁৰ প্ৰতিখন নাটকৰ জৰিয়তে তেওঁৰ ৰাজনৈতিক ভাৱাদৰ্শ প্ৰচাৰ কৰাৰ প্ৰয়াস কৰিছে। 'The Good woman of setzuan' অৰ ছেন্‌টে নামৰ সেই ভাল মানুহজনী বিচৰাধৰণে জীয়াই থাকিবলৈ হ'লে নিঃসন্দেহে মাৰ্ক্সীয় সমাজবাদ প্ৰতিষ্ঠা হ'ব লাগিব। ব্ৰে'খ্‌টে যি উদ্দেশ্যেৰে নাটক ৰচনা আৰু পৰিবেশন কৰিছিল সি সকলো সময়তে সফল নহ'লেও মানৱ সমাজৰ কল্যাণৰ কথা ভাৱি মানুহৰ সামাজিক চেতনা জাগ্ৰত কৰাৰ বাবে তেওঁ যি সাধনা কৰিছিল, তাৰ বাবে ব্ৰে'খ্‌টৰ নাম চিৰস্মৰণীয় হৈ ৰ'ব। বৰ্তমানে বিভিন্ন ভাষাৰ সাহিত্যত ব্ৰে'খ্‌টৰ নাট্যৰীতিক লৈ পৰীক্ষা-নিৰীক্ষা আৰম্ভ হৈছে। যি কি নহওক, ব্ৰে'খ্‌টৰ থিয়েটাৰ সম্পৰ্কে আজিকালি দৰ্শকৰ আগ্ৰহ বেছি হোৱাৰ মূলতে — ইয়াৰ ভিতৰত প্ৰকাশ পোৱা গতিশীল সমাজ বিৱৰ্তনৰ মৌলিক চিন্তাৰ অৱকাশ; সমাজ, মানুহ আৰু নিৰ্মিয়মান ইতিহাস ৰচনাৰ নতুন অন্বেষণ।

( বিঃ দ্ৰঃ — প্ৰবন্ধটো যুগুতাওতে পূৰ্বে প্ৰকাশিত বিভিন্ন প্ৰবন্ধৰ সহায় লোৱা হৈছে)

●●●

# অসমত পৰিৱেশ সজাগতা আৰু বেচৰকাৰী সংগঠনৰ ভূমিকা

**লীজা কলিতা,** স্নাতক তৃতীয় বৰ্ষ

ভাৰতৰ পূব প্ৰান্তত অৱস্থিত অসমখনি প্ৰকৃততে কবিৰ ভাষাত - "সুজলা-সুফলা শস্য-শ্যামলা"। প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ এই অসমখনৰ ভূ-ভাগক চৌপাশে আৱৰি আছে পৰ্বত পাহাৰে। এই প্ৰাকৃতিক সৌন্দৰ্য্যই সেয়ে দেশী-বিদেশী পৰ্য্যটকক বছৰি আকৰ্ষণ কৰি আহিছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলে বিশ্বৰ ভৌগলিক মানচিত্ৰত এক সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে। পৃথিৱীৰ বুকুৰপৰা হেৰাই যাব ধৰা বিৰল প্ৰজাতিৰ প্ৰাণী তথা জীৱ-জন্তু-উদ্ভিদ উত্তৰ-পূৰ্বাঞ্চলত পোৱা যায়। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাত এই অঞ্চলৰ বিভিন্ন উদ্ভিদ আৰু প্ৰাণীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

**পৰিৱেশ সজাগতা ঃ** 'পৰিৱেশ' শব্দটোৰ অৰ্থ আমি কি বুজিব পাৰোঁ বুলি প্ৰশ্ন কৰিলে থোৰতে এটা গ্ৰহণযোগ্য সংজ্ঞা দিয়া জটিল যদিও 'পৰিৱেশ' বুলিলে এটা সাধাৰণ ধাৰণা আমাৰ সকলোৰে আছে। বহুক্ষেত্ৰত পৰিৱেশ শব্দটো বেলেগ ভাৱাৰ্থত ব্যৱহাৰ কৰা হয়। মূলতঃ আমি পৰিৱেশ বুলিলে প্ৰকৃতিৰ চাৰিওফালৰ পৰিস্থিতিৰ অৱস্থানকে বুজো। তেনে অৰ্থত পৰিৱেশ সজাগতাক চৌপাশৰ প্ৰাকৃতিক অৱস্থান সম্পৰ্কীয় সচেতনতা বুলি ধৰি লৈ ইয়াত আলোচনা কৰা হৈছে।

অসমৰ পৰিৱেশৰ সামগ্ৰিক স্থিতি কেনে পৰ্য্যায়ত আছে, প্ৰথমে সেই বিষয়ে উল্লেখ কৰা প্ৰয়োজন। প্ৰাকৃতিক জৈৱ-বিচিত্ৰতাৰ বাবে অসম তথা উত্তৰ-পূৰ্বাঞ্চল গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। জৈৱ-বিৱৰ্তন বা ক্ৰমবিৱৰ্তনৰ বিভিন্ন পৰ্য্যায়ৰ মাজেদি অসমৰ ভৌগলিক বা প্ৰাকৃতিক অৱস্থান আজিৰ এই পৰ্য্যায় পাইছেহি। এসময়ত নাতিশীতোষ্ণ অঞ্চল বুলি প্ৰখ্যাত অসমৰ বহুকেইটা দিশত পৰিৱেশৰ তাৰতম্য দেখা পোৱা গৈছে। কাকতত প্ৰকাশ পোৱা খবৰ অনুসৰি নগাঁও জিলাত ১৯৮৮ চনৰ তুলনাত ১৯৯৮ চনত বাৰ্ষিক বৃষ্টিপাতৰ হাৰ আধালৈ হ্ৰাস পাইছে। সমান্তৰালভাৱে ১৯৪৭ চনৰ অসমৰ বনাঞ্চলৰ তুলনাত ১৯৯৮ চনৰ বনাঞ্চলৰ পৰিমাণ তিনি পঞ্চমাংশ হ্ৰাস পাইছে। অসমত বছৰি জমা হোৱা পানীৰ পৰিমাণ হ্ৰাস পাইছে যদিও জলপৃষ্ঠৰ ব্যাপক বিস্তৃতি ঘটিছে বাবে বহু হেজাৰ হেক্টৰ মাটি পানীত নকৈ বুৰ গৈছে। বায়ুমণ্ডলত ধূলিকণা বৃদ্ধি হৈ থকা বাবে জনসাধাৰণৰ লগতে অন্য প্ৰাণীৰো শ্বাস-প্ৰশ্বাসজনিত ৰোগ বৃদ্ধি পাইছে। বনাঞ্চল ধ্বংসৰ লগে লগে সেই বনাঞ্চলক কেন্দ্ৰ কৰি থকা কীট-পতংগৰ এখন সাম্ৰাজ্যও ধ্বংস হৈ গৈছে। সংৰক্ষিত বনাঞ্চল সমূহো ক্ৰমাৎ ধ্বংস বা শেষ হোৱাৰ উপক্ৰম ঘটিছে। আনহাতে, অসমৰ প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হৈ পৰাৰ বিপৰীতে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক পৰিৱেশো সমান্তৰালভাৱে বিনষ্ট হৈছে। প্ৰকৃতি স্বতন্ত্ৰ যদিও মানৱকৃত ঘটনা বা পৰিস্থিতিয়ে প্ৰাকৃতিক পৰিৱেশৰ ওপৰত প্ৰভাৱ পেলাইছে। আজি অসমত ব্যাপক হাৰত পথাৰসমূহৰ খেতিয়ক বা সংৰক্ষিত বনাঞ্চলৰ চোৰাংকৈ গছ-কটা সাধাৰণ লোকসকলৰ আৰ্থ-সামাজিক অৱস্থা পুতৌলগা। ইয়াৰ মাজতো ৰক্ষকেই ভক্ষকৰ ভূমিকা পালন কৰি থকা বনবিভাগ, চৰকাৰী সংশ্লিষ্ট বিভাগ আদিৰ অৰ্কমণ্যতাও এই অবাধ বনধ্বংসৰ বাবে দায়ী। প্ৰশ্ন হয় যে অসমৰ পৰিৱেশ সম্পৰ্কত সৰ্বসাধাৰণ ৰাইজ সচেতন হয় নে নহয় ? অতি সম্প্ৰতি অসমৰ ইমূৰৰপৰা সিমূৰলৈকে পৰিৱেশ সজাগতাৰ আন্তঃগাঁঠনি গঠন হৈছে। বুদ্ধিজীৱী, সাহিত্যিক, সাংবাদিক, সচেতন লোকসকলে পৰিৱেশ আন্দোলনৰ এক বাতাবৰণ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে। এই পৰিৱেশ আন্দোলনৰ ব্যাপক প্ৰসাৰ আৰু উত্তৰণত অসমত গঢ় লৈ উঠা বেচৰকাৰী সংস্থাসমূহো সমানে কৃতিত্বৰ দাবীদাৰ।

**বিঘ্নিত পৰিৱেশ ঃ** কুৰি শতিকাৰ শেষ দশকত আজি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভাৱনীয় উৎকৰ্ষৰ ফলত মানৱ জীৱনৰ প্ৰভূত উন্নতি সাধিত হৈছে। মানৱ-সভ্যতা আজি বিজ্ঞানৰ অৱদানৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল হৈ পৰিছে। পৃথিৱীৰ প্ৰতিটো কোণতে আজি নানা উদ্যোগ আদি গঢ়ি উঠিছে, যান-বাহনৰ প্ৰচলন হৈছে, ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য আৱিষ্কৃত হৈছে। জনসংখ্যা বৃদ্ধি পাইছে। ফলত খাদ্য-সংকটে দেখা দিছে। অত্যধিক খাদ্য-শস্য বৃদ্ধি কৰিবৰ বাবে কীটনাশক দ্ৰব্য, ৰাসায়নিক সাৰ শস্যপথাৰত প্ৰয়োগ কৰা হৈছে। মানৱ জীৱনৰ খাদ্য-বস্ত্ৰ-সংস্থাপনৰ বাবে,মানৱ জীৱনক অধিক সুখৰ কৰিবৰ বাবে কল-কাৰখানা উদ্যোগ গঢ়ি উঠিছে। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ উৎকৰ্ষৰ সহায়ত মানৱ সমাজে গ্ৰহান্তৰত উপনিৱেশ স্থাপন কৰাৰ সপোন দেখিছে। পৰিতাপৰ বিষয় এয়ে যে মানৱ জীৱনৰ এই উন্নতিয়ে আজি আমাৰ বিশ্বব্ৰহ্মাণ্ডক ক্ৰমে বাসৰ অনুপযোগী কৰি তুলিছে। মানুহৰ অদূৰদৰ্শিতাৰ বাবে পৃথিৱীৰ সেউজ ভৱিষ্যত অনিশ্চিত হৈ পৰিছে। প্ৰাকৃতিক ভাৰসাম্য নষ্ট কৰি বাতাৱৰণ বিষাক্ত কৰি মানুহে আজি নিজকে ধ্বংসৰ মুখলৈ লৈ গৈছে। শিল্প-বাণিজ্যৰ উন্নতিৰ হকে তথাকথিত উন্নতিৰ নামত মানুহে মাটি, পানী আৰু বায়ু বিষাক্ত কৰি সমগ্ৰ পৃথিৱীৰ বাতাৱৰণ কলুষিত কৰি তুলিছে। অতিমাত্ৰা লোভৰ বশৱৰ্তী হৈ মানুহে উদ্ভিদ, জীৱ-জন্তু আদি ধ্বংস কৰি প্ৰাকৃতিক ভাৰসাম্য নষ্ট কৰিছে।

প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাত গছ-গছনিয়ে বিশেষ ভূমিকা গ্ৰহণ কৰে। খেতি কৰিবৰ বাবে মাটি উলিয়াবলৈ মানুহে গছ-গছনি কাটি তহিলং কৰিছে। ঠিক তেনেদৰে অন্যান্য দেশৰ কাগজ উদ্যোগবোৰৰ বাবে বহুতো গছ-গছনি ধ্বংস কৰিছে। উদ্যোগীকৰণ আৰু নগৰ-চহৰ সম্প্ৰসাৰণ কৰিবৰ বাবেও বনাঞ্চলসমূহ ধ্বংস কৰা দেখিবলৈ পোৱা যায়। এই সকলোবোৰে পৰিৱেশৰ ওপৰত এক অশুভ প্ৰভাৱ পেলাইছে।

**পৰিৱেশ বিনষ্টকাৰী কাৰক সমূহ ঃ** অজ্ঞতা, স্বাৰ্থপৰতা অদূৰদৰ্শিতাৰ দ্বাৰা অন্ধ হৈ মানুহে পৃথিৱীত বাস কৰিবলৈ সম-অধিকাৰ থকা নানান জীৱ-জন্তু হত্যা কৰিছে, বনাঞ্চল ধ্বংস কৰিছে। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ বাবে জ্ঞাতে-অজ্ঞাতে এটা জীৱ আন এটা জীৱৰ ওপৰত নিৰ্ভৰশীল। মুঠতে জীৱ-জগতত এনে কোনো জীৱ জীয়াই থকা নাই যাৰ এই বিশাল পৃথিৱীত আন জীৱৰ প্ৰতি কোনো অৱদান নাই। যি শৃংখলৰ জৰিয়তে আমি এটা জীৱ আন জীৱ বিলাকৰ লগত প্ৰত্যক্ষ বা পৰোক্ষ ভাবে জড়িত হৈ আছো। সেই শৃংখলৰ কোনোবা এঠাইত বিসংগতিয়ে দেখা দিলে সকলো জীৱৰ ওপৰতে ইয়াৰ প্ৰভাৱ পৰে। এই সত্যটোকে আজিও আমি উপলব্ধি কৰিব নোৱাৰা বাবেই পৰিৱেশৰ প্ৰতি আমাৰ ধাৰণা সঠিক নহয়। জীৱ-জগতৰ শৃংখলৰ বিষয়ে জানিলেহে আমি আমাৰ অস্তিত্বৰ বিষয়ে সচেতন হ'ব পাৰিম। জীৱ সম্বন্ধে জ্ঞান বৃদ্ধি পাবৰ বাবে শিক্ষা অত্যন্ত জৰুৰী। দেখা যায় যে পৰিৱেশ সম্পৰ্কে সজাগতা অনাৰ ক্ষেত্ৰত পুথিগত আৰু ব্যৱহাৰিক — দুয়োধৰণৰ শিক্ষাৰ আশ্ৰয় ল'ব লগা হয়। অসমত পৰিৱেশ সজাগতাৰ এক বিৱৰ্তন আৰম্ভ হৈছে বুলি পূৰ্বে উল্লেখ কৰা হৈছে। কাজিৰঙাৰ ৰাষ্ট্ৰীয় উদ্যানত থকা বন-বিষয়া ধৰণীধৰ বড়োৱে গ্ৰহণ কৰা পৰিৱেশ সজাগতা বৃদ্ধি আৰু সংৰক্ষণ কৰাত সফলতা লাভ কৰাৰ পন্থাটোৱেই সজাগতা বৃদ্ধিৰ এটি আদৰ্শ পদ্ধতি হ'ব পাৰে। কাজিৰঙাৰ কুখ্যাত চোৰাং গঁড় চিকাৰী বিলাকক স্থানীয় এখন গাঁৱৰ (মিচিং গাঁও) লোকসকলে বহুবছৰ ধৰি প্ৰশ্ৰয় দি আছিল। ফলস্বৰূপে গাঁওবাসীৰ সহযোগত বছৰি ৫০টালৈকে গঁড় নিধন হৈছিল। বড়োৱে উক্ত গাঁওখনৰ লোকসকলক লগ ধৰি তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক দিশ আৰু জীৱন-ধাৰণৰ সাধাৰণ মানদণ্ডৰ ওপৰত অধ্যয়ন কৰি তেওঁলোকৰ অভাৱ-অভিযোগবোৰ

মনোযোগেৰে শুনিলে। গাঁওখনত বিদ্যালয় নথকাৰ বাবে শ্ৰীবড়োৱে নিজা উদ্যোগত এখন বিদ্যালয় খুলি চৰকাৰীকৰণৰ ব্যৱস্থা কৰে। গাঁৱৰ ল'ৰা-ছোৱালীয়ে শিক্ষা লাভ কৰিলে। ল'ৰা-ছোৱালীক শিক্ষা দিয়াৰ লগে লগে অভিভাৱকসকলো সচেতন হৈ পৰিল। কৰ্মবিমুখ লোকসকলৰ জীৱিকাৰ বাবে তেওঁ আন উপায় দেখুৱাই দিলে। চোৰাং কাৰবাৰী গাঁওখনলৈ আহিলে গাঁৱৰ বাসিন্দায়ে প্ৰথমে বনৰক্ষীক খবৰ দিয়ে আৰু ক্ৰমাৎ গাঁওখনৰ লোকসকলে চোৰাং-চিকাৰীক কৰায়ত্ত কৰি বনৰক্ষীক চমজাই দিবলৈ আৰম্ভ কৰিলে। গাঁওখনৰ যিকেইজন লোক চোৰাং-চিকাৰীৰ লগত জড়িত আছিল তেওঁলোকেও শ্ৰীবড়োৰ ওচৰত আত্ম-সমৰ্পণ কৰিলে। শ্ৰীবড়োৱে যথাযোগ্যভাৱে তথা সাধ্যানুসাৰে কাৰোবাক চাইকেল, কাৰোবাক ঠেলা আদি কিনি দি কৰ্মমুখী কৰিছে।

**পৰিৱেশ ৰক্ষণাবেক্ষণৰ গুৰুত্ব ঃ** বিশ্ব-দৰবাৰত অসমৰ প্ৰাকৃতিক বৈচিত্ৰতাৰ বিষয়ে অৱগত কৰি বিদেশী সংগঠন আৰু ৰাষ্ট্ৰক অসমৰ প্ৰতি আকৰ্ষিত কৰাৰ উপৰিও পৰিৱেশ আন্দোলনত সক্ৰিয়তাৰে কাম কৰি ব্যাপক সফলতা লাভ কৰিছে। 'বৰ্ষাৰণ্য', 'চান্দৰ ডিঙা' আদি শব্দবোৰ আজি অসমত জনপ্ৰিয় হৈ পৰিছে। যান-বাহনৰ পৰা ওলোৱা ক্ষতিকাৰক গেছ, প্লাষ্টিকৰ ব্যৱহাৰৰ ব্যাপকতা, শব্দ-প্ৰদূষণ আদিবোৰ পৰিৱেশ ক্ষতিকাৰী কাৰক। অসমত গছ-গছনি ধ্বংসৰ বিৰুদ্ধে যেনেদৰে প্ৰবল প্ৰতিবাদৰ ঢৌ উঠিছে, তেনেদৰে চোৰাং-চিকাৰীৰ হাতত বন্যপ্ৰাণী নিধনৰ বিৰুদ্ধেও অসমত সচেতনতা বৃদ্ধি পাইছে। কিন্তু আন কিছুমান পৰিৱেশ বিনষ্টকাৰী দিশত এতিয়াও সচেতনতা অসমত বৃদ্ধি পোৱা নাই। সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰত সুসংহত বৈজ্ঞানিক চিন্তাধাৰাৰ প্ৰসাৰ যথোপযুক্ত ভাৱে নেহোৱাৰ লগতে অন্য বাধাৰ বাবেও আমি সম্পূৰ্ণ সচেতন হ'ব পৰা নাই। যেনে —

(ক) শিক্ষাৰ অভাৱ।
(খ) অৰ্থনৈতিক অনগ্ৰসৰতা।
(গ) পৰিৱেশ সম্পৰ্কীয় গৱেষণাৰ প্ৰতি অনীহা।
(ঘ) চৰকাৰৰ অমনোযোগিতা।
(ঙ) অসমৰ অশান্ত ৰাজনৈতিক বাতাৱৰণ।

এই কাৰণ সমূহৰ ভিতৰত শিক্ষাৰ অভাৱৰ বাবে অসমৰ গৰিষ্ঠ সংখ্যক লোকক সচেতন কৰি তোলাতো সম্ভৱ হোৱাগৈ নাই। সৰ্বোপৰি আজিৰ অসমত শিক্ষা ব্যৱস্থাত পৰিৱেশ সম্পৰ্কে গুৰুত্ব দিয়াৰ বিপৰীতে নিৰক্ষৰক সাক্ষৰ কৰি তোলাতহে প্ৰাধান্য দিয়া হৈছে। সকলো স্তৰৰ লোকক পৰিৱেশ সম্পৰ্কে সচেতন কৰি তুলিবলৈ পৰিৱেশৰ গুৰুত্ব সম্পৰ্কে শিক্ষা দিয়াটো (প্ৰাথমিক পৰ্য্যায়ৰ পৰাই) প্ৰয়োজনীয় বুলি ধৰা হোৱা নাই। দৰিদ্ৰতাৰ গ্ৰাসত পৰি বহুসময়ত আমাৰ মাজৰে একাংশই পৰিৱেশ বিনষ্ট কৰি থকাতো ভয়াবহ হৈ পৰিছে। পাহাৰত বসবাস কৰা বহুকেইটা জনগোষ্ঠীৰলোকে গছ-গছনি কাটি বা গছৰ ডাল বিক্ৰী কৰি পোৱা ধনেৰে ক্ষুধা নিবাৰণ কৰিবলগা হৈছে। অসমৰ পৰিৱেশ বিনষ্ট হোৱাৰ কাৰণসমূহৰ ওপৰত সুচিন্তিত গৱেষণা নোহোৱাৰ বাবেও পৰিৱেশ সচেতনতা বাধাগ্ৰস্ত হৈছে। সৰ্বতোপৰি অসমৰ আজিৰ অশান্ত ৰাজনৈতিক বাতাৱৰণত পৰিৱেশ সম্পৰ্কীয় চিন্তা-চৰ্চাতকৈ অন্য ঘটনাই অধিক গুৰুত্ব লাভ কৰাৰ বাবে পৰিৱেশ সচেতনতা বৃদ্ধি নোপোৱাৰ উপৰিও অশান্ত পৰিস্থিতিয়ে স্বাভাৱিক জীৱনৰ ওপৰত ব্যাপক প্ৰভাৱ পেলোৱাত সামাজিক পৰিৱেশ দ্ৰুত গতিত বিনষ্ট হৈ যাব ধৰিছে। ইয়াৰ মাজতো অসমত পৰিৱেশ সম্পৰ্কীয় যথেষ্ট চিন্তা-চৰ্চাৰ জৰিয়তে সচেতনতা বৃদ্ধি পোৱাতো লক্ষ কৰা হৈছে। পৰিৱেশৰ ৰক্ষণাবেক্ষণৰ বাবেই অসমৰ সচেতন ব্যক্তি বা সংগঠনে ন্যায়লয়ৰ দ্বাৰস্থ হৈছে। উদাহৰণস্বৰূপে পলিথিনৰ বেগ সম্পৰ্কত গ্ৰাহক সুৰক্ষা পৰিষদে ন্যায়লয়ত গোচৰ তৰিছিল। পৰিৱেশ সম্পৰ্কীয় সজাগতাৰ বাবেই গুৱাহাটীৰ খানাপাৰাত মন্ত্ৰী-বিধায়কৰ আবাসগৃহ নিৰ্মাণৰ অজুহাতত ৩১০০ জোপা গছ কাটিবলৈ লোৱা সিদ্ধান্তৰ তীব্ৰ প্ৰতিবাদ হৈছে আৰু এনে প্ৰতিবাদত চৰকাৰী সিদ্ধান্ত ৰদ কৰাই পৰিৱেশ ৰক্ষা কৰাত সফল হৈছে। চৰকাৰৰ নিৰ্বুদ্ধিতাৰ বাবেই ৩১০০ জোপা সোৱালু আৰু চোম গছ কাটিবৰ যো-জা চলাইছিল, কিন্তু বিভিন্ন প্ৰকৃতি-প্ৰেমী সংগঠনৰ দাবীত এই গছসমূহ ৰক্ষা পৰে। গুৱাহাটী চিৰিয়াখানাত অসমৰ বিভিন্ন অঞ্চলৰপৰা বিভিন্ন বনৰীয়া জীৱ-জন্তুৰ পোৱালী দিবলৈ যোৱা ঘটনাৰ সংখ্যা বৃদ্ধিয়ে অসমত পৰিৱেশ সচেতনতা বৃদ্ধি হোৱাকে প্ৰমাণ কৰে।

পৰিৱেশ সম্পৰ্কত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত অসমৰ পূৰ্বৰে পৰা গৌৰৱ কৰিব পৰা ইতিহাস আছে। আহোমৰ দিনত হাতী বৰুৱা, ঘোঁৰা বৰুৱা, কাঠভৰালী, কাঠহাজৰিকা, হাতীকাকতী আদি আছিল পৰিৱেশৰ সতে জড়িত বিষয়া। ইয়াৰ পৰৱৰ্ত্তী পৰ্য্যায়ত বৃটিছৰ আমোলতো অসমত পৰিৱেশ সম্পৰ্কীয় সজাগতা সৃষ্টি হৈছিল।

**অসমত পৰিৱেশ সজাগতাৰ ক্ষেত্ৰত বেচৰকাৰী সংগঠনৰ ভূমিকা ঃ** পৰিৱেশ বিষয়ক কেন্দ্ৰ কৰি ইতিমধ্যে অসমত অনেক সংগঠনৰ জন্ম হৈছে। এই বেচৰকাৰী সংগঠনসমূহে কৰিব পৰা বহু কাম আছে আৰু কম বেছি পৰিমাণে ইতিমধ্যে বহু ধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। পৰিৱেশ সজাগতাৰ বাবে বেচৰকাৰী সংগঠনে প্ৰত্যক্ষভাৱে ৰাইজৰ লগত যোগাযোগ ৰাখিব পৰা সুবিধা লাভ কৰে। বেচৰকাৰী সংগঠনসমূহ মূলতে বেচৰকাৰী লোকৰ তত্বাৱধানত থাকে। তেনেক্ষেত্ৰত সমাজৰ বহু কাম-কাজ সম্পাদনা কৰিবলৈ আৰ্থিক সংকটৰ সন্মুখীন হ'বলগীয়া হোৱাৰ ফলস্বৰূপে তেনে সংগঠনৰ কাম-কাজ স্থবিৰ হৈ পৰে। অৱশ্যে পৰিৱেশ সজাগতা সৃষ্টিৰ বাবে তেনে সংগঠনে বহু কম খৰচী আৰু আকৰ্ষণীয় কাৰ্য্যসূচী হাতত ল'ব পাৰে। ইয়াৰ ভিতৰত বাটৰ' নাট' প্ৰচাৰ, পত্ৰিকা বিতৰণ, পৰিৱেশ সম্পৰ্কীয় জনসভা আৰু পৰিবেশ সম্পৰ্কীয় প্ৰতিযোগিতা আয়োজন কৰিব পাৰে। তাতোকৈ গুৰুত্বপূৰ্ণভাৱে পৰিৱেশ বিনষ্টকাৰী শক্তি বা বিভিন্ন কাৰকক চৰকাৰৰ হতুৱাই বন্ধ কৰাৰ অধিকাৰ বেচৰকাৰী সংগঠনৰ আছে। বেচিভাগ ক্ষেত্ৰতে পৰিৱেশ সম্পৰ্কীয় বেমেজালিত অনাকাংক্ষীলোক, জনগোষ্ঠীয় লোক আৰু চৰকাৰী সিদ্ধান্তই ক্ৰিয়া কৰে যদিও এই সকলো বিলাকৰ বিৰুদ্ধে সংঘবদ্ধভাৱে প্ৰতিবাদী কাৰ্য্যসূচী গ্ৰহণেৰে এফালে পৰিৱেশ সুৰক্ষা দিয়াৰ লগতে মানুহৰ মাজত সচেতনতা বৃদ্ধি কৰিব পাৰে। সবাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল যে বেচৰকাৰী সংগঠনে জনসাধাৰণৰ মাজত পৰিৱেশ সজাগতা বৃদ্ধিৰ জৰিয়তে আমাৰ অজানিতে আমি নিজে কৰি থকা পৰিৱেশ বিনষ্টকাৰী কাম-কাজ বন্ধ কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। চৰকাৰী সংস্থাই জনসাধাৰণৰ ওচৰলৈ যোৱাৰ প্ৰয়াস নকৰে বা তেনে সুবিধাও নাই। সাধাৰণতে সচেতন আৰু জনাবুজা মানুহেহে চৰকাৰী সা-সুবিধাৰ কথা জানে বা চৰকাৰী লোকক সঘনাই লগ কৰে। বিপৰীতে বেচৰকাৰী সংস্থা সমূহ সমাজৰ বেচৰকাৰী লোকসকলৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকা বা সুশিক্ষিত হ'লে ৰাইজৰ মাজত সহজে সোমাই পৰিব পাৰে।

অসমৰ বেচৰকাৰী সংস্থাসমূহৰ বহুকেইটা সংগঠনে সক্ৰিয়তাৰে কাম-কাজ কৰি আছে যদিও গুৰুত্বপূৰ্ণভাৱে অসমৰ এই সমূহ সংগঠনৰ মাজত যোগাযোগ নাই। পাৰস্পৰিক যোগাযোগ আৰু বুজাপৰাৰে একেলগে কাম কৰিলে শক্তি বৃদ্ধি হোৱাৰ লগতে ব্যাপক প্ৰচাৰ লাভ কৰিব পৰা যায়। বিভিন্ন দিশৰ পৰা বেচৰকাৰী সংগঠনে মনপুতি কামত লগা উচিত। কেইটামান উল্লেখযোগ্য বেচৰকাৰী সংগঠন হ'ল — নেচাৰ্চ বেকন্, নেচাৰ্চ ফ'ষ্টাৰ্, আৰণ্যক, নেচাৰ্ ক্লাব্, অৰণ্য সুৰক্ষা সমিতি, পিপ'ল্ছ্ ফৰ্ এনিমেল্ছ্ৰ অসম শাখা, নেচাৰ্চ্ বন্যপ্ৰাণ, কাজিৰঙা ৱাইল্ড্ - লাইফ ছ'চাইটি আদি।

সামৰণিত মাথো ইয়াকে কব পাৰো যে বৰ্ত্তমান যুগত যি ব্যাপক হাৰত কল-কাৰখানা, যন্ত্ৰ-পাতি, মটৰ-গাড়ী আদিয়ে বৃহৎ পৰিমাণৰ ছাল্ফাৰ্-ডাই-অক্সাইড্, কাৰ্বন্-ডাই-অক্সাইড্ আদি বিষাক্ত গেছ বায়ুমণ্ডলত এৰি দিছে। ফলত, মানৱ জীৱন ধ্বংসৰ মুখলৈ আগুৱাই গৈছে। এই বিষাক্ত গেছ ৰোধ কৰিবলৈ গছ-গছনিৰ পৰিমাণ বাঢ়ক চাৰি কমিছেহে। গছ-গছনি অধিক পৰিমাণৰ হ'লে কাৰ্বন্-ডাই-অক্সাইড্ গেছ গছে গ্ৰহণ কৰি বিশুদ্ধ অক্সিজেন বায়ুমণ্ডলত এৰি দি আমাৰ উপকাৰ সাধিলেহেঁতেন। কিন্তু গছ-গছনি কাটি ধ্বংস কৰা বাবে সেই সম্ভাৱনা কমি গৈছে। বিষাক্ত গেছসমূহ বাঢ়ি অহাৰ বাবে সূৰ্য্যৰ তাপমানৰো বৃদ্ধি হৈছে। ফলত জলবায়ুৰ পৰিৱৰ্তন হৈছে আৰু এনে হোৱাৰ ফলত মানৱ সমাজৰ তথা মানুহৰ জীৱন-প্ৰণালীৰ বিপৰ্য্যয় আৰম্ভ হৈছে। এই বিপৰ্য্যয়ৰ কথা চিন্তা কৰি যদি মানৱ জাতিটো সাৱধান নহয় তেন্তে অতি কম দিনৰ ভিতৰতে এই চিৰসেউজীয়া পৃথিৱীখন ধ্বংসস্তূপত পৰিণত হবলৈ বা পৃথিৱীখন বিশাল বিস্তীৰ্ণ এক মৰুভূমিত পৰিণত হবলৈ অধিক সময় নালাগিব।

●●●

# ভাৰতীয় নাৰী ঃ অতীত, বৰ্ত্তমান আৰু ভৱিষ্যত

**বৰ্ণালী শৰ্মা**, স্নাতক তৃতীয় বৰ্ষ

মানৱ সভ্যতাই একৈশ শতিকাৰ দুৱাৰদলিত ভৰি দিয়াৰ সময়তো সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক আদি সকলো ক্ষেত্ৰতেই ভাৰতীয় নাৰীৰ পশ্চাদপদতা অকল দৃষ্টিকটুৱেই নহয়, অতি উদ্বেগজনকো। ভাৰতীয় নাৰীৰ এই পশ্চাদপদতাৰ স্বৰূপ আৰু ইয়াৰ কাৰণসমূহ নিৰ্ণয় কৰি তেওঁলোকৰ প্ৰগতিৰ বাবে সময়োচিত বৈজ্ঞানিক কাৰ্য্যসূচী গ্ৰহণ কৰাটো ভাৰতীয় সমাজৰ সামগ্ৰিক প্ৰগতিৰ বাবেই অতি জৰুৰী। ইয়াৰ বাবে আমি নাৰী সমস্যাটো ঐতিহাসিক পটভূমিত চালি-জাৰি চাব লাগিব।

প্ৰাক্‌বৈদিক যুগৰ আদিম সমাজখনত নাৰীৰ প্ৰাধান্য থকাৰ কথা পোৱা যায়। কিন্তু ভাৰতীয় সমাজৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে বৈদিক যুগত কৃষি, পশুপালন আদি অৰ্থনৈতিক কাৰ্য্যকলাপৰ প্ৰসাৰৰ লগে লগে সম্পত্তি বৃদ্ধি হবলৈ ধৰে আৰু বৰ্দ্ধিত সম্পত্তিৰ ওপৰত পুৰুষৰ অধিকাৰ ক্ৰমাৎ নিশ্চিত হোৱাত সমাজখন পুৰুষতান্ত্ৰিক হৈ পৰে। বৈদিক (১৭০০-৫০০ খৃঃ পূঃ) যুগত নাৰীৰ স্থান পৰৱৰ্ত্তী যুগতকৈ অলপ উচ্চ আছিল বুলি আমি ধাৰণা কৰিব পাৰোঁ। ঋক্‌ বেদত (১৭০০ -১০০০ খৃঃপূঃ) নাৰীয়ে ৰাজকাৰ্য্যত অংশ গ্ৰহণ কৰাৰ কথা পোৱা যায়। বিশ্পালা, মুদ্‌গলিনী আদি নাৰীয়ে যুদ্ধত অংশ গ্ৰহণ কৰাৰ কথা পোৱা যায়। ঋক্‌ বেদত শিক্ষাৰ অধিকাৰ কেৱল গণিকাসকলৰহে আছিল। গণিকা-বৃত্তি বৈধভাৱে প্ৰচলন আছিল। আনহাতে ঋক্‌ বেদত নাৰীক পাশা আদি খেলত পণ ৰখাৰ কথাও পোৱা যায়। মহাভাৰতত দ্ৰৌপদীৰ ঘটনাই ইয়াৰেই পুনৰাবৃত্তি কৰে। মহাভাৰতত (ৰচনা কাল সম্পৰ্কে সন্দেহৰ অৱকাশ আছে) নাৰীৰ প্ৰতি চৰম মৰ্য্যদাহানিকৰ আচৰণ প্ৰদৰ্শন কৰা হৈছিল। উদাহৰণস্বৰূপে, ৰাজবংশৰ উত্তৰাধিকাৰী সৃষ্টি কৰিবলৈ অম্বিকা, অম্বালিকাক পৰপুৰুষৰ ওচৰত দেহদান কৰিবলৈ বাধ্য কৰোৱা হৈছিল। দ্ৰৌপদীক পাণ্ডৱসকলৰ স্বাৰ্থৰক্ষাৰ্থে পাঁচোজনকৈ পতিবৰণ কৰিবলৈ বাধ্য কৰোৱা হৈছিল। মহাভাৰতত নাৰী সকলো অনৰ্থৰ মূল বুলি কোৱা হৈছে। নাৰীৰ আগত মিছা কথা ক'লেও পাপ নোহোৱাৰ কথা কৈছে। সৰ্বগুণসম্পন্না নাৰীকো অধমতম পুৰুষতকৈয়ো নীচ বুলি কোৱা হৈছে আৰু ৰাজকাৰ্য্যত স্ত্ৰীৰ উপস্থিতি বৰ্জনীয় বুলি উল্লেখ কৰা হৈছে।

বৈদিক যুগৰ অন্তত ব্ৰাহ্মণ্যযুগৰ (৫০০ -২০০ খৃঃপূঃ) সূচনা হয় প্ৰাক্‌-মৌৰ্য্য আৰু মৌৰ্য্য যুগত। এই যুগতে ভাৰতীয় ব্ৰাহ্মণসকলে পৃথিৱীৰ আন অঞ্চলৰ তুলনাত ভাৰতীয় সমাজখনক জাতিভেদ প্ৰথাৰে কট্‌ কটিয়াকৈ বান্ধি পেলায়। আৰু ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়সকলে শোষক আৰু শাসকৰ ভূমিকা লয়। এই যুগতে নাৰীক পুৰুষৰ এবিধ সম্পত্তিৰ তুল্য কৰি পেলোৱা হয়। ব্ৰাহ্মণসকলৰদ্বাৰা ৰচিত অগণন শাস্ত্ৰ, সংহিতা, পুৰাণ আদিৰ যোগেদি নাৰীক সামাজিক কামত অংশগ্ৰহণ কৰা, ধৰ্ম, সংস্কৃতি, তৰ্ক আদিত অংশগ্ৰহণ কৰা আদিৰ পৰা বিৰত কৰি নাৰীৰ বাবে 'সতীত্বইহে নাৰীৰ মাহাত্ম্য', 'পতিক সন্তুষ্ট কৰাই পত্নীৰ একমাত্ৰ ধৰ্ম আৰু কৰ্তব্য' আদি ধাৰণাবোৰ পৰিকল্পিতভাৱে সৃষ্টি কৰি নাৰীৰ বাবে বন্ধনকে মোহনীয় কৰি তোলা হ'ল। তৈত্তিৰীয় আৰু মৈত্ৰায়ণী সংহিতাত কোনো সম্পত্তিৰ ওপৰত নাৰীৰ বা পত্নীৰ অধিকাৰ নথকাৰ কথা কোৱা হৈছে। তৈত্তিৰীয় সংহিতাত নাৰীক দুৰ্ভাগ্যৰ কাৰণ, মিথ্যাচাৰিণী, মদ বা জুৱা খেলৰ দৰে এটা বিপত্তি বুলি কোৱা হৈছে। মনুৱে মনু সংহিতাত নাৰীৰ প্ৰতি চৰম অৱমাননাসূচক মন্তব্য কৰিছে। পুৰুষক দূষিত কৰাই নাৰীৰ স্বভাৱ, নাৰীৰ প্ৰধান কাম পুত্ৰ জন্ম দিয়া আদি বুলি কোৱা হৈছে। আকৌ মনুৱে নাৰী আৰু শূদ্ৰৰ বেদ পাঠ আৰু শ্ৰৱণ নিষিদ্ধ বুলি কৈয়ে ক্ষান্ত নাথাকি সেই কথা অমান্য কৰা সকলৰ কাণত সীহ ঢালি দিব লাগে বুলি উল্লেখ কৰিছে। শিৱ-পুৰাণত কোৱা হৈছে পুৰুষৰ উপভোগৰ বাবেই স্ত্ৰীৰ সৃষ্টি; তদুপৰি স্বামীৰ অনুমতি অবিহনে ধৰ্মাচৰণ কৰিলে ফলপ্ৰাপ্তি নহয়, বৰং পাপহে হয়। আকৌ নাৰী সহবাসৰ কাৰণে ইচ্ছুক নহ'লে প্ৰথমতে প্ৰলোভন দি পিছত লাঠিৰে কোবাই দুৰ্বল কৰি উপগত হোৱাৰ কথা কোৱা হৈছে। মনুৰ মতে নাৰীৰ কাৰণে বিয়াই শেষ কথা বুলি কোৱা হৈছে। এই ধৰ্মগ্ৰন্থসমূহে নাৰীক এক অতি নিম্নশ্ৰেণীৰ জীৱ হিচাপে চিহ্নিত কৰি গৈছে। গুপ্ত যুগত ভাৰতীয় সমাজৰ অভূতপূৰ্ব উত্তৰণ ঘটিছিল । এই যুগক ভাৰতীয় ইতিহাসৰ সোণালী যুগ বুলি কোৱা হয় যদিও এই যুগতো নাৰীৰ সামাজিক অৱস্থানৰ বিশেষ পৰিবৰ্তন হোৱা নাছিল। নাৰীৰ শিক্ষাৰ ক্ষেত্ৰত বাধা আছিল, ছোৱালীৰ বিয়াৰ বয়স কমাই দিয়া হৈছিল। পুৰুষসকলে একে সময়তে বিবাহিতা, অবিবাহিতা বহুতো নাৰীকে স্ত্ৰী হিচাপে ৰাখিব পাৰিছিল। তদুপৰি মন্দিৰসমূহত অবিবাহিতা দৰিদ্ৰ পৰিয়ালৰ ছোৱালীসকলক দেৱদাসী হিচাপে ৰাখি বেশ্যা হিচাপে ব্যৱহাৰ কৰা হৈছিল।

নাৰীৰ এই বন্ধন আৰু অৱদমনৰ ঘটনাসমূহ পৰম্পৰাগতভাৱে চলি আহিছে। ভাৰতৰ প্ৰাক্‌ স্বাধীনতা কালতো নাৰী-নিৰ্য্যাতনৰ কিছুমান নৃশংস প্ৰথাৰ প্ৰচলন আছিল। সতীদাহ প্ৰথা, বাল্যবিবাহ, পৰ্দা-প্ৰথা, যৌতুক-প্ৰথা আদিয়ে ইয়াৰ চূড়ান্ত নিদৰ্শন। অতি বিস্ময়কৰ কথা এয়ে যে এতিয়াও ধৰ্মগ্ৰন্থৰ সঁকীয়নি দি নাৰীক শৃংখলিত কৰি ৰখা হয়। কিন্তু কথা হ'ল, আজিৰ পৰা হাজাৰ বছৰ আগৰ সমাজব্যৱস্থা অনুসৰি ৰচনা কৰা গ্ৰন্থসমূহৰ বাণী যে এতিয়াও আখৰে আখৰে মানিব লাগিব তাৰ যুক্তিযুক্ততা ক'ত? অতি পৰিকল্পিত ভাৱে আৰু সাৱধানতাৰে বিভেদৰ বীজ সিঁচি দিয়া এই গ্ৰন্থসমূহক আদৰ্শ হিচাপে নলৈ ইতিহাস বা পুৰণি সাহিত্য হিচাপেও বিবেচনা কৰিব পৰা যায়। সৌ সিদিনা, সভ্যতাই এনে এটা পৰ্য্যায় পোৱাৰ পিছতো ৰূপ কানোৱাৰক সতী যোৱাৰ নামত পতিৰ চিতাৰ জুইত জাপি দি হত্যা কৰা হ'ল। প্ৰতিদিনে কত বোৱাৰী যৌতুকৰ বলি হ'ব লাগিছে, কত জীয়ৰী-বোৱাৰী পুৰুষৰ হাতত বাটে-ঘাটে লাঞ্চিতা হ'ব লাগিছে, কিন্তু নিজক এটা সুসভ্য, সংস্কৃত জাতি বুলি পৰিচয় দিয়াৰ পিছতো সমাজখনত এনেকুৱা বৰ্বৰোচিত কাৰ্য্য সংঘটিত হ'ব পৰা পৰিবেশ আছে কিয়? কাৰণ, নাৰীয়ে এতিয়াও দাসত্বৰ শৃংখল চিঙিব পৰা নাই। পুঁজিবাদে বৰ্তমানৰ সমাজব্যৱস্থাক এনেভাৱে গ্ৰাস কৰিছে যে নাৰীয়ে পুঁজিবাদে দিয়া প্ৰলোভনবোৰকে মুক্তি বুলি ভুল কৰি আছে।

নাৰীক গৃহকৰ্মৰ মাজত আৱদ্ধ ৰাখি ৰাজহুৱা উৎপাদনমূলক কামৰপৰা আঁতৰাই ৰাখিবলৈ চেষ্টা কৰা হয়। অথচ নাৰীয়ে যিখিনি গৃহকৰ্মৰ দায়িত্ব লৈ পুৰুষক সামাজিক উৎপাদনী অনুষ্ঠানলৈ উলিয়াই পঠিয়ায় সেই গৃহকৰ্মবোৰৰো অৰ্থনৈতিক মূল্যায়ন কৰা নহয়। ফলত বিপুল পৰিমাণৰ নাৰী-শ্ৰমৰ আৰ্থসামাজিক গুৰুত্ব উপেক্ষিত তথা অস্বীকৃত হৈ থাকে।

এংগেল্‌ছে তেখেতৰ "The origine of the family, private property and the state" নামৰ বিখ্যাত গ্ৰন্থত নিজা গৱেষণালব্ধ তথ্য সমূহৰ উপৰিও বিশ্ববিশ্ৰুত সমাজবিজ্ঞানী মৰ্গানৰ আৱিষ্কাৰ সমূহৰ সূক্ষ্ম বিশ্লেষণেৰে অতি সুন্দৰভাৱে দেখুৱাইছে যে কেনেকৈ আদিম মাতৃতান্ত্ৰিক সমাজব্যৱস্থাত থকা নাৰীৰ সম্পত্তিৰ অধিকাৰ ক্ৰমাগতভাৱে পুৰুষৰ হাতলৈ হস্তান্তৰ হোৱাৰ জৰিয়তে পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ উদ্ভৱ হয়। আৰু ইয়াৰ পৰিণতি স্বৰূপে নাৰী দাসত্বৰ শৃংখলাৰে শৃংখলিত হৈ পৰিল। এইদৰে ক্ষমতা নাৰীৰ হাতৰপৰা পুৰুষৰ হাতলৈ হস্তান্তৰ হোৱা কথাটোকেই এংগেল্‌ছে নাৰী জাতিৰ এক আন্তৰ্জাতিক ঐতিহাসিক পৰাজয় বুলি কৈছে। ওপৰত বৰ্ণনা কৰি অহা ভাৰতীয় ইতিহাসলৈ মন কৰিলেও এই কথাৰ সত্যতা উপলব্ধি কৰিব পাৰি। প্ৰাক্‌বৈদিক আৰু বৈদিক যুগতো আদিম মাতৃতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ কিছু অৱশেষ দেখা পোৱা যায়। কাশ্মীৰৰ বুৰঞ্জী 'ৰাজতৰংগিনী'ত কলহনে মহিলাসকলে গৃহস্থালিৰপৰা ওলাই আহি ৰাজনৈতিক ক্ষেত্ৰত পদাৰ্পণ

কৰিছিল বুলি কৈছে। তেওঁলোকে যুদ্ধ পৰিচালনা কৰিছিল। তেওঁলোক মাটিৰ আৰু স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ গৰাকী হ'ব পাৰিছিল আৰু তেওঁলোক মুক্ত আছিল। ব্ৰাহ্মণ্য যুগৰ সংহিতা, পুৰাণ আদি শাস্ত্ৰবোৰত নাৰীৰ মাটি-সম্পত্তিৰ ওপৰত অধিকাৰ নথকাৰ কথাটো উল্লেখ কৰালৈ চাই অনুমান কৰিব পাৰি যে সেই যুগৰপৰাই ভাৰতীয় নাৰীৰ সামাজিক দাসত্ব তথা বঞ্চনাৰ ইতিহাস ৰচিত হৈছিল। মাত্ৰ কিছুমান স্বাৰ্থকেন্দ্ৰিক ব্যতিক্ৰমৰ বাহিৰে নাৰী সম্পূৰ্ণৰূপে পুৰুষৰ অধীন হৈ পৰিছিল।

আজিৰ ভাৰতবৰ্ষৰ শিক্ষিত ও সচেতন নাৰী-সমাজ নিজৰ অধিকাৰ সম্পৰ্কে সচেতন হোৱাটো পৰিলক্ষিত হৈছে। বিভিন্ন বৃত্তিত অংশগ্ৰহণ কৰিবলৈকো নাৰীসমাজ ওলাই আহিছে। আজি ভাৰতীয় সংসদতো নাৰীৰ কাৰণে ৩৩ শতাংশ আসন সংৰক্ষণৰ দাবী উত্থাপিত হৈছে। কিন্তু ওপৰৰ আলোচনাই এই কথা স্পষ্ট কৰি দিছে যে মাটিবাৰীকে আদি কৰি স্থাৱৰ-অস্থাৱৰ সকলো সম্পত্তিৰ ওপৰত পুৰুষৰ লগতে নাৰীৰ সম - অধিকাৰ সামাজিকভাৱে স্বীকৃত হ'লেহে নাৰী-স্বাধীনতাৰ তথা নাৰী-পুৰুষৰ সম-সামাজিক মৰ্য্যদা স্থাপন কৰাৰ বাবে বুনিয়াদী সামাজিক ভিত্তি প্ৰতিষ্ঠা হ'ব। এই লক্ষ্য সন্মুখত ৰাখিহে নাৰী-আন্দোলনৰ কাৰ্য্যসূচী ৰচিত হোৱা উচিত।

কিন্তু তাৎপৰ্য্যপূৰ্ণ কথা হ'ল যে ভাৰতত মহিলাসকলৰ শিক্ষিতৰ হাৰ পুতৌজনক ভাবে কম। বৃহৎসংখ্যক নিৰক্ষৰ গ্ৰামীণ মহিলা অত্যধিক ঘৰুৱা কামৰ বোজা আৰু পুষ্টিহীনতাত পেপুৱা লাগি আছে। এনেকৈয়ে চহৰীয়া নিম্ন মধ্যবিত্ত পৰিয়ালৰ মহিলাসকলৰ অৱস্থাও ইয়াতকৈ খুব বেছি উন্নত নহয়। এই বৃহৎ নাৰী সমাজক সাক্ষৰ কৰি তেওঁলোকৰ নিজৰ অধিকাৰ সম্পৰ্কে সচেতন কৰাৰ জৰিয়তেহে নাৰী-সমাজক জাগৃত কৰিব পৰা যাব। আৰু এই প্ৰাথমিক চৰ্তটো পূৰণ কৰিব পাৰিলেহে নাৰী আন্দোলন অৰ্থপূৰ্ণ হ'ব। নাৰী-পুৰুষ নিৰ্বিশেষে সকলো সচেতন নাগৰিকে এইটো উপলব্ধি কৰিব পাৰিব লাগিব যে সমাজৰ অৰ্দ্ধশক্তি যথোপযুক্তভাবে ব্যৱহৃত নোহোৱালৈকে ভাৰতীয় সমাজ প্ৰগতিৰ পথত আশানুৰূপ ভাবে আগবাঢ়ি যোৱাতো সম্ভৱ নহয়। এই কথাকেই আন্তৰ্জাতিক নাৰীবৰ্ষৰ শ্লʼগানটোতো পোৱা যায়। আন্তৰ্জাতিক নাৰীবৰ্ষৰ শ্লʼগানটো হ'ল ঃ "Human development if not engendered is endangered" (মানৱ বিকাশৰ ধাৰাটো নাৰীমুখী ন'হ'লে বিপদ অনিবাৰ্য্য)

স্পষ্টতঃ সৰ্বাঙ্গীন মানৱ-কল্যাণৰ স্বাৰ্থতেই বৰ্ত্তমান দ্বি-স্তৰীয় নাৰী আন্দোলন অতীৱ প্ৰয়োজন —

(১) গণতান্ত্ৰিক দেশসমূহৰ সংবিধানে নাৰীৰ যি আৰ্থসামাজিক, ৰাজনৈতিক অধিকাৰৰ স্বীকৃতি দিছে সেইবোৰৰ সামাজিক বাস্তৱায়নৰ বাবে নাৰীবাদী আন্দোলন (Feminists' movement) নহয়, এক সাৰ্বজনীন আন্দোলনৰ সংগঠন আৰু

(২) পাৰিবাৰিক স্তৰত পুৰুষৰ লগতে নাৰীৰো সম্পত্তিৰ ওপৰত সমঅধিকাৰ স্বীকৃতিৰ বাবে সাৰ্বজনীন আন্দোলন, যি আন্দোলনৰ আশুদাবী হ'ব লাগে —

(ক) সকলো স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰ ওপৰত পুৰুষৰ লগতে নাৰীকো আইনগত সমানাধিকাৰ।

(খ) নাৰীৰ ঘৰুৱা কাম কাজৰ অৰ্থনৈতিক মূল্যায়ন।

নাৰীৰ অৰ্থনৈতিক অধিকাৰ অবিহনে নাৰী-পুৰুষৰ সমানাধিকাৰৰ আকাঙ্খাটো আকাশ-কুসুম হৈয়ে ৰ'ব।

**সহায়ক গ্ৰন্থ ঃ —**

(ক) সমাজ, সভ্যতা আৰু নাৰী — উমা শৰ্মা

(খ) ব্যক্তি, পৰিয়াল আৰু ৰাষ্ট্ৰৰ উৎপত্তি — ফেড্ৰিক্ এংগেলছ্

●●●



# তোমালৈ পৰিছে মনত...

পিংকী শৰ্মা, স্নাতক প্ৰথম বৰ্ষ

আভিজাত্যৰ কোবাল সোঁতৰ বিপৰীতে সমাজৰ উচ্চ শ্ৰেণীৰ দ্বাৰা অৱহেলিত উপেক্ষিত সৰ্বসাধাৰণ মানুহৰ দুকোঠলীয়া পঁজাঘৰটিতে শান্তিৰ সৰগ ৰচি মহিমামণ্ডিত স্বদেশৰ জয়গান গাই জননীৰ শেঁতা পৰা ওঁঠত হাঁহি বিৰিঙাব খোজা মহিলা কবি নলিনীবালা দেৱীৰ জন্ম হয় ১৮৯৮ খ্ৰীষ্টাব্দত বৰপেটাত। তেখেতৰ বিদ্যালয়ৰ শিক্ষাগত অৰ্হতা একেবাৰে নাছিল; ঘৰতেই কিছু শিক্ষা লাভ কৰিছিল। তেখেতৰ বিয়া হয় ১৯০৯ চনত জীৱেশ্বৰ চাংকাকতিৰ লগত। দাম্পত্য জীৱনৰ পাতনিৰে এখন সুখৰ সংসাৰ পতাৰ যো-জা কৰোঁতেই স্বামীৰ পৰলোকপ্ৰাপ্তি হয়। স্বামী বিয়োগৰ শোকাগ্নি নৌ-নুমাওঁতেই দুটি পুত্ৰকো তেওঁ হেৰুৱাব লগা হয়। অকালতে কবিগৰাকীৰ জীৱনলৈ নামি আহিল কাৰুণ্য। স্বামীহাৰা হোৱাৰ পিছত দিশহাৰা হৈ আশ্ৰয়স্থলী হিচাপে কণকণ ল'ৰা-ছোৱালী কেইটা লৈ পিতৃ–গৃহলৈ তেখেত গুচি আহে। তেতিয়াই দেউতাক কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱে সাংসাৰিক দুখ-শোক পাহৰি থাকিবলৈ শান্তিৰ প্ৰতীক ৰূপে জীয়েকৰ হাতত তুলি দিলে গীতা আৰু ভাগৱত। লাহে লাহে নলিনীবালা দেৱীৰ সংসাৰ-প্ৰয়াসী মনটো ঈশ্বৰ-প্ৰয়াসী হৈ পৰে আৰু পাৰ্থিৱ মায়া-মোহ অপাৰ্থিৱ প্ৰেমলৈ পৰিবৰ্তিত হয়।

কবিগৰাকীৰ ব্যক্তিগত জীৱনৰ শোকাকুল অৱস্থাই তেওঁৰ কবিতাৰ ঘাই উপজীব্য। জাগতিক বৰ্ণবৈচিত্ৰ্যৰ অন্তৰালত আত্মগোপন কৰি থকা সত্য-শিৱ-সুন্দৰৰ লগত মিলনেই হ'ল কবিৰ চৰম আকাঙ্ক্ষা। সেয়ে কবিৰ কবিতাত প্ৰকট হৈ উঠিছে ৰহস্যবাদ, জন্মান্তৰবাদ, কাৰুণ্য-বিগলিত ভক্তি, প্ৰবল প্ৰাৰ্থনাৰ কোমলতা আৰু ৰোমান্তিক বিষাদ। এই ধাৰাই নলিনীবালা দেৱীৰ অতীন্দ্ৰিয়বাদী কবিতাৰ মাধ্যম। আৰু শেষলৈকে তেওঁৰ লিখনিমালাই (সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ, পৰশমনি, যুগদেৱতা, অলকানন্দা) তেওঁক অতীন্দ্ৰিয়বাদী কবি বুলিয়েই প্ৰতিষ্ঠা কৰিলে।

"যথাকাশস্থিতো নিত্যং বায়ুঃ সৰ্বত্ৰগো মহান্
তথা সৰ্বানি ভূতানি মৎস্থানীত্যুপধাৰয়।"

(যিদৰে সদায় সৰ্বত্ৰগামী হৈও মহান বায়ুয়ে আকাশত অৱস্থান কৰে সেইদৰে সৰ্বভূত আমাৰ মাজত অৱস্থিত।) গীতাৰ এই মহান বাণী আছিল কবিগৰাকীৰ কবিতাৰ মূলভেটি। সেয়ে কবিয়ে প্ৰকৃতিৰ সৌন্দৰ্য্য, চৰাইৰ সুললিত কণ্ঠ, নৈ-জান-জুৰিৰ কুলু কুলু ধ্বনি, শ্যামল শৰতৰ শোভা, ধ্যান-গম্ভীৰ পৰ্বতৰ ৰূপৰ মাজত উপলব্ধি কৰিছে সৰ্বশক্তিমান ভগৱানৰ অবিনশ্বৰ ৰূপ। এই সৰ্বশক্তিমানক পাবলৈ নানা প্ৰকাৰৰ পূজা কৰিও কবি ব্যৰ্থ হ'ল। তেওঁৰ পূজাৰ সকলো সম্ভাৰ প্ৰায় শেষহৈ গ'ল—

"চন্দন শুকাই গ'ল
শুকাল মালতী কৰণিতে
ধূপগছি পুৰি গ'ল
শলাডালি পুৰিলে বন্তিতে।"

শেষত ভগৱানক দিবলৈ তেওঁৰ আত্মাটোহে

থাকিল। ইফালে দৈহিক শক্তিও হ্ৰাস পাই আহিছে। কিন্তু তেওঁৰ চৰম আকাঙ্ক্ষা এতিয়াও অপূৰণ হৈয়ে আছে। তেওঁৰ পৰমপুৰুষ আৰাধ্যদেৱতাজনাক পাবলৈ হ'লে এই পাৰ্থিৱ দেহাটোৰ অৱসান ঘটিব লাগিব বুলি কবিয়ে উপলব্ধি কৰিছে। সেয়ে তেওঁ আকুল কণ্ঠেৰে মৃত্যুক আহ্বান কৰিছে —

"চিতাগ্নি হোমাগ্নি হ'ব
সমীৰণ মলয় চন্দন
সিদিনা সাৰ্থক হ'ব
পূৰ্ণ অৰ্ঘ্য পূৰ্ণ ই জীৱন।"

অসময়তে জীৱনলৈ নামি অহা কাৰুণ্যই নলিনীবালা দেৱীক সংসাৰৰ প্ৰতি বীতশ্ৰদ্ধ কৰিলেও তেওঁ কৰ্মৰ প্ৰতি উদাসীন নহয়। বৰঞ্চ কৰ্মপ্ৰেৰণাৰ অমৰ বাণীৰে নিজকে অনুপ্ৰাণিত কৰি লগতে আনকো কৰ্মৰ প্ৰতি আগ্ৰহী, আনৰ প্ৰতি সহানুভূতিশীল, অৰূপ ৰূপৰ সাধনাত আৰু কৰ্মত ব্ৰতী হ'বলৈ আহ্বান কৰিছে —

"কৰ্তব্যৰ আঁৰে আঁৰে জীৱনৰ প্ৰতি পদে পদে
সত্যৰূপ পাবা তুমি দেখা,
জীৱনৰ পাৰে পাৰে চঞ্চল নূপুৰ ধ্বনি
আঁকি দিবা চৰণত ৰেখা।"

সাধনাত সিদ্ধি লাভ কৰিবলৈ সংসাৰৰ যাত্ৰীয়ে কৰ্তব্যৰ লগতে নিজক পৱিত্ৰ কৰি লব লাগিব। অপৱিত্ৰ মনত ভগৱান প্ৰতিষ্ঠা হ'ব নোৱাৰে। গীতাত শ্ৰীকৃষ্ণই কৈছে —

"সৰ্বভূতস্থিতং যো মাং ভজত্যেকত্বমাশ্ৰিতঃ।
সৰ্বথা বৰ্তমানোহপি স যোগী ময়ি বৰ্ততে।।"

(যি একত্বক আশ্ৰয় কৰি সৰ্বভূতত থকা মোক ভজনা কৰে সেই যোগী য'ত যেনেকৈ থাকক মোতে থাকে।) একে সুৰতে নলিনীবালা দেৱীয়েও কৈছে —

" সুন্দৰ অন্তৰ কত ধ্যানৰ স্নিগ্ধতা পথত
সুন্দৰ বিকশি উঠে মানুহৰ কমল বনত।"

দেহৰূপী সঁজাত পিঞ্জৰাবদ্ধ আত্মাই দেহবন্ধনৰ মাজেৰেও অনুভৱ কৰে অসীমৰ উদগ্ৰ আহ্বান—

"কোনেনো সদায় মাতে আকুল উতলা মাতে
কোন দূৰ সুদূৰৰ পৰা।"

সেয়ে পিঞ্জৰাবদ্ধ হৈয়ো আত্মাই বিচাৰে অনাবিল মুক্তিৰ আস্বাদ। সৰগীয় জ্যোতি-প্ৰয়াসী মানবাত্মাই ছোঁ পালেই বিচাৰে সৰগীয় স্বপ্নৰাজ্যৰ সুধা পান কৰিবলৈ। ই মানৱৰ চিৰন্তন ধৰ্ম —

"দূৰণিৰ পখীজাক
মিলি যায় দিগন্তত
মাতি যায় আকুল সুৰত
প্ৰতিধ্বনি বাজে সুদূৰত
জীৱনৰ লগৰী মোৰ
পিঞ্জৰাৰ পখীটি দেখোঁ
মিলি যাব খোজে অনন্তত
অসীমৰ অচিন বাটত।"

জাগতিক সৌন্দৰ্য্য কবি নলিনীবালা দেৱীৰ পৰম সৌন্দৰ্য্যৰ প্ৰতীকস্বৰূপ। বাহ্যিক সৌন্দৰ্য্যৰ বৰ্ণালীয়ে কবিৰ মন সাগৰত জোৱাৰ তুলিলেও তাৰ মাজেৰেই তেওঁ পৰম সৌন্দৰ্য্যৰ সন্ধান কৰিছে —

"মানুহৰ দুচকুৰ অসীম সৌন্দৰ্য্য তৃষ্ণা
সুখ আশা হেঁপাহ বুকুৰ
নহয় ই মৰতৰ খন্তেকীয়া জীৱনৰ
সুখ আশা পৰম পদৰ
ৰূপতৃষ্ণা চিৰসুন্দৰৰ।"

নলিনীবালা দেৱীয়ে শোক-তাপ জৰ্জৰিত সাংসাৰিক জীৱনৰপৰা উদ্ধাৰ পাবলৈ পৰমজনৰ চৰণত এডোখৰি ঠাই পাবলৈ আকুল সুৰেৰে ভিক্ষাৰ পাত্ৰ লৈ ভগৱানৰ দুৱাৰডলিত থিয় হৈছেগৈ। জীৱনৰ বিয়লি বেলাত তেওঁ সকলো হেৰুৱাই একেবাৰে নিঃস্ব হৈ পৰিছে —

"ভিক্ষাৰ পাত্ৰখনি মোৰ নিদিবানে অমৃতেৰে পূৰি



ধূলিময় পৃথিৱীৰ পৰা নল'বানে তুলি?"
নিদিবানে শেষবাৰ শোক দুখ সন্তাপ পাহৰা
শান্তিময় চৰণত স্থান?"

জীৱনৰ পাৰ্থিৱ ভোগ-বিলাসিতাই কবিক তৃপ্তি দিব পৰা নাই —

"ভোগতেই মানুহৰ তৃপিতি পলোৱা হ'লে
বাসনাও নোৱাৰে থাকিব।"

কবিয়ে সেয়ে বুজি পাইছে —

এৰিলে পাৰ্থিৱ আশা অশান্ত পৰাণ
চিৰ শান্তিৰে জুৰায়।"

ভাৰতীয় দৰ্শনৰ মূলভেটি জন্মান্তৰবাদত গভীৰ বিশ্বাস থকা কবিৰ মতে আত্মাৰ চৰম সমাধি নাথাকে। থকা হ'লে জীৱন মৰণৰো পাৰ্থক্য নাথাকিলহেঁতেন। জন্মান্তৰবাদ, আত্মাৰ অবিনশ্বৰতা, আত্মা পৰমাত্মাৰ মিলন-প্ৰয়াস এয়াই নলিনীবালা দেৱীৰ কবিতাৰ প্ৰাণস্বৰূপ। সেয়ে তেওঁ কৈছে —

"কতবাৰ জনমিলো তোমাৰ কোলাত
গ'ইছিলোঁ আকউ উভতি
অপূৰণ কৰমৰ ভাৰ বান্ধি ল'ই
ঘূৰি ঘূৰি আহিছো উভতি।"

মৃত্যুৰ মাজেৰে ভগৱানক দেখাৰ হেঁপাহ থকাৰ বাবেই জীৱনৰ আবেলি বেলিকা সংসাৰ-যাত্ৰা শেষ হোৱাৰ আগতে কবিৰ মনত পৰিছে তেওঁৰ প্ৰিয়তমলৈ। সেই প্ৰিয়তমৰ মূৰ্তিয়েই যেন পৰমাত্মা। সেয়ে অসীমৰ যাত্ৰীয়ে মনে মনে মৃত্যুৰ সীমা অতিক্ৰম কৰি ভগৱানৰ অন্বেষণ কৰে —

"আজি এই আবেলিৰ বিদায় পৰত
গহীন আন্ধাৰে ঢকা
সীমাহীন সাগৰ পাৰত
তোমালৈ পৰিছে মনত
অ'মোৰ পৰম প্ৰিয়
তুমি ক'ত? তুমি ক'ত?

এই মহান কবি গৰাকী ১৯৫৪ চনৰ অসম সাহিত্য সভাৰ যোৰহাট অধিবেশনৰ সভানেত্ৰী আছিল। তেঁৱেই সভাৰ প্ৰথম মহিলা সভানেত্ৰী।

কবি গৰাকীক দেউতাকৰ সান্নিধ্যই স্বদেশ প্ৰেমৰ মন্ত্ৰৰেও দীক্ষিত কৰিছিল। সেয়ে তেওঁৰ কবিতাসমূহৰ আন এটা দিশ হ'ল স্বদেশপ্ৰেম। সুখে-দুখে জনমভূমিক সেৱা কৰি থাকিবলৈ, মৃত্যুৰ পিছতো এই দেশতে জনম লভিবলৈ কবিগৰাকীয়ে আশা প্ৰকাশ কৰিছে —

"দুখীয়াৰ ভঙা পঁজা
একোখনি তীৰ্থ তাত
একোখনি পূণ্যৰ আশ্ৰম
মৰিলে পুনৰ আহি
দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম।"

নলিনীবালা দেৱীৰ কবিতাত কবিৰ সৌন্দৰ্য্যবোধ, অসীমৰ প্ৰতি উন্মনাভাৱ, ধুনীয়া ধৰণীৰ বৰ্ণ-বৈভৱত উল্লাস, শব্দমাধুৰ্য্য, ভাৱৰ মৃদুব্যঞ্জনা, ছন্দৰ সুষম লয়, আধ্যাত্মিক বিচ্ছেদৰ বেদনা, চিৰ সুন্দৰৰ মৃদু পৰমানুভৱ লীলায়িত গতিত প্ৰকাশ পাইছে। প্ৰাচীন ভাৰতীয় আদৰ্শ আৰু সংস্কৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা তেওঁৰ কবিতাৰ আন এটা লক্ষণ। নলিনীবালা দেৱীৰ কাব্য-ভংগীত ৰবীন্দ্ৰনাথৰ প্ৰভাৱো অৱজ্ঞা কৰিব নোৱাৰি —

"শুনি বিহগীৰ গীত সুৰলা মাতৰ
ভাঁহি উঠে স্মৃতি যেন কোন অতীতৰ,
গাই যোৱা অতীজতে কুলি-কেতেকীৰ স'তে
পাহৰা সুন্দৰ কত গীত প্ৰভাতৰ।"

আধ্যাত্মিক বেদনাৰ কাৰুণ্যই নলিনীবালাদেৱীৰ কবিতাক নিয়ৰত সিক্ত ফুলৰ দৰে স্নিগ্ধ আৰু ৰমণীয় কৰি তুলিছে। ৰহস্যবাদৰ সুৰে তেওঁৰ কবিতাক ভাৱব্যঞ্জক, ৰহস্যঘন আৰু মধুৰ কোমল কৰাত সহায় কৰিছে।

●●●

# নিপীড়িত জনতাৰ কণ্ঠস্বৰ ঃ ছফ্‌দৰ হাছ্মী

**পপী শইকীয়া,** স্নাতক প্ৰথম বৰ্ষ



ৰাছিয়াত ১৯১৭ চনৰ অক্টোবৰ বিপ্লৱৰ পিছতেই চি.ভি. ময়াৰ্হ'ল্ড আৰু কবি ভ্লাডিমিৰ মায়াক'ভ্স্কিৰ হাতত বাটৰ নাটৰ জন্ম। বাটৰ নাট এক প্ৰকাৰৰ ৰাজনৈতিক নাটক। এইবিধ নাটকৰ মূল উদ্দেশ্য হৈছে জনসাধাৰণৰ সপক্ষে প্ৰতিবাদী ৰাজনীতি প্ৰচাৰ কৰা। ৰাছিয়াত বিপ্লৱৰ সময়ত এই নাটে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। একেদৰেই স্পেইনৰ গৃহযুদ্ধত, ভিয়েৎনামৰ বিপ্লৱৰ সময়ত, বিপ্লৱোত্তৰ কিউবাত, চীনত বাটৰ নাটে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ভাৰতবৰ্ষত ভাৰতীয় গণনাট্য সংঘৰ (IPTA) নেতৃত্বত বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জনগণক সজাগ কৰাৰ মাধ্যম হিচাপে বাটৰ নাটৰ জন্ম। বৰ্তমান স্বাধীনতাৰ পাছতো যি সকলে, শোষণ, বঞ্চনা, দুৰ্নীতিৰ বিৰুদ্ধে সংগ্ৰাম চলাই আহিছে তেওঁলোকৰ বাবে বাটৰ নাট এক প্ৰধান অস্ত্ৰ।

স্বাধীনতাৰ পাছত ভাৰতত বাটৰ নাটক যি সকল ব্যক্তিৰ অৱদানে এক শক্তিশালী ৰূপ প্ৰদান কৰিছে, তেওঁলোকৰ ভিতৰত অন্যতম ব্যক্তিজন হৈছে "ছফ্‌দৰ হাছ্মী"। ভাৰতীয় বাটৰ নাটৰ সতে ছফ্‌দৰ হাছ্মী এনেভাৱে জড়িত যে তেওঁক বাদ দি ইয়াৰ চিন্তাই কৰিব নোৱাৰি। হাছ্মীৰ হাতত ভাৰতত বাটৰ নাটে বিকাশ লাভ কৰে। কিন্তু অতি কম বয়সতেই মানুহৰ হিংসা আৰু বৰ্বৰতাৰ বলি হয় এই বিৰল প্ৰতিভা।

ছফ্‌দৰ হাছ্মীৰ জন্ম হয় ১৯৫৪ চনৰ ১২ এপ্ৰিলত, দিল্লীত। তেওঁৰ পিতৃ হানিফ হাছ্মী সেই সময়ৰ অবিভক্ত কমিউনিষ্ট পাৰ্টিৰ এজন নেতা আৰু মাতৃ কমৰ হাছ্মী এগৰাকী অধ্যাপিকা আছিল। পিতৃ-মাতৃৰ উপৰিও পৰিয়ালৰ আনজন সদস্য আছিল ছফ্‌দৰৰ ভাতৃ ছোহেল হাছ্মী, এওঁ কমিউনিষ্ট পাৰ্টিৰ কৰ্মী আৰু সংগঠক আছিল।

ছফ্‌দৰ হাছ্মীৰ শিক্ষা-জীৱনৰ আৰম্ভণি আলিগড়ত যদিও তেওঁৰ প্ৰকৃত শিক্ষা-জীৱনৰ আৰম্ভ হয় দিল্লীত। ১৯৬৪ চনত দিল্লীৰ সৰোজিনী নগৰৰ এন্ এম্ চি স্কুলৰপৰা আৰম্ভ কৰি শেষত ১৯৭৫ চনত দিল্লী বিশ্ববিদ্যালয়ৰপৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। শিক্ষা-জীৱনৰ সমাপ্তি ঘটাই তেওঁ প্ৰথমে জাকিৰ হুছেইন কলেজত অধ্যাপক হিচাপে যোগ দিয়ে। তাৰ পিছত গাৰোৱাল বিশ্ববিদ্যালয়, কাশ্মীৰৰ শ্ৰীনগৰ বিশ্ববিদ্যালয়তো অধ্যাপনা কৰে। ১৯৭৯ চনত পশ্চিমবঙ্গৰ বামফ্ৰন্ট চৰকাৰৰ দিল্লীস্থ তথ্য দপ্তৰৰ



কাৰ্য্যালয়ত প্ৰেছ অফিচাৰ হিচাপে যোগদান কৰে। এই চাকৰিও বাদ দি ১৯৮৩ চনত তেওঁ চি.পি.এম দলৰ দিল্লীৰ ৰাজ্যিক কমিটিৰ আহ্বানক্ৰমে দলৰ সাংস্কৃতিক ফ্ৰন্ট আৰু নাট্য আন্দোলনৰ কামত সৰ্বক্ষণ-কৰ্মী হিচাপে যোগ দিয়ে।

সকলোৰেপৰা অতি বুদ্ধিমান, প্ৰতিভাৱান আৰু এক সাংস্কৃতিক মনৰ অধিকাৰী আছিল হাছ্মী। পৰিয়ালৰ আনকেইজন সদস্যৰ দৰেই হাছ্মীও মাৰ্ক্সীয় আদৰ্শত বিশ্বাসী আছিল আৰু ছাত্ৰ অৱস্থাৰে পৰাই এই আদৰ্শ আগত ৰাখি কাম কাজ কৰিছিল। তেওঁ ছাত্ৰ অৱস্থাত 'ভাৰতীয় ছাত্ৰ ফেডাৰেচন'ৰ সদস্য আছিল। সেই সময়ত সংগঠনৰ যিকোনো আন্দোলনত হাছ্মীয়ে সদায়েই আগভাগ লৈছিল। ১৯৭১ চনত ছাত্ৰ অৱস্থাতে ভাৰতীয় গণনাট্য সংঘৰ স'তে ছফ্‌দৰ হাছ্মী জড়িত হৈ পৰে। ১৯৭৩ চনত দিল্লীত যিসকল অগ্ৰণী ব্যক্তিৰ উদ্যোগত "জননাট্য মঞ্চ" প্ৰতিষ্ঠা কৰা হয়, তেওঁলোকৰ ভিতৰত হাছ্মী আছিল অন্যতম। হাছ্মীৰ নেতৃত্বত জননাট্য মঞ্চ দিল্লীৰ গণতান্ত্ৰিক আন্দোলনৰ স'তে জড়িত হৈ পৰে। হাছ্মীৰ উদ্যোগত জননাট্য মঞ্চই দিল্লীৰ বাহিৰেও ভাৰতৰ আন আন ঠাইলৈ গৈ বাটৰ নাট প্ৰদৰ্শন কৰে। ১৯৮১ চনত তেওঁ অসমলৈ আহি গুৱাহাটীতো নাট প্ৰদৰ্শন কৰি গৈছিল।

অন্যায়, অনাচাৰৰ বিৰুদ্ধে হাছ্মীয়ে সদায়েই নিৰ্ভীকভাৱে প্ৰতিবাদ কৰিছিল। সাম্প্ৰদায়িকতাক তেওঁ ঘৃণা কৰিছিল আৰু ইয়াৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰিছিল। সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাবে গঠিত বিভিন্ন সংগঠন আৰু সমিতিত তেওঁ মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। ১৯৮৪ চনত সমগ্ৰ দেশজুৰি আৰম্ভ হোৱা শিখ-নিধন যজ্ঞ ৰোধ কৰাত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। আনকি তেওঁ সাম্প্ৰদায়িকতাৰ প্ৰকৃত স্বৰূপ উদঙাই ইয়াৰ মূল কাঠামোত আঘাত কৰি নাটক ৰচনা কৰে। এই নাটক সমূহ জননাট্য মঞ্চৰ জৰিয়তে প্ৰদৰ্শন কৰে। "অপহৰণ ভাইচাৰে কা" সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে তেওঁৰ দ্বাৰা ৰচিত উল্লেখযোগ্য নাটক। ১৯৮৮ চনত 'অৰ্গেনাইজেচন্ অব্ ফ্ৰেটাৰ্নিটি, আণ্ডাৰষ্টেণ্ডিং এণ্ড্ কমিউনেল্ হাৰ্ম'নি'ৰ তৰফৰপৰা "সাম্প্ৰদায়িক সম্প্ৰীতি পুৰস্কাৰ'ৰ বাবে হাছ্মীক নিৰ্বাচন কৰা হয়। কিন্তু এই পুৰস্কাৰ গ্ৰহণ কৰিবলৈ হাছ্মীয়ে অস্বীকাৰ কৰে। কিয়নো পুৰস্কাৰ প্ৰদান অনুষ্ঠানত কেন্দ্ৰীয় তথ্য আৰু প্ৰচাৰ মন্ত্ৰী এইচ্, কে, এল্ ভগত মুখ্য অতিথি হিচাপে উপস্থিত আছিল। এই সন্দৰ্ভত হাছ্মীয়ে কৈছিল "আপোনালোকে প্ৰদান কৰা সন্মান মই গ্ৰহণ কৰিছো, কিন্তু সেই জল্লাদৰ হাতৰপৰা মই পুৰস্কাৰ গ্ৰহণ কৰিব নোৱাৰো।" এই ঘটনাৰ তিনিদিন পিছতেই হাছ্মীক হত্যা কৰা হৈছিল।

১৯৭৩ চনতে জননাট্য মঞ্চৰ স'তে জড়িত হাছ্মীয়ে ১৯৭৬ চনত তেওঁৰ প্ৰথম নাটক 'মেচিন' ৰচনা কৰে। মেচিনকে আৰম্ভকৰি 'গাঁওছে চহৰ তক', 'আউৰত', 'মিল কৰ চলো', 'পুলিছ চৰিত্ৰম', 'জংকা খতৃৰা', 'অপহৰণ ভাইচাৰে কা', 'হল্লা বোল'কে আদি কৰি তেওঁ মুঠ ২১ খন নাটক ৰচনা কৰে। ১৯৮৮ চনত ৰচিত "হল্লা বোল" নাটকেই তেওঁৰ শেষ নাটক আছিল। হাছ্মীৰ নাটকসমূহৰ বিষয়বস্তু হৈছে কৃষক-শ্ৰমিক, সাধাৰণ মানুহৰ দুখ-যাতনা, জীৱন-সংগ্ৰামৰ বিভিন্ন দিশসমূহ আৰু মুক্তি-পথৰ সন্ধান।

ছফ্‌দৰ হাছ্মী ৰচিত প্ৰথম নাটক 'মেচিন'ত শ্ৰমিক আৰু মালিকৰ সম্পৰ্ক দেখুওৱা হৈছে। পুঁজিবাদী ব্যৱস্থাত শ্ৰমিকসকল পুঁজিপতিৰ দ্বাৰা কি দৰে শোষিত, তেওঁলোকৰ মাজৰ সংঘৰ্ষ আৰু শ্ৰমিকৰ একতাক নাটকখনিত সুন্দৰভাবে দেখুওৱা হৈছে।

তেওঁৰ দ্বিতীয় নাটক 'গাঁওছে চহৰ তক'ত গাঁৱৰ সহজ-সৰল কৃষক সকলৰ ওপৰত চলা জমিদাৰী শোষণৰ ঘৃণনীয় কাহিনীৰ বৰ্ণনা কৰা হৈছে। গাঁও আৰু চহৰ জীৱনৰ সংঘাত, লগতে কৰ্মসংস্থাপন বিচাৰি হাবাথুৰি খোৱা যুৱকৰ দুৰ্গতিক এক সুন্দৰ ৰূপত তুলি ধৰিছে এই নাটকখনিত।

হাছ্মীৰ আন এখন উল্লেখযোগ্য নাটক 'আউৰত'। পুৰুষ-প্ৰধান সমাজখনত নাৰীসকল কিদৰে শোষিত হৈছে, সমাজৰ কুসংস্কাৰৰ বলি হৈছে ইয়াক স্পষ্ট ভাবে দেখুওৱা হৈছে। এই নাটকত নাৰীৰ অধিকাৰৰ যি সংগ্ৰাম চলিছে তাক শক্তিশালী ৰূপত গঢ়ি তুলিবলৈ আহ্বান জনোৱা হৈছে। নাৰী-মুক্তিৰ সংগ্ৰামক সৰ্বহাৰাৰ মুক্তি সংগ্ৰাম হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনাইছে।

হাছ্মীৰ শেষ নাটক 'হল্লা বোল'ও শ্ৰমিকৰ জীৱনৰ ওপৰত ৰচিত। গাজিয়াবাদৰ শিল্প-উদ্যোগসমূহৰ শ্ৰমিকৰ জীৱনযাত্ৰা আৰু আন্দোলনৰ ওপৰত ভিত্তি কৰি উৰ্দু ভাষাত ৰচিত এই নাটকখনে জনসাধাৰণৰপৰা বিপুল

সমাদৰ লাভ কৰে। নাৰী-পুৰুষ নির্বিশেষে শ্রমিকৰ ওপৰত মালিকৰ অত্যাচাৰ, শোষণ, পুলিছৰ নিপীড়নৰ সুন্দৰ বৰ্ণনা ইয়াত দিয়া হৈছে।



ছফ্‌দৰ হাছ্‌মীৰ শেষ নাটক 'হল্লা বোল'ৰ এটি দৃশ্য

১৯৮৯ চনৰ ১ জানুৱাৰীৰ দুপৰীয়া ১২-৩০ বজাত জননাট্য মঞ্চৰ শিল্পী সকলে হাছ্‌মীৰ নেতৃত্বত ছাহিবাদৰ ঝণ্ডাপুৰৰ আম্বেদকাৰ পার্কত 'হল্লা বোল' নাটক পৰিবেশন কৰিছিল। তেতিয়া আছিল পৌৰসভাৰ নির্বাচনৰ সময়। নাটক আৰম্ভ হোৱাৰ কিছু সময়ৰ পাছতেই কংগ্ৰেছ (ই) দল সমৰ্থিত এজাক লোক আহি নাটক বন্ধ কৰিবলৈ হুমকি দিয়ে। সকলোৱে দলটোক বুজাবলৈ চেষ্টা কৰে, কিন্তু সিহঁতে তেওঁলোকৰ কথা নুশুনি ঝাণ্ডাপুৰৰ ৪০ নং ৱাৰ্ডৰ পৌৰসভাৰ নির্বাচনী প্রার্থী মুকেশ শর্মাৰ নির্বাচনী সমদল পাৰ কৰি নিবলৈ চেষ্টা কৰে। ছফ্‌দৰ হাছ্‌মীয়ে নাটক শেষ হোৱাৰ পাছতেই তেওঁলোকক সেই পথেৰে সমদল পাৰ কৰি নিব পাৰিব বুলি বহুবাৰ বুজোৱাৰ পিছতো মুকেশ শৰ্মাৰ নেতৃত্বত প্ৰায় ১০০/১৫০ জনীয়া এটি সশস্ত্র গুণ্ডাৰ দলে নাট্য-কর্মীসকলৰ ওপৰত আক্ৰমণ চলায়। এই আক্ৰমণত প্ৰথমে ৰাম বাহাদুৰ নামৰ এজন শ্ৰমিকৰ মৃত্যু হয়। হাছ্‌মীয়ে ঘটনাৰ গুৰুত্ব বুজিব পাৰি পত্নী মলয়শ্ৰী সহ আন অভিনেতা আৰু নাট্যকৰ্মীসকলক নিৰাপদে পলোৱাৰ ব্যৱস্থা কৰে। কিন্তু শেষত তেওঁ নিজেই এই গুণ্ডাদলৰ আক্ৰমণৰ বলি হয়। নৰপিশাচহঁতে তেওঁক অতি নৃশংস ভাৱে প্ৰহাৰ কৰি মৃতপ্ৰায় অৱস্থাত ৰাজপথত পেলাই থৈ যায়। আৰক্ষী বিভাগে সময়মতে খবৰ পোৱাৰ পিছতো তেওঁলোকৰ দায়িত্ব পালন কৰাৰ পৰিবৰ্তে খবৰ দিওঁতা জনৰ ওপৰতহে নিৰ্য্যাতন চলায়। স্থানীয় লোকে হাছ্‌মীক প্রথমে মোহন নগৰ হস্পিতাললৈ নিয়ে, তাৰপৰা দিল্লীৰ কেইবাখনো হস্পিতাল বাগৰি শেষত আবেলি ৫ বজাত ৰাম মনোহৰ লোহিয়া হস্পিতালত ভৰ্ত্তি কৰে। কিন্তু চিকিৎসকৰ আপ্ৰাণ চেষ্টাক হাৰ মনাই আৰু হাজাৰ হাজাৰ শুভাকাংক্ষীক কন্দুৱাই ২ জানুৱাৰীৰ ৰাতি ১০-৩০ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। এইদৰেই হেৰাই গ'ল ভাৰতীয় সাংস্কৃতিক জগতৰ এটি উজ্জ্বল নক্ষত্ৰ, এটি মহান জীৱনৰ হ'ল অকাল সমাপ্তি। যেতিয়া কোনো সংস্কৃতিয়ে জনগণৰ বৈপ্লৱিক চেতনা জগাই তোলাৰ চেষ্টা কৰে তেতিয়াই ই শাসক শ্ৰেণীৰ দমন, পীড়নৰ বলি হ'ব লগা হৈছে। শাসক শ্ৰেণীয়ে কাহানিও নিবিচাৰে যেশোষিত সকল নিজৰ অধিকাৰ সম্পৰ্কে সচেতন হওক, নিজৰ অধিকাৰৰ বাবে যুঁজিবলৈ শিকক। ছফ্‌দৰ হাছ্‌মীয়ে বাটৰ নাটৰ জৰিয়তে শোষিতসকলক সজাগ কৰাৰ যি চেষ্টা কৰিছিল তাক শাসক শ্ৰেণীয়ে সহ্য কৰিব নোৱাৰিলে। তেওঁলোকে হাছ্‌মীৰ বাবে যি টোপ পেলাইছিল সেয়াও হাছ্‌মীয়ে গ্ৰহণ নকৰাত পৰিকল্পিত ভাবে এক নাৰকীয় পদ্ধতিৰে তেওঁক হত্যা কৰিলে। হাছ্‌মীৰ হত্যাত দেশৰ ভিতৰে-বাহিৰে এক তীব্ৰ প্ৰতিবাদৰ ঢৌ উঠিছিল। হাছ্‌মীৰ হত্যাই তেওঁৰ সংগ্ৰাম স্তিমিত কৰিব নোৱাৰিলে, বৰঞ্চ আৰু অধিক শক্তিশালীহে কৰি তুলিলে। মৰণোত্তৰ ভাবে কলিকতা বিশ্ববিদ্যালয়ে ছফ্‌দৰ হাছ্‌মীক সন্মানীয় "ডি, লিট" উপাধি প্ৰদান কৰে। ১৯৮৯ চনৰ ১০ জানুৱাৰীত হাছ্‌মীৰ পৰিকল্পনাসমূহ ৰূপায়নৰ লগতে দিল্লীকে ধৰি সমগ্ৰ দেশতে বাণিজ্যিক সংস্কৃতিৰ বিকল্পৰূপে গণমুখী সাংস্কৃতিক আন্দোলন গঢ়ি তুলিবলৈ "ছফ্‌দৰ হাছ্‌মী স্মৃতি ৰক্ষা কমিটি" (সহমত) গঠন কৰা হয়। হত্যা কৰিব পৰা যায় এজন ব্যক্তিক, তেওঁৰ আদৰ্শক নহয়। আমাৰ মাজৰপৰা হেৰাই গ'ল— হাছ্‌মী মানুহজনহে, তেওঁৰ আদৰ্শ আজিও জীয়াই আছে আৰু যেতিয়ালৈকে জীয়াই থাকিব সচেতন শিল্পীসকল, শ্ৰমজীৱী জনগণ, তেতিয়ালৈকে মৃত্যু নহয় হাছ্‌মীৰ।


সহায়ক গ্ৰন্থ ঃ

ছফ্‌দৰ্ হাছ্‌মী আৰু বাটৰ নাট

ইছমাইল হুছেইন


●●●



# উচ্ছৃংখল যুৱ-মানসিকতাৰ উৎস সন্ধান আৰু ইয়াৰ প্ৰতিকাৰ


**মীনাক্ষী শইকীয়া,** স্নাতক দ্বিতীয় বৰ্ষ


উচ্ছৃংখল যুৱ-মানসিকতা বৰ্ত্তমান সমাজৰ বহুচৰ্চিত বিষয়। এই উচ্ছৃংখলতাৰ বাবে কেৱল ছাত্ৰ-সমাজকেই জগৰীয়া বুলি ভাবি আমাৰ সমাজৰ বহু সংখ্যক লোকেই আত্মসন্তুষ্টি লাভ কৰে। কিন্তু কি কাৰণেনো এচাম ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা এৰি বিপথগামী হ'বলৈ আৰম্ভ কৰিছে তাৰ বিচাৰ কৰিবলৈ কোনো আগ্ৰহী নহয়। এই উচ্ছৃংখল যুৱ-মানসিকতাৰ কাৰণ আমাৰ শিক্ষা-ব্যৱস্থা নে ল'ৰা-ছোৱালীৰ প্ৰতি অভিভাৱকৰ অমনোযোগিতা নে অন্য কিবা ইয়াৰ বিষয়ে মোৰ সীমিত জ্ঞানেৰে আলোচনা কৰিব বিচাৰিছোঁ।

সমাজ আৰু শিক্ষাৰ সম্পৰ্ক অতি নিবিড়। শিক্ষাৰ অবিহনে সমাজৰ প্ৰগতি অকল্পনীয়। যুগে যুগে সমাজৰ সলনি হৈ আহিছে আৰু হৈও থাকিব। এই পৰিবৰ্ত্তনৰ লগে লগে মানুহৰ চিন্তাধাৰাইও নতুন নতুন ৰূপ লয়। এই পৰিবৰ্ত্তিত চিন্তাধাৰাৰ লগত শিক্ষাৰ সংস্কাৰ প্ৰয়োজনীয় হৈ পৰে। বৰ্ত্তমান যুগত সমাজৰ দ্ৰুত পৰিবৰ্ত্তন ঘটিছে। কিন্তু ইয়াৰ লগত ফেৰ মাৰিব পৰাকৈ আমাৰ শিক্ষা ব্যৱস্থাৰ পৰিবৰ্ত্তন হোৱা নাই। বৃটিছৰ দিনতে পাশ্চাত্য আৰ্হিত গঢ়ি উঠা আমাৰ শিক্ষাব্যৱস্থাৰ বৰ্ত্তমানেও বিশেষ একো সাল-সলনি হোৱা নাই। বলপূৰ্বকভাবে আমাক এনে এটা শিক্ষা-ব্যৱস্থা জাপি দিয়া হৈছে য'ত বাস্তৱ জীৱনৰ লগত শিক্ষাৰ যোগসূত্ৰ ক্ষীণ। স্কুল-কলেজত যি বিলাক কথা পঢ়া যায় বা পঢ়োৱা যায় সেইবোৰ সৰহ ভাগেই পৰৱৰ্তী জীৱনত কোনো কামত নালাগে। স্কুল-কলেজত আয়ত্ত কৰা শিক্ষাৰ সহায়েৰে স্ব-নিৰ্ভৰ জীৱন যাপন কৰিবলৈ সক্ষম নহয়ত ফলত সকলোৱেই বিচাৰে চাকৰি। বৰ্ত্তমান চাকৰিৰ পৰিস্থিতিৰ বিষয়ে সকলোৱেই জানে। তদুপৰি শিক্ষাগত অৰ্হতা জোখা হয় টকাৰ হিচাপেৰে। ইয়াৰ ফলত কঠোৰ পৰিশ্ৰমেৰে অধ্যয়ন কৰি শিক্ষা লাভ কৰা প্ৰকৃত উচ্চ অৰ্হতা সম্পন্নজন বঞ্চিত হৈছে। এই পৰিস্থিতিয়ে স্বাভাৱিকতেই যুৱক-যুৱতীসকলৰ মনলৈ হতাশা আনে। এই হতাশাগ্ৰস্ততাই তেওঁলোকক উচ্ছৃংখল হ'বলৈ অৰিহণা যোগায়।

অনেক পিতৃ-মাতৃয়ে নিজে দেখা সপোনবোৰ যিবোৰ সপোন তেওঁলোকে বাস্তৱত ৰূপ দিব নোৱাৰিলে, তেনেবোৰ সপোন ল'ৰা-ছোৱালীৰদ্বাৰা পূৰণ কৰিব বিচাৰে। কিন্তু এই সপোনবোৰ বাস্তৱত ৰূপায়িত কৰাৰ শক্তি আৰু সামৰ্থ্য তেওঁলোকৰ ল'ৰা-ছোৱালীৰ আছেনে নাই সেইটো পৰীক্ষা কৰাৰ অৱকাশো আমাৰ অভিভাৱকসকলৰ নাই। পিতৃ-মাতৃৰ আকাংক্ষিত লক্ষ্যত উপনীত হ'বলৈ যাওঁতে ল'ৰা-ছোৱালীবোৰৰ অনেকেই হৈ পৰে যান্ত্ৰিক, আত্মকেন্দ্ৰিক। লক্ষ্যপ্ৰাপ্তিৰ আকাংক্ষা ইমানেই তীব্ৰ হৈ পৰে যে অনেকৰ মনৰ -পৰা সাধাৰণ মানৱীয় প্ৰকৃতিখিনিও নোহোৱা হৈ পৰে। তেওঁলোকৰ মনবোৰ ইমানেই প্ৰতিযোগিতাময় হৈ পৰে যে ফলস্বৰূপে ল'ৰা-ছোৱালীবোৰ মানসিকভাবে অসুস্থ হৈ পৰে। ল'ৰা-ছোৱালীৰ মনত উদয় হোৱা হতাশা আৰু অৱসাদে বহুতকে হীনমন্যতাত ভোগায়। মাদকদ্ৰব্য সেৱন, উচ্ছৃংখল আচৰণ আৰু বিকৃত মানসিকতাৰ চিকাৰ হয়। পিতৃ-মাতৃসকলৰ অধিক ব্যস্ততা বা তেওঁলোকৰ মাজত থকা বিৰোধিতাৰ ফলত অনাদৃত, অৰক্ষিত, অৱহেলিত হৈ পৰে সন্তানসকল। সুস্থজীৱন নোপোৱাৰ বাবে

তেওঁলোকৰ অনেকবোৰ হৈ উঠে ভয়ানক নিষ্ঠুৰ, হৃদয়হীন আৰু অমানৱিকতাসম্পন্ন। কিছু সংখ্যক অভিভাৱকৰ ক'লা টকাৰ প্ৰাচুৰ্য্যও সন্তানসকলৰ বিলাসী জীৱন, উচ্ছৃংখল যুৱ-মানসিকতাৰ আন এটা কাৰণ। বিচৰা বস্তুটো মুহূৰ্ততে পোৱাৰ ফলত অধ্যয়নৰত অৱস্থাতে কৰ্মবিমুখ মানসিকতা গঢ় লৈ উঠে। ফলত বিশ্ববিদ্যালয়ৰ ডিগ্ৰী আহৰণ কৰাৰ পিছতো পৰিশ্ৰম বিমুখতাৰ কাৰণে বিলাসী জীৱন-যাপনত অভ্যস্ত যুৱকসকলে সহজ উপায়েৰে উপাৰ্জনৰ পথ বিচাৰে। ফলস্বৰূপে যিকোনো অসৎ কৰ্মত প্ৰবৃত্ত হৈয়ো তেওঁলোকে সমাজৰ পৰিবেশ দূষিত কৰে। আমাৰ মাজৰে কিছুমান অভিভাৱকে সন্তানক পঢ়া-শুনাত অধিক গুৰুত্ব দি আচাৰ-ব্যৱহাৰৰ দিশত কোনো ধৰণৰ গুৰুত্ব নিদিয়ে, যাৰ ফলত আজিৰ শিশুৱে পঢ়া-শুনা কৰে সচাঁ, কিন্তু বিভিন্ন অসামাজিক কাম কৰিবলৈ তেওঁলোকে কুণ্ঠাবোধ নকৰে। ইয়াৰ প্ৰমাণ বহন কৰিছে তলৰ সংলাপটিয়ে।

"মই স্কুল চুটি হোৱাৰ পিছত মদ খাওঁ, ধূমপান কৰোঁ আৰু মাৰপিটো কৰোঁ। কিন্তু মোক কোনেও ইয়াৰ বাবে শাস্তি নিদিয়ে, কাৰণ মই এজন ভাল ছাত্ৰ। তদুপৰি মা-দেউতাৰ একমাত্ৰ সন্তান হোৱাৰ বাবে মা-দেউতাই মোক একো নকয়।" এয়া কোনো চিনেমাৰ 'হিৰো'ৰ সংলাপ নহয়, কোনো উপন্যাসৰ পংক্তিও নহয়। বহুদিন আগতে গুৱাহাটীৰপৰা প্ৰকাশিত দৈনিক বাতৰি-কাকত এখনত প্ৰকাশ হোৱা অপৰাধ প্ৰৱণ শিশুৰ বক্তব্যহে মাথোন (সংগৃহীত)। এই কথাখিনি মোৰ আলোচনাত সুমুওৱাৰ কাৰণ হ'ল মই ইয়াৰদ্বাৰা দেখুৱাব বিচাৰিছো যে কেনেদৰে অভিভাৱকৰ অমনোযোগিতা বা অনীহাৰ বাবে বা বয়সৰ দোষ হিচাপে ক্ষমা কৰাৰ বাবে এজন যুৱকেই হওক বা যুৱতীয়েই হওক বিপথে পৰিচালিত হ'ব পাৰে। অভিভাৱকসকলে এইটো বুজা উচিত যে কেৱল পঢ়া-শুনাই এজন যুৱকক মানুহ হিচাপে প্ৰতিষ্ঠিত কৰিব নোৱাৰে। তাৰ লগতে তেওঁৰ নৈতিকতাৰ জ্ঞান থকাও নিতান্তই প্ৰয়োজন।

বৰ্তমান দেশৰ ৰাজনৈতিক পৰিস্থিতি অস্থিৰ,অশান্ত আৰু হত্যা-হিংসা-সন্ত্ৰাসেৰে জৰ্জৰিত। বিংশ শতিকাৰ দৰেই একবিংশ শতিকাৰো ৰাতিবোৰ পুৱায় বন্দুকৰ শব্দতেই। প্ৰতিটো পুৱাত এতিয়াও আমাৰ বাবে বৈ থাকে কিছুমান বিশেষ খবৰ ঃ হত্যা, লুণ্ঠন, অপহৰণ অথবা ধৰ্ষণৰ। আজি আমাৰ দেশৰ শাসন-ব্যৱস্থা, ন্যায় - ব্যৱস্থাই জনগণক ন্যায়ৰ সন্ধান দিব পাৰিছে জানো ? যিখন সংবিধানৰ সাংবিধানিক ব্যৱস্থাৰে দেশৰ প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰীক বা আন আন মন্ত্ৰীসকলক জনগণে নিৰ্বাচন কৰি দিয়ে তেওঁলোকেই কোটি কোটি টকাৰ কেলেংকাৰীত লিপ্ত হয়। এনেবোৰ পৰিস্থিতিত নতুন প্ৰজন্মৰপৰা জানো সুস্থ মানসিকতা আশা কৰিব পাৰি? ৰাজনৈতিক নেতাসকলে নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ বাবে ছাত্ৰসকলক সুবিধাবাদী ৰাজনীতিৰ পথাৰলৈ নমাই দি এক উচ্ছৃংখল অৱস্থাৰ মাজলৈ ঠেলি দিছে। ইয়াৰ উপৰিও বিভিন্ন সংগঠনে নিজৰ ক্ষোভ প্ৰকাশৰ বাবে ছাত্ৰসকলক ব্যৱহাৰ কৰে। গাইগুটীয়া চিন্তা আৰু দৃষ্টিভংগীয়ে সমাজক ছিন্ন-ভিন্ন কৰিছে। ব্যক্তিগত লাভ, উন্নতি আৰু স্বাৰ্থ ৰক্ষাৰ বাবে তীব্ৰ আকাংক্ষা আৰু উত্তেজনাই সমাজক অস্থিৰ কৰি তুলিছে। সামাজিক ন্যায়-নিষ্ঠা আৰু মানৱীয় মূল্যবোধহীন অপসংস্কৃতিয়ে সমাজক গ্ৰাস কৰিছে। এনেবোৰ কাৰণতেই আজিৰ আৰ্থ-সামাজিক পৰিস্থিতিত যুৱক-যুৱতীসকল দিগভ্ৰান্ত হৈ পৰিছে।

সংস্কৃতিৰ নামত আজি দুষ্কৃতিয়ে আমাৰ সমাজৰ প্ৰতিটো অংশ ঘূণে খোলাৰ দৰে খুলি পেলাইছে। পশ্চিমীয়া সভ্যতাক অনুকৰণ কৰি ব্যয়বহুল জীৱন যাপন কৰিবলৈ গৈ যিকোনো উপায়ে ধন ঘটিবলৈ কুণ্ঠাবোধ নকৰা, হিন্দী চিনেমা, চিৰিয়েল আদিত দেখুওৱা কেতবোৰ দৃশ্য, যিবোৰে যুৱক-যুৱতীক শাৰীৰিক বা মানসিকভাৱে সহজেই উত্তেজিত কৰি তোলে আৰু ইয়াৰপৰাই তেওঁলোকে উচ্ছৃংখল আচৰণ কৰিবলৈ সংকোচ নকৰা হয়। গ্ৰাম্যাঞ্চলতেই হওক বা চহৰ অঞ্চলতে, প্ৰত্যেক গলিয়ে গলিয়ে হোৱা মদ আৰু জুৱাৰ মুকলি ব্যৱসায়, বিকৃত ৰুচিবোধ আৰু সস্তীয়া বিলাসিতাই আমাৰ গোটেই সমাজখনকে পংগু কৰি তুলিছে। এই ক্ষেত্ৰত 'মুৰ্খৰ বাকচ' হিচাপে গণ্য কৰা দূৰদৰ্শনৰ অৱদানো কম নহয়। টেলিভিশ্যনৰ প্ৰতি অত্যধিক আসক্ত হোৱাৰ বাবে সুস্থ চিন্তা-ভাৱনাত ব্যাঘাত জন্মিছে।

এই উচ্ছৃংখল যুৱ-মানসিকতা নিৰ্মূলৰ উপায় কি সেই বিষয়ে চিন্তা কৰা, সমাজৰ উন্নতিৰ বাবে আৱশ্যকীয় হৈ পৰিছে। কাৰণ যুৱক-যুৱতীসকলেই হ'ল ভৱিষ্যতৰ প্ৰজন্ম। আধুনিক মনোবিজ্ঞানীসকলৰ মতে শিশুৰ প্ৰথম



চাৰি পাঁচ বছৰৰ অভিজ্ঞতাই তাৰ ভৱিষ্যত ব্যক্তিত্ব গঠনৰ মূল ভেটি। পিতৃ-মাতৃৰ আদৰ-সান্নিধ্য আৰু ঘৰখনৰ সুস্থ প্ৰীতিপূৰ্ণ পৰিবেশে শিশুৰ মনত উচ্চ-মানসিকতাৰ ভেটি তৈয়াৰ কৰে। গতিকে এক বিভ্ৰান্তিমুক্ত, সুস্থ মানসিকতা আৰু সুস্থ ব্যক্তিত্বৰ সন্তান গঢ় দিয়াত পিতৃ-মাতৃৰ, বিশেষকৈ মাকৰ ভূমিকা অন্যতম। ল'ৰা-ছোৱালীয়ে প্ৰথম শিক্ষা পায় মাকৰপৰাই। মাকৰ চাল-চলন, আচাৰ-ব্যৱহাৰে সন্তানক প্ৰভাৱিত কৰে, গতিকে এগৰাকী মাতৃ সদায় নিজৰ চাল-চলন আচাৰ-ব্যৱহাৰত সংযত হোৱা উচিত আৰু সন্তানৰ লগত তেওঁৰ ব্যৱহাৰ বন্ধুত্বপূৰ্ণ হোৱা উচিত। ঘৰখনত এনেকুৱা এটা পৰিবেশ বজাই ৰাখিব লাগে যাতে ল'ৰা-ছোৱালী বিদ্ৰোহী হ'বলৈ সুবিধা নাপায়। সিহঁত সময়ত স্কুললৈ গৈছেনে নাই, সময়মতে ঘূৰি আহি ঘৰ পাইছেহিনে নাই, পঢ়াৰ সময়ত বেলেগ কামত নিয়োজিত আছেনেকি, অথবা কেনেধৰণৰ লগ-সঙ্গৰ লগত ঘূৰা-ফুৰা কৰে, নিচা-জাতীয় দ্ৰব্যৰ প্ৰতি আসক্ত হৈছে নেকি তাৰ প্ৰতিও আলেঙে-আলেঙে নজৰ ৰখাতো মাক অথবা অভিভাৱকৰ কাম। ল'ৰা-ছোৱালীক প্ৰয়োজনতকৈ অধিক টকা-পইচা দিয়াও ক্ষতিকাৰক। মাক-দেউতাকে সিহঁতক সৰুৰেপৰাই এটা শৃংখলাবদ্ধ জীৱনৰ অভ্যাস কৰালে শাসনৰ লগতে সমানে মৰমৰ আবেষ্টনীৰে সিহঁতক আৱৰি ৰাখিলে আৰু দুৰ্নীতিৰ প্ৰতি ঘৃণা আৰু অসতৰ প্ৰতি অৱজ্ঞা দেখুৱালে তেওঁলোকে নিশ্চয় বেয়া কাম কৰিবলৈ সংকোচ কৰিব।

শিশুৰ মানসিকতা গঢ়াৰ দ্বিতীয় উপাদান হ'ল বিদ্যালয়ৰ পৰিবেশ আৰু শিক্ষা-ব্যৱস্থা। বিদ্যালয়ত শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ যাতে সু-অভ্যাস গঠন হয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। ঘৰুৱা পৰিবেশ সকলো ছাত্ৰ-ছাত্ৰীৰে একে নহয়। গতিকে বিভিন্ন ঘৰুৱা পৰিবেশত গঠন হোৱা কিছুমান বদ-অভ্যাস ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত পৰিলক্ষিত হয়। সেইবোৰ সৰুতে গুচাব নোৱাৰিলে পঢ়া-শুনাত ল'ৰা-ছোৱালীৰ উন্নতি আশা কৰিব নোৱাৰাৰ দৰে সু-চৰিত্ৰ গঠনৰ ক্ষেত্ৰতো এই কু-অভ্যাসবোৰ হেঙাৰ ৰূপে থিয় দিব। গতিকে এনে ছাত্ৰ-ছাত্ৰীৰ বদ-অভ্যাসবোৰ দূৰ কৰি সজ-অভ্যাস গঠন কৰোৱাৰ বাবে উপযুক্ত ব্যৱস্থা ল'ব লাগে। শিষ্টাচাৰ, সংযম, আত্মনিৰ্ভৰশীলতা, সততা, সত্যবাদিতা, কৰ্তব্যপৰায়ণতা, নিয়মানুৱৰ্তিতা, ধীৰ-স্থিৰভাৱে নিজৰ কৰ্তব্য সম্পাদন কৰা, পৰৰ দোষ-চৰ্চা কৰি সময় নকটোৱা আদি সজ-গুণবোৰ বহু পৰিমাণে অভ্যাসৰ ওপৰত নিৰ্ভৰশীল। এইবোৰ বিষয়ত ছাত্ৰ-ছাত্ৰীয়ে যাতে প্ৰয়োজনীয় অভ্যাস গঠন কৰে তাৰ বাবে যত্ন কৰাটো শিক্ষক আৰু অভিভাৱক উভয়ৰে মৌলিক কৰ্তব্য। পাঠ্যপুথি আৰু পাঠ্যক্ৰমসমূহ বৰ্তমান সমাজ ব্যৱস্থাৰ লগত খাপখোৱা হ'ব লাগে যি এজন যুৱক-যুৱতীক বাস্তৱ পৰিস্থিতিৰ লগত যুঁজ দিবলৈ শিকায়। গতিকে শিশুৰ সুস্থ মানসিকতা গঢ় দিয়াত বিদ্যালয়ৰ সুনিয়ন্ত্ৰিত আৰু সুস্থ পৰিবেশ একান্ত প্ৰয়োজন।

সৎ আৰু আদৰ্শময় জীৱনৰ উজ্জ্বল দৃষ্টান্তই শিশু আৰু কিশোৰৰ মন সহজেই প্ৰভাৱিত কৰে। গতিকে সমাজৰ নেতৃস্থানীয় লোকসকল, যিসকল লোকক শিশুৱে আদৰণীয় বুলি গ্ৰহণ কৰে, তেওঁলোক আদৰ্শবান হোৱা নিতান্তই প্ৰয়োজন যি সুস্থ মানসিকতা গঢ়াত বিশেষভাৱে সহায় কৰে।

অৱশেষে আমি এইটো কথাও স্বীকাৰ কৰিব লাগিব যে উচ্ছৃংখল যুৱ-মানসিকতাত একাংশ যুৱক-যুৱতীহে জড়িত হোৱা দেখা যায়। চিনেমা, চিৰিয়েল আদিত যিমানেই শাৰীৰিক বা মানসিকভাৱে উত্তেজিত হোৱা দৃশ্য নেদেখুওৱাক কিয় আমি নিজৰ মনক সংযম আৰু নিয়ন্ত্ৰণ কৰিবলৈ শিকিব লাগিব। ৰাজহাঁহে যিদৰে গাখীৰৰপৰা প্ৰয়োজনীয় অংশহে সেৱন কৰে, ঠিক তেনেদৰে বেয়াৰ মাজৰপৰা ভালটো আহৰণ কৰিব পাৰিলেহে আমি নিজকে শিক্ষিত হিচাপে চিনাকী দিব পাৰিম। সমাজৰ প্ৰত্যেক ব্যক্তিয়েই বাস্তৱ জীৱন আৰু কাল্পনিক বিলাস-বহুল জীৱনৰ মাজত পাৰ্থক্য নিৰূপণ কৰিব পাৰিব লাগিব।

ওপৰৰ আলোচনাৰপৰা দেখা গ'ল যে অভিভাৱকসকলৰ দায়িত্ববোধ আৰু কৰ্তব্য, প্ৰেম-প্ৰীতিৰে ভৰা ঘৰুৱা পৰিবেশ, সুনিয়ন্ত্ৰিত আৰু সুশৃংখলিত বিদ্যালয়ৰ পৰিবেশ আৰু শিক্ষা-ব্যৱস্থা আদিয়েহে আমাৰ শিশুসকলক সুস্থ আৰু উচ্চ মানসিকতাসম্পন্ন ব্যক্তি হিচাপে গঢ়ি তুলিব যি তেওঁলোকক শৃংখলাবদ্ধ হ'বলৈ শিকাব। এই বিষয়টো কেৱল আলোচনী আৰু বাতৰি কাকতৰ চৰ্চিত বিষয় নহৈ সকলোৱে ইয়াক সমাধানৰ বাবে আগবাঢ়ি অহা উচিত— যাতে একবিংশ শতিকাত সকলোৱে সুশৃংখল জীৱন-যাপন কৰি সমগ্ৰ দেশতে শান্তিৰ বা বলাব পাৰো। ●●●

# ৰে'ইকি ঃ স্পৰ্শচিকিৎসা

**মানসী ভাগৱতী,** স্নাতক তৃতীয় বৰ্ষ

সাম্প্ৰতিক সময়ত 'টেন্‌ছন্' শব্দটো মানৱ জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছে। আজিৰ যুগত প্ৰায় সকলো ব্যক্তিয়েই টেন্‌ছনৰ ভুক্তভোগী। ইয়াৰ কাৰণ হৈছে সাফল্যৰ প্ৰতিযোগিতা। যি প্ৰতিযোগিতাই আধ্যাত্মিক জীৱনৰ প্ৰতি মানুহৰ হাবিয়াস নোহোৱা কৰিছে, মানসিকভাৱে মানুহক পঙ্গু কৰি পেলাইছে। ইয়াৰ ফলত ধন-সম্পদ, সামাজিক মৰ্য্যদাৰে পৰিপূৰ্ণ হৈও একো একোজন ব্যক্তি টেন্‌ছনমুক্ত নহয়। প্ৰত্যেকেই একো একোটা যান্ত্ৰিক জীৱন অতিবাহিত কৰিব ধৰিছে। টেন্‌ছন্-আক্ৰান্ত যান্ত্ৰিক জীৱনে ক্ৰমশঃ মানুহৰ জীৱন অসুস্থ কৰি পেলাইছে। এই সময়তে ৰে'ইকি চিকিৎসাই (স্পৰ্শচিকিৎসা) মানুহক শান্তিৰ কোলাত আশ্ৰয় দিবলৈ সক্ষম হৈছে। ৰে'ইকিৰ সহায়ত মানুহৰ ক্ষয়িষ্ণু আধ্যাত্মিক জীৱনৰ প্ৰাণশক্তি ঘূৰি আহিছে।

ইংৰাজী Rei আৰু ki ৰে গঠিত হৈছে Reiki (ৰে'ইকি) নামৰ জাপানী শব্দটো। ইয়াৰ অৰ্থ হ'ল Rei (ৰে'ই) অৰ্থাৎ Universal অথবা মহাজাগতিক আৰু ki (কি) অৰ্থাৎ Life force অথবা সঞ্জীৱনী প্ৰাণশক্তি। গতিকে ৰে'ইকি হৈছে মহাজাগতিক সঞ্জীৱনী প্ৰাণশক্তি। বহু হাজাৰ বছৰৰ আগতে আমাৰ বেদত যাক "প্ৰাণশক্তি" বোলা হৈছিল, সেই প্ৰাণশক্তিয়েই আজিৰ জাপানৰ ৰে'ইকি।

ৰে'ইকিৰ জন্মদাতা হ'ল জাপানৰ ডাঃ মিকাও উসুই। ৰে'ইকিৰ আৱিষ্কাৰ কৰিবলৈ মিকাও উসুই কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছিল। ১৮৫০ চনৰ কথা। সেই সময়ত ডাঃ মিকাও উসুই জাপানৰ এখন খ্ৰীষ্টিয়ান বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আছিল। এদিন ৰবিবাৰে প্ৰাৰ্থনাৰ সময়ত এজন ছাত্ৰই তেওঁক প্ৰশ্ন কৰিলে, 'বাইবেলত যি লিখা আছে তাক আপুনি হুবহু বিশ্বাস কৰেনে ?' উসুই উত্তৰ দিলে 'নিশ্চয়'। এইবাৰ ছাত্ৰজনে সুধিলে, - 'বাইবেলত কৈছে, প্ৰভু যীশুৰ হাতৰ স্পৰ্শই ৰোগীক নিৰোগী কৰি তোলে। আপুনি নিজ চকুৰে ক'ৰবাত এনে কাৰ্য্য দেখিছেনে ?' তাৰ পিছত ছাত্ৰজনে পুনৰ ক'লে - 'আপোনাৰ যথেষ্ট বয়স হৈছে, গতিকে আপুনি অন্ধবিশ্বাসী হোৱাটো অসম্ভৱ নহয়। কিন্তু মোৰ বয়স এতিয়াও কম। গতিকে এই কথাবোৰ বিশ্বাস কৰাৰ সলনি মনত প্ৰশ্নহে জাগে। মই নিজ চকুৰে দেখিলেহে বিশ্বাস কৰিম।' উসুই ছাত্ৰজনৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলে; কাৰণ তেওঁৰ ওচৰত সেইবোৰৰ প্ৰত্যক্ষ প্ৰমাণ নাই। গতিকে সেই মুহূৰ্ত্ততে উসুই উপাচাৰ্য্য পদৰ পৰা ইস্তফা দি আমেৰিকা পালেগৈ। আমেৰিকাৰ চিকাগো বিশ্ববিদ্যালয়ত তেওঁ যীশুৱে কিদৰে হাতৰ স্পৰ্শৰে ৰোগ নিৰাময় কৰিছিল সেই বিষয়ে গৱেষণা আৰম্ভ কৰিলে। গৱেষণাৰ বাবে তেওঁ ডক্তৰেট্ ডিগ্ৰী লাভ কৰিলে, কিন্তু তেওঁ বিচৰা বস্তুটো নাপালে। তেওঁ পুনৰ জাপানলৈ উভতিল। তেওঁ ভাবিলে যে বৌদ্ধধৰ্মই হয়তো তেওঁৰ প্ৰশ্নৰ উত্তৰ দিব পাৰিব। কাৰণ, বুদ্ধদেৱেও স্পৰ্শচিকিৎসা কৰিছিল। বহু কষ্টেৰে তেওঁ চীনা ভাষা আয়ত্ত কৰি প্ৰচুৰ বৌদ্ধশাস্ত্ৰ অধ্যয়ন কৰি স্পৰ্শচিকিৎসাৰ সূত্ৰ আৱিস্কাৰ কৰিলে।

সূত্ৰসমূহ পালেও তেওঁ তেতিয়াও কিদৰে স্পৰ্শচিকিৎসা কৰি ৰোগ নিৰাময় কৰিব পাৰি সেই বিষয়ে জানিব পৰা নাছিল। তেওঁ ভাৰতলৈ আহি সংস্কৃত ভাষা শিকি নানা ধৰণৰ সংস্কৃত শাস্ত্ৰ অধ্যয়ন কৰিলে। তেওঁৰ এই অধ্যয়নবোৰে তেওঁক ক্ৰমে লক্ষ্যস্থানৰ পিনে আগবঢ়াই লৈ গ'ল।

যেতিয়া উসুই অনুভৱ কৰিলে যে তেওঁ লক্ষ্যস্থানৰ সন্ধান পাইছে তেওঁ তেতিয়া বন্ধু এবটৰ ওচৰলৈ ঘূৰি আহিল আৰু তেওঁৰ পৰামৰ্শক্ৰমে ইণ্ডোনেচিয়াৰ মাউন্ট্ কুৰিয়াম্মা নামৰ পৰ্বতলৈ গৈ কঠোৰ সাধনা আৰম্ভ কৰিলে। একৈশ দিন তেওঁ অনাহাৰে কটালে। এই একৈশ দিন গণনা কৰিবৰ বাবে তেওঁ ২১টা শিলগুটি লগত নিছিল। প্ৰত্যেক দিনে একোটাকৈ শিলগুটি তেওঁ তললৈ দলিয়াইছিল। একৈশ দিনৰ দিনা শিলগুটিতো দলিয়াই চকু মেলি তেওঁ এটা পোহৰ দেখা পালে। উজ্জ্বল পোহৰটো ক্ৰমে প্ৰসাৰিত হৈ তেওঁক আৱৰি ধৰিলে। তেওঁৰ তালুৰ সোঁমাজেদি পোহৰ এটা সোমাই যোৱা তেওঁ অনুভৱ কৰিলে। চকুৰ আগত তেওঁ সপ্তৰঙী ৰামধেনু দেখা পালে। ভয় আৰু আশ্চৰ্য্যই তেওঁক আচ্ছন্ন কৰি পেলালে। এই ৰোমাঞ্চকৰ অভিজ্ঞতাৰ কথা তেওঁ বন্ধু এবটক ক'বলৈ উত্তেজিত হৈ পৰ্বতৰপৰা তললৈ দৌৰিব ধৰিলে। জোৰেৰে দৌৰি আহোতে উজুতি খাই তেওঁ ভৰিত খুব বেছিকৈ দুখ পালে। যন্ত্ৰণাত কাতৰ হৈ ভৰিখন তেওঁ হাতেৰে হেঁচি ধৰিলে, লগে লগে তেওঁ অনুভৱ কৰিলে যে তেওঁৰ ভৰিৰ যন্ত্ৰণাৰ উপশম ঘটিছে। তেতিয়াই উসুই জানিব পাৰিলে যে তেওঁ নিজৰ লক্ষ্যস্থানত উপনীত হ'ল। যীশুৱে কিদৰে হাতৰ স্পৰ্শৰে ৰোগ নিৰাময় কৰিছিল এইকথা তেওঁ জানিব পাৰিলে। এইদৰেই অলৌকিক ঘটনাটো ঘটিল। সেইদিনাৰপৰা উসুই স্পৰ্শৰ দ্বাৰা বহুতো লোকৰ ৰোগ নিৰাময় কৰিবলৈ সক্ষম হ'ল। এইদৰে ডাঃ মিকাও উসুই Reiki (ৰে'ইকি) বা স্পৰ্শচিকিৎসাৰ প্ৰচলন কৰে। ৰে'ইকি বা স্পৰ্শচিকিৎসাৰ প্ৰধান সূত্ৰ হৈছে কুচিন্তা অৰ্থাৎ ঋণাত্মক চিন্তা (Negative) পৰিত্যাগ কৰা আৰু সুচিন্তা অৰ্থাৎ ধনাত্মক (Positive) চিন্তাৰে জীৱন-যাপন কৰা। ৰে'ইকি চিকিৎসাৰ বাবে কোনো ধৰণৰ ঔষধ, যন্ত্ৰপাতি আৰু অস্ত্ৰোপচাৰৰ প্ৰয়োজন নহয়। মানৱ দেহত সাতোটা চক্ৰ (Ckakra) থাকে। মস্তিষ্কৰ ওপৰ ভাগত সহস্ৰাৰ (Crown Ckakra), কপালৰ মধ্যভাগত আজ্ঞা (Third eye chakra), ডিঙিত বিসুধা (Throat Chakra) বুকুৰ সোঁমাজত অনাহুত (Heart chakra), অনাহুতৰ তলত আৰু নাভিৰ ওপৰত মণিপুৰ (Solar plexus chakra), নাভিৰ তলত স্বাধিস্থান (sacral chakra) আৰু মূলাধাৰ (Root chakra)। এই সাতোটা চক্ৰই অনবৰতে মহাজাগতিক শক্তি অৰ্থাৎ energy আহৰণ কৰি থাকে আৰু আমাৰ শৰীৰৰ সমস্ত কাম-কাজ আবেগ-অনুভূতিক নিয়ন্ত্ৰণ কৰে। দীৰ্ঘদিন ধৰি ঋণাত্মক (Negative) চিন্তা কৰাৰ ফলত মানৱ দেহৰ উক্ত সাতোটা চক্ৰই Energy আহৰণৰ ক্ষমতা হেৰুৱাই পেলায়। প্ৰতিদিনে ধনাত্মক (Positive) চিন্তা কৰিলে অৰ্থাৎ সুচিন্তা কৰিলে আমাৰ মন প্ৰফুল্ল হৈ থাকে যাৰ ফলত সাতোটি চক্ৰই (Energy) গ্ৰহণ কৰিব পাৰে। সুচিন্তা বা ধনাত্মক (Positive) চিন্তাৰ পাঁচটা পথ আছে, যাক "Priniples of Reiki" বোলা হয়। উক্ত পাঁচটা পথ হৈছে ---

(১) আজিৰ বাবে মই পৃথিৱীৰপৰা যি পাইছো তাৰ বাবে কৃতজ্ঞ হৈ থাকিম।
(২) আজিৰ বাবে মই কোনো ধৰণৰ কুচিন্তা নকৰো।
(৩) আজিৰ বাবে মই একেবাৰেই খঙ নকৰো।
(৪) আজি মই মোৰ প্ৰত্যেকটো কাম সজভাৱেৰে কৰিম।
(৫) আজিৰ বাবে মই প্ৰতিটো প্ৰাণীৰ প্ৰতি ভালপোৱা আৰু শ্ৰদ্ধা প্ৰদৰ্শন কৰিম।

উক্ত পাঁচটা পথক Reiki (স্পৰ্শচিকিৎসা) ৰ পঞ্চপথ বুলিও কোৱা হয়। এই পঞ্চপথৰ দ্বাৰা সুচিন্তা কৰি সাতোটা চক্ৰকে মহাজাগতিক শক্তি আহৰণৰ বাবে সক্ষম কৰি ৰাখিব পাৰি।

মানৱ দেহৰ সাতোটা চক্ৰ ঋণাত্মক (Negative) চিন্তাৰ ফলত বন্ধ হৈ থাকে। ফলত চক্ৰবোৰে মহাজাগতিক শক্তি আহৰণ কৰিব নোৱাৰা হয় আৰু মানৱ দেহত নানা ধৰণৰ ৰোগৰ (শাৰীৰিক অথবা মানসিক) সৃষ্টি হয়। অন্ততঃ আজিৰ যান্ত্ৰিক যুগত মানুহৰ চিন্তাবোৰ স্বাভাৱিকতেই ঋণাত্মক (Negative) হয়। হিংসা, দ্বেষ, কপটতাৰপৰা মানুহ মুক্ত নহয়। পৰিস্থিতি বা প্ৰবৃত্তিৰ দাস হৈও মানুহে ঋণাত্মক (Negative) চিন্তা কৰিবলৈ বাধ্য হয়। ৰে'ইকি প্ৰশিক্ষণৰ সময়ত প্ৰশিক্ষাৰ্থীসকল ঋণাত্মক (Negative) চিন্তাৰ পৰা সম্পূৰ্ণ মুক্ত হয় আৰু তেতিয়া তেওঁলোকৰ সাতোটা চক্ৰই খোল খাই মহাজাগতিক শক্তি আহৰণৰ উপযোগী হৈ পৰে। তেতিয়া প্ৰশিক্ষাৰ্থীয়ে সেই শক্তি আহৰণ আৰু বিতৰণ কৰিব পাৰে। ৰে'ইকি আহৰণ

করাৰ সময়ত “প্ৰাণশক্তি” (Energy) প্ৰশিক্ষাৰ্থীসকলৰ সহস্ৰাৰৰ (Crown Challra) মাজেদি দেহত প্ৰৱেশ কৰে, তাৰে কিছু অংশ অনাহুত (Heart chakra)ত থাকি বাকীখিনি শক্তি হাতৰ ভিতৰেদি আহি হাতৰ তলুৱা আৰু আঙুলিত প্ৰৱেশ কৰে। সেই হাত ৰোগীৰ শৰীৰৰ ৰোগগ্ৰস্ত ঠাইৰ ওপৰত আলসুৱাকৈ থ'লেই হাতৰ তলুৱাৰে (Energy) ৰোগীৰ ৰোগগ্ৰস্ত ঠাইত প্ৰৱেশ কৰি যন্ত্ৰণাৰ উপশম ঘটায়। ৰেইকিৰ প্ৰশিক্ষণ তিনিটা পৰ্য্যায়ত হয় ঃ প্ৰথম ডিগ্ৰী, দ্বিতীয় ডিগ্ৰী আৰু তৃতীয় ডিগ্ৰী। প্ৰথম ডিগ্ৰীৰ প্ৰশিক্ষণ সকলোৱে ল'ব পাৰে, কিন্তু দ্বিতীয় ডিগ্ৰী প্ৰাপ্তবয়স্ক সকলেহে ল'ব পাৰে। কাৰণ কম বয়সীয়া প্ৰশিক্ষাৰ্থীসকলৰ সাতোটা চক্ৰই পৰিপূৰ্ণতা লাভ নকৰে। তৃতীয় ডিগ্ৰী সম্পূৰ্ণ কৰাৰ পিছত প্ৰশিক্ষাৰ্থীসকলে দূৰৈৰ পৰাই ৰেইকি প্ৰদান কৰিবলৈ সক্ষম হয়, (যাক কোৱা হয় Distance Reiki)।

ৰেইকিৰ সহায়ত শিশুৰপৰা বৃদ্ধলৈকে সকলো লোকৰে সকলো ধৰণৰ চিকিৎসা কৰিব পাৰি। গৰ্ভৱতী মহিলাৰ সু-প্ৰসৱৰ বাবেও ৰেইকি দিয়া হয়। গছ-গছনি, জীৱ-জন্তুৰ ওপৰতো ৰেইকি প্ৰদান কৰিব পাৰি। ৰেইকিৰ সহায়ত মানসিক ৰোগৰো চিকিৎসা কৰিব পাৰি। অধ্যয়নৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক স্থিৰতা ৰক্ষা কৰিবলৈ, স্মৃতিশক্তি বৃদ্ধি কৰিবলৈকো ৰেইকি প্ৰদান কৰা হয়। একো একোজন ৰোগীক সম্পূৰ্ণ একৈশ দিন ৰেইকি চিকিৎসা প্ৰদান কৰা হয়।

আমাৰ ভাৰতবৰ্ষতো ৰেইকিৰ বহুল প্ৰচলন হৈছে। ভাৰতৰ জামছেদপুৰত প্ৰথম ৰেইকি আৰম্ভ হয়। বৰ্তমান ই ভাৰতৰ প্ৰায় সকলো প্ৰধান চহৰতে জনপ্ৰিয় হৈ পৰিছে। কলিকতাৰ ডাঃ মুৰলীধৰণ ৰেইকিৰ গ্ৰেণ্ডমাষ্টাৰ। ডাঃ মুৰলীধৰণৰ জীৱন আৰম্ভ হৈছিল এক আধ্যাত্মিক পৰিবেশৰ মাজত। তেওঁৰ পিতৃ আছিল এজন সংস্কৃত পণ্ডিত। তেওঁলোকৰ ঘৰত নিয়মিত ভাৱেই বেদ-উপনিষদৰ চৰ্চা হৈছিল। পূজা-পাঠ আৰু নানা বৈদিক অনুষ্ঠানৰ মাজত ডাঙৰ হৈও কিন্তু মুৰলীধৰণে সফলতাৰে ইঞ্জিনিয়াৰিং পাছ কৰি চাকৰিয়াল হ'ল। কিন্তু আধ্যাত্মিক জীৱনে তেওঁৰ লগ নেৰিলে। ৰেইকিৰ প্ৰৱৰ্ত্তক ডাঃ নিকাও উসুইৰ জীৱনী গ্ৰন্থখনে তেওঁক বাৰুকৈয়ে আকৃষ্ট কৰিলে, তাৰ ফলতেই তেওঁ ৰেইকিৰ প্ৰশিক্ষণ ললে আৰু অতি কম সময়তে ৰেইকিৰ প্ৰভাৱত বহুত মানুহক ৰোগমুক্ত কৰিবলৈ সক্ষম হ'ল। বৰ্তমান তেওঁ সমগ্ৰ ভাৰতবৰ্ষতে এজন জনপ্ৰিয় ৰেইকি প্ৰশিক্ষক (গুৰু জী) হিচাপে পৰিগণিত হৈছে। অসমত ১৯৯৪ চনত ৰেইকি আৰম্ভ হয়। গুৱাহাটীৰ “বিষ্ণু-নিৰ্মলা ট্ৰাষ্ট”ত “গুৰু জী” ডাঃ মুৰলীধৰণে প্ৰশিক্ষণ দি বহুকেইজন ৰেইকি প্ৰশিক্ষাৰ্থী প্ৰস্তুত কৰিলে যিসকলে নিজ নিজ অঞ্চলত ৰেইকি চিকিৎসা কৰি সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

Human beings, in developing within themselves that Divine Ray of Intuition, will manifest wisdom, will become six-pointed stars, dtars of wisdom, and will bring about the sawn of the New Day, The day of Peace, of Harmony and Power.

Eugene Fersen.

(প্ৰবন্ধটি লিখোতে Paula Horan ৰ "Empowerment through Reiki" আৰু ডাঃ মুৰলীধৰণৰ "Reiki" - ৰ সহায় লোৱা হৈছে)

●●●



# ভাৰতবৰ্ষৰ আদিমতম কলা-সম্পদ ঃ গুহাচিত্ৰ

**নমিতা বৰা,** স্নাতক দ্বিতীয় বৰ্ষ

প্ৰকৃতিৰ মোহনীয় ৰূপ মানুহৰ চাৰিওফালে বিৰাজমান। সেই ৰূপত মুগ্ধ হৈ মানুহে আদিম অৱস্থাৰ পৰাই নিজৰ সৃষ্ট শিল্পকৰ্মৰ মাজেদি সেই ৰূপৰ প্ৰশস্তি কীৰ্ত্তন কৰি আহিছে। শিল্প-কলাই তেওঁৰ ওপৰত পেলোৱা প্ৰভাৱে তেওঁৰ চৰিত্ৰত কোমলতা আৰোপ কৰে। পৃথিৱীৰ সকলো ঠাইতে গুহাত অংকিত প্ৰাগৈতিহাসিক যুগৰ আদিমতম চিত্ৰসমূহে সেই বন্য অৱস্থাতো মানুহৰ পৰ্য্যবেক্ষণশীল চকু আৰু অভ্যস্ত হাতৰ চমকপ্ৰদ দৃষ্টান্ত তুলি ধৰে। সকলোবোৰ চিত্ৰ মানদণ্ডৰ বিচাৰত আলতামিৰাৰ সমপৰ্য্যায়ৰ নহ'লেও চিত্ৰত পৰ্য্যাপ্ত পৰিমাণত সিঁচৰিত হৈ পৰা অভিব্যক্তি, ৰঙৰ নিৰ্বাচন আৰু গতিৰ স্বাচ্ছন্দ্য প্ৰকাশে আমাক সঁচাকৈয়ে আচৰিত কৰি তোলে। ভাৰতৰ প্ৰাগৈতিহাসিক যুগৰ গুহাচিত্ৰবোৰে দেশৰ সেই সুদূৰ আদিম যুগৰ জীৱন-চিত্ৰ আমাৰ আগত দাঙি ধৰে।



প্ৰাগৈতিহাসিক যুগত মানুহৰ আদিম পুৰুষ পৰ্বতৰ প্ৰাকৃতিক গুহাত বাস কৰিছিল। সেই গুহাবোৰৰ বেৰত তেওঁলোকৰ মনৰ ভাৱ ব্যক্ত কৰি কিছুমান ৰেখাচিত্ৰ আঁকি থৈ গৈছে। সেই ৰেখাচিত্ৰবোৰৰ পম খেদিয়েই আমি ভাৰতীয় চিত্ৰকলাৰ আঁত ধৰিব পাৰো।

প্ৰাগৈতিহাসিক যুগৰ অন্য নাম প্ৰস্তৰযুগ। এই প্ৰস্তৰ যুগটোক পণ্ডিতসকলে তিনিস্তৰত ভগাইছে । আদি প্ৰস্তৰ যুগ (Palaeolithic age), মধ্য প্ৰস্তৰ যুগ (Mesalithic age) আৰু নৱ প্ৰস্তৰ যুগ (Neolitlhic age)। এই গুহাচিত্ৰবোৰৰ অংকনৰ সময় খৃঃপূঃ ৫০৫০,০০০ বছৰৰপৰা খৃঃপূঃ ১০,০০০ বছৰৰ ভিতৰত বুলি পণ্ডিতসকলে ভাবে।

পৃথিৱীৰ বহু ঠাইত বৰ্ত্তমানলৈকে উপৰিউক্ত তিনিও যুগৰ গুহাচিত্ৰ আৱিষ্কৃত হৈছে। ইয়াৰ ভিতৰত স্পেইন, দক্ষিণ আফ্ৰিকা, দক্ষিণ ৰোডেচীয়া, ফ্ৰান্স, আলাস্কা, চীন, ভাৰতবৰ্ষ আদিয়েই প্ৰধান।

ভাৰতবৰ্ষৰ এই চিত্ৰ আৱিষ্কৃত হোৱা ঠাইবোৰৰ ভিতৰত মধ্যপ্ৰদেশৰ মহাদেও পৰ্বতৰ গুহা, মধ্য ভাৰতৰ সিংহানপুৰ, ৰায়গড়ৰ কাব্ৰাপৰ্বত, উত্তৰ-প্ৰদেশৰ কৈমোৰ পৰ্বত, কৰ্ণাটকৰ হোচাঙ্গাবাদ, ঘাটশিলা আদিয়েই প্ৰধান। এই ঠাইবোৰৰ শিলৰ প্ৰাকৃতিক গুহাবোৰৰ খহটা বেৰত প্ৰস্তৰ যুগৰ তিনিটা স্তৰৰ মানৰে আঁকা চিত্ৰ আৱিষ্কৃত হৈছে, যাৰদ্বাৰা তেওঁলোকৰ জীৱন-যাত্ৰাৰ উমান পোৱা যায়।

**আদি প্ৰস্তৰ যুগ ঃ** আদি প্ৰস্তৰ যুগৰ ছবিবোৰ অতি সহজভাৱে অংকিত। এইবোৰ ৰেখাচিত্ৰ। শিলৰ জোঙা টুকুৰাৰে শিলৰ খহটা বেৰত বন্য জীৱ-জন্তুৰ লগত মানুহৰ সংগ্ৰাম ৰূপায়ণ কৰি আঁকা মূলতঃ চিকাৰৰ চিত্ৰ। চিত্ৰবোৰত মানুহ আঁকা পদ্ধতিও সকলো ঠাইতে প্ৰায় একে ধৰণৰ। একোডাল ৰেখা আঁকি, তাৰ মূৰত এটা শূণ্য লগাই মূৰ বুজাই, আন কিছুমান ৰেখাৰে হাত, ভৰি বুজাইছে। চিকাৰৰ সঁজুলিবোৰো ৰেখাৰেই আঁকিছে। এনেধৰণৰ এখন চিত্ৰ মিৰ্জ্জাপুৰ জিলাৰ ভালদুৰীয়াত পোৱা গৈছে।

**মধ্যপ্ৰস্তৰ যুগ ঃ** মধ্য প্ৰস্তৰ যুগত এই গুহাত বাস কৰা মানুহবোৰৰ জ্ঞান-বুদ্ধিৰ যথেষ্ট উন্নতি হৈছিল।

তেওঁলোকৰ শিলৰ অস্ত্ৰবোৰ বেছি মিহি আৰু জোঙা হৈছিল আৰু সেই অস্ত্ৰত খাঁজ কাটি, কাঠ বা জন্তুৰ হাড়েৰে নাল লগাই লৈছিল। গতিকে মিহি জোঙা অস্ত্ৰৰে মিহি ৰেখা আঁকিব পাৰিছিল।

সেই কালৰ ছবিবোৰ বাস্তৱৰ বেছি ওচৰৰ আছিল। চিত্ৰ অংকন পদ্ধতিৰো বহু উন্নতি হৈছিল। ছবিবোৰ দেখিলেই ছবিৰ বিষয়-বস্তু চিনিব পাৰি। সেই যুগৰ মানুহে কাঠ বা বাঁহত লতাৰে বান্ধি জখলা সাজি, তাৰ সহায়েৰে ওখ গছৰ ফল-মূল আৰু মৌ-জোল পাৰি খাইছিল। এই ধৰণৰ দৃশ্য হুবহু তেওঁলোকে গুহাৰ বেৰত আঁকি থৈ গৈছে। এই যুগৰ প্ৰাগৈতিহাসিক যুগত গুহাৰ বেৰত অঁকা চিত্ৰবোৰত মানুহে নচা বা দৌৰা, জীৱজন্তুৰ পলায়ন আদি গতিশীল ভংগীও যোগ হ'ল। এনে গতিশীলতাৰ সাক্ষী হ'ল চিঙ্গানপুৰৰ এখন গুহাচিত্ৰ য'ত এটা কুকুৰে নেজডাল পোনাই দি ভীষণ গতিত সন্মুখৰ ফালে দৌৰি যোৱা দেখুওৱা হৈছে।

**নৱপ্ৰস্তৰ যুগ ঃ** এই যুগৰ চিত্ৰবোৰ দেখিলে সুন্দৰকৈ বুজিব পাৰি যে এই যুগৰ মানুহবোৰৰ জ্ঞান-বুদ্ধিৰ যথেষ্ট উন্নতি হৈছিল। মানুহে নিজৰ উলঙ্গ অৱস্থা ত্যাগ কৰি বল্কল, ঘাঁহ আৰু জন্তুৰ ছাল পিন্ধিবলৈ ল'লে, জুই জ্বলোৱা পদ্ধতি আৱিষ্কাৰ কৰিলে, ডাঙৰ গছৰ কুণ্ডাৰ মাজভাগ খুলি নাও সাজি নদী-পথেৰে অহা-যোৱা কৰিবলৈ শিকিলে। ইয়াৰ লগে লগে নৱ প্ৰস্তৰ যুগৰ গুহাচিত্ৰবোৰো বাস্তৱৰ অনুৰূপ হৈ পৰিল। এই যুগত ছবিত ৰং দিয়াৰ প্ৰথাৰো প্ৰচলন হ'ল। ৰং সাধাৰণতে ক'লা, গেৰুৱা আৰু হালধীয়াই আছিল। দুই এঠাইত উজ্জ্বল ৰঙা ৰঙো প্ৰয়োগ কৰিছিল। কিছুমান ছবিৰ ৰঙ স্থায়ী কৰিবলৈ সেই চিত্ৰকৰসকলে জীৱজন্তুৰ তেল (চৰ্বি) জুইৰ তাপত গলাই তপতে তপতে ৰঙ মিলাই ব্যৱহাৰ কৰিছিল। ৰং বোলাবলৈ তেওঁলোকে জন্তুৰ নোমেৰে অথবা গছৰ কোমল আঁহেৰে তুলিকা সাজি লৈছিল। ছবিৰ বিষয়বস্তু আছিল তুলনামূলক ভাৱে উন্নত ধৰণৰ।

নৱপ্ৰস্তৰ যুগৰ অন্তত গুহাবাসীয়ে গুহা এৰি ক্ৰমান্বয়ে নদীপাৰৰ সাৰুৱা মাটিত পৰ্ণকুটীৰ সাজি গাঁও পাতি বাস কৰিবলৈ ল'লে, চিকাৰৰ সলনি কৃষিক জীৱন-ধাৰণৰ অৱলম্বন কৰি ল'লে। কোনো যুগতে মানুহে কলাৰ সহায়ত আত্মপ্ৰকাশ নকৰাকৈ থাকিব নোৱাৰে। ইয়াৰ পিছতো এই লোক-সমাজে আগৰ দৰেই ছবি আঁকিছিল,কিন্তু ছবি অঁকাৰ থলি আছিল সম্পূৰ্ণ পৃথক। তেওঁলোকে বাসকৰা পৰ্ণকুটীৰৰ বেৰবোৰ আছিল গছপাত, ঘাঁহ - বনৰ। গতিকে সেইবোৰত ছবি অঁকাটো অসম্ভৱ। সেয়েহে তেওঁলোকে সুবিধাজনক ঠাইত জন্তুৰ ছাল, গছৰ বাকলি, মাটিৰ ফলক আদিত চিত্ৰ আঁকিছিল।

এইদৰেই সমাজ পৰিবৰ্ত্তনৰ ফলত গুহাবাসীৰ গুহাচিত্ৰ পৰম্পৰাৰ অৱসান ঘটিল আৰু বৰ্ত্তমান গুহাচিত্ৰ ক্ষীয়মান সৃষ্টিকৰ্ম।



প্ৰস্তৰযুগ অন্ত হোৱাৰ লগে লগে গুহাবাসীৰ গুহাচিত্ৰৰপৰা চিত্ৰকলা ক্ৰমান্বয়ে নতুনত্বৰফালে অগ্ৰসৰ হ'ল। বৰ্ত্তমান ভাৰতীয় চিত্ৰকলা আধুনিকতাৰ সীমাত। কিন্তু পুৰণি অবিহনে নতুনৰ অস্তিত্ব আছে জানো? অতীতৰ গৰ্ভৰপৰাই বৰ্ত্তমান তথা ভৱিষ্যতৰ জন্ম। গতিকে অতীতক পাহৰি যোৱাটো বাঞ্চনীয় নহয়। আধুনিক চিত্ৰকলাৰ বুনিয়াদো এই প্ৰাগৈতিহাসিক গুহাচিত্ৰবোৰেই। আমাৰ পূৰ্ব্বপুৰুষৰ উপহাৰস্বৰূপ কেইবা শ বছৰ পুৰণি, ভাৰতৰ অমূল্য সম্পদ এই গুহাচিত্ৰবোৰৰ ঠায়ে ঠায়ে কিছুমান দেহাকৃতিৰ আলেখ্য বৰষুণৰ পানীয়ে ধুই নাইকিয়া কৰিছে। বহুতো চিত্ৰসম্পন্ন গুহাৰ প্ৰৱেশদ্বাৰ শিল, মাটিয়ে পুতি পেলাইছে, নতুবা সম্পূৰ্ণ গুহাটোৱেই ধ্বংসপ্ৰাপ্ত হৈছে। আমাৰ অৱহেলা অথবা সু-সংৰক্ষণৰ অভাৱেই ইয়াৰ মূল কাৰণ নহয় জানো? আমি আমাৰ পূৰ্বজৰ সৃষ্টিক উপযুক্ত মৰ্য্যাদা দিয়া উচিত। এই ক্ষীয়মান সৃষ্টিক তৎপৰতাৰে সু-সংৰক্ষণৰ ব্যৱস্থা কৰা উচিত। নহ'লে আমি কেনেকৈ ক'ম– ভাৰতবৰ্ষৰ চিত্ৰকলা সমাজৰ শিৰত ইতিহাসৰ আশিস বিৰাজমান?

**সহায়ক গ্ৰন্থ —**
(১) ভাৰতীয় চিত্ৰকলা
(২) ভাৰতীয় চিত্ৰকলাৰ ঐতিহ্য।

●●●



# কবিতাৰ ছন্দে ছন্দে

**ববিতা শৰ্মা,** স্নাতক প্ৰথম বৰ্ষ

'কবিতা' — মাত্ৰ তিনিটা আখৰেৰে গঠিত এই শব্দটোত লুকাই আছে হাজাৰটা অৰ্থ। কবিতা কি বুলি সুধিলে মাত্ৰ এটা সংজ্ঞাতে ইয়াৰ ধাৰণা প্ৰকাশ কৰিব পৰা নাযায়। সেয়ে দেখা যায় অতি প্ৰাচীন কালৰেপৰাই কবিকুল, কাব্য সমালোচক আৰু আলংকাৰিকসকলৰ কবিতাক এটা সংজ্ঞাৰ পিঞ্জৰাত বন্দী কৰাৰ প্ৰয়াস ব্যৰ্থ হৈছে। আজিও কবিতাৰ সৰ্বজনগ্ৰাহ্য সংজ্ঞা এটা স্থিৰ হোৱা নাই, আৰু হয়তো আগলৈও নহ'ব। তথাপি বিভিন্ন সময়ত বিভিন্নজনে আগবঢ়োৱা কবিতাৰ সংজ্ঞাই ইয়াৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰিছে। ৱাৰ্ড্ছৱৰ্থৰ মতে — "উপচি উঠি আপোনা-আপুনি পাৰ বাগৰি যোৱা আবেগৰ ঢলেই কবিতা" (Poetry is spontaneous overflow of powerful feelings)। অৱশ্যে তেওঁ এই আবেগৰ প্ৰকৃতিও নিৰ্দ্ধাৰণ কৰিছে এইবুলি — "নিৰলাত সোঁৱৰা হিয়াৰ আবেগেই কবিতা"। (Poetry is emotion recollected in tranquility) পিছৰ সংজ্ঞাটোৰপৰা ধৰিব পাৰি উপচি পৰা হ'লেও আবেগ প্ৰকাশত যাতে বিহ্বলতা নাথাকে সেইবিষয়ে ৱাৰ্ড্ছৱৰ্থ সচেতন আছিল। ডঃ জনছনে কবিতাক ছন্দোবদ্ধ ৰচনা বুলি আখ্যা দিছে যদিও তেওঁ এই বুলিও মত প্ৰকাশ কৰিছে যে কবিতা হ'ল যুক্তি-বুদ্ধিক কল্পনাৰে দীপ্ত কৰি সত্যৰ লগত আনন্দৰ সমন্বয়সাধনৰ কলা। কাৰ্লাইলে আকৌ কবিতাক সংগীতময় চিন্তা বুলিছে। মেথিউ আৰ্ণল্ডৰ মতে কবিতা হ'ল জীৱন-বীক্ষা। টি. এছ. এ'লিয়টে আকৌ মত প্ৰকাশ কৰিলে যে কবিতা আবেগৰ বান্ধ খুলি দিয়া নহয় .................... ই ব্যক্তিত্বৰ প্ৰকাশ নহয়, ব্যক্তিত্বৰ পৰা পলায়নহে। অৰ্থাৎ আবেগ প্ৰকাশৰ বাহন হিচাপে কবিতাৰ তাৎপৰ্য্য তেওঁ নাকচ কৰিব বিচাৰিলে।

উক্ত মতামতবোৰ বিশ্লেষণ কৰিলে এই কথা স্পষ্ট হৈ পৰে যে কবিতাৰ লগত আবেগ-অনুভূতিৰ এক আত্মিক সম্বন্ধ আছে। আবেগ-বিহ্বলতা প্ৰকাশেই কবিতা নিশ্চয় হ'ব নোৱাৰে, কিন্তু আবেগ-অনুভূতিয়েই যে কবিতাত প্ৰাণৰ সঞ্চাৰ কৰে তাক অস্বীকাৰ কৰিব নোৱাৰি।

জীৱৰ দেহ অবিহনে যেনেকৈ প্ৰাণৰ অস্তিত্ব নাই, তেনেকৈ কবিতাৰ দেহৰূপী ভাষাৰ অবিহনেও প্ৰাণৰূপী অনুভূতিৰ প্ৰকাশ হ'ব নোৱাৰে। কবিতাৰ ভাব-অনুভূতি ভাষাৰ মাজেৰেহে ফুটাই তোলা হয়। শব্দ তথা ভাষাৰ গঢ়ন-গঠনতেই উদ্ভাসিত হয় কবিতাৰ দেহ-সৌষ্ঠৱ।

যি কি নহওক, দেহসৌষ্ঠৱ অধিক আকৰ্ষণীয় ৰূপত তুলি ধৰিবৰ বাবেই প্ৰাচীন কালৰে পৰাই কবিকূলে কবিতাৰ দেহত নানাৰঙী অলংকাৰ পৰিধান কৰাই আহিছে। উপমা, চিত্ৰকল্প আদি অলংকাৰে কবিত্বৰ দেহত অপৰূপ সৌন্দৰ্য্যৰ সমাবেশ ঘটাব পাৰে। কিন্তু সেয়ে হ'লেও কবিতাৰ সৌন্দৰ্য্য প্ৰকাশৰ বাবে অলংকাৰ সদায়েই অপৰিহাৰ্য্য নহয়। যেনেদৰে স্বাভাৱিক ৰূপ-লাৱণ্যৰ অধিকাৰী এগৰাকী নাৰী আপোন সৌন্দৰ্য্যৰে উদ্ভাসিত হ'ব পাৰে, তেনেদৰে প্ৰাণোচ্ছল দেহধাৰী এটি কবিতাও অলংকাৰবিহীন হৈও আপোন সৌন্দৰ্য্যৰে পাঠকৰ মন মুহিব পাৰে।

সেয়ে অলংকাৰ ধাৰণ কৰকেই বা নকৰক,

কবিতাৰ দেহৰ যদি ৰূপ-লাৱণ্য থাকে তেন্তে তাত-প্ৰাণৰ সঞ্চাৰ হ'লেই সি পাঠকৰ মন হৰণ কৰে। কথা হ'ল কবিতাৰ দেহলৈনো প্ৰাণৰূপী আবেগ-অনুভূতি সঞ্চাৰিত হয় কেনেকৈ? কবিয়ে সন্মুখীন হোৱা বিচিত্ৰ জীৱন — অভিজ্ঞতাৰ বিভিন্ন উপাদানে কবিৰ হৃদয়লৈ অনুভূতিৰ ঢল বোৱাই আনে। অনুভূতিৰ এনে কেইটামান প্ৰধান উৎস থোৰতে উল্লেখ কৰা হ'ল।

যুগে যুগে প্ৰকৃতিৰ অপৰূপ ৰূপ-লাৱণ্যই কবি -- হৃদয় আলোড়িত কৰি আহিছে; যাৰ পৰিণতিত কবিতাপ্ৰেমীয়ে লাভ কৰিছে একোটা মনোমুগ্ধকৰ নিটোল কবিতা-

"গগন নিৰ্মল স্বচ্ছ ভৈল জল
দূৰ গৈল মেঘগণ।
মহাসুখকৰ সুৰভি শীতল
বহে বায়ু সৰ্বক্ষণ।।"

অথবা,

" When I went out
In one spring meadows
To gather violets
I Enjoyed myself
So much that I stayed all night" (Akahito)

অথবা,

"মই ভালপাওঁ তাৰ বনৰাজি শীতল পৰিবেশ
জাকিমাৰি জাৰ ফালি উৰি যায় বনৰীয়া হাঁহ
কমলাৰ কুঞ্জে কুঞ্জে মউমাখি উৰি ফুৰে
বৰফৰ টুপী পিন্ধা দূৰণিৰ ভূটান পাহাৰ।"
(অমলেন্দু গুহ)

নাৰী-সৌন্দৰ্য্যইও কবি মনত ভাব– অনুভূতিৰ বুৰবুৰণি তোলে ---

"মুখ চন্দ্ৰ-সম শোভে পদ্মৰ সুৰভি লোভে
বেঢ়ি মধুকৰে কৰে ৰোল।
শৰীৰৰ লাস-বেশ নেত্ৰৰ কটাক্ষ ঠেস
দেখি আতি শম্ভু ভৈলা ভোল।।"
(শংকৰদেৱ)

অথবা, "নিপোটল বুকু, লাটুমনি ওঁঠ,
দুয়োপাৰি দাঁত ডালিমগুটি
মৰুময় মোৰ পৃথিৱীত সখী
তুমি কবিতাৰ একোটি সুঁতি।"
(দেৱকান্ত বৰুৱা)

প্ৰেমানুভূতিৰ বিচিত্ৰ অভিজ্ঞতাইয়ো কবিতাৰ দেহ স্পন্দিত কৰে।

"মোকো তোমাৰ প্ৰেমিক কৰি লোৱা
কাতৰ দেহত খেলক বসন্ত বতাহ,
প্ৰিয় শব্দ আহি খুন্দা খাওক কলিজাত।"
(হীৰেণ ভট্টাচাৰ্য্য)

বিপৰীতে,

"সুরঞ্জনা ওইখানে যেয়োনাকো তুমি,
বোলোনাকো কথা ওই যুবকের সাথে
ফিরে এসো সুরঞ্জনা
নক্ষত্রের রূপালি আগুণ ভরা রাতে;।"
(জীৱনানন্দ দাস)

স্বদেশ প্ৰেমতো কবিৰ আবেগ উঠলি উঠে--

"মোৰ দেশ-মোৰ কল্লোলিত সপোনৰ উত্তাল
তৰংগই মোক লৈ যায় গভীৰৰ পৰা গভীৰতৰলৈ,
আদৰ্শৰ কঠিন পৰ্বত-মূললৈ........."
(হীৰেণ ভট্টাচাৰ্য্য)

কবিৰ হৃদয়ত প্ৰজ্জ্বলিত হোৱা বিদ্ৰোহৰ অগনিও কবিতা হৈ ওলায় আহে —

"মোৰ কবিতা
একযোগে
গান, শ্ল'গান
মেছিন গান"
(দিনেশ দাস)

ধূৰ্তালী কিম্বা ভণ্ডামীয়ে যেতিয়া সমাজৰ প্ৰগতি বাধাগ্ৰস্ত কৰে তেতিয়া সুকোমল কবি– হৃদয়ে অগ্নি বৰষিব পাৰে —

"প্ৰৱঞ্চনাৰ ধূৰ্ত্ত ফাকিয়ে
উৰ্দ্ধগামিনী প্ৰগতি-গতিক মাৰঘাত মাৰি
কৰি দিয়ে অধোগতি,
তাতে তোলোনেকি বিপ্লৱ মোৰ, তাতে
তোলোনেকি তাণ্ডৱ?
(অম্বিকাগিৰি ৰায়চৌধুৰী)

এই দৰে দেখা যায় যে একোটা কবিতাৰ জন্মলগ্নত জড়িত হৈ থাকে কবি হৃদয়ৰ আবেগিক স্পন্দন। প্ৰত্যক্ষই হওক বা পৰোক্ষই হওক, অভিজ্ঞতাই সঞ্চাৰিত কৰা হৃদয়াবেগেই হৈছে কবিতাৰ প্ৰাণ, অন্যথা সুগঠিত হ'লেও ই হ'ব মৃতদেহৰ দৰেই নিস্পন্দ। ●●●



# অ'ৰ ছিগা চুলি' ত'ৰ ছিগা চুলি বান্ধি যাওঁ নেঘেৰী খোপা

শ্ৰীদিব্যজ্যোতি মহন্ত, প্ৰবক্তা, গণিত বিভাগ

অন্য ছোৱালী মহাবিদ্যালয়ৰ তুলনাত আমাৰ মহাবিদ্যালয়ত Mathematics বিষয়টো পঢ়া ছাত্ৰীৰ সংখ্যা নিচেই তাকৰ। কিন্তু বৰ্ত্তমান সময়ত প্ৰায় প্ৰতিটো বিভাগতে গণিতৰ বহুল প্ৰয়োগ দেখা যায়। বৰ্ত্তমান প্ৰতিযোগিতাৰ যুগ। সেয়ে প্ৰতিযোগিতাৰ মানসিকতাৰে আগ্ৰহ কৰি বিষয়টো নপঢ়িলে তাক আয়ত্ত কৰা কঠিন হয় আৰু সেয়ে ভাল ফল পোৱাও দেখা নেযায়।

ছাত্ৰীসকলৰ বাবে সীমিত পৰিসৰৰ মাজত বিভিন্ন বিষয়ৰ চেমিনাৰ আমাৰ মহাবিদ্যালয়ত হৈ আহিছে। ১৯৯৫ চনৰ ৭ চেপ্তেম্বৰত এই লিখক শিক্ষক গোটৰ সম্পাদক হৈ থাকোতে আমাৰ মহাবিদ্যালয়ত "History of Mathematics-its contrbution to civilization and culture" শীৰ্ষক এখনিচেমিনাৰ অনুষ্ঠিত হৈছিল। এই চেমিনাৰৰ অন্তত নগাঁৱৰ ছাত্ৰ-ছাত্ৰীৰ গণিতৰ প্ৰতি আগ্ৰহ বঢ়োৱাৰ বাবে কাম কৰি যাবলৈ "অসম গণিত শিক্ষায়তন-নগাঁও শাখা" নামৰ "অসম গণিত শিক্ষায়তন" নামৰ গুৱাহাটী বিশ্ববিদ্যালয়ত মুখ্য কাৰ্য্যালয় থকা অসমভিত্তিক অনুষ্ঠানটোৰ এটি শাখা খোলা হয়। আমি এই শাখাৰ সম্পাদক হৈ থকা বছৰ কেইটাত আমাৰ ছাত্ৰী সকলৰ লগতে ইয়াৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ গণিতৰ প্ৰতি থকা অহেতুক ভয় আতঁৰোৱাৰ বাবে গণিতভিত্তিক বিভিন্ন প্ৰতিযোগিতা আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হৈছিল। ১৯৯৬ চনৰ ৩ চেপ্তেম্বৰত অন্ধ্ৰপ্ৰদেশৰ ১৫/১৬ বছৰীয়া "Computer-kid" ৰূপে খ্যাত শ্ৰীমান টুন্মা ক্ৰান্তি কিৰণে আমাৰ মহাবিদ্যালয়ত তেওঁৰ আচৰিত ধৰণৰ গণনা কাৰ্য্য প্ৰদৰ্শন কৰি দেখুৱাইছিল। তদুপৰি "Mathematics olympiad", " Mathletics", "Mathematics Quiz" আদি বিভিন্ন প্ৰতিযোগিতা আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল।

এই অনুষ্ঠান বিলাক কৰাৰ উদ্দেশ্য হ'ল যে আমাৰ ছাত্ৰীসকলৰ উপৰিও বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ গণিতৰ প্ৰতি আগ্ৰহ বৃদ্ধি হওক, গণিত বিষয়ৰ প্ৰতি থকা শংকা দূৰ হওক আৰু গণিতৰ মাজতো যে আমোদৰ থল আছে উপলব্ধি হওক।

গণিত বিষয়টো বাধ্যতামূলক ভাবে নলৈও আমোদৰ বাবেও চৰ্চা কৰিব পাৰি। এই ধৰণৰ কিতাপ-পত্ৰ বহুত আছে। ল'ৰা-ছোৱালীৰপৰা বয়সীয়া লোকলৈকে এনে বহুলোক পাইছো যে তেওঁলোকে আমোদৰ বাবে পঢ়া-শুনা কৰে। তলত সৰু সৰু দুটামান কথা উল্লেখ কৰা হ'ল। বিভিন্ন সমাজত বিভিন্ন জনে বিভিন্ন ধৰণেৰে এই সমূহৰ চৰ্চা বিভিন্ন সময়ত কৰি আহিছে।

গ্ৰীচৰ আলেক্জেন্দ্ৰিয়া চহৰত ডায়'ফেন্টাচ্ নামৰ এজন প্ৰখ্যাত গণিতজ্ঞ আছিল। তেওঁৰ কবৰত লিখা কথাখিনিতো গণিতৰ ভাষাই ব্যৱহাৰ কৰা হৈছিল। কথাখিনিৰ সাৰমৰ্ম হ'ল ---

ডায়'ফেন্টাচৰ জীৱনৰ ছভাগৰ এভাগ পাৰ হৈছিল

সোনালী ল'ৰালি কালত, জীৱনৰ বাৰ ভাগৰ এভাগত তেওঁ দাড়ি ৰাখিছিল, জীৱনৰ সাতভাগৰ এভাগ সন্তানহীন বৈবাহিক জীৱন কটাইছিল, কিন্তু ইয়াৰ ৫ বছৰৰ পাচত তেওঁ এটা পুত্ৰ সন্তান লাভ কৰিলে। পিচে দুখৰ কথা ডায়'ফেন্টাচ্ যিমান বছৰ জীয়াই আছিল তাৰ ঠিক অৰ্ধেক কালহে তেওঁৰ পুতেক জীয়াই আছিল। এই দুখতেই পুত্ৰ বিয়োগৰ চাৰি বছৰ পাছত এই মহান গণিতজ্ঞজনৰ মৃত্যু হয়।

ৰসামোদী পাঠকে ডায়'ফেন্টাচ্ আৰু তেওঁৰ পুতেক কিমান কিমান বছৰ জীয়াই আছিল উলিয়াব পাৰে। ৮৪ বছৰ বয়সত বাপেকৰ আৰু ৪২ বছৰ বয়সত পুতেকৰ মৃত্যু হৈছিল।

ইয়াৰ লগতে প্ৰচলিত আৰু দুটামান আমোদৰ কথা কোৱা হ'ল। অৱশ্যে সকলোৰে আমোদৰ থল নেথাকিবও পাৰে, কিয়নো নিজৰ ৰুচিৰ ওপৰতহে আমোদ নিৰ্ভৰ কৰে।

37 ক ক্ৰমে 3,6,9,12,15,18,21,24 আৰু 27 ৰে পূৰণ কৰিলে পোৱা পূৰণফলকেইটা চাওঁক –

37 x 3 = 111
37 x 18 = 666
37 x 6 = 222
37 x 21 = 777
37 x 9 = 333
37 x 24 = 888
37 x 12 = 444
37 x 27 = 999
37 x 15 = 555

ইমানতে শেষ নহয় । 37 ক ক্ৰমে 30, 33,36,39 (অৰ্থাৎ 3 যোগ কৰি পোৱা সংখ্যা বিলাকেৰে) আদিৰে পূৰণ কৰি সংখ্যাবোৰ পাতি চালে কি বিশেষ ৰূপ পালে মন কৰক। সংখ্যাবোৰৰ সাজোন সচাঁকৈয়ে লক্ষ্য কৰিবলগীয়া।

এইবাৰ ইয়াতকৈ ডাঙৰ পূৰণ এটা কৰিবলৈ যত্ন কৰক। নহ'লে Calculator টো চপাই লওক। 123456789 এই সংখ্যাটোক ক্ৰমে 9,18,27,36,45,54,63,72,81 ৰে পূৰণ কৰি চাওক।

123456789 x 9 = 1111111101
123456789 x 18 = 2222222202

এইদৰে ক্ৰমে কৰি গৈ থাকক। যি সমূহ ফলাফল পালে মন কৰক আৰু কিয় এনে হ'ল ভাবক।

এইবাৰ বন্ধু-বান্ধৱৰ লগত খেলিব পৰা খেল এটা চাওক। এটা তিনিটা অংকযুক্ত সংখ্যা (a three digit number) লওক। ইয়াক 11 ৰে পূৰণ কৰক। এই ফলটোক আকৌ 91ৰে পূৰণ কৰক কি পালে চাওক।

মই ল'লো যেনিবা 632 । ইয়াক 11ৰে পূৰণ কৰিলে হ'ল 6952। ইয়াক পুনৰ 91 ৰে পূৰণ কৰাত হ'ল 632632। অৰ্থাৎ প্ৰথমে লোৱা সংখ্যাটোকে দুবাৰ পাতিলেই হ'ল।

শেষত এটি প্ৰশ্ন আগবঢ়ালো ------

তলত দিয়া ছবি খনত কিমানটা ত্ৰিভূজ (Triangle) আছে হিচাপ কৰক।



উত্তৰটো শুদ্ধ হৈছেনে নে নাই নিশ্চিত হওক। এনেধৰণৰ পূৰণ বা ছবি আপোনালোকও উদ্ভাৱন কৰিব পাৰিব।

●●●



# কবিতা



# বৰষুণৰ গান

অপৰাজিতা পূজাৰী, স্নাতক প্ৰথম বৰ্ষ

গোটেই ৰাতিটো তিতিছিল বৰষুণ জাকত
হুৰ্ হুৰ্ কৈ অহা বৰষুণ
আহ অ' বৰষুণ আহ
হুৰ্হুৰাই আহ
গুম্ গুমাই আহ
সেউজীয়াৰ মাজেৰে আহি
জল্মলাই দে
কেঁচা পুৰতি
গলাই দে
ধোঁৱা বাৰুদেৰে গঢ়া মোৰ আত্মা
আকৌ জীৱন লওঁ মাটিৰপৰা
কেঁচা মাটিৰ নিশ্বাসত ওলোমাই দিওঁ স্পৰ্শক।

ডুবি যাওক মোৰ দালান
নিকা হওক
তেজ লগা দিনবোৰ আমাৰ।
পদুম পাতত লৰক্ ফৰক্ টোপালৰ দৰে
দেওদি ফুৰো মই
বুলবুলি হৈ
কোযে কোযে মোৰ বাজি উঠক
মেঘমল্লাৰ
আহ অ' বৰষুণ আহ
যদিও দেশত বান
তোৰ বাবে মই পদূলিতে ৰওঁ। ●

# বগীতৰালৈ বুলি

জয়শ্ৰী শইকীয়া, স্নাতক প্ৰথম বৰ্ষ

মেলি দিলো হতাশাৰ কজলা ৰুমাল
বতাহৰ পাকে পাকে ঘূৰি
সি মোৰ ভিতৰ সোমাল
দুঃসহ যন্ত্ৰণা
বগীতৰা, তই জানো আহিবি
বোকা পানী খচকি?
ঈশ্বৰৰ ফাঁচিৰ দাবীত (!) ড্ৰাগচ্ৰ সেৱক হৈ
মুখৰ হোৱা মোৰ ভাইটোৰ
কি হ'ব অ' বগীতৰা?
দুপুৰাই মাত্ৰ ৰূপিত মাটি
তই জানো নাজান?
কি দৰে চলাওঁ অতখন
সংসাৰৰ বোজা,
চৌদিশে হাঁহাকাৰ
দৌতা-প্ৰভুসকলৰ অন্তঃসাৰশূণ্য
টিঘিল্ ঘিলনি।
ভয় নকৰিবি বগীতৰা
আমি বোৰ মৰা নাই এতিয়াও
তই মোৰ 'মন ভৰা পুৱা'
তোৰে পৰাই আৰম্ভ কৰিম
তোৰে মোৰে 'আলোকৰে যাত্ৰা'
সম্ভাৱনাৰ ভৰত দোঁখাই পৰিব
তোৰ আহিনৰ পথাৰ হেন দেহা
বগীতৰা অ' থমকি নৰবি
তই মোৰ মন ভৰা পুৱা।
আকাশ চুবি, ইয়ালৈ আহ
শ্যামলী বৃক্ষৰ ফল হাতত ল
এতিয়া ক, জুৱালনে হৃদয় তোৰ? ●

## আকাশ

মৌচুমী বৰা, স্নাতক তৃতীয় বৰ্ষ

নিয়ৰ-সিক্ত এটি সন্ধিয়া
আকাশত জোনাকৰ বৰষুণ
কোমল মলয়াই কঁপাই যোৱা মোৰ মন
মৰহা সপোনবোৰ জোনটিৰ চাৰিওফালে
সিঁচৰিত
কবিতাতকৈ আকাশেই ভাল,
ইমান গভীৰতাক বুকুতলৈ থাকিব পাৰি
চিৰদিন চিৰকাল।●

## আশা

চন্দনা বেজবৰুৱা, স্নাতক দ্বিতীয় বৰ্ষ

বাহিৰৰ জোনাকৰ মিঠা পৰশত
তাই সাৰ পাই উঠিছিল
আৰু যেতিয়া
লিখিবলৈ আৰম্ভ কৰিছিল আধা লিখা কবিতাটো
তেতিয়া আকাশত আন্ধাৰ নামিছিল
তাইৰ কেঁচা ঘাঁ লগা হিয়াখনে
চিৎকাৰ কৰি উঠিছিল
আৰু লগে লগে
আকাশৰ বুকুলৈ নিক্ষেপ কৰিছিল
সমস্ত ক্ষোভ
কাৰণ ——
তাই বহুদিন ধৰি যুঁজি আছিল
আকাশৰ স'তে। ●

## আগমন

পল্লবী শইকীয়া, স্নাতক প্ৰথম বৰ্ষ

শাওনৰ ভৰদুপৰীয়া আগজাননী নিদিয়াকৈয়ে
বৰষুণজাক আহিছিল
সিম্‌সিমিয়া বৰষুণজাকে
গছৰ পাতবোৰ ধুই নিছিল,
মাটিবোৰ ভিজিছিল
নদীখনৰ পানীবোৰ পাৰ বাগৰি বৈছিল
আৰু
সেমেকা মাটিত তুমি অহাৰ খোজ
দকৈয়ে বহিছিল।●



## কবিতা

পূৰবী বড়ো, স্নাতক তৃতীয় বৰ্ষ

'গভীৰ নিশা মৰো কথাপাতো'
নীৰৱ নিস্তব্ধ গভীৰ ৰাতি
জোনাকী পৰুৱা, জেঠি, সাপ, বেঙ্‌বোৰে
হৃদয় উজাৰি কথাপাতে, গান গায়
সিহঁতৰ অবুজ ভাষাৰে, খুব গোপনে।
সেউজীয়া টেবুলক্ল'থৰে ঢকা পুৰণা টেবুলখন,
চকীখন, জ্বলন্ত লেম্পটো, উকা বগা কাগজখিলা,
কলমটো, দুটোপাল চিয়াহী আৰু তপত চকুলো
ইহঁত মোৰ চিনাকি আপোন, বিশ্বাসী বন্ধু।
ইহঁতে মোক কোনোদিন প্ৰবঞ্চনা কৰা নাই,
মৰো কৰা নাই।
মোৰ হৃদয়ক, ভাষাক, আশা-নিৰাশা, দুখক
ভালকৈ বুজে একমাত্ৰ ইহঁতেই।
ইহঁতৰ প্ৰত্যেকৰে নিজা বিবেক, আত্মা, ব্যক্তিত্ব আছে
দিনৰ পোহৰত পৃথিবীৰ কোনো চলনাই
কেতিয়াও স্পৰ্শ কৰিব নোৱাৰে।
ইহঁত ধীৰ, গহীন, গম্ভীৰ আৰু সত্য।
নিজান নিতাল নিশা মৰো কথাপাতো
ইহঁতৰ লগত, খুব গোপনে নিঃশব্দে
বহু কথা এক, দুই, শ-হাজাৰ ...।

বিদায় লগ্নত মোৰ হৃদয়ে হাহাকাৰ কৰে
তহঁতে মোক এৰি নাযাবি বন্ধু
দিনৰ পোহৰত মোক কোনোৱে নুবুজে
যিমানে সিহঁতৰ ওচৰলৈ যাব বিচাৰোঁ
সিমানে মোৰ পৰা যে আঁতৰি যায়!

কাৰোবাৰ চলনাই সিহঁত সকলোকে
গ্ৰাস কৰি পেলাইছে
অজানিতে বৈ পৰে ধাৰাসাৰে তপত লোতক
ভয় হয় কোনোবাই যদি দেখে?
তেতিয়া ইহঁতে বগা গামোচাখনেৰে
আলফুলে চকুলো মচি দিয়ে
তাৰপিছত – তাৰপিছত সকলোৱে
শান্তিৰে শুবলৈ চেষ্টা কৰো
আজিলৈ শুভৰাত্ৰি বন্ধু! ●

## নিৰ্জনতা

শৰ্মিলা হাজৰিকা, স্নাতক দ্বিতীয় বৰ্ষ

কবিতা মোৰ দুখৰ
কুঁৱৰীজনী হৈ
নিৰ্জনতাত নাচি উঠে,
তুলসী তলৰ চাকিটিৰ দৰে।
নিয়ঁৰত জেলেপা লগা
কলপাত এখনি হৈ,
কান্দি উঠে মোৰ হিয়া
শেষ নিশাৰ কেতেকীৰ দৰে
মাজনিশা সাৰপালেই
গম পাবা –
মোৰ শেতেলিৰ চৌপাশে
পৰি থকা
একাঠু অশ্ৰুজলৰ বতৰা
মোৰ হিয়াৰ আজন্ম
দুখবোৰেই
মোৰ কবিতাত
মৰহা শেৱালী হৈ ফুলে
দুখৰ নিশাত জোনাক
বোলাই,
কবিতা এইদৰেই আহে
নিৰ্জনতাত মোৰ কাষলৈ'।●

# মোৰ দৃষ্টিত তুমি

ৰিম্‌ঝিম্ দত্ত, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

সপোনৰ টোপোলাটো মেলি দিছো
জোনটোৱে লিৰিকি-বিদাৰি চালে
তুমিও এবাৰ চোৱা
লেচেৰি বোটলা ৰ'দালিৰ কবিতা

মোৰ কবিতাৰ প্ৰতিটো শব্দতেই
তোমাৰ গোন্ধ
আলতীয়া মাটিৰ গোন্ধ,
মোৰ অতিকে আপোন।
মোৰ কবিতাৰ প্ৰতিটো স্তৱকে স্তৱকে
তুমি ৰ'দ, বৰষুণ আৰু বহুতো।

তুমি নদী হোৱা অথবা আকাশ,
বতাহ অথবা ৰ'দ
জোন অথবা জোনাক
মোৰ হৃদয়ত তুমি, মাথো তুমিয়েই

মোৰ কবিতাত
তুমি এটা সুৰভি কোমল কবিতা,
মোৰ পদূলিত
তুমি অনুভৱৰ এসন্ধ্যা।
মোৰ পথাৰত
তুমি শাওনৰ প্ৰথমজাক-বৰষুণ,
মোৰ দেহত
তুমি যৌৱনৰ সাজোন-কাচোন
মোৰ দৃষ্টিত তুমি,
মাথো তুমিয়েই।।

# সুৰ

অনামিকা শইকীয়া, স্নাতক প্ৰথম বৰ্ষ

এটি হেৰোৱা সুৰ শুনিবলৈ তৰা লেখি লেখি
পাৰ কৰিছিলো বহু জোনাক আৰু আন্ধাৰৰ নিশা,
শৰতৰ কোনো এটা মাজনিশা হেৰাই গৈছিল
সেই সুৰৰ লহৰ
এটি নগ্ন সুৰৰ স'তে,
চেতাৰৰ চিঙা তাঁৰবোৰে মোৰ দুচকু জাপ খুৱাই নিছিল
হঠাৎ পুৱতি নিশা সাৰ পাই উঠিছিলো
চেতাৰৰ চিঙা তাঁৰবোৰ জোৰা লগাব খোজা
এটি বাঁহীৰ সুৰত।
য'ত নাই ফাগুনৰ পলাশৰ বোল,
বাৰিষাৰ নদীৰ বান
কুৰিটা বসন্তত বিচাৰি ফুৰা সেই সুৰ
বহু দূৰে দূৰে থাকি তেওঁ বজাইছিল
নিয়ঁৰত সেমেকা শেৱালিৰ সুৱাসে
ভৰপূৰ সেই সেউজীয়া সুৰ।



# একবিংশ শতিকাৰ প্ৰতি

গাৰ্গী গীতম বৰা, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

ডাইন'চৰবোৰ বিলুপ্ত হ'ল
বহু যুগ পাৰ হৈ
আহি
আধুনিক যুগ।

আমি সভ্য হ'লো।
আইতাৰ সাধুকথাৰ তুলসীজোপা
চন্দ্ৰৰ কলংক হ'ল,
চন্দ্ৰ, সূৰ্য্য দেৱতাসকল
মানুহৰ পুতলা হ'ল।
শেষহোৱা নাই
স্নিগ্ধ পূৰ্ণিমাৰ জোনাক।

কণল'ৰা আইটিয়ে,
এতিয়াও আশাকৰে
ককা-আইতাৰ সোলা মুখৰ
সোণৰ সঁফুৰা
আয়ে দিয়া বস্তিগছি
এতিয়াও নাচি থাকে তুলসী তলত,
কুলিটিয়ে বসন্তক মাতে
সখিয়তিয়ে সখিক বিচাৰে
কেতেকীয়ে হিয়া ভাঙি এতিয়াও গছত
বিনায়
একবিংশ শতিকাৰ পুৱা
এই আহে এই আহে।
থাকিবনে তেতিয়াও
ককা-আইতাৰ শীতলী কোলা?
কণল'ৰা- আইটিয়ে জোনাকত বহি
আমনি কৰিবনে সাধু ক'বলৈ?
ফুল-ফল থাকিবনে
ময়ুৰে নাচিব?
থাকিবনে মানুহৰ মৌ-মিঠা মাত?
কবিৰ কাপ স্থিৰ হ'ব
শিল্পীৰ তুলিকা শুকাব
নিৰ্ভুল যন্ত্ৰ হ'ব নতুন মানুহ।
নে আহিব মহাপ্ৰলয়
এইবাৰ লুপ্ত হ'ব
সমস্ত মানুহ?
একবিংশ শতিকা,
তুমি নাহিবা
ধ্বংসৰ ধুমুহা হৈ,
আহিবা
শেৱালী ফুলাৰ বতৰলৈ,
বকুলৰ সুগন্ধ লৈ
তুমি যেন আহা প্ৰিয়জন হৈ,
এপাহি কপৌফুল হাতত লৈ
চেনেহীক দিবলৈ
এই আশাৰ বৈ আছো
তোমাক আদৰিবলৈ।

# অনুৰণন

ববিতা শৰ্মা, স্নাতক প্ৰথম বৰ্ষ

জোনাকত স্মৃতিৰ বৰষুণ
তোমাৰ হিমসিক্ত হাতত মোৰ হাত
লগত অযুত তৰাৰ সপোন।
প্ৰেম-পিয়াসী আতুৰ হৃদয়
মোৰ আকুল হৃদপিণ্ড শুদ্ধ হওঁ হওঁ
এতিয়া পুৱতি নিশা
অমূৰ্ত্তক জিজ্ঞাসা
অভীষ্ট দুই আত্মাৰ মিলন।
পাৰিপাৰ্শ্বিক নৈঃশব্দ
নিশা পতিৰ সংসাৰ শুৱনি
অযুত তৰাৰ সান্নিধ্য।
ব্যস্ত পৃথিৱীৰ কত নিলগত
প্ৰেমৰ সপোন তৰাৰ দেশত
জোনৰ অকুণ্ঠ আৱাহন নেওচি
মই যে এতিয়া দুমহলাৰ ছাদত
টোপনিক জনাই প্ৰত্যাহ্বান
ব্যস্ত হৈছো
গ্ৰহণত অকৃত্ৰিম মৰম, সাক্ষী
সৌৰা,
আজন্ম চিনাকি মোৰ
তৰুৰা কদম। ●





# সখি

কুমারী পূর্ণিমা দাস, স্নাতক তৃতীয় বর্ষ।



একটি নাম নাজানা ছোট্ট পাখি
নানা রংএর ডানা মেলো
হঠাৎ উড়ে আসলো—
বসলো ঠিক বারান্দার ছোট্ট একটি গাছের ডালে।
কোনো এক ছুটির দিনদুপুরে—
সকলে যখন নিঝুম ঘুমে
আমার ঘুম ভাঙ্গল একটি মিষ্টি মধুর স্বরে,
চেয়ে দেখি একটি সুন্দর পাখি বসে আছে
আমারই সন্মুখে।।
প্রথম দৃষ্টিতেই ভালোবেসে ফেল্লাম তাকে
মনে মনে একটি নামও দিলাম "খুশী"—
কি? পছন্দ হয়েছে সখি?
তার ঠোঁটে যেন সদা লেগে আছে
মিষ্টি হাসি,
তার নির্মল আঁখি বারবার বলে
ভালোবাসো আমাকে !
আমি চেয়ে আছি তার দিকে
সেও দেখছে আমাকে
দুজনেই পলক না ফেলে —
যাকে বলে, ভালোবাসা প্রথম দর্শনে।।
কিন্তু জানি ; এ ভালোবাসা থাকবে না চিরদিনে
পখি, তুমি চলে যাবে নিজের আস্তানে
আমিও হয়ত ব্যস্ত হয়ে যাব নিজের কাজে।
কিন্তু, সখি তুমি মাঝে মাঝে এসো
সত্যিই ; আমি ভালোবেসেছি যে তোমাকে !
তোমার ভালোবাসা চিরদিন বাসাবেঁধে থাকবে
আমার হৃদয়ের কোন আজানা স্থানে।।●



## স্বাধীনতার স্বাদ

সোমা আচার্য্য, অধ্যাপিকা, বাংলা বিভাগ

স্বাধীনতা নেমেছে দেখো ভারতের বুকে
বিজয়া উল্লাসে মেতে মাতৃভূমির দিকে দিকে।।

স্বাধীনতা নেমেছে আজ, নগরের পথে পথে,
যুবকটি নিশ্চিন্তে তাই ঘুমায় ফুটপাথে।।

স্বাধীনতা নেমেছে দেখো সন্ধ্যার নদীতটে,
সন্ধ্যাতারা পালায় পাছে ছোবল সারে কোন কেউটে।।

স্বাধীনতা নেমেছে আজ প্রভাত বেলার মুক্ত হাওয়ায়।
শুকতারাটা ওড়্না বুকে ভয়েতে দেখো চুটছে কোথায়।।

স্বাধীনতা নেমেছে ঐ রাঙ্গাসাটির গেঁয়োপথে।
বোনা মাথায় বৃদ্ধ কানু ছুটছে তবু খাজনা দিতে।।

স্বাধীনতা এসেছে দেখো সম্বোধনের মাথার পরে।
মাতা-পিতার আদেশ মিছে, নিজের বিচার সবার উপরে।।

স্বাধীনতা নেমেছে দেখো ভোগের খাদ্যে নির্বিবাদে।
অন্নহারা হাজাৰ জীবন পাত্র হাতে বিকোয় হাটে।।
জন্ম স্বাধীন, মৃত্যু স্বাধীন, স্বাধীন দেশের বাতাস।
সব- স্বাধীনের রং চড়িয়ে দেশটা তবু হতাশ।।





# এদিনত দিনবোৰ ...

**জয়শ্ৰী শইকীয়া,** স্নাতক দ্বিতীয় বৰ্ষ



*"There are more things in heaven and earth, Horatio,*
*Than are dreamt of in your philosophy."*

অতীত আৰু বৰ্তমানে যাক অভাৱনীয়ভাৱে ঠগাইছে, সি বাৰু ভৱিষ্যতৰ ৰঙচুৱা সপোন দেখেনে ? সপোন নোহোৱাকৈ জীয়াই থাকিব নোৱাৰি ? মই যে অলপ আগলৈকে ভাৱি আছিলো কিবা-কিবা (!) বোৰ, কিনো আছিল সেইবোৰ ? নিজৰ কথা ? সোণালী ভৱিষ্যত এটাৰ কথা ? নে মোৰ বয়সৰে প্ৰসেনজিতে ক'বৰ দৰে 'প্ৰেয়সীক ধ্যান কৰি' ? ভাগ্যত বিশ্বাসী নহ'লেও পৰিস্থিতিয়ে যি ঠাইত উপনীত কৰাইছে মোক - তাত আৰু কি ভৱিষ্যতৰ কথা ভাৱিম !

এতিয়া মনলৈ আহিছে অতীতটোৰ কথা। এটা সোতৰ বছৰীয়া ডেকাৰ অতীত ! (এই যে ভাৱিলো, সিওতো লগে লগে অতীত হৈ পৰিল !) স্থিতিশীল বৰ্তমানৰ গতিটো যন্ত্ৰৰ দৰে নিস্পৃহ ব্যস্ততাৰ মাজেদি চলি আছে। ভৱিষ্যত ? ... আশা আগতে আছিল - এতিয়া নাই। কল্পনা আছিল বাবে সপোনো আছিল ... আৰু এতিয়া ? - এটা বিৰাট শূণ্যতা। তাৰ মাজত মই।

চহৰখনৰ প্ৰখ্যাত উকীল আৰু প্ৰতিষ্ঠিত ব্যৱসায়ী ভৱানন্দ চলিহাৰ একমাত্ৰ সন্তান অবিনাশ চলিহা। সুদৃশ্য ঘৰটোৰ বেলকনিত এয়া এক নৱযৌৱনপ্ৰাপ্ত ডেকা ল'ৰা। চৌপাশৰ ফুলবোৰে নিজান হৈ পৰা ঘৰটোৰ শোভা

বড়োৱাত ভাব হৈছে সিহঁত যেন ঠিক 'Blossomed Furze unprofitably gay ...'

আবেলি হৈ আহিছে। ৰাস্তাটোৰ সিপাৰে থকা খালী ঠাইডোখৰৰ ওপৰৰ আকাশখনক হেঙুলীয়া বাতি এটাৰ দৰে দেখা গৈছে। দুটামান দলচ্যুত (!) কাউৰীয়ে কা-কা কৰি দূৰ দিগন্তত হেৰাই গৈছে। ওচৰৰ কাৰোবাৰ ঘৰত য়ানীৰ মিউজিক বজাইছে। ৰাস্তাত গাড়ী-মটৰৰ অহা-যোৱা। চৌপাশৰ শব্দসমুদ্ৰৰ মাজত আচ্ছন্ন হৈ বহি আছো মই। ভাব হৈছে-মোক এৰি থৈ যেন পৃথিৱীখন গৈ আছে .. গৈ আছে ...

দুদিন হ'ল হোষ্টেলৰপৰা ঘৰলৈ অহা। নেলাগে মোক কাৰো সাহচৰ্য। কোনে জানিব ? দিনে-ৰাতিয়ে একেলগে থকা ৰুমমেট্ নিবিড়েওতো নাজানে যে অনবৰতে মুখেৰে ভাৱগধুৰ সংলাপ বলকি অকালপক্কতাৰ চিনাকি দিয়া অবিনাশ সকলোৰে অলক্ষিতে মৰিবলৈ আৰম্ভ কৰিছে ... লগৰবোৰ এতিয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে প্ৰস্তুতিত ব্যস্ত। 'কেৰিয়াৰ্ নামৰ গাহৰিটোৰ নেজত ধৰি ঘূৰাৰ প্ৰতিযোগিতাত নমাৰ ইচ্ছা আৰু নাই। জীৱন আৰু জগতে কিমান যে শিকাইছে ...

লোকৰ পিতা-পুত্ৰৰ বিবাদ মীমাংসা কৰি বৰ বৰ লে'কচাৰ্ মৰা মোৰ দেউতাই পত্নী মালৱিকাৰ কথামতে একমাত্ৰ পুত্ৰক চাৰিবছৰ বয়সতে থৈ আহিছিল দাৰ্জিলিঙৰ দামী বোৰ্ডিং স্কুলখনত ...। ফেঁকুৰি ফেঁকুৰি কান্দিছিলো ৰাতি মাৰ বুকুত সোমাই শুবলৈ নেপাই। তেতিয়া জনা নাছিলো যে মোৰ মাৰ দৰে আধুনিকাবোৰে সৌন্দৰ্য হানি হোৱাৰ আশংকাত সন্তানক মাতৃ-দুগ্ধৰ সোৱাদ নিদিয়ে ....। তাৰ পিছতো – গম নোপোৱা হ'লেই ভাল আছিল বাকীবোৰ কথা – এতিয়া বুজিছো - আজিৰ আধুনিক জগতৰ ব্যস্ততাত সন্তানৰ মানসিক অৱস্থাৰ উমান ল'বলৈ মোৰ পিতৃ-মাতৃৰ আহৰি নাই ........। মাত্ৰ দৌৰি আছে আৰু দৌৰি আছে ...

কিয় ভাৱিছো আজি মই এইবোৰ ! এটা দীঘল ৰাতিৰ পিছত ৰাতিপুৱাটো কেনে হ'ব তাক চোৱাৰ হাবিয়াস মোৰ আৰু নাই। সৌ সিদিনালৈকে মুকলি আকাশৰ তললৈ দৌৰ মাৰিছিলো ব্ৰহ্মপুত্ৰাতেই - সূৰ্যোদয়ৰ সময়ৰ ৰঙামেঘৰ চপৰাবোৰ চাবলৈ। ...... কি যে এক অদ্ভুত শিহৰণ .. কিন্তু, মোহভংগ হ'বলৈ লাগে কিমান পৰ ?

ভৱিষ্যতৰ কথা ভাৱিছিলো তেতিয়াই, যেতিয়া দিনবোৰ ৰঙীণ কল্পনাৰ আবেশত সুমধুৰ আৰু সৰস হৈ উঠিছিল। ল'ৰা-ছোৱালীবোৰে soft Toy, Teddy Bear লৈ খেলাৰ সময়ত মই ধুমুহা গাজনিৰে ভৰা আকাশখনলৈ মূৰ তুলি চাব পৰা হৈছিলো। ... এটা সময়ত পঢ়িবলৈ আৰম্ভ কৰিছিলো ষ্টুৱাৰ্ট মিলৰ আত্মজীৱনীখন। ঠিক তেনে এটা সময়তে চকুৰ টোপনি হৰিছিল নলবাৰীত সেনাৰ হাতত বৰদেউতাৰ ল'ৰা ইন্দ্ৰজিত দাদাৰ মৃত্যু হোৱাৰ খবৰটোৱে। জীৱনটোক যে কিমান ভাল পাইছিল সি! দেশৰ শান্তিৰক্ষীহঁতে মটৰৰ চকাৰ টায়াৰেৰে পুৰি মাৰিলে তাক। সি বোলে সন্ত্ৰাসবাদী আছিল! 'এতিয়া মোৰ সমনীয়াবোৰে জীৱনটো উপভোগ কৰিবলৈ আৰম্ভ কৰিছেহে এথোন' (নিবিড়ে কয়)। আৰু মই ? ভেন্ গঘৰ 'লাষ্ট ফৰ্ লাইফ্' পঢ়ি জীয়াই থকাৰ হেঁপাহ হেৰুৱাই পেলাইছো। সেইবোৰো বহুত কথা।

দিনৰ পোহৰ শেষ হৈ আহিছে। চৌপাশৰ গছবোৰৰ সেউজীয়া পাতবোৰ ক'লা হৈ পৰিছে। সূৰ্যৰ ৰঙৰ খেলা শেষ হ'ল - ঠিক মোৰ 'Flame of life'- অৰ দৰে। এৰা, মোৰ জীৱন শিখা! সকলো অশান্তিৰ ওৰ পৰিব কাইলৈ পুৱা। লগত থকা এবটল pesticide - এই ইয়াৰ বাবে যথেষ্ট হ'ব (যাৰ তীব্ৰ বিষৰ প্ৰভাৱত আৰম্ভ হ'ব মোৰ স্বৰ্গ বা নৰক (!) যাত্ৰা)।

মোৰ ঘৰ ... দেউতা প্ৰায়ে থাকে ঘৰৰ কাষতে থকা চেম্বাৰত। য'ত বহি তেওঁ আঁচনি কৰে গতিৰাম খেতিয়কৰ বাওতলীডোখৰ গাঁৱৰে ৰসেশ্বৰ মহাজনৰ হাতলৈ যোৱাৰ। (তাৰ পিছত এদিন নিজৰে গোহালিত ফাঁচী লাগি গতিৰাম ওলমি থকাটো আজিৰপৰা পাঁচবছৰৰ আগৰ পলাশবাৰী গাঁৱৰ এটা সৰু ঘটনা)। ৰাতি ৰাতি দেউতাৰ কোঠালৈ অহা সুন্দৰীহঁতৰ লগত মোৰ মাতৃৰ সাক্ষাৎ হৈছে নে নাই ক'ব নোৱাৰো। (অৱশ্যে পত্নীৰ সুন্দৰ দেহটোৱেও দেউতাৰ প্ৰতিষ্ঠা লাভত কম সহায় কৰা নাই।) এদিন বন্ধত ঘৰত থাকোতে হৰিকাইৰ কথামতে গাড়ীখন লৈ পুৱতি নিশা গ'লো মোৰ মাতৃদেৱীক 'ক্লাব্ মিট'ৰ পৰা আনিবলৈ - (পিতৃদেৱ ব্যৱসায়ৰ কামত তেতিয়া শিলঙত)। ৰঙীণ বাল্বৰ পোহৰত তেওঁৰ অত্যধিক প্ৰসাধনযুক্ত মুখখন দেখা গৈছিল সোঁত-মোচ খোৱা কাৰ্বন কপি হেন। নিচাত ধলংপলংকৈ আগবাঢ়ি আহি মেদবহুল দেহৰ ভাৰ এৰি দিছিল নিজৰ পুত্ৰৰ ওপৰত (আন কোনোবা বুলি ভুল কৰি!) মুখমণ্ডল চুমাৰে উপচাই হতভম্ব ল'ৰাটোক কৈছিল - 'Mr. Chaudhuri, I want to enjoy'....... কি যে বীভৎস সত্য ... এক উত্তৰবিহীন সাঁথৰ।

দাৰ্জিলিঙত ICSE পাছ কৰি বৰ্তমানৰ কলেজখনৰ হোষ্টেলত থাকিবলৈ লোৱাৰে পৰা লক্ষ কৰিছিলোঁ মৰম লগা মুখখনেৰে সৈতে ৰাস্তাৰ দাঁতিৰ জিৰণীচ'ৰাটোত থকা পাগলীজনীক। ভদ্ৰলোকসকলে তাইৰ অৰ্দ্ধ-উলংগ দেহটোলৈ নাচায়, তাই বোলে 'বেশ্যা'! ময়লাযুক্ত কাপোৰৰ দুৰ্গন্ধত ওচৰ চাপিব নোৱাৰি ...... (খৰিদ্দাৰ নোহোৱাকৈয়ে জানো তাই 'বেশ্যা' হৈছে ?) এসময়ত সকলোকে ইতিকিং কৰি সচাঁকৈ তাইৰ তলপেটটো বাঢ়ি আহিল। তাই 'মা' হ'ল। (স্বামীবিনে সন্তানৰ খেতি হয় আমাৰ দেশত)........। এদিন চিকিৎসাৰ অভাৱতে তাইৰ প্ৰাণৰ পুতলীটোৰ মৃত্যু হ'ল। যাৰে তাৰে হাতে-ভৰিয়ে ধৰি বিফল হৈ তাই চৌপাশৰ মানুহবোৰলৈ চাই প্ৰবল আক্ৰোশত চিঞৰি উঠিল - 'চালা চুৰৰহঁত, ৰাতি ৰাতি মোৰ শুকান মঙহৰ বাবে খম্‌খমীয়া নোট দিব পাৰ ? এতিয়া দিনত মোক পাগলী বুলি হাঁহিছ ? এতিয়া দিনৰ পোহৰত দুটকাও দিব নোৱাৰ ?' সঁচাকৈ যাৰ জন্ম পইচাৰ অভাৱত, পেটৰ ভোকত, বিশটকীয়া সম্ভোগৰ ফলত, তাৰ মৃত্যুও হ'ল পইচাৰ অভাৱতেই। ওচৰতে থাকিও মই তাইক সহায় নকৰিলোঁ— সিহঁতবোৰেয়ে মোক হাঁহিব। কাৰণ তাই 'বেশ্যা'। ভাৱিছিলোঁ দুখীয়াবোৰৰ পেটত ভোক নামৰ বস্তুটো নথকা হ'লেই ভাল আছিল। (তাতেইতো মানৱতাৰ পলায়ন আৰু স্বাৰ্থপৰতাৰ উত্থান ... ।)

'ভগৱান— সৰ্ব্বশক্তিমান, সৰ্ব্বমংগলময়।' মই ভাবো, যদি তেওঁ সৰ্ব্বশক্তিমান হয়, তেন্তে সৰ্ব্বমংগলময় নহয় নতুবা যদি তেওঁ সৰ্ব্বমংগলময় তেন্তে সৰ্ব্বশক্তিমান নহয়। নহ'লেনো অকলশৰীয়া মনচুৰকাই আৰু আমিনা বৌটিহে তেজগ্ৰহণীত মৰিবলৈ পায়নে, এমা-ডিমা পোনাকেইটাক দলনিত পোণা মেলি ?

জীয়াই থাকি কৰিম কি? সৃষ্টিৰ আকাংক্ষা আৰু নাই। হয়তো এদিন বিয়া কৰিম - এপাল অৰ্দ্ধভুক্ত, অৰ্দ্ধনগ্ন শিশুৰ সৃষ্টি হ'ব। সিহঁতে মাত্ৰ বৃদ্ধি কৰিব আলিবাটৰ জানোৱাৰৰ সংখ্যা........ এক কুৎসিত সম্ভাৱনাত শিয়ঁৰি উঠো। আৰু মোৰ মাতৃ ! তেওঁক দেখিলেই মনত পৰে মুলকৰাজ্ আনন্দৰ 'কুলী' উপন্যাসৰ মিচেছ্ কেনিঙলৈ। এই সকলোবোৰৰে জীৱনৰ লক্ষনো কি ? - Birth, copulation and death ....

ঃ বুজিছা অবিনাশ, জীৱনটোও এডাল চিগাৰেটৰ দৰে, জ্বলে আৰু শেষ হৈ যায়। "A man's life's no more than to say one."---- প্ৰয়াগদাই হয়তো সিদিনা ড্ৰাগছৰ নিচাত আচ্ছন্ন হৈ মোক বুজাব খুজিছিল যে সি সেই দোকানখনৰ পিছফালেই তাৰ স্বাধীনতাৰ পূৰ্ণ ব্যৱহাৰ কৰিছে। তলমূৰ কৰি আঁতৰি আহিলো— জীৱনটোনো ইমান ভয়াবহ হ'ব পাৰেনে!'

ভেন্ গঘেই ঠিক কৰিলে নিজকে মুক্তি দি।

চৌপাশে এন্ধাৰ নামিল। ডাৱৰৰ মাজত শুক্লপক্ষৰ জোনটোৰ নিৰ্বাসন আৰম্ভ হৈছে। ৰাস্তাৰ সিদাঁতিত থকা পংগু অনিল ড্ৰাইভাৰৰ ঘৰত এতিয়া খৰিদ্দাৰে ভিৰ কৰাৰ সময়। মাতৃহীনা গাভৰু দীপ্তিৰ ওপৰতে সমস্ত দায়িত্ব এইখন গৃহস্থীৰ। দায়িত্ব পালনৰ কোবত কেতিয়াবা বেমাৰী বাপেকৰ কেঁকনিৰ লগত একাকাৰ হৈ যায় অত্যাচাৰী খৰিদ্দাৰৰ মৰমত মিছা তৃপ্তিৰ ভাও জুৰি মৰা গেঙনিবোৰ...... সাগৰৰ এচামুচ নীলা যেন তাইৰ দুচকুৰ দীপ্তি এতিয়ামানে কাৰোবাৰ কামনাৰ বহ্নিত জাহ গৈছে। তাই সকলোৰে কামনাৰ বলি হ'ব পাৰে অথচ নোৱাৰে হ'ব কাৰো পত্নী অথবা সিহঁতৰ সন্তানবোৰৰ মাতৃ। তথাপি তাই জীয়াই আছে — তাইৰ বুকুত এতিয়া হয়তো খোপনি পুতিছে কিবা আশাই।

মই বাৰু প্ৰেমত পৰিছো নেকি? পাগলীজনীৰ ? দীপ্তিৰ ? নাই, নাই প্ৰেমক ঢাকোন মাৰি থোৱাই ভাল। প্ৰেমেৰে গঢ়া নতুন বিশ্বৰ সপোন দেখাৰ হাবিয়াস নাই।

এতিয়া প্ৰকৃতিত বসন্তকাল। প্ৰকৃতি পত্ৰে-পুষ্পে সুশোভিতা। এয়াই নেকি মোৰো জীৱনৰ বসন্তকাল! 'যৌৱন জীৱনৰ স্নিগ্ধ মৌবন'— তেন্তে ? ফুলা নাই কিয় মোৰ হিয়াতো কপৌ, কেতেকী ? কুলিয়েও নেগালে গীত ?

মৃত্যুৰ পিছত দেহাটোৰ কি হয় ? 'মাটিৰ দেহা মাটিত মিলি যাব—' মাটিত মিলি যাব ? মাটি যদি অন্তহীন জীৱনৰ উৎস ; তেন্তে মোৰ আকৌ জন্ম হ'ব ! চিৰকাল 'প্ৰকৃতিৰ ঋতুচক্ৰৰ অন্তহীন আৰ্বতন'ৰ মাজেদি মৰো ভাগ ল'ম প্ৰকৃতিৰ বিচিত্ৰ জীৱন-লীলাত ! 'অপূৰণ কৰমৰ ভাৰ লৈ' বাৰে বাৰে পৃথিৱীলৈ অহাৰ ইচ্ছাও যে নাই ! তথাপি ... মৃত্যুৰ পিছতো জানো প্ৰকৃতিৰ এই ৰূপ-সুধা পান কৰিব পাৰিম ? কবিৰ দৰেই - 'I love not the men less but nature more' - মৃত্যুতেই

যদি সকলো শেষ হৈ যায় ... আন ইতৰ প্ৰাণীৰ লগত চেতনাসহিতে জীৱশ্ৰেষ্ঠ মানৱো মাটিত বিলীন হৈ যাব! তেন্তে সমগ্ৰ বিশ্ব চৰাচৰৰপৰা নিজকে পৃথক কৰাৰ উপায় ? সেয়েহে এতিয়া 'To be or not to be, that's the question.'

মৃত্যু বাঞ্চনীয়। কাৰণ, মৃত্যু আছে বাবেই জীৱনটো ইমান আকাংক্ষিত আৰু সুন্দৰ। কিন্তু মই জানো বিচাৰিছো কেতিয়াবা মোৰ মাজত মূৰ্ত হৈ উঠা চৈতন্যৰ চিৰ বিলুপ্তি ঘটাটো ? কোন জ্ঞানৰ আলোকত মোৰ এই চিৰন্তন দ্বন্দ্বৰ নিৰসন হ'ব ! মৃত্যুৰ আগমুহূৰ্তত জীৱনটোও ইমান সুন্দৰ হৈ পৰে !

এতিয়াও ভালপাওঁ নৈৰ পাৰে পাৰে খোজ কাঢ়ি নৈৰ পাৰত হালি-জালি থকা কঁহুৱা, বিৰিণাবোৰ চাই। 'আমোলমোল শেৱালিৰ গোন্ধ'ত এতিয়াও আচ্ছন্ন হয় মন। 'সুন্দৰৰ আৰাধনা জীৱনৰ খেল' - সুন্দৰৰ আদৰ মই কৰোঁ। পাৰিবনে সুন্দৰৰ প্ৰতি থকা এই মোহে মোক জীয়াই ৰাখিব ? পেট্ৰিকৰ 'Theory of Beauty'ত কান্ট নে কোনে কৈছিল জানো - 'Beauty is quality of objects not merely a subjective test.'

মোৰ বৰদেউতা - জীৱনৰ কমাৰশালত গঢ় লোৱা এটা মূল্যৱান কাঁহৰ বঁটা। 'Simple living high thinking' - তামোলৰ সেলেঙী লগাই বৰদেউতাই কয় - সেইঅনা ডে'লে, গাঁৱৰ প্ৰাইমেৰী স্কুলৰ পণ্ডিত হৈ আকৌ কি high thinking ডাল কৰিবি অ'— কৰ্মহে আচল বস্তু ; 'living' অৱশ্যে নিজে নিজেই 'simple' হৈ গ'ল" - বৰদেউতা নিজস্ব মহিমাৰে মহীয়ান এজন প্ৰেক্টিকেল্ মানুহ। জানে কেৱল সংগ্ৰাম কৰিব। প্ৰাপ্য আদায়ৰ সংগ্ৰাম, জীৱৰ বাবে কৰা সংগ্ৰাম— সেয়ে তেওঁ এজন মানুহ। সঁচা মানুহ।

মইও জীয়াই থাকিম। সংগ্ৰাম কৰিম। প্ৰয়োজনত আপোচ কৰিম। মানুহক বিশ্বাস কৰিবলৈ শিকিম। সঁচা মানুহ হোৱাৰ চেষ্টাৰে আৰম্ভ কৰিম কৰ্ম্মময় জীৱন। মুঠতে 'I will find a way or make one.'

তৰাভৰ্ত্তি আকাশ দেখি ভাব হৈছে — জোনাক থাকক নাথাকক জোনটো এতিয়াও ক'ৰবাত আছে। জোনাকী পৰুৱাবোৰ ক'লৈ গ'ল ; টিপ চাকি জ্বলাই জ্বলাই জীৱনৰ গান গাবৰ হ'ল ! মৃত্যু সহজ। জীয়াই থকাটোহে টান কাম। মৃত্যুক মতা মানেই পলায়নবাদী হোৱা। বিপ্লৱদাই কয়, "জীৱন এক অহৰ্নিশে ফুলা ফুল / মৃত্যুৰ পদূলিত সুগন্ধি বকুল।"

প্ৰয়াগদাকো মই জীবলৈ শিকাম। আমি একেলগে ৰঙচুৱা সপোনটোৰ পিছত দৌৰিম। তাক সুধিম, 'প্ৰয়াগদা, জীৱনৰ চিগাৰেটটোত শেষ হোপাটো কোনে মাৰে ?"

হৰিকাইৰ গাঁৱৰ ঘৰত পোৱা জহা ধানৰ গোন্ধ - তগৰ ফুলৰ সুবাসে আমনি কৰিছেহি একেলগে। 'শিমলু ফুলৰ বৰষুণ'ত প্ৰতিৰাতি নিতিতিলে জীয়াই থকাৰ মাদকতাই বা ক'ত !

ভাল লাগিছে এতিয়া। হোষ্টেলত থকাহেঁতেন নিবিড়ে মাতিলেহেঁতেন এটা এটাকৈ ৰবি ঠাকুৰৰ কবিতাবোৰ। বহুদিনৰ মূৰত সাৰ পাই উঠিছে হেঁপাহৰ সুগন্ধি পখিলাজাক মোৰ বুকুত ...।

এই হৰিকাইটোনো ক'লৈ গ'ল ! আছে চাগৈ ক'ৰবাত জুপুকা মাৰি বহি। দিনটোৰ কামবোৰৰ অন্তত হয়তো সন্ধিয়াৰ নিৰ্জনতাত তেওঁ অতীতটোক খেপিয়াই ফুৰে। মনৰ হেঁপাহেৰে ঘৰ পতাৰ কেইমাহমানৰ ভিতৰতে মনৰ মানুহজনীও সিফলীয়া হোৱাৰ পিছৰ পৰাই হৰিকাই এইখন ঘৰত। এই প্ৰৌঢ়ত্ব এৰি বাৰ্দ্ধক্যলৈ গতি কৰিছে, তথাপি তেওঁ সদায় হাঁহিব পাৰে। পৃথিৱীৰ সকলোতে ব্যাপ্ত তেওঁৰ প্ৰেম।

কি আছিল সেই ছোৱালীজনীৰ নাম, নিবিড়হঁতৰ ঘৰত যে লগ পাইছিলো সিদিনা ! পিতৃ-মাতৃৰ কোনো পৰিচয় নোহোৱাকৈ পৰৰ আশ্ৰয়ত জীৱন শিকি 'জোনাকত কবিতাৰ মেল' মাৰে ! কল্যাণী আছিল নেকি তাইৰ নাম ? নে বৰষা - যি বৰষাই সমগ্ৰ পৃথিৱীক জীপাল কৰি সৃষ্টি সম্ভৱা কৰি তোলে। জোনাকে তাইৰ গাল-মুখ তিয়াইছিল...... এই মুহূৰ্ত্তত ভাব হৈছে তাইতকৈ সুন্দৰ ছোৱালী মই ক'তো কেতিয়াও দেখা নাছিলোঁ ... কিবা যেন সেউজীয়া ..., সেউজীয়া এছাটি চেঁচা বতাহ ...। এক মধুৰ আবেশত দুচকু জাপ খাব খোজে।

বহুদিনৰ পিছত কাইলৈ পুৱা আকৌ দৌৰিম ৰঙা মেঘৰ চপৰাৰ পিছে । ৰঙচুৱা সপোনৰ সপোন দেখাতো মজা আছে ..... মোৰ আশাৰ বৰঘৰত মইনা চৰাইৰ মাত....।

মই জীয়াই থাকিম। সৃষ্টিৰ সমস্ত আকাংক্ষা লৈ। গাম জীৱনৰ গান। দুৰ্গতজনৰ প্ৰাপ্য আদায়ৰ সংগ্ৰামৰ গান। কল্যাণী নে বৰষা— হেৰা মোৰ প্ৰিয়তমা, কাষত থাকিবানে তুমি কায়াহীন ছাঁ হৈ ! ●●●





# মাৰ মৃত্যুত

পূৰবী বড়ো, স্নাতক তৃতীয় বৰ্ষ

আজি জুলাইৰ ৮ তাৰিখ। মেট্ৰিকৰ ৰিজাল্ট দিয়াৰ কথা। পৰীক্ষা বেয়া হোৱা নাই, ৰিজাল্ট ভালেই হ'ব লাগে। তথাপি বৰ আশা কৰিব নোৱাৰি। ৰিজাল্ট ভাল হ'লে দেউতা, মাহীয়ে কিমান যে আনন্দ পাব! এইবোৰ আশা-নিৰাশাৰ কল্পনাক লৈ অনিতাই ব্যস্ততাৰে ৰাতিপুৱাৰ আহাৰ তৈয়াৰ কৰাত লাগিছে। মুখত গানৰ গুণ-গুণনি।

মাহীয়েক প্ৰণতিয়ে হঠাৎ অনিতাৰ আগত বাটি এটা জোৰকৈ থৈ একো নোকোৱাকৈ ওলাই আহিল।

"মাহী, এইবোৰ কি ?" অনিতাই সুধিলে।

"কি, সোধাৰ প্ৰয়োজন নাই, বাপেৰৰ আদেশত দিবলৈ আহিছো, খাই ল।" মাহীয়েকে খঙেৰে ক'লে।

"তেনেকৈ নক'ব মাহী, মইতো ভালকৈয়ে সুধিছিলো।" অনিতাই ক'লে।

"সোধাৰ প্ৰয়োজন নাই। বাঃ আজি দেখোন গানৰ গুণ গুণনি, কি-বা ৰহস্য ?" ঠাট্টাৰ সুৰত কৈ মাহীয়েক ওলাই আহিল।

"মাহী !" অনিতাই মাতিলে। কিন্তু মাহীয়েকে কাণ নিদিলে। অনিতাই মাহীয়েকৰ ফালে জঠৰ হৈ চাই থাকিল। ভাবিছে, সৰুৰে পৰা ওচৰতে পায়ো কিয় সিহঁতক নিজৰ সন্তান বুলি আঁকোৱালি নল'লে। বৰঞ্চ সিহঁত ভাই-ভনী সকলোকে তেওঁলোকৰ পৰা বেলেগ কৰি দিছে। কি নিৰ্দয়ী লোক ! মাহী হ'লে জানো মা হ'ব নোৱাৰে। সিহঁতেতো মাহীয়েকহঁতৰ অপকাৰ কৰা নাই। তথাপি সিহঁতৰ ওপৰত কঠোৰ অত্যাচাৰ। সিহঁতৰ চাঞ্চল্য, আনন্দ কাঢ়ি বুকুত ঢালিছে বিষ ; মন-প্ৰাণ মলিন, ভাবুক কৰি তুলিছে। তাইৰ মাহীয়েকক কবলৈ মন যায়, "কালনাগিনী, তেজপিয়া" বুলি। কিন্তু ক'লে সিহঁত আশ্ৰয়হীনা হ'ব। সিহঁতে খাব কি, যাব ক'লৈ ? আৰু তাই মাতৃ বিৰোধী হ'ব নোৱাৰে। মনৰ জ্বালাত দৌৰি গৈ বিচনাত তাই চট্‌ফটাবলৈ ধৰিলে। ধাৰাসাৰে অশ্ৰু ব'বলৈ ধৰিছে। চিঞৰিছে,

"মা। তুমি আমাৰ ওচৰলৈ এবাৰো আহিব নোৱাৰানে ? এবাৰ মৰম কৰি যোৱাহি মা, প্ৰবোধ দিয়াহি।" সিহঁতক প্ৰবোধ দিবলৈ উপলব্ধিৰ ঈশ্বৰৰ বাহিৰে দ্বিতীয় নাই। কিন্তু মিছা। ঈশ্বৰেও সিহঁতৰ কান্দোন নুশুনে।

"বাইদেউ ! বাইদেউ !" ভায়েক দিলীপে আহি মাতিছে। ৰাতিপুৱাতে সি লগৰীয়া ৰূপমৰ তাত অংক শিকিবলৈ গৈছিল। একো খোৱা নাই। সি অনিতাৰ ৰুমলৈ গৈ ক'লে, "বাইদেউ ! ভোক লাগিছে, ভাত দিয়া।"

অনিতাই চকুমচি সহজ হৈ ভাত বাঢ়িবলৈ গ'ল।

"দিলীপ ! ভাত খোৱাহি।"

ভাত খাবলৈ বহি দিলীপে বায়েকৰ মুখ মলিন দেখি সুধিলে -

"বাইদেউ ! তোমাৰ কি হ'ল ? কান্দিছিলা নেকি?"

"ক'ত কন্দা দেখিলা ? ধোঁৱা সোমাই এনে হৈছে।" ক্ষীণ হাঁহি মাৰি অনিতাই ক'লে।

"ৰাতিপুৱাই মাংস ক'ত পালা ?" স্ফূৰ্ত্তিত দিলীপে সুধিলে।

"মাহীয়ে দি গৈছে।" অনিতাই চুটি উত্তৰ দিলে।

"কিবা মৰম উপজিল হবলা !" ভাত খাই খাই দিলীপে ক'লে।

"মৰম নহয় দিলীপ, দেউতাৰ আদেশত ভিক্ষা দি গৈছে।" অনিতাই মুখ ঘূৰালে।

"দেউতাৰ আদেশত? দেউতাই আদেশ দিব পাৰে, কিন্তু নিজে এদিনো ওচৰলৈ আহিব নোৱাৰে কিয়? ভিক্ষাৰী কেতিয়াও হ'ব নোৱাৰোঁ। মই আৰু ভাত নাখাওঁ, পেলাই দিয়া।" কাঁহীখন ঠেলি দিলীপে ক'লে।

"তেনেকৈ নকবা দিলীপ। আমি ভিক্ষাৰী। ভিক্ষাৰী বাবেইতো কথা-মাত নোকোৱাকৈ বস্তু দি যায়।" অলপ আগতে কি হৈছে ভায়েকক ক'লে। তাইৰ চকু চলচলীয়া হ'ল।

"বয়সত সৰু হ'ব পাৰো, কিন্তু মন ইমান নীচ, সৰু নহয়।" দিলীপে বীৰত্বৰে ক'লে।

"আমাৰ দুখৰ দিন ওৰ নপৰিব। বিধাতাৰ আমালৈ এয়ে দান, যাক দহ বছৰে ভুগি আহিছো।" অনিতাই উদাস কণ্ঠেৰে ক'লে।

"এই দহ বছৰে নহয় বাইদেউ আৰু বহুত বছৰ ভুগিব লাগিব, যেতিয়ালৈ আমি স্বাৱলম্বী হ'ব নোৱাৰো।"

"স্বাৱলম্বী হ'ম কেনেকৈ ? কাৰোবাৰ উৎসাহ মৰম নাপালে দুৰ্গম পথত আগুৱাতো কষ্টকৰ। কৰ্তব্যৰ খাতিৰতহে দেউতাইতো মাত্ৰ আহাৰ-কাপোৰ যোগাইছে, ইমানেই তেওঁৰ বাবে যথেষ্ট।" অনিতাই গম্ভীৰৈহে ক'লে।

"আমি সঁচাকৈ নিঃসহায়। দেউতাইও আমাক ত্যাগ কৰিছে।" দুয়োটাই হুক্-হুকাই উঠিল। নিজৰ কোঠাত সোমাই কান্দিয়েই থাকিল।

অনিতা তথাপি ভাগি নপৰে। দুয়োটাৰে শৈশৱতে মাকৰ মৃত্যু। ডাঙৰ বায়েকৰ বিয়া হৈছে। মাজু বায়েকজনীক মাইবঙত মোমায়েকৰ ঘৰত পঢ়িবলৈ থৈছে। ঘৰত থাকে সিহঁত দুটা। সিহঁতক মাকৰ মৰম দিবলৈ দেউতাকে আকৌ বিয়া কৰালে। কিন্তু, মৰমৰ সলনি মাহীয়েকে দিছে মাথো দুখ আৰু যাতনা। নিজৰ ল'ৰা দুটা ডাঙৰ হ'লত সিহঁত দুটাক বেলেগ কৰি দিলে। তথাপি হেঁপাহ নপলায়। এই হাল ল'ৰা-ছোৱালীৰ ওপৰত প্ৰণতি দেৱীৰ অত্যাচাৰ চলিয়েই থাকিল অবিৰাম গতিত।

দিলীপৰ হঠাতে মনত পৰিল মেট্ৰিকৰ ৰিজাল্টৰ কথা। ধুম্-ধাম্ উঠি ওলাই মেলি চাইকেলখন লৈ স্কুললৈ পোনালে। মানুহৰ ভিৰত সোমাই গৈ ২২৭ নম্বৰটো বিচাৰি দ্বিতীয় বিভাগত পাই স্ফূৰ্তিৰে ঘৰ ওলালহি। চোতালৰ পৰা মাতিছে — "বাইদেউ ! বাইদেউ !"

খপ্‌জপকৈ ওলাই অনিতাই মাত দিলে, - 'কি হ'ল?'

"ৰিজাল্ট্ দিলে, তোমাৰ বেয়া।" ভাও ধৰি দিলীপে ক'লে।

"হয় নেকি ?" তাইৰ মুখ আৰু বেছিকৈ নীৰস হৈ গ'ল।

"মিছাই ক'লো বাইদেউ, কংগ্ৰেচুলেচন্‌চ্, ছেকেণ্ড ডিভিজন্।"

শুনি অনিতা আনন্দত আত্মহাৰা। লগে লগে দিলীপে মাজু বায়েক হিমাদ্ৰীলৈ চিঠি লিখিলে। এই সুখবৰটো দিবলৈ তাই একেচাটে দেউতাক-মাহীয়েকৰ ওচৰ পালেগৈ। শুনি আনন্দত দেউতাকৰ চকুৰ লোতক বাগৰিল। ক'লে,

"ধন্যবাদ মা।"

মাহীয়েকে জ্বলি-পকি বকিছে - "ইয়াতে সিহঁতৰ ইমান স্ফূৰ্তি, এইবাৰ কোনে পায়। অহংকাৰ আৰু বাঢ়িব, আমাক মানুহ বুলিয়েই নাভাবিব, অনাথ কেইটাই।"

"আৰু নকব মাহী, প্ৰত্যেক কথাতে আপুনি কিয় বিষ ঢালে ?" চেপা মাতেৰে তাই ক'লে।

"তোমালোক তাৰে যোগ্য।" মাহীয়েকে ক'লে।

"কেতিয়াও নহয়।" কৈ তাই কোঠালৈ দৌৰিলে।

দেখি ভায়েকে বৰ দুখ পালে। সিহঁতৰ স্ফূৰ্তি পলকতে জিন্ গ'ল।

"দুঃখ নকৰিবা বাইদেউ। আজি নিজৰ মা থকা হ'লে কিমান যে আনন্দ পালেহেঁতেন।" ভায়েকৰ সান্ত্বনা বাণী।

"সঁচাকৈ মাৰ মৰম ছাগৈ খুব কোমল।" অনিতাৰ মুখৰ পৰা ওলাল।

মাকৰ ফটোলৈ চাই সিহঁতে আহ্বান জনালে, "মা! তোমাৰ মৃত্যুত আমাৰ কিমান শাস্তি। চকু মেলি চোৱা মা, তোমাৰ লগলৈ নিয়া।" কৈ হুক্-হুকাই উঠিল।

"নাকান্দিবি। তহঁতৰ দুখ দুৰ্গতি দেখি মই সঁচাই আচৰিত কিন্তু নিৰুপায়; তহঁত অনাথ নহয়। সঁচি ৰখা গোটেই মৰম আজি হিয়া উজাৰি দিলো। ইয়াৰে সুখী হোৱা।" হঠাৎ দেউতাকে আহি পিছফালৰপৰা কৈছে।

"দেউতা!" সিহঁতে সেৱা কৰিলে।

দুয়োটাক আঁকোৱালি ধৰি দেউতাকে হুক্-হুকাবলৈ ধৰিলে।

দৌৰি আহি বান্ধৱী নয়নতৰাই ক'লে — "অনি! কংগ্ৰেচুলেচন্‌চ্। আহা আজি পাৰ্টি দিম।" নয়নতৰাই উলাহতে অনিতাক টানি নিলে। আনন্দ কৰিয়াই অনা এজাক বতাহে সিহঁতৰ হিয়া মন জুৰাই পেলালে। ●●●



# এটি সাক্ষাৎকাৰ

বিশ্ববিদ্যালয় অনুদান আয়োগৰ 'মহাবিদ্যালয় মানৱ-শাস্ত্ৰ আৰু সমাজ-বিজ্ঞান উন্নয়ন প্ৰকল্প'ৰ অধীনত ১৯৯৯ চনৰ ১২ আৰু ১৩ নৱেম্বৰ তাৰিখে আমাৰ কলেজত "অসমীয়া ভাষাত জনগোষ্ঠীয় ভাষাৰ প্ৰভাৱ" শীৰ্ষক এখনি দুদিনীয়া আলোচনা-চক্ৰ অনুষ্ঠিত হয়। বড়ো, কাৰ্বি, মিছিং, টাই-আহোম, গাৰো, খামতি, ৰাভা, তিৱা, চাহ-জনগোষ্ঠীয় আদি বিভিন্ন ভাষাৰ গৱেষক-পণ্ডিতসকলৰ লগতে সেই আলোচনা-চক্ৰত অংশগ্ৰহণ কৰিবলৈ আহিছিল ডিমাছা ভাষা গভীৰভাৱে অধ্যয়ন আৰু চৰ্চা কৰা বিশিষ্টা সমাজসেৱিকা শ্ৰীযুতা নিৰুপমা হাগ্‌জেৰ। শ্ৰীযুতা হাগ্‌জেৰ বাইদেউৰ লগত হোৱা দীঘলীয়া কথা-বতৰাৰ আলমত এই সাক্ষাৎকাৰটি প্ৰস্তুত কৰা হৈছে।

— সম্পাদিকা



**আমাৰ প্ৰশ্ন ঃ** আপুনি সাহিত্যৰ সৃষ্টিশীল জগতখনত জড়িত হোৱাত কোনো ব্যক্তি বা পৰিবেশৰ প্ৰভাৱ আছে নেকি?

**বাইদেউৰ উত্তৰ ঃ** মোৰ সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত কোনো ব্যক্তিৰ প্ৰভাৱ পৰা নাই বুলিয়েই ক'ব লাগিব। অৱশ্যে পৰিবেশৰ প্ৰভাৱ পৰিছিল। মোৰ গাভৰু কালত কাছাৰ জিলাৰ বড়খলা থানাৰ অধীনৰ কেইখনমান গাঁৱৰ ডিমাছা ছাত্ৰ সকলে "দেপ্লাহি" নামৰ আলোচনী এখন উলিয়াইছিল। উদ্যোক্তাসকলে তাৰ বাবে প্ৰবন্ধ এটি যুগুতাই দিবলৈ কোৱাত মই পোন-প্ৰথমবাৰ এটি প্ৰবন্ধ লিখি দিছিলোঁ।

**ঃ আপুনি ডিমাছা ভাষা-সাহিত্যৰ লগত কেতিয়াৰপৰা জড়িত?**

ঃ মই ডিমাছা ভাষা-সাহিত্যৰ লগত জড়িত হৈছিলোঁ 'বড়ো' (কোকোৰাঝাৰ) আৰু 'ডিমাছা" (শিলচৰ) নামৰ আলোচনী দুখনৰ জৰিয়তে। এই আলোচনী দুখন ১৯৬১ চনৰপৰা ১৯৭৩ চনলৈকে প্ৰকাশ হৈছিল। আনহাতে আমাৰ সমাজত লেখক-লেখিকা কম, সেয়ে সম্পাদকমণ্ডলীৰ হেঁচাত পৰি প্ৰবন্ধ লেখি দিব লগা হৈছিল। তেতিয়াৰেপৰা মই লেখিবলৈ প্ৰেৰণা পাওঁ। তদুপৰি হাফ্‌লঙৰ পৰা ওলোৱা "গ্‌দাঁঈ কুৰাং" আৰু শিলচৰৰপৰা ওলোৱা "ডেমালু" বাতৰি-কাকতত প্ৰবন্ধ লিখি দিছিলোঁ। এইদৰেই মোৰ লিখা-লিখি কৰাৰ হাবিয়াস বাঢ়ি গৈছিল।

**ঃ ডিমাছা সকল বড়ো জনগোষ্ঠীৰেই এটা অংশ, তেন্তে ডিমাছা নামটোৰ বিশিষ্ট অৰ্থ কি?**

ঃ মোৰ মতে কছাৰী জাতিয়ে উজনি অসমত ৰাজত্ব কৰি থকা কালছোৱাত ছেদেলি-ভেদেলি হৈ পৰে। এটা ঠালে ব্ৰহ্মপুত্ৰ নৈৰে নামনি অসমৰফালে নামি যায় তেওঁলোকেই বৰ্তমান 'বড়ো' নামেৰে জনাজাত হৈছে। আৰু এটা ঠালে শিৱসাগৰ, যোৰহাট, গোলাঘাট আদি ঠাইত ৰাজত্ব কৰি ধনশ্ৰী উপত্যকাত যেনে - বৰপথাৰ, সৰুপথাৰ অঞ্চলত আহি ৰাজত্ব কৰিবলৈ ধৰে। ধনশ্ৰী নৈক ডিমাছা সকলে ডিমাইডিছা বুলি কৈছিল। সেই ডিমাইডিছা বা ডিমা নামৰপৰাই

ডিমাই নৈৰ অৱবাহিকাত বসবাসকাৰী সন্তান-সন্ততি সকলৰ ডিমাছা নামেৰে এটা ঠালৰ সৃষ্টি হৈছিল বুলি মই কব খোজো।

**ঃ বিভিন্ন ৰাজ্য তথা অঞ্চলত বসবাস কৰা ডিমাছা সকলৰ ভাষিক ঐক্য আছেনে? লিখিত ভাষাৰ ভাষিক ঐক্য সাধনৰ বিষয়ে কিবা ভাবিছে নেকি?**

ঃ বিভিন্ন জিলাত বসবাস কৰা ডিমাছা সকলৰ ভাষিক ঐক্য আছে বুলিয়েই কব লাগিব। তবে ঠাই বিশেষে উকাৰ-ইকাৰৰ পাৰ্থক্য আছে। যেনে– বুছু (বিচ্ছিক)—ছোৱালী, টাইলু (টাইলিক), কল গূমূন (গীমীন) -পকা এনেধৰণৰ। ভাষাৰ ভাষিক ঐক্য সাধনৰ বিষয়ে ভাবি আছোঁ। বিজ্ঞানসন্মত আৰু যুক্তিসহকাৰে শব্দ ব্যৱহাৰ কৰা উচিত হ'ব। তাৰ বাবে এখন অভিধানৰ বিশেষ প্ৰয়োজন আছে।

**ঃ লিখিত ডিমাছা ভাষাৰ বুৰঞ্জী সম্পৰ্কে চমুকৈ ক'ব নেকি? লিখিত ভাষাত কি লিপি ব্যৱহাৰ কৰা হৈছে? ডিমাছা ভাষাৰ লিখিত ৰূপৰ বিকাশ সাধনত এই লিপিৰ বিশেষ সুবিধা কি বুলি ভবা হৈছে?**

ঃ স্বাধীনতাৰ আগেয়ে ইংৰাজসকলে ডিমাছা ভাষা আৰু সাহিত্যৰ বিষয়ে কিছু চিন্তা-চৰ্চা কৰি গৈছে বুলি স্বীকাৰ কৰিবলৈ বাধ্য। কাছাৰ, উত্তৰ-কাছাৰৰ তাহানিৰ পুলিচ চুপাৰিন্‌টেণ্ডেন্ট্ ডব্লিউ, চি, এম্ ডাণ্ডাচ্ (W.C.M Dandas) নামৰ ব্যক্তিজনে ৰোমান লিপিৰে "Outline Grammar and Dictionary of the Kachari (Dimasa) language" নামকৰণেৰে এখন কিতাপ লিখি থৈ গৈছে। কিতাপখন ঁমনিচৰণ বৰ্ম্মণৰ সহায়ত লিখা বুলিও উল্লেখ কৰি গৈছে। খুব সম্ভৱ চাহাব জনৰ উৎসাহ আৰু চেষ্টা দেখি ঁমনিচৰণ বৰ্ম্মণৰো অনুপ্ৰেৰণা জাগি উঠিছিল। ফলত ঁমনিচৰণ বৰ্ম্মণেও বঙলা লিপিৰে "হৈড়ম্ব ভাষা প্ৰবেশ" নামৰ কিতাপেৰে এই ভাষাত আলোক-পাত কৰি গৈছিল। মোৰ মতে ডিমাছা সাহিত্য বাংলা আৰু অসমীয়াৰে লিখাই উচিত হ'ব। পিছে আমি অসমত বসবাসকাৰী হিচাপে অসমীয়া লিপি বা আঞ্চলিক লিপিৰে ডিমাছা সাহিত্য লিখা যুক্তিসংগত হ'ব।

**ঃ ভাষাক ভিত্তি কৰিয়েই স্বৰাজোত্তৰ ভাৰতবৰ্ষত ৰাজ্যগঠন তথা স্বায়ত্বশাসিত গোট গঠন-প্ৰক্ৰিয়া চলি আহিছে। এইসম্পৰ্কে ডিমাছাসকলে কিবা ভাবিছে নেকি? যদি ভাবিছে তেন্তে বাসভূমি সম্পৰ্কে কিবা ভাবিছে নেকি? এই সম্পৰ্কে আপোনাৰ ব্যক্তিগত মতামত কি?**

ঃ ডিমাছা অধ্যুষিত জিলা উত্তৰ কাছাৰত স্বায়ত্বশাসিত গোট গঠন-প্ৰক্ৰিয়া চলি আহিছে। কিন্তু আমাৰ সংখ্যাগৰিষ্ঠ ডিমাছা সমাজে সাহিত্য আৰু ৰাজনীতিৰ ক্ষেত্ৰতো সিমান সচেতন নহয়। ফলত ডিমাছাসকলে সাহিত্য সৃষ্টি কৰিব পৰা নাই। উত্তৰ কাছাৰৰ ভিন ভিন জনজাতি সকলে নিজৰ সাহিত্য পঢ়িবলৈ লৈছে। কিন্তু ডিমাছা সকলে সাহিত্য প্ৰকাশ কৰিব পৰা নাই। কাৰণ ডিমাছা সাহিত্য কি লিপিৰে লিখা উচিত হ'ব সেই বিষয়ে খাটাং সিদ্ধান্তলৈ আহিব পৰা নাই। ফলত আমাৰ সাহিত্য সৃষ্টি হোৱা নাই আৰু পিছ পৰি আছোঁ।

ডিমাছা Territory বিষয়ে উঠি অহা ডেকাচামৰ কিছুসংখ্যকে দাবী উত্থাপন কৰা দেখা গৈছে। এই বিষয়ে মোৰ মত বেলেগ। মই ভাবো যি সমাজৰ এতিয়ালৈকে সাহিত্য নাই সেই সমাজে Territory পালেও কি কৰিব? এই ৰাজ্য বা এই জিলাৰ অন্যান্য জনজাতিসকলেহে সুবিধা আদায় কৰিব। গতিকে ডিমাছা সাহিত্য স্কুলসমূহত প্ৰচলন নোহোৱালৈকে ডিমাছা সমাজৰ উঠি অহা ডেকা-গাভৰুচামত শিক্ষিতৰ হাৰ বেছি নোহোৱালৈকে Territory ৰ বিষয়ে নভবাই ভাল হব।

**ঃ অসমৰ বিভিন্ন জনগোষ্ঠীৰ স্বায়ত্বশাসন আৰু নিজ নিজ ভাষিক বিকাশৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ মাজত ঐক্য সংহতি আৰু সহযোগিতা বজাই ৰখাৰ কাৰ্য্যকৰী উপায় কি হ'ব পাৰে বুলি আপুনি ভাবে?**

ঃ আমাৰ নিজৰ সাহিত্য নাই। গতিকে বিভিন্ন জন-গোষ্ঠীৰ নিজ নিজ ভাষিক বিকাশৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ ঐক্য-সংহতি বজায় ৰখাৰ কাৰ্য্যকৰী ব্যৱস্থাৰ বিষয়ে মই চিন্তা কৰা নাই।

**ঃ ডিমাছা সমাজত নাৰীৰ স্থান কেনেকুৱা? ডিমাছা নাৰীসকলৰ উন্নতিকল্পে কিবা কৰাৰ কথা আপুনি ভাবিছে নেকি?**

ঃ ডিমাছা সমাজত নাৰীৰ স্থান সুকীয়া। মুনিহৰ অধীনত তিৰোতা মানুহ বশ হৈ থাকিব লাগে, তেনে কোনো বাধ্যবাধকতা নাই। ঘৰত তিৰোতা মানুহে শান্তি-শৃংখলা বজায় ৰাখি সংসাৰ চলাই লৈ যোৱাৰ দায়িত্বত থাকে। খেতি-পথাৰত তিৰোতা মানুহে কঠিয়া ৰোৱা আৰু ধান কটাত পুৰুষ মানুহক সহায় কৰিব লাগে। পুৰুষৰ সমানে হাট- বজাৰ কৰিব পাৰে। ডিমাছা সমাজত তিৰোতাসকলে কাপোৰ বৈ উলিয়াই পিন্ধা এতিয়াও প্ৰচলন আছে। ঘৰত শাহু, বোৱাৰী, জীয়াৰীয়ে পৰিয়ালৰ প্ৰয়োজনীয় কাপোৰ বৈ লোৱাৰ কাৰণে কিছুমান পৰিয়ালত তিনি চাৰিখন তাঁত শাল থকাও দেখা যায়।

বৰ্তমান পৰিৱৰ্তনশীল যুগত ডিমাছা জীয়ৰী সকলেও উচ্চ শিক্ষা অৰ্জন কৰি নিজ নিজ অৰ্হতা অনুসৰি পুৰুষৰ সমানে চাকৰিজীৱি হৈছে। ●●●



# মন - দৰ্পণ

(এটি প্ৰশ্নোত্তৰ শিতান)

প্ৰশ্ন ঃ- (১) হস্তৰেখা আৰু আকাশৰ তৰাক মানুহৰ ভাগ্য নিয়ন্ত্ৰক বুলি ভাবানে? যদি ভাবা, কিয়?
(২) সমাজৰ একাংশৰ মতে, 'ছাত্ৰ ৰাজনীতিৰ সতে জড়িত হ'ব নালাগে'। এই সম্পৰ্কে তুমি কি ভাবা?
(৩) ছাত্ৰ-ছাত্ৰী সকলে ন্যায়-অন্যায়ৰ ক্ষেত্ৰত মাতমতা উচিত বুলি ভাবানে?
(৪) টিউচন সৰ্ম্পকে বিভিন্নজনে মত আগবঢ়াইছে। তুমি নিজে টিউচন জৰুৰী বুলি ভাবানে? যদি ভাবা, কিয়?
(৫) এই মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী হিচাপে তোমাৰ অনুভৱ কেনেকুৱা?

## উত্তৰ

❑ **মিতু দেৱী**, স্নাতক প্ৰথম বৰ্ষ

(১) হস্তৰেখা আৰু আকাশৰ তৰাই মানুহৰ ভাগ্য নিয়ন্ত্ৰণ কৰিব পৰা কথাটো মই সমৰ্থন নকৰোঁ। কিয়নো এইবোৰ পূৰ্বৰে পৰা প্ৰচলিত একোটা অন্ধবিশ্বাস মাথোন। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত এই অন্ধবিশ্বাসৰ স্থান নাই।

(২) "ছাত্ৰ ৰাজনীতিৰ স'তে জড়িত হ'ব নালাগে", এই মতটো মই সমৰ্থন নকৰোঁ। ছাত্ৰসকলে ৰাজনীতিত অংশগ্ৰহণ কৰি নাগৰিকৰ কল্যাণমূলক আঁচনি গ্ৰহণ কৰিবৰ বাবে চৰকাৰক বাধ্য কৰাব পাৰে। সেইবুলি ছাত্ৰসকলে অধ্যয়নৰ ফালে পিঠি দি যে সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰিব লাগে, সেইটো মই কোৱা নাই। অধ্যয়ণত ব্ৰতী হৈও ছাত্ৰসকলে ৰাজনৈতিক পৰিবেশৰ প্ৰতি চকু-কাণ দিব পাৰে। বৰ্তমান অৱস্থাত যে আমাৰ ৰাজনৈতিক বাতাবৰণ ছাত্ৰ সমাজৰ অনুকূল নহয়, সেই কথা ৰাষ্ট্ৰৰ প্ৰতিজন নাগৰিকেই নিশ্চয় উপলব্ধি কৰিছে। জনসাধাৰণৰ নিৰাপত্তা বিঘ্নিত হৈছে। গতিকে ছাত্ৰসকলে ৰাজনীতিবিদসকলৰ সৈতে বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰি চৰকাৰক নানা ধৰণে দিহা পৰামৰ্শ দি আৰু সেইবোৰ কাৰ্য্যত পৰিণত কৰাত সুবিধা কৰি দি অধ্যয়নৰ এক অনুকুল পৰিবেশ গঢ়ি তোলাত সহায় কৰিব পাৰে আৰু লগতে নাগৰিকৰ স্বাৰ্থ ৰক্ষা অৰ্থাৎ জনসাধাৰণৰ কল্যাণ সাধন কৰিব পাৰে।

(৩) যিহেতু ছাত্ৰসকল সমাজৰ এক বৃহৎ অংশ, গতিকে ছাত্ৰসমাজক বাদ দি সামাজিক ন্যায়-অন্যায়ৰ কথা ভবাটো অযুক্তিকৰ বুলিয়েই মই ভাবো। বৰ্তমান অৱস্থাত আমাৰ সমাজত অন্যায়ৰ মাত্ৰা বাঢ়ি গৈছে। চাৰিওফালে হিংসা, সন্ত্ৰাস,অনাচাৰ, ব্যভিচাৰে সমাজখনক আবৰি ধৰিছে। এনে অৱস্থাত ছাত্ৰ-সমাজে হাত সাৱতি বহি থকাটো উচিত বুলি মই নাভাবো। সেয়েহে ছাত্ৰসমাজৰ সন্মুখত এক গুৰুত্বপূৰ্ণ দায়িত্ব উপস্থিত হৈছে। প্ৰতিজন ছাত্ৰৰেই সমাজৰ প্ৰতি দায়বদ্ধতা আছে। সমাজত এনে কিছুমানলোক আছে, যিয়ে নেকি সহজ-সৰল দুখীয়া সম্প্ৰদায়ক সকলো ফালৰপৰা শোষণ কৰি সঁচা-মিচাৰ প্ৰভেদ নাইকিয়া কৰে আৰু সমাজখনক ধ্বংসৰ পথেদি আগুৱাই নিয়ে। এনে অৱস্থাত ছাত্ৰসমাজে সমূহীয়া ভাৱে অন্যায়ৰ বিৰুদ্ধে, শোষণৰ বিৰুদ্ধে

আগবাঢ়ি গৈ সন্ত্ৰাসবাদ দমন কৰি সমাজত শান্তি স্থাপনত অৰিহণা যোগাব বুলি মই বিশ্বাস কৰোঁ। গতিকে ছাত্ৰসকলে অধ্যয়ণত ব্ৰতী হৈ মানৱ সমাজৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে সামাজিক ন্যায়ৰ সপক্ষে মাত মাতি সমাজখনক উন্নতিৰ পথত আগবঢ়াই নিয়াত সহায় কৰিব পাৰে।

(৪) টিউচন সম্পৰ্কে বিভিন্নজনে মতামত আগবঢ়াইছে। মই এগৰাকী ছাত্ৰী হিচাবে মৰ্মে মৰ্মে উপলব্ধি কৰো যে আমি টিউচনৰ ওপৰত কেতিয়াও সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব নালাগে। স্কুল বা কলেজত শিক্ষাগুৰু সকলে যি বিষয় পঢ়ায় তাক বুজি লৈ আৰু মূল পাঠ্যপুথি পঢ়ি এজন ছাত্ৰ বা ছাত্ৰী সফলতাৰে উত্তীৰ্ণ হ'ব পাৰে। কিন্তু এনে কিছুমান বিষয় আছে, য'ত নেকি আমি আনৰ সহায় নোলোৱাকৈ Notes প্ৰস্তুত কৰিব নোৱাৰোঁ। মই অৰ্থনীতি বিজ্ঞানৰ ছাত্ৰী হিচাপে এইটো ক'ব পাৰোঁ যে এই বিষয়ত ঘৰুৱা শিক্ষকৰ প্ৰয়োজন নিশ্চয় আছে। কিন্তু সেইবুলি সম্পূৰ্ণৰূপে ঘৰুৱা শিক্ষকৰ ওপৰত নিৰ্ভৰ কৰাৰ পক্ষপাতী মই নহয়।

(৫) মই নগাঁও বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী হিচাবে গৌৰৱ অনুভৱ কৰোঁ। এই মহাবিদ্যালয়ত নামভৰ্ত্তি কৰা মোৰ দুমাহ হৈছে মাত্ৰ। গতিকে ইয়াৰ নীতি-নিয়মবোৰ মোৰ সিমান পৰিচিত নহয়। কিন্তু প্ৰথমৰে পৰাই পূজনীয় শিক্ষাগুৰুসকল আৰু মৰমৰ বাইদেউসকলে ইমান সুন্দৰভাৱে আমাক তাৰ সৈতে পৰিচয় কৰাই দিলে যে মই তাৰবাবে নিজকে ধন্য মানিছো। আমাৰ ২০০০ চনৰ নৱাগতা আদৰণি সভাৰ দিনা অধ্যক্ষ মহোদয়ে যি সাৰুৱা ভাষণ দিলে, তাক মই জীৱনত পাহৰিব নোৱাৰিম। ছাৰে নিজৰ ভাষণত কৈছিল যে এই মহাবিদ্যালয়ত ছাত্ৰীসকলক কেৱল পৰীক্ষাত ফাৰ্ষ্টক্লাছ পাবৰ বাবে শিক্ষা দিয়া নহয়, শিক্ষা দিয়া হয় সমাজত এগৰাকী সু-গুণসম্পন্না, সু-বিবেচিতা মহিলা হ'বলৈহে। ছাৰে কোৱা এই কথাষাৰ মোৰ সদায় মনত থাকিব। আমাৰ মহাবিদ্যালয়ৰ পৰিৱেশটো ইমান অধ্যয়নোপযোগী যে ইয়াত অধ্যয়নৰ বাবে যিকোনো ছাত্ৰীয়েই এটা সু-পৰিবেশ পায়।

সদৌশেষত, এই মহাবিদ্যালয়ে যেন অসম তথা ভাৰতৰ ভিতৰতে এক উল্লেখযোগ্য স্থান লাভ কৰিবলৈ সক্ষম হয় তাৰ বাবে মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।●

❑ **গাৰ্গী গীতম বৰা**, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

(১) জ্যোতিষ-বিজ্ঞান এটি শুদ্ধ আৰু সত্য বৈজ্ঞানিক পদ্ধতি। ইয়াৰ শুদ্ধ গণনা কৰিব পৰা জনে জ্যোতিষ্কৰ স্থিতি আৰু মানৱৰ ভাগ্য শুদ্ধ গণনা কৰিব পাৰে। আৰু প্ৰকৃত শুদ্ধ গণনাই মানুহৰ ভাগ্যৰ শুদ্ধ দিশ সঠিক ভাৱে দেখুৱাব পাৰে। কিন্তু বৰ্ত্তমান শুদ্ধ জ্যোতিষবিদ নথকাৰ কাৰণেই মানুহে জ্যোতিষবিদ্যাৰ ওপৰত আস্থা হেৰুৱায়। মই শুদ্ধ জ্যোতিষ-বিজ্ঞানত আস্থা ৰাখোঁ আৰু বিশ্বাস কৰোঁ। যিহেতু, ই ভৌগোলিক সত্যৰ ওপৰত প্ৰতিষ্ঠিত।

(২) আমি সকলোৰে পৰা পাই আহিছো 'ছাত্ৰানাং অধ্যয়নং তপঃ'। এই কথাটো প্ৰকৃত সত্য, কিন্তু বৰ্ত্তমান যুগটো প্ৰতিযোগিতাৰ যুগ। বৰ্ত্তমানৰ বাতাবৰণ আৰু পাৰিপাৰ্শ্বিকতাই ছাত্ৰক ৰাজনীতিৰ মাজলৈ ঠেলি নিছে। নিজৰ অস্তিত্ব ৰক্ষাৰ বাবেও ছাত্ৰই ৰাজনীতিত সোমাই পৰিছে। কিন্তু মই ভাবো ছাত্ৰই ভৱিষ্যতৰ নাগৰিক হিচাপে ৰাজনীতিৰ মঞ্চত সজাগ দৃষ্টি নিক্ষেপ কৰিব লাগে যদিও নিজৰ শৈক্ষিক দিশটো বিনষ্ট কৰি সক্ৰিয়ভাৱে ৰাজনীতিত সোমাই পৰিব নালাগে।

(৩) উচিত; এজন ছাত্ৰই ভৱিষ্যতৰ নাগৰিক। সেইবাবে তেওঁ নিজে সত্যশুদ্ধ ন্যায়ৰ পথেৰে চলিব লাগে। এই পথ শুদ্ধ যদিও বিপদজনক। গতিকে অন্যায়-অনীতিৰ বিৰুদ্ধে তেওঁ সততে সংগ্ৰাম কৰিবই লাগিব।

(৪) 'টিউচন', মই জৰুৰী বুলি নাভাবো। শ্ৰেণীত উৎকৃষ্ট, মেধাবী, মজলীয়া, নিম্ন-মজলীয়া, ছাত্ৰ-ছাত্ৰী থাকে। এই সকলোৰে জ্ঞানৰ পাৰদৰ্শিতাৰ ওপৰত চকুৰাখি শিক্ষকসকলে যদি শ্ৰেণীত পাঠদান কৰে আৰু ছাত্ৰ-ছাত্ৰীয়ে যদি শ্ৰেণীকোঠাত যত্নসহকাৰে মনোযোগেৰে শিক্ষা গ্ৰহণ কৰে আৰু ঘৰত বাৰে বাৰে অনুশীলন কৰে তেন্তে টিউচনৰ প্ৰয়োজন নাথাকে। ছাত্ৰই জটিল প্ৰশ্নৰ সমাধান কৰিব নোৱাৰিলে শিক্ষকৰ ওচৰত বাৰে বাৰে সুধি সমাধান কৰিব লাগে আৰু শিক্ষকেও যত্নসহকাৰে ছাত্ৰৰ পাৰদৰ্শিতালৈ লক্ষ্য ৰাখি সমস্যাৰ সমাধান কৰিলে বেলেগে টিউচন্ লোৱাৰ কোনো প্ৰশ্ন উঠিব নোৱাৰে।

(৫) পাঠগ্ৰহণৰ সম্পৰ্কে মোৰ বিশেষ ক'ব লগা নাই। আমাৰ শিক্ষাগুৰুসকলে যথেষ্ট যত্নসহকাৰে শিক্ষাদান কৰা



বাবেই আমাৰ কলেজে পৰীক্ষাত ভাল ফল দেখুৱাই আহিছে। তদুপৰি এই মহাবিদ্যালয়ত শিক্ষা-গ্ৰহণ কৰা ছাত্ৰীয়েই আজি মহাবিদ্যালয়ৰ গুৰু-আসনত বহাৰ সন্মান আৰ্জন কৰিছে। তথাপি যোৱা বছৰ বাহিৰা শক্তিয়ে এটি নিষ্ঠুৰ ঘটনা ঘটোৱাৰ পৰিপ্ৰেক্ষিততে মই কওঁ, শিক্ষকসকল আৰু ছাত্ৰীসকলৰ মাজত অধিক যোগাযোগৰ পৰিৱেশ সৃষ্টি হোৱাটো উচিত। মেধাবী ছাত্ৰী এতিয়াও মহাবিদ্যালয়ত কম নাই। গতিকে এই মেধা শক্তিৰ প্ৰকৃত বিকাশ ঘটাই মহাবিদ্যালয়ৰ সুনাম সুদৃঢ় কৰিবৰ বাবে মই ছাত্ৰী আৰু শিক্ষাগুৰু সকলক কৰযোৰে আহবান জনালো।●

❑ **নীলাক্ষি ভট্টাচাৰ্য্য**, স্নাতক তৃতীয় বৰ্ষ

(১) হস্তৰেখা আৰু আকাশৰ তৰ.ক মানুহৰ ভাগ্য-নিয়ন্ত্ৰক বুলি মই কিছু পৰিমানে হলেও ভাবো। সঁচা কথা ক'বলৈ হ'লে মানুহৰ কৰ্মই হ'ল মানুহৰ ভাগ্য-নিয়ন্ত্ৰক। আনকি "গীতা"ত আছে, কৰ্ম কৰি যোৱা, ফলাফলৰ কথা নাভাবিবা। গতিকে ক'ব পাৰি যে ভাল কৰ্মৰ ফল, বা বেয়া কৰ্মৰ ফল হস্তৰেখাৰ ওপৰত নিৰ্ভৰ নকৰে। অৱশ্যে বৈজ্ঞানিক দৃষ্টিভংগিৰে লক্ষ্য কৰিলে হস্তৰেখা আৰু আকাশৰ তৰাৰ কোনো ব্যস্তৰ সত্যতা নাই। তথাপিও মানুহ প্ৰতিটো ক্ষনতে হস্তৰেখা, বা আকাশৰ তৰাৰ ওপৰত নিৰ্ভৰশীল। আমি বাহ্যিকভাৱে বিজ্ঞানক সমৰ্থন কৰিলেও দুৰ্বল অন্তৰৰ বাবে প্ৰত্যেকেই এইবোৰৰ প্ৰতি আকৃষ্ট। আনকি কোনো কোনো বিজ্ঞানীয়েও তেওঁৰ পৰীক্ষাগাৰত সোমোৱাৰ আগতে ভগৱান, সময় বা ভাগ্যৰ কথা ভাৱে। মই ভাবো যে, আমাৰ প্ৰতিটো কৰ্মৰ আঁৰত এক অলৌকিক শক্তি আছে, যি আমাৰ প্ৰতি ক্ষণতে ভাগ্যৰ নিয়ন্ত্ৰক হিচাপে ঠিয় হৈ আছে। অৱশ্যে মোৰ মনত এই দুয়োটা বস্তুৰ অন্তৰ্দ্বন্দ চলি আছে। তথাপিও মই কওঁ যে, ইয়াত কিছু পৰিমানে হ'লে সত্যতা আছে। যাৰ ফলত ই আজিও মানুহৰ মনত ঠাই ল'ব পাৰিছে।

(২) মই ভাবো যে ছাত্ৰ ৰাজনীতিৰ লগত জড়িত থাকিব লাগে, কিন্তু এটা নিৰ্দিষ্ট বয়সতহে ইয়াৰ লগত জড়িত থাকিব লাগে। যিহেতু ছাত্ৰসকল দেশৰ নাগৰিক, গতিকে দেশৰ প্ৰতিটো কথাতে তেওঁলোকৰ সহযোগিতাৰ প্ৰয়োজন। কিছুমানৰ মতে ছাত্ৰ অৱস্থাত মানুহৰ বুদ্ধি-বৃত্তি পৈণত নহয়, ভাল-বেয়াৰ উচিত বিচাৰ কৰিবলৈ সক্ষম নহয়, গতিকে ৰাজনীতিৰ দৰে এটা জটিল কামত জড়িত হোৱাটো উচিত নহয়। আমি যেতিয়া ছাত্ৰসকলক কওঁ যে, তোমালোকে এইবোৰ সমস্যা সমাধান কৰিব লাগিব, তেতিয়া তাৰ ভিতৰত ৰাজনৈতিক সমস্যাও সোমাই পৰে। ছাত্ৰসকল দেশৰ প্ৰকৃত নাগৰিক হিচাপে ৰাজনীতিৰ লগত জড়িত হ'বই লাগিব। এই ছাত্ৰসকলেই ভ্ৰষ্ট ৰাজনীতিৰ মেৰপাকৰ পৰা দেশক উদ্ধাৰ কৰিব পাৰিব। সেয়েহে ক'ব পাৰি যে ছাত্ৰ-সকলৰ ৰাজনীতিৰ লগত সম্পৰ্ক স্থাপন কেৱল মাত্ৰ পৈণত বয়সতহে হোৱা উচিত।

(৩) ছাত্ৰসকলে সামাজিক ন্যায়-অন্যায়ৰ ক্ষেত্ৰত মাত-মতাটো মই উচিত বুলি ভাবোঁ। এজন ছাত্ৰৰ সমাজৰ প্ৰতি যথেষ্ট কৰণীয় আছে। তেওঁলোক হ'ল সমাজৰ গুৰি ধৰোঁতা। গতিকে সৰুৰপৰাই ছাত্ৰ-সকলক ন্যায়-অন্যায়ৰ প্ৰতি সজাগ কৰি তুলিব লাগে আৰু অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ শিকাব লাগে। দিনক দিনে আমাৰ সমাজত অন্যায়ৰ পয়োভৰ বৃদ্ধি পাইছে। তাক নিৰ্মূল কৰিবৰ বাবে ছাত্ৰসকল আগবাঢ়ি আহিব লাগে। কোনো-কোনোৱে ক'ব পাৰে যে সামাজিক ন্যায়-অন্যায়ৰ ক্ষেত্ৰত ছাত্ৰই মাত মতাটো যুক্তি সাপেক্ষ কথা নহয়, কাৰণ ছাত্ৰৰ কৰ্ত্তব্য হ'ল অধ্যয়নত ব্ৰতী হোৱাটোহে। কিন্তু মই ভাবো, এনে ধৰণৰ কথা শুদ্ধ নহয়। ছাত্ৰৰ অধ্যয়নৰ লগত আন বহুতো কৰ্ম আছে। তেওঁলোকে অন্যায়ৰ বিৰুদ্ধে মাত মাতিবই লাগিব। এই বিশাল ছাত্ৰ সমাজ ওলাই আহিলেহে সমাজৰপৰা অন্যায় নাশ হ'ব।

(৪) মই নিজে টিউচনটো জৰুৰী বুলি নাভাবো যদিহে শ্ৰেণীত শিক্ষকে শিক্ষাদান কৰোঁতে হেলা নকৰে। কাৰণ টিউচন লোৱাৰ মূল কাৰণ হ'ল শ্ৰেণীত বুজি নোপোৱা প্ৰশ্নসমূহ সমাধান কৰা। তাৰ বিপৰীতে যদি ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীতে বা আজৰি সময়ত নিজে নোৱাৰাটো শিক্ষকৰ সহায়ত খৰচি মাৰি বুজি লয়, তেতিয়া হয়টো টিউচনৰ প্ৰয়োজনেই নাথাকিব। কোনো ক্ষেত্ৰত দেখা যায়, শ্ৰেণীত প্ৰায় ৪৯/৫০ জন ছাত্ৰ-ছাত্ৰী থাকে, কিন্তু শিক্ষক এজন। অৱশ্যে তেওঁ প্ৰতিগৰাকীৰ সমস্যাৰ সমাধান কৰিব নোৱাৰিব পাৰে। কিন্তু তেওঁৰ শিক্ষাদান এনেধৰণৰ হ'ব লাগিব যাতে ই সকলোৰে বাবে গ্ৰহণযোগ্য হয়।

আজিকালি বহুতো বেচৰকাৰী শিক্ষা-প্ৰতিষ্ঠানৰ পৰীক্ষাৰ ফলাফল উৎকৃষ্ট মানদণ্ডৰ হয়। তাৰ ছাত্ৰ-ছাত্ৰীয়ে কোনো ধৰণৰ "টিউচন" বাহিৰত গ্ৰহন নকৰে, তাৰ বিপৰীতে প্ৰতিষ্ঠিত স্কুল-কলেজৰ ল'ৰা-ছোৱালীয়েহে

'টিউচনৰ' কবলত পৰে। তেওঁলোকে কলেজত শিক্ষা গ্ৰহণ কৰাৰ পূৰ্বেই বাহিৰা টিউচনত ব্যস্ত থাকে। গতিকে ক'ব পাৰি যে এই 'টিউচনে' ছাত্ৰ-ছাত্ৰীৰ নিজা চিন্তা-বুদ্ধি শেষ কৰি বিষবৃক্ষ হিচাপে সমাজত ক্ষতি কৰিছে।

(৫) নগাঁও ছোৱালী ক'লেজৰ এটা গৌৰৱপূৰ্ণ ঐতিহ্য আছে। ই নাৰী-শিক্ষাৰ শিখা স্বৰূপে স্বীকৃতি পাইছে। গতিকে এই মহাবিদ্যালয়ৰ ছাত্ৰী হিচাপে মই অনুভৱ কৰো যে, মই এনে এটা শিক্ষানুষ্ঠানত অধ্যয়ন কৰিছো য'ত নাৰীক জীৱনত কিবা এটা কৰিবলৈ প্ৰেৰণা দিয়া হয়। কোনো ক্ষেত্ৰত অৱশ্যে মই হতাশ হ'ব লগাও হৈছে। মই অনুভৱ কৰিছো যে, প্ৰায়বোৰ ছাত্ৰী ইয়াত কেৱল পঢ়িবলৈহে আহে, তাৰ বাহিৰে তেওঁলোকে কলেজৰ কোনো অনুষ্ঠানত সহযোগিতা কৰিবলৈ নিবিচাৰে। মই ভাবো যে ছাত্ৰীসকলৰ মানসিকতা গঢ় দিয়াত কলেজ কৰ্তপক্ষৰ যথেষ্ট ভূমিকা আছে।

মহাবিদ্যালয়খন চহৰৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান। বহুতো দিশত এই মহাবিদ্যালৰ ছাত্ৰীসকলে সুনাম অৰ্জন কৰিছে। ইয়াৰ শিক্ষাগুৰুসকলেও আমাক শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট প্ৰেৰণা দিছে। কিন্তু কেতিয়াবা মহাবিদ্যালয়খনৰ বিৰুদ্ধে কথা শুনিলে মনটো বৰ বেয়া লাগে। সেয়েহে মই ছাত্ৰীসকলক ক'ব বিচাৰো যে, ইয়াৰ গৌৰৱ অক্ষুন্ন ৰক্ষাত যেন তেওঁলোকে সহায় কৰে। শেষত এই মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যৎ কামনা কৰিছো।●

❑ **জয়শ্ৰী শইকীয়া,** স্নাতক দ্বিতীয় বৰ্ষ

(১) মুঠেই নাভাবো। উল্লেখযোগ্য যে জ্যোতিষশাস্ত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা "ৰাহু-কেতু'ৰ প্ৰকৃততে অস্তিত্বই নাই বুলি ইতিমধ্যেই জ্যোতিৰ্বিজ্ঞানী সকলে প্ৰমাণ কৰিছে। কিছুসংখ্যক সুবিধাবাদী লোকে এচাম লোকৰ দুৰ্বলতাৰ সুযোগ লৈ পকেট গৰম কৰিছে বুলি এই কাৰণেই কওঁ যে সমস্যা প্ৰতিকাৰৰ বাবে দিয়া বিভিন্ন তাবিজ-মাদলী, পাথৰ আদিৰ মূল্য দুখীয়া জনসাধাৰণৰ সামৰ্থ্যৰ বাহিৰত। মজাৰ কথা এয়ে যে উপৰোক্ত তাবিজ মাদলী, পাথৰবোৰৰ ক্ৰেতাসকল সাধাৰণতে আমাৰ সমাজৰ তথাকথিত শিক্ষিত আৰু উচ্চশিক্ষিতলোক। অৱশ্যে এয়া মোৰ নিতান্তই ব্যক্তিগত অনুভৱ।

(২) 'Students of today are citizens of tomorrow' মানুহ সামাজিক প্ৰাণী। যিহেতু সমাজনীতি আৰু ৰাজনীতিৰ মাজৰ সম্পৰ্ক নিচেই ওচৰ; গতিকে ছাত্ৰসকলে ৰাজনীতিত অংশ লোৱাটো দোষণীয় নহয়। ছাত্ৰ-শক্তি অফুৰন্ত শক্তিৰ উৎস। সচেতন ছাত্ৰসকলে জনসংযোগৰ মাধ্যমসমূহৰ জৰিয়তে দেশৰ ৰাজনীতিত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব পাৰে। অৱশ্যে বৰ্তমান সময়ত ছাত্ৰই প্ৰত্যক্ষভাৱে ৰাজনীতিত অংশ লৈ দলীয় বা গোষ্ঠীগত ৰাজনীতিৰ পৃষ্ঠপোষকতা কৰাটো মই মুঠেই সমৰ্থন নকৰো। দেশৰ ৰাজনীতিক সঠিক পথত আগুৱাই নিয়াত ছাত্ৰৰো ভূমিকা আছে। অশিক্ষিত ভোটাৰসকলক শুদ্ধ পথ দেখুওৱাৰ দায়িত্ব ছাত্ৰসকলতকৈ ভালদৰে কোনে পালন কৰিব পাৰে?

(৩) অৱশ্যেই মাত মতা উচিত।

(৪) টিউচনৰ বিষয়ত মন্তব্য দিবলৈ হ'লে আমি আমাৰ শিক্ষা-ব্যৱস্থাটোলৈ চকু দিব লাগিব। এটা শ্ৰেণীত বিভিন্ন I.Q. ৰ ছাত্ৰ থাকে। তদুপৰি, সীমিত সময়ৰ ক্লাছ এটাত প্ৰত্যেক ছাত্ৰকে ব্যক্তিগত মনোযোগ দিয়াটো সকলোসময়তে এজন শিক্ষকৰ বাবে সম্ভৱ নহয়। এনেক্ষেত্ৰত পাঠ্যক্ৰমৰ কোনো নিৰ্দিষ্ট অংশ এজন ছাত্ৰৰ আয়ত্বলৈ নাহিবও পাৰে। এনে সময়ত, তেওঁ টিউচনৰ প্ৰয়োজন অনুভৱ কৰাটো স্বাভাৱিক। অৱশ্যে বৰ্তমান সময়ত, 'প্ৰফেশ্যনেল টিউটৰ'সকল ছাত্ৰ-ছাত্ৰীৰ পথ-প্ৰদৰ্শক হোৱাতকৈ পৰীক্ষাৰ সম্ভাব্য প্ৰশ্নোত্তৰৰ ভঁৰাল হৈ পৰা দেখা যায়। ব্যক্তিগত ভাৱে, এই 'ফেশ্যন' সদৃশ টিউচন্ মই সমৰ্থন নকৰো।

(৫) এই সৰু অথচ ঐতিহ্যমণ্ডিত কলেজখনৰ চৌদিশৰ প্ৰাকৃতিক পৰিৱেশে বাৰুকৈয়ে মোক মুগ্ধ কৰে। ইয়াত শিক্ষাগ্ৰহণ কৰিবলৈ পাই মই সুখী এই কাৰণেই যে ইয়াত শিক্ষক আৰু ছাত্ৰীৰ মাজৰ সম্পৰ্ক অতি ওচৰ। নিজে বৰ্তমান শিক্ষাগ্ৰহণ কৰি থকা ইংৰাজী বিভাগৰ ক্ষেত্ৰতে কওঁ, মই কেতিয়াও আশা নকৰো যে আন এখন কলেজত হোৱাহেঁতেন শিক্ষাগুৰুসকলৰ পৰা ইমান সহায়-সহযোগিতা পালোহেঁতেন। অন্ততঃ 'কেৰিয়াৰ' নামৰ গাহৰিটোৰ নেজত ধৰি লট্‌কনৰ দৰে ঘূৰাৰ বিপৰীতে প্ৰকৃত মানুহ হোৱাত তেখেতসকলে গুৰুত্ব দিয়া কথাটোৱে আমাক অনুপ্ৰাণিত কৰে। তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। ছাত্ৰীসকলৰ মাজৰ সহজ-মিলা-মিছা দেখি ভাব হয়, যেন এতিয়াও ইয়াত আধুনিক জীৱনৰ বিচ্ছিন্নতাবোধে গা কৰি উঠা নাই। অৱশ্যে, কিছুসংখ্যক উচ্ছৃংখল ছাত্ৰীয়ে কলেজৰ দুৰ্নাম অনাটো মুঠেই শুভলক্ষণ নহয়। ●●●



<u>ক্ষেত্ৰ-অধ্যয়ন</u>

# চাপানালা অঞ্চলৰ এটি ভৌগলিক অধ্যয়ন

ভূগোল বিভাগৰ স্নাতক দ্বিতীয় বৰ্ষৰ (সাধাৰণ) ছাত্ৰীসকলে ১৯৯৯ চনত কৰা ক্ষেত্ৰ-অধ্যয়নৰ এটি সংক্ষিপ্ত বিৱৰণ

ভূমিকা ঃ ভূগোল-বিজ্ঞানত মূলতঃ পৃথিৱীৰ উপৰিভাগৰ বিভিন্ন ভূ-প্ৰাকৃতিক পৰিঘটন সম্পৰ্কে অধ্যয়ন কৰা হয়। ইয়াৰ লগতে এই ভূ-প্ৰাকৃতিক কাৰক সমূহে মানুহৰ জীৱন-যাত্ৰাত কি ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰে সেই সম্পৰ্কে বিশ্লেষণ কৰা হয়। এই-বিশ্লেষণসমূহ কৰিবলৈ যাওঁতে পৃথিৱীৰ বিভিন্ন অঞ্চলৰ ভৌগলিক স্থিতি অনুসৰি বিভিন্ন ভূ-প্ৰাকৃতিক আৰু আৰ্থ-সামাজিক কাৰকসমূহৰ স্থানিক বিতৰণ বিশ্লেষণ কৰা হয়। সেয়ে, ভূগোল-বিজ্ঞানৰ অধ্যয়নত ক্ষেত্ৰ অধ্যয়ন এটা অপৰিহাৰ্য্য অংগ, যাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ পুথিগত জ্ঞান বিভিন্ন ক্ষেত্ৰত প্ৰয়োগৰ যোগেদি বিশ্লেষণ কৰাত সুবিধা লাভ কৰে।

এইবাৰ ক্ষেত্ৰ-অধ্যয়নৰ উদ্দেশ্যে নগাঁও চহৰৰ নিকটৱৰ্তী চাপানালা অঞ্চলটোক নিৰ্বাচন কৰা হৈছে। চাপানালা অঞ্চলৰ পাহাৰ সমূহ, ইয়াৰ মুখ্য আৰ্কষণ চম্পাৱতী জলপ্ৰপাত আৰু পাদদেশৰ মানুহৰ বসতি- অঞ্চল সমূহে ভৌগলিক অধ্যয়নৰ ক্ষেত্ৰত এক বিশেষ গুৰুত্ব লাভ কৰি আহিছে। উল্লেখযোগ্য যে উক্ত



চম্পাৱতী জলপ্ৰপাত

অঞ্চলটি অসমৰ পৰ্যটন ক্ষেত্ৰৰ মানচিত্ৰত শেহতীয়াকৈ অন্তৰ্ভুক্ত হৈছে। সেয়ে এই অধ্যয়নৰ জৰিয়তে অঞ্চলটোৰ সামগ্ৰিক ভূ-প্ৰাকৃতিক আৰু আৰ্থ-সামাজিক পৰিবেশৰ এটি সম্যক ধাৰণা লাভ কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে।

**অধ্যয়নৰ উদ্দেশ্য ঃ** আমাৰ এই অধ্যয়নৰ মূল উদ্দেশ্যসমূহ আছিল —

**(ক)** চাপানালা অঞ্চলৰ ভূ-প্ৰকৃতি সম্পৰ্কে পৰ্য্যবেক্ষণৰ জৰিয়তে তাৰ সামগ্ৰিক স্থিতি অধ্যয়ন কৰা।

**(খ)** চাপানালা অঞ্চলৰ মূল আকৰ্ষণৰ উৎস চম্পাৱতী জলপ্ৰপাতৰ জলধাৰা সম্পৰ্কে অধ্যয়ন কৰা।

**(গ)** উক্ত অঞ্চলত বাস কৰা মানুহৰ জনজীৱন সম্পৰ্কে ধাৰণা লাভ কৰা।

**অধ্যয়নৰ পদ্ধতি ঃ** এই অধ্যয়নটো কৰিবলৈ যাওঁতে মূলতঃ ভৌগলিক পৰ্য্যবেক্ষণৰ বিভিন্ন পদ্ধতি সমূহক মূল আধাৰ ৰূপে গ্ৰহণ কৰা হৈছে। ভূ-প্ৰাকৃতিক অৱস্থিতি সম্পৰ্কে সম্পূৰ্ণ ৰূপে পৰ্য্যবেক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। জলপ্ৰপাতৰ জলৰাশিৰ সম্পৰ্কে অধ্যয়ন কৰিবলৈ জলপ্ৰপাতটোৰ জলৰাশিৰ ৩০০ মিটাৰ দূৰত্বত তিনিটা বেলেগ বেলেগ স্থানত বৈ যোৱা পানী ভাগৰ ওপৰ পৃষ্ঠ আৰু তল পৃষ্ঠৰ বহল, গভীৰতা আৰু পানীৰ গতিবেগ সম্পৰ্কে জোখ লোৱা হৈছে। আৰ্থ-সামাজিক দিশৰ অধ্যয়নৰ বাবে নিকটৱৰ্তী উত্তৰ বৰঘাট গাঁৱত এটি জৰীপ চলোৱা হৈছিল। এই জৰীপৰ বাবে মুঠ পৰিয়ালৰ ৫ শতাংশ পৰিয়ালৰ পৰা বিভিন্ন তথ্য সংগ্ৰহ কৰা হৈছে। ইয়াৰ উপৰিও অঞ্চলটো সম্পৰ্কে বিভিন্ন তথ্য ১৯৭১ আৰু ১৯৯১ চনৰ পিয়লৰ পৰা সংগ্ৰহ কৰা হৈছে।

**অধ্যয়ণ-ক্ষেত্ৰৰ ভৌগলিক অৱস্থিতি ঃ** আমি অধ্যয়ন কৰা



অধ্যয়ণ-ক্ষেত্ৰৰ ভৌগলিক অৱস্থিতি

১নং চিত্ৰ

চাপানালা অঞ্চলটো নগাঁও চহৰৰ পৰা উত্তৰ পূবে প্ৰায় ৩২ কিঃমিঃ দূৰত অৱস্থিত। অঞ্চলটোক ২৬.১৭ । উত্তৰ অক্ষৰেখা আৰু ৯৩° পূৱ দ্ৰাঘিমাৰেখাই ছেদ কৰিছে। ইয়াৰ অৱস্থান ১নং মানচিত্ৰত দেখুওৱা হ'ল।

**ভূ-প্ৰাকৃতিক দিশৰ বৰ্ণনা ঃ** একোটা অঞ্চলৰ ভূ-প্ৰাকৃতিক দিশে অঞ্চলটোৰ প্ৰাকৃতিক পৰিবেশৰ বিভিন্ন দিশ নিৰ্দ্ধাৰণ কৰে। সেয়ে যি কোনো ভৌগলিক অধ্যয়নতে ভূ-প্ৰাকৃতিক দিশৰ অধ্যয়ন গুৰুত্বপূৰ্ণ। অধ্যয়ন ক্ষেত্ৰ চাপানালা অঞ্চলটো মূলতঃ এটি পাহাৰীয়া অঞ্চল। মূলতঃ এই অঞ্চলটো কাৰ্বি আংলং মালভূমিৰ প্ৰক্ষিপ্ত অংশৰ লগত সংযোজিত হৈ থকা এটা অঞ্চল। ইয়াত ভূ-ভাগৰ সৰ্বোচ্চ উচ্চতা সাগৰ-পৃষ্ঠৰ পৰা ২১২ মিটাৰলৈকে পোৱা গৈছে। আনহাতেদি পাহাৰীয়া অঞ্চলৰ নামনিৰ উচ্চতা সাগৰ- পৃষ্ঠৰ পৰা প্ৰায় ১০০ মিটাৰ। এই উচ্চতাৰ পাৰ্থক্যই পাহাৰীয়া আৰু ইয়াৰ নামনি অঞ্চলৰ মাজত থকা উচ্চতাৰ পাৰ্থক্য সমূহক নিশ্চিত কৰে। সমগ্ৰ অঞ্চলটো গেদীয় শিলৰ দ্বাৰা গঠিত বিভিন্ন স্থলভিত্তিৰ ওপৰত অৱস্থিত । অন্যহাতেদি নিকটৱৰ্তী কাৰ্বি আংলঙৰ মালভূমি অৱস্থিতিয়ে স্থান বিশেষত কঠিন আগ্নেয় শিলৰ উপস্থিতি সাব্যস্ত কৰে। অঞ্চলটোত থকা উচ্চতাৰ পাৰ্থক্যৰ ফলত প্ৰাকৃতিক ঢাল সমূহেদি অতি সহজে বিভিন্ন জলৰাশি বৈ আহে। এই বৈ অহা জলৰাশিয়ে বিশেষকৈ বাৰিষা কালছোৱাত ইয়াৰ ভূমিৰ ক্ষয়ীভৱনত গুৰুত্ব পূৰ্ণ ভূমিকা গ্ৰহণ কৰে। আৰু ক্ষয়প্ৰাপ্ত পদাৰ্থবোৰে মাটিৰ সৃষ্টি কৰাত সহায় কৰে।

অঞ্চলটোত সেমেকা 'মেচ্‌থাৰমেল্' ব্ৰহ্ম পুত্ৰ উপত্যকাৰ জলবায়ুৰ বৈশিষ্ট সমূহ দেখা যায়। সাধাৰণতে জুনৰ পৰা ছেপ্তেম্বৰ মাহলৈ দক্ষিণ পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত ইয়াত বৃষ্টিপাত হয়। বছৰটোত গড় হিচাবে প্ৰায় ১৪৫ দিন বৰষুণ হয় আৰু বৰষুণৰ বাৰ্ষিক গড় পৰিমান প্ৰায় ১৯৮ cm বছৰটোৰ উষ্ণতাৰ পৰিমাণ সাধাৰণতে ২৪°C ৰ পৰা ৩৪°C ৰ ভিতৰত থাকে। জুন, জুলাই আৰু আগষ্ট মাহ কেইটা বছৰটোৰ আটাইতকৈ উত্তপ্ত মাহ। আনহাতেদি ডিচেম্বৰ আৰু জানুৱাৰী মাহত উষ্ণতা আটাইতকৈ কম থাকে।

মাটি গঠনৰ দিশৰ পৰা ইয়াত মূলতঃ পাহাৰীয়া ৰঙা বালি-চাঁহীয়া মাটি পাহাৰ অঞ্চলত আৰু নতুন





পলসুৱা মাটি নিম্নভূমি অঞ্চলত দেখা যায়।

অঞ্চলটোৰ উদ্ভিদ সমূহক সাধাৰণতে দুটা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিব পাৰি।

(ক) বিষুৱীয় চিৰসেউজ গুণবিশিষ্ট উদ্ভিদৰাজি।

(খ) পৰ্ণপতী উদ্ভিদ

ইয়াত সাধাৰণতে দেখা পোৱা উদ্ভিদ হ'ল - শাল, ভোমোৰা, আজাৰ, গমাৰী, জামু, ঘোৰানিম, ম'জ, পমা, ভেলেউ ইত্যাদি। অঞ্চলটোত উল্লেখযোগ্য পৰিমাণে বিজুলি বাঁহ পোৱা যায়। ইয়াৰ উপৰিও বিভিন্ন প্ৰজাতিৰ লতা আৰু গুল্ম জাতীয় উদ্ভিদ সাধাৰণতে চকুত পৰে।

অঞ্চলটো বিভিন্ন উদ্ভিদ প্ৰজাতি আৰু জনবসতিৰ পৰা আঁতৰত হোৱা বাবে ইয়াত বিভিন্ন প্ৰজাতিৰ বন্য প্ৰাণীও পোৱা যায়। নিকটৱৰ্তী অঞ্চলত বাস কৰা লোক সকলৰ মতে এই অঞ্চল সমূহত হাতী, নাহৰফুটুকী বাঘ, হনুমান বান্দৰ, মলুৱা বান্দৰ আদি পোৱা যায়। ইয়াৰ উপৰিও পৰ্য্যবেক্ষণৰ কালছোৱাত ভাটো, চুতীয়া শালিকা আদি চৰাই বিচৰণ কৰা দেখা গৈছে।

অঞ্চলটোৰ মাজতে অৱস্থিত চম্পাৱতী জলপ্ৰপাতটোৱে ইয়াৰ প্ৰাকৃতিক শোভা বৰ্দ্ধন কৰিছে। এই জলধাৰা কাৰ্বিআংলঙত অৱস্থিত পাহাৰ অঞ্চলৰ পৰা বৈ আহি কলঙৰ জৰিয়তে ব্ৰহ্মপুত্ৰৰ লগত সংযুক্ত হৈছে। চম্পাৱতী মূল জলপ্ৰপাতটো সাগৰ-পৃষ্ঠৰ পৰা প্ৰায় ২১০ মিটাৰ উচ্চতাত অৱস্থিত। ইয়াৰ জলধাৰাৰ গতি নিৰ্ণয় কৰিবলৈ ১ নম্বৰ আৰু ২ নম্বৰ তালিকাত দেখুওৱা ধৰণে আমি কিছুমান জোখ লৈছিলো।

## ১ নম্বৰ তালিকা

| পৰ্য্যবেক্ষণ | জল পৃষ্ঠৰ ওপৰৰ প্ৰস্থ (মিটাৰ) | জলপৃষ্ঠৰ তলৰ প্ৰস্থ (মিটাৰ) | জলধাৰাৰ ওপৰ অংশৰ গভীৰতা (মিঃ) | জলধাৰাৰ তলৰ অংশৰ গভীৰতা (মিঃ) |
|---|---|---|---|---|
| ১ম | ৮.০৪ | ৭.০২ | ০.৬৪ | .৩৫ |
| ২য় | ৯.০০ | ৮.০৫ | ১.১৮ | .৪৫ |
| ৩য় | ৭.০৫ | ৫.০০ | ১.০৯ | .৪০ |
| গড় | ৮.০৩ | ৬.৬৯ | .৯৭ | .৪০ |

## ২ নম্বৰ তালিকা

| পৰ্য্যবেক্ষণ | দূৰত্ব | সময় |
|---|---|---|
| ১ম | ১মিটাৰ | ২১.৪২ চেকেণ্ড |
| ২য় | ১মিটাৰ | ১৭.১৪ চেকেণ্ড |
| ৩য় | ১মিটাৰ | ১৩.৮০ চেকেণ্ড |
| গড় | ১মিটাৰ | ১৭.৪৫ চেকেণ্ড |

তালিকা 1 ৰ পৰা

গড় গভীৰতা (d) = (জলধাৰাৰ ওপৰৰ গভীৰতা + জলধাৰাৰ তলৰ গভীৰতা) / ২

= (·৯৭ + ·৪০) / ২ মিটাৰ

= ·৬৮৫ মিটাৰ

জলধাৰাৰ প্ৰস্থছেদৰ কালি (A) = ১/২ (জলপৃষ্ঠৰ ওপৰৰ বহল + জলপৃষ্ঠৰ তলৰ বহল গড় গভীৰতা)

= ১/২ ( ৮০৩ + ৬৬৯ ) X ·৬৮৫ মিটাৰ

= ১০·০৮৩২ / ২

= ৫·০৪১৬ মিটাৰ$^2$

জলধাৰাৰ গড় বেগ (V) = ১ মিটাৰ / ১৭·৪৫ চেকেণ্ড

= ·০৫৭৩০ মিটাৰ / চেকেণ্ড

কিমান পৰিমাণে পানী বৈ যায় (q) = A x V

= ৫·০৪১৬ মিটাৰ$^2$ X ·০৫৭৩০

= ·২৮৮৮ মিটাৰ$^3$ / চেকেণ্ড

অঞ্চলটোৰ সামগ্ৰিক ভূ-প্ৰাকৃতিক অৱস্থিতিয়ে এই দিশৰ প্ৰাচূৰ্য্য প্ৰতিফলিত কৰে যদিও বৰ্তমান ই বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে। এনে সমস্যাবোৰৰ ভিতৰত মানুহৰ বিভিন্ন কাৰ্য্যকলাপৰ ফলত সৃষ্টি হোৱা সমস্যা সমূহ উল্লেখযোগ্য। ক্ৰমান্বয়ে নিকটৱৰ্তী গাওঁ সমূহত জনসংখ্যা বৃদ্ধিয়ে এই অঞ্চলৰ প্ৰাকৃতিক সম্পদৰ ওপৰত এক অতিৰিক্ত চাপৰ প্ৰয়োগ কৰিছে। মূলতঃ এই অঞ্চলৰ মানুহে খৰি আৰু গৃহনিৰ্মাণৰ বিভিন্ন সামগ্ৰীৰ বাবে পাহাৰ অঞ্চলৰ পৰা বাঁহ-কাঠ আদি সংগ্ৰহ কৰিবলৈ লোৱাত উদ্ভিদৰ আৱৰণ ক্ৰমে হ্ৰাস পাইছে। আৰু ভূমিৰ ক্ষয়ীভৱনত অৰিহনা যোগাইছে। একে ধৰণেৰে উদ্ভিদৰ আৱৰণ কমি যোৱাৰ ফলত ই বন্যপ্ৰাণীৰ জীৱন প্ৰক্ৰিয়া বিঘ্নিত কৰিছে।

**আৰ্থ-সামাজিক দিশ ঃ** অঞ্চলটোত মূলতঃ কোঁচ, কাৰ্বি, চাহ-বাগানৰ জনজাতীয়লোক সকলে বাস কৰে। ইয়াৰ সৰ্ব্বাধিক সংখ্যক লোকেই কৃষিজীৱী, লগতে তেওঁলোকে বনজ সম্পদৰ আহৰণ আৰু ব্যৱহাৰকো জীৱিকাৰ এক অৱলম্বন ৰূপে লৈছে। অঞ্চলটোৰ নিচেই কাষতেই অৱস্থিত গাঁওখন হ'ল উত্তৰ বৰঘাট। ইয়াত কোঁচ সম্প্ৰদায়ৰ মুঠ ১৩৭ টা পৰিয়ালে বাস কৰে। এই গাওঁখন চাপানালা পঞ্চায়তৰ অন্তৰ্ভুক্ত।

গাঁওখনত মুঠ ৩৬২ একৰ পৰিমাণৰ ভূমি আছে। ইয়াৰ ৩৬ একৰ ভূমি কোনো ধৰণৰ কৃষিকাৰ্য্যত ব্যৱহাৰ হোৱা নাই। ২২ একৰ ভূমি ব্যৱহাৰ কৰা হয়। এই সমগ্ৰ কৃষি ভূমিতেই কোনো ধৰণৰ জলসিঞ্চনৰ ব্যৱস্থা নাই।

১৯৭১ চনৰ পিয়ল অনুসৰি উত্তৰ বৰঘাট গাঁৱত ৮৪ ঘৰ মানুহে বাস কৰিছে যাৰ মুঠ জনসংখ্যা আছিল ৪১৯। ইয়াৰ ভিতৰত ২১৮ গৰাকী পুৰুষ আৰু ২০১ গৰাকী মহিলা আছিল। মুঠ ৭৪ জন পুৰুষ আৰু ৩৪ গৰাকী মহিলা শিক্ষিত আছিল। মুঠ কৰ্মঠ লোকৰ সংখ্যা আছিল ১১৮ জন। আমি ১৯৯৯ চনত কৰা জৰীপ



অনুসৰি ১৩৭ টা পৰিয়ালৰ মুঠ জনসংখ্যা বৰ্তমান ৬৮৫ লৈ বৰ্দ্ধিত হয়। ইয়াৰে ৪১১ জন পুৰুষ আৰু ২৭৬ গৰাকী মহিলা, শিক্ষিত লোকৰ সংখ্যা ৮৪০ আৰু মুঠ ৩৩৫ জন লোকে প্ৰত্যক্ষ ভাবে বিভিন্ন কৰ্মৰ জৰিয়তে পৰিয়ালৰ আয় আহৰণ কৰে। গড় হিচাবত প্ৰতিঘৰ মানুহৰ ১.৫ হেক্টৰকৈ খেতিৰ মাটি আছে। সকলো লোকেই মূলতঃ শালি ধানৰ খেতি কৰে। ইয়াত শালিধানৰ উৎপাদনৰ পৰিমাণ প্ৰতি হেক্টৰত ৪০০-৪৮০ কিলোগ্ৰাম । অঞ্চলটোত এখন প্ৰাইমেৰী স্কুল আৰু মজলীয়া স্কুল আছে।

সকলো লোকৰে ঘৰসমূহ অসম আৰ্হিৰ বাঁহ আৰু খেৰেৰে সজা। মাত্ৰ ১২ শতাংশ পৰিয়ালৰহে পকীঘৰ আছে। অঞ্চলটোৰ প্ৰতিঘৰ মানুহৰে একোটাকৈ কুঁৱা আছে যদিও সেইবোৰ কেঁচা কুঁৱা, যাৰ বাবে

চিত্ৰ --

খোৱা পানীৰ কাৰণে তেওঁলোকে বিদ্যালয়ৰ চৌহদত থকা দমকলৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। এই গাঁৱত বাস কৰা লোকসকলে ওচৰৰ পাহাৰ অঞ্চল সমূহৰ ওপৰত খৰি আৰু গৃহ নিৰ্মাণ সামগ্ৰীৰ বাবে নিৰ্ভৰ কৰে। পাহাৰীয়া অঞ্চলৰ দাঁতিকাষৰীয়া হোৱাৰ বাবে আৰু খোৱাপানীৰ উপযুক্ত ব্যৱস্থা নথকাৰ ফলত অঞ্চলটোৰ বাসিন্দা সকল মেলেৰিয়া, গ্ৰেষ্ট্ৰ'এন্টাৰাইটিচ্ আদি ৰোগত সঘনাই আক্ৰান্ত হয়।

**আঞ্চলিক সমস্যা আৰু সম্ভাৱনা ঃ** অঞ্চলটোৰ পৰ্য্যবেক্ষণৰ পৰা নিম্নোক্ত সমস্যাসমূহৰ সম্পৰ্কে ঠাৱৰ কৰিব পৰা গৈছে --

(ক) জনসংখ্যাৰ চাপৰ ফলত পাহাৰ অঞ্চলত গছ-গছনিৰ পৰিমান হ্ৰাস পাইছে, যি পাহাৰ অঞ্চলত ভূমি ক্ষয়ৰ পৰিমাণ বৃদ্ধি কৰিছে। ক্ষয়প্ৰাপ্ত বালি-শিলসমূহ তলৰ কৃষিভূমিত জমা হোৱাৰ ফলত মাটিৰ উৰ্বৰা শক্তি হ্ৰাস হৈছে।

(খ) গছ-গছনিৰ সংখ্যা হ্ৰাস পোৱাত বন্যপ্ৰাণীৰ জীৱনো বিপন্ন হৈছে, যাৰ ফলত বন্যপ্ৰাণী সমূহে খাদ্যৰ সন্ধানত ওচৰৰ জনবসতিপূৰ্ণ অঞ্চল সমূহত বিচৰণ কৰিবলৈ লৈছে। গাঁও সমূহত সঘনাই হোৱা বান্দৰৰ উপদ্ৰৱ আৰু শালি ধান পকাৰ সময়ত খেতি পথাৰত হাতীয়ে কৰা উপদ্ৰৱ ইয়াৰ অন্যতম উদাহৰণ।

(গ) উপযুক্ত জলসিঞ্চন ব্যৱস্থাৰ অভাৱত ইয়াৰ কৃষিভূমিৰ কৃষকে এটাতকৈ বেছি খেতি কৰিব নোৱাৰে। অন্যহাতেদি তেওঁলোকে খেতিৰ বাবে সম্পূৰ্ণৰূপে বৰষুণৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। সেয়ে উপযুক্ত কৃষি উৎপাদন ব্যৱস্থাৰ অভাৱত অঞ্চলটো কৃষি-ক্ষেত্ৰত পিছপৰা, যি প্ৰত্যক্ষভাবে তেওঁলোকৰ অৰ্থনৈতিক দুৰ্দশাৰ মূল কাৰণ।

(ঘ) অঞ্চলটোত ভূ-পৃষ্ঠৰ তলত কঠিন শিলাখণ্ডৰ উপস্থিতিয়ে ভূ-গৰ্ভৰপৰা পানী আহৰণ কৰাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে যাৰ ফলত এই অঞ্চলত দমকল আদি বহুৱাটো ব্যয়বহুল। সেয়ে অঞ্চলটোত খোৱা পানীৰ সমস্যা প্ৰকট।

(ঙ) উপযুক্ত খোৱাপানী আৰু পাৰিবেশিক পৰিছন্নতাৰ অভাৱত অঞ্চলটোৰ অধিক সংখ্যক লোকেই বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ সন্মুখীন হয়।

(চ) অঞ্চলটোলৈ উপযুক্ত ভাবে পথ পৰিবহনৰ সুবিধা নথকাত ইয়াত বসবাস কৰা লোকসকলে যাতায়তৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হয়।

ওপৰত উল্লেখ কৰা সমস্যাসমূহ থকা স্বত্বেও ইয়াৰ ভৌগলিক অৱস্থিতি আৰু বাতাৱৰণে অঞ্চলটোৰ উন্নয়নৰ বাবে কিছু সম্ভাৱনাৰ সৃষ্টি কৰিছে । সেই সমূহ হ'ল —

(ক) চম্পাৱতী জলপ্ৰপাতক কেন্দ্ৰ কৰি ইয়াৰ পাহাৰ অঞ্চলৰ নৈসৰ্গিক দৃশ্যৰাজিৰ প্ৰতি লক্ষ্যৰাখি ইতিমধ্যে ইয়াক পৰ্য্যটন স্থলীলৈ উন্নত কৰাৰ যি সমূহ ব্যৱস্থা গ্ৰহণ কৰিছে সেই সমূহৰ সম্প্ৰসাৰণ ঘটাই জনসাধাৰণৰ অংশগ্ৰহণৰ দিশ মুকলি কৰিলে ই পৰ্য্যটক সকলৰ বাবে সেৱা আগবঢ়োৱা বিভিন্ন কৰ্ম আঁচনিৰে স্থানীয় জনসাধাৰণক স্বনিৰ্ভৰশীল হোৱাত সহায় কৰিব।

(খ) অঞ্চলটোত জলসিঞ্চনৰ অভাৱ আৰু খোৱা পানীৰ অভাৱ দূৰ কৰিবলৈ জলপ্ৰপাতৰ ওপৰেৰে বৈ অহা জলধাৰা সংগ্ৰহ কৰি বিতৰণ কৰাৰ যথেষ্ট সম্ভাৱনা আছে যি অঞ্চলটোৰ কৃষি উন্নয়নত আৰু খোৱাপানীৰ সমস্যা দূৰ কৰাত অৰিহণা যোগাব।

(গ) পাহাৰৰ পাদদেশৰ যিবোৰ পতিত মাটি অব্যৱহৃত হৈ আছে সেইসমূহত ৰাজহুৱাকৈ বিভিন্ন মূল্যবান গছবোৰাৰ বা ঔষধি উদ্ভিদৰ বাগিছা কৰাৰ আঁচনি কৰিব পাৰি। এনে ব্যৱস্থাই পাদদেশৰ ভূমিৰ ক্ষয়ৰোধ কৰাৰ লগতে মানুহৰ



আয়বৃদ্ধি কৰাতো সহায় কৰিব।

**সিদ্ধান্ত গ্ৰহণ আৰু পৰামৰ্শ ঃ** চাপানালা অঞ্চলত কৰা এই ক্ষেত্ৰ-অধ্যয়নে আমাৰ ভৌগলিক জ্ঞানৰ সম্প্ৰসাৰণত যথেষ্ট সহায় কৰিছে। এই অধ্যয়নৰপৰা মানুহ আৰু প্ৰকৃতিৰ মাজত থকা সম্পৰ্ক সমূহ স্পষ্ট ভাবে অনুভৱ কৰিব পাৰিছো। এই অধ্যয়নে মানুহৰ প্ৰকৃতিৰ ওপৰত থকা প্ৰতিকূল প্ৰভাৱসমূহ অনুভৱ কৰাত আমাক সহায় কৰিছে। সদৌ শেষত অঞ্চলটোৰ সামগ্ৰিক উন্নতিৰ বাবে নিম্নোক্ত ব্যৱস্থাসমূহ অতিশীঘ্ৰে গ্ৰহণ কৰিব লাগে বুলি আমি ভাবো ঃ

(ক) অঞ্চলটোৰ ভূমিৰ ক্ষয় আৰু বন্যপ্ৰাণী বিপন্ন হোৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি পাহাৰ অঞ্চলত বৃক্ষ ৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰিব লাগে। এনেকৈ গছ-গছনি ৰুবলৈ যাওঁতে তাত বসবাস কৰা বন্যপ্ৰাণী সমূহক আহাৰ যোগান ধৰিব পৰা গছ-গছনি ৰোৱাত গুৰুত্ব আৰোপ কৰিব লাগে।

(খ) চৰকাৰী ভাবে বিভিন্ন স্থানীয় ৰাজহুৱা অনুষ্ঠানৰ সহায়ত ওপৰত ইতিমধ্যে উল্লেখ কৰা সম্ভাৱনা সমূহক ব্যৱহাৰ কৰাত উপযুক্ত কাৰ্যকৰী আঁচনি গ্ৰহণ কৰিব লাগে।

(গ) অঞ্চলটোৰ স্বাস্থ্য আৰু পৰিবেশজনিত সমস্যা সমূহৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় স্বেচ্ছাসেৱী সংগঠন সমূহে ইয়াত জনশিক্ষা আৰু পৰিবেশ শিক্ষাৰ আঁচনি গ্ৰহণ কৰিব লাগে।



(ভূগোল বিভাগৰ অধ্যাপক-অধ্যাপিকা সকলৰ তত্ত্বাৱধানত বিভাগৰ ছাত্ৰী মনালিচা গায়ন, নিজুমনি শইকীয়া, শশীপ্ৰভা বসুমতাৰী আৰু কাবেৰী গগৈয়ে এই ক্ষেত্ৰ-অধ্যয়নত অংশ গ্ৰহণ কৰে।)

●●●





# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে নিজৰ জাতি আৰু নিজৰ দেশৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ-শ্বহিদসকললৈ মোৰ অশ্ৰুসিক্ত প্ৰণাম যাচিলোঁ। ১৯৬২ চনৰ ১২ চেপ্তেম্বৰত প্ৰতিষ্ঠিত হোৱা নগাঁও ছোৱালী কলেজ জন্ম - মুহূৰ্তৰপৰা বৰ্তমান সময়লৈকে অসমৰ শিক্ষা জগতত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা মধ্য -অসমৰে এটি অন্যতম শিক্ষা অনুষ্ঠান। এই মহান শিক্ষানুষ্ঠানৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হিচাপে ১৯৯৯-২০০০ বৰ্ষৰ কাৰ্য্যকালৰ বাবে মোক নিৰ্বাচিত কৰাৰ কাৰণে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীলৈ মোৰ কৃতজ্ঞতা আৰু হিয়াভৰা ওলগ যাচিলোঁ। লগতে, মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে সমূহ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছো।

গতানুগতিক ভাবেই অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাসকল আৰু ছাত্ৰীসমূহৰ ওচৰত শপত গ্ৰহণৰ পিছৰ পৰাই মোৰ কাৰ্য্যকাল আৰম্ভ হয়। আৰম্ভণিতেই ১৯৯৯ চনৰ নৱেম্বৰৰ ১২ আৰু ১৩ তাৰিখে কলেজ প্ৰাংগনত অনুষ্ঠিত কৰা বিশ্ববিদ্যালয় অনুদান আয়োগৰ মহাবিদ্যালয় মানৱ-শাস্ত্ৰ আৰু সমাজ-বিজ্ঞান উন্নয়ন প্ৰকল্পৰ অধীনৰ 'অসমীয়া ভাষাত জনগোষ্ঠীয় ভাষাৰ প্ৰভাৱ' শীৰ্ষক দুদিনীয়া আলোচনা-চক্ৰখনি সফল কৰি তোলাত ছাত্ৰী একতা সভাই পূৰ্ণ সহযোগিতা আগবঢ়ায়।

পূৰ্বৰদৰে এইবাৰো অধ্যাপক বিনয় চন্দ্ৰ বৰা স্মাৰক সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখনি নৱেম্বৰ মাহতে সফলতাৰে অনুষ্ঠিত কৰা হয় । এই প্ৰতিযোগিতাত অসমৰ বিভিন্ন মহাবিদ্যালয়ৰপৰা অহা প্ৰতিযোগীসকলে অংশ গ্ৰহণ কৰে। তাৰ পিছতে নৱেম্বৰৰ ১৬ তাৰিখৰপৰা ২১ তাৰিখলৈকে মহাবিদ্যালয়ত কলেজ-সপ্তাহ সমাৰোহ পতা হয়। পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, সুকুমাৰ-কলা প্ৰদৰ্শনী উদ্বোধন আদিৰ পিছত বিভিন্ন প্ৰতিযোগিতাসমূহ চাৰিদিন জুৰি চলোৱা হয়। নৱেম্বৰৰ ২২ তাৰিখে সমাৰোহৰ মুকলি সভাত সভাপতিত্ব কৰে অধ্যক্ষ মহোদয়ে আৰু মুখ্য অতিথি হিচাপে ভাষণ দিয়ে নগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত সাহিত্যিক আৰু কলা-সাহিত্যৰ প্ৰতি অতি উৎসাহী ব্যক্তি শ্ৰীযুত থানেশ্বৰ মালাকাৰ দেৱে। বিশিষ্ট অতিথি হিচাপে সভাত উপস্থিত থাকে নগাঁও জিলাৰ সুপৰিচিত অধিবক্তা শ্ৰীযুত লক্ষেশ্বৰ হাজৰিকাদেৱ।

মোৰ কাৰ্য্যকালত কলেজৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী সাদৰি বৰাৰ বৃক্ক অনুৰোপনৰ বাবে মই আৰু ছাত্ৰী একতা সভাৰ সদস্যাসকলে কলেজৰ অধ্যাপক-অধ্যাপিকাসকলৰ সহায়ত কিছু অৰ্থ সংগ্ৰহ কৰি দিওঁ। এই কামটিৰ বাবে কলেজৰ অধ্যক্ষ প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকাসকল আৰু ছাত্ৰীসকললৈ মোৰ কৃতজ্ঞতা যাচিলোঁ। অন্যান্য উন্নয়ণমূলক কামৰ ভিতৰত কৰ্তৃপক্ষক কৈ মই কলেজৰ চাইকেল-ষ্টেণ্ড আৰু কলেজৰ সন্মুখৰ পথডোখৰৰ পুনৰ্নিমান কৰাওঁ। ছাত্ৰী জিৰণী-কোঠাত নতুন পৰ্দা লগোৱা হয় যদিও জিৰণীকোঠাত চকী টেবুলৰ সংখ্যা বৃদ্ধি কৰি সুবিধা কৰি দিব নোৱাৰিলোঁ।

মোৰ কাৰ্য্যকালৰ ভিতৰত সৰস্বতী পূজাভাগ নিয়মিত কাৰ্য্যসূচীৰে অতি উলহ-মালহেৰে উদ্‌যাপন কৰোঁ। কিন্তু গভীৰ দুখ আৰু বেদনাৰ কথা যে সৰস্বতীপূজাৰ নিশা কৰ্তব্যৰত অৱস্থাত থকা পদ্মাৱতী দেৱী ফুকননী ছাত্ৰী নিবাসৰ নিষ্ঠাবান নৈশ চকিদাৰ কৈলাশ আগৰৱালাক কোনো নিষ্ঠুৰ দুষ্কৃতিকাৰীয়ে হত্যা কৰি থৈ যায়। পৰিতাপৰ কথা যে হত্যাকাৰী

দুৰ্বৃত্তকেইজনক আজিও কৰায়ত্ত কৰিব পৰা নগ'ল । সৰস্বতীপূজাৰ পিছতেই শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথিভাগ উলহ-মালহৰে পতা হয়। শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথিত নাম-প্ৰসঙ্গৰ উপৰিও বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। গুৰুজনাৰ জীৱনী, আদৰ্শ, কৰ্ম আদিৰ ওপৰত ৰচনা প্ৰতিযোগিতা আদিৰো ব্যৱস্থা কৰা হৈছিল।

বৰ্তমান বছৰত বিভিন্ন কাৰ্যসূচীৰে আমাৰ কলেজৰ ঊনচল্লিচতম প্ৰতিষ্ঠাদিৱস ১২/৯/২০০০ তাৰিখে পালন কৰা হয়। মোৰ কাৰ্য্যকালৰ সমাপ্তিৰ সময়ত পৰম্পৰাগতভাৱে পালন কৰি অহা উৎসৱ নবাগতা আদৰণি অনুষ্ঠিত কৰা হয়। ছাত্ৰীজীৱনৰ অতিশয় আনন্দময় এই দিনটো এইবাৰ ১৩/৯/২০০০ তাৰিখে পতা হয়। নবাগতা আদৰণী উৎসৱত পতাকা উত্তোলন কৰে অধ্যক্ষ মহোদয়ে। তাৰ পিছত আৰম্ভ হয় ন-পুৰণি ছাত্ৰীৰ চিনাকী-চ'ৰা অনুষ্ঠান আৰু লগতে নবাগতাৰ আপ্যায়ন। অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত হোৱা আদৰণী উৎসৱৰ মুকলি সভাত অসমৰ সুখ্যাত নাট্যকাৰ আৰু ঔপন্যাসিক শ্ৰীঅৰুণ শৰ্মাদেৱ বিশিষ্ট অতিথিৰূপে উপস্থিত আছিল। এটি সাংস্কৃতিক অনুষ্ঠানৰে নবাগতা আদৰণী-সভাৰ অন্ত পৰে।

সদৌ শেষত, মোৰ কাৰ্য্যকালৰ ভিতৰত অজানিতে কৰা ত্ৰুটি-বিচ্যুতিৰ বাবে নগাঁও ছোৱালী কলেজৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰীবান্ধৱীৰ ওচৰত ক্ষমা বিচাৰিছো। মোৰ কাৰ্য্যকালত কৰিব নোৱাৰা কামবোৰ পিছৰ ছাত্ৰী একতা সভাই কৰিব বুলি আশা কৰিলোঁ। নগাঁও ছোৱালী কলেজৰ সৰ্বতোপ্ৰকাৰে উন্নতি কামনা কৰি পুনৰবাৰ সকলোলৈকে শ্ৰদ্ধা-ভক্তি আৰু মৰম যাচিলোঁ। মোৰ বান্ধৱী, ছাত্ৰী একতা সভাৰ সহ-সদস্যা সকললৈ কৃতজ্ঞতা আৰু প্ৰীতি নিবেদন কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু নগাঁও ছোৱালী কলেজ!

সাধাৰণ সম্পাদিকা,
**প্ৰজ্ঞা বৰুৱা,**
ছাত্ৰী একতা সভা, নগাঁও ছোৱালী কলেজ।



# আমাৰ গৌৰৱ



**“বাঘে টাপুৰ ৰাতি”**
গল্প সংকলনৰ কাৰণে ২০০০ চনৰ সাহিত্য অকাদেমি বঁটাৰে সন্মানিত
অধ্যক্ষ শ্ৰীযুত অপূৰ্ব শৰ্মা



অধ্যাপক বিনয় চন্দ্ৰ বৰা স্মাৰক সদৌ অসম আন্তঃ
মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ দ্বিতীয় শ্ৰেষ্ঠ দল,
নগাঁও ছোৱালী কলেজ।
বাওঁফালৰ পৰা - জয়শ্ৰী শইকীয়া, ৰুক্মিণী বৰুৱা।



কলেজ সপ্তাহ সমাৰোহৰ শ্ৰেষ্ঠ কুইজ দল ঃ
জয়শ্ৰী শইকীয়া (ঠিয় হৈ), মনোস্মিতা জয়চোৱাল
আৰু কাকলি শইকীয়া।




'ঁশুকদেৱ গোস্বামী সোঁৱৰণী' সদৌ অসম
আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ
শ্ৰেষ্ঠ দল - নগাঁও ছোৱালী কলেজ।
বাওঁফালৰ পৰা - ৰুক্মিণী বৰুৱা, ৰীতা বৰা।

# কলেজ সপ্তাহ সমাৰোহ



ইলা ডেকাদলৈ, শ্ৰেষ্ঠা খেলুৱৈ।



মৌচুমী বেজবৰুৱা
শ্ৰেষ্ঠা অভিনয় শিল্পী



গাৰ্গী গীতম বৰা
সাজপাৰ প্ৰতিযোগিতাৰ
শ্ৰেষ্ঠা প্ৰতিযোগী



কনকলতা দাস
যাঠি দলিওৱাত শ্ৰেষ্ঠা প্ৰতিযোগী।



মধুছন্দা গোস্বামী,
দ্বিতীয় শ্ৰেষ্ঠা অভিনেত্ৰী



কলেজ সপ্তাহ সমাৰোহ
অন্তাক্ষৰী প্ৰতিযোগিতাৰ বিজয়ী দল জ্যোতি জুৱালা সিং
আৰু জুনু থাপা।



কলেজ সপ্তাহ সমাৰোহৰ কাবাদি প্ৰতিযোগিতাত বিজয়ী দল
বাওঁফালৰ পৰা (ঠিয় হৈ) - ফৰিদা, নমিতা, স্মিতা।
বহি - দীপ্তি, কনকলতা, বীণা।



নগাঁও ছোৱালী কলেজ ছাত্রী একতা সভাৰ
(১৯৯৯-২০০০) সম্পাদিকাসকল

বাওঁফালৰ পৰা- মনালিচা বৰুৱা (সংস্কৃতি), ৰীতা বৰা (নাট আৰু তৰ্ক), ফৰিদা বেগম (সহঃ ক্ৰীড়া), প্ৰজ্ঞা বৰুৱা (সাধাৰণ সম্পাদিকা), পূৰ্ণিমা দাস (সমাজসেৱা), মালবিকা বেজবৰুৱা(সংগীত), পল্লৱী শইকীয়া (সাহিত্য)

ছবিত অনুপস্থিত - ৰীতা বৰা (সহঃ সাঃ সম্পাদিকা, সোণালী দাস (ক্ৰীড়া), আভাৰাণী বেজবৰুৱা (ছাত্ৰী সাহায্য পুঁজি), নমিতা বৰা (সহঃ সংস্কৃতি)।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ মহাবিদ্যালয় মানৱ-শাস্ত্ৰ আৰু সমাজ বিজ্ঞান উন্নয়ন প্ৰকল্পৰ অধীনত

নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগে অনুষ্ঠিত কৰা

**'অসমীয়া ভাষাত জনগোষ্ঠীয় ভাষাৰ প্ৰভাৱ'**

শীৰ্ষক আলোচনাচক্ৰত অংশ গ্ৰহণকাৰী কেইজনমান গৱেষক -পণ্ডিত



ড° উপেন ৰাভা হাকচাম
গুৱাহাটী বিশ্ববিদ্যালয়



শ্ৰীযুতা নিৰুপমা হাগজেৰ
ডিফু



ড° দীপংকৰ মৰল
গুৱাহাটী বিশ্ববিদ্যালয়




শ্ৰীযুত টাবু টাইড
অধ্যক্ষ, মাধ্যমিক শিক্ষা পৰিষদ, অসম




নৱাগত আদৰণী সভাত সভাপতিৰ আসন গ্ৰহণ কৰা
মুহূৰ্ত্তত অধ্যক্ষ শ্ৰীঅপূৰ্ব শৰ্মা




নৱাগত আদৰণী সভাত ভাষণৰত অৱস্থাত বিশিষ্ট অতিথি নাট্যকাৰ শ্ৰীঅৰুণ শৰ্মা। বহি - বাওঁফালৰ পৰা শ্ৰীগুণধৰ গগৈ (অধ্যক্ষ, নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়), মহম্মদ শ্বাহ আলম (প্ৰাক্তন অধ্যক্ষ, বাণিজ্য মহাবিদ্যালয়) আৰু বিশিষ্ট শিল্পী শ্ৰীপ্ৰণৱ বৰুৱা




**নগাঁও ছোৱালী কলেজ সাহিত্য-উপদেষ্টা সমিতি, ১৯৯৯-২০০০**

বাওঁফালৰ পৰা (বহি)- অধ্যাপিকা মুনি কাকতি, অধ্যাপক জয়ন্ত কুমাৰ শৰ্মা, অধ্যপক তিলক চন্দ্ৰ মজুমদাৰ, অধ্যক্ষ অপূৰ্ব শৰ্মা, অধ্যাপক ড° ৰাজেন শইকীয়া।

ছবিত অনুপস্থিত ঃ অধ্যাপক বিশ্বজিৎ দাস, উপাধ্যক্ষ কৃষ্ণৰাম বৰা, অধ্যাপিকা গায়ত্ৰী দেৱী।

বাওঁফালৰ পৰা (ঠিয় হৈ)- ফৰিদা বেগম, মনালিছা বৰুৱা, ৰীতা বৰা, প্ৰজ্ঞা বৰুৱা, পল্লবী শইকীয়া, পূৰ্ণিমা দাস মালবিকা বেজবৰুৱা (ছাত্ৰী সদস্য)

# English Section



# THE CONCEPT OF MAN IN THE PHILOSOPHY OF DR. SARVAPALLI RADHAKRISHNAN

**Sanchita Bora,** Lecturer, Dept.of Philosophy

There is a verse in Mahabharata which tells - "there is nothing higher than man on earth." (Guhyam brahma tadiam vo bravimi / na manusāt sresthataram he kincit) Actually philosophy means philosophy of life. Man cannot be ignored by any philosophy. He is the centre of all philosophical discourses. Confucious announced - 'all thought and all theories of human activity are to be based upon a proper understanding of man." All philosophies aim at understanding the meaning of man and the significance of his life. Socrates said, "Man, know thyself". In Indian thought the Upanisad also did the same "ãtmãnam Viddhi"(know thyself). Here 'ãtman' does not mean merely the metaphysical self,but also reason,mind and the vital principle and physical body.



The present age is an age of humanism. As we know that man is the centre of philosophy, and his values are primary, true philosophy must become the reflection of man about himself. P.T. Raju writes– "Man is the common denominator with reference to which religions, philosophies, political and social ideologies and even sciences are tested." Philosophy brings together facts and values and also brings to light values involved in facts. Indian philosophy maintains that the essence of man is even beyond reason and it is Ātman.

The contemporary Indian philosopher Dr. Sarvapalli Radhakrishnan belongs to that rare class of scholars who command equal respect and readership in the East and the West. His philosophy makes an East-West synthesis. So, C.E.M. Joad in his

'Counter Attacks from the East' describes — "the unique function which Radhakrishnan fulfills today, is that of a liaison officer. He seeks to buid a bridge between the traditional wisdom of the east and the new knowledge and the energy of the West."

Radhakrishnan accepts the ultimate spirituality of man. As he is a realistic philosopher, he was impressed by the present day condition of man. The man as we find in the world for him is a biological and psychological individual who is determined by instincts, drives and motives. Man is a unique combination of egoism and self-transcendentce, of selfishness and universal love. The present day man is both restless and unhappy as he appears to have lost the zeal of life. Science gives a deterministic picture of man. But to know the nature and the function of the physical parts of the bodily man, Radhakrishnan pointed out that man cannot be known in the way in which a scientist analyses objects of experiments. This type of scientific approach leads to a dehumanization of everything and also leads to a picture of man unnatural and unfamiliar to man himself.

It is clear that Radhakrishnan accepts two aspects of man —
1. One that leads the scientists to describe man in his own scientific way.
2. The other transcends the capacity of scientific analysis.

Radhakrishnan used the word soul in wider sense. Man is described as unique. Man unlike other aspects of Nature, has the capacity to reflect and to plan his moves. Man has the capacity to live ahead of himself. It is called "self-transcendence" by Radhakrishnan. Finite aspects of man are determined by the environmental conditions. Bodily self represents this aspect of man. In this aspect man is embodied and subject to living in an environment. The bodily aspect can be superceded. The aspect is not final. Radhakrishan says, "Man's awareness to his finiteness and temporality means his consciousness of eternity." Man's inability to achieve perfect contentment in this finite, his unquestionable longing for consummate happiness may be taken as indicative of his supernatural destiny. Infinite aspect of man indicates his spirituality. The spirit is in man. The word 'spiritual' signifies something higher than the empirical. The spiritual must be of the nature of self-consciousness. It transcends the subject-object dichotomy.

"Every human individual must look upon himself not as living in the outer surface of things. there is a centre that constitutes the fountain head of Truth and wisdom "(Radhakrishnan). An individual remains identical with himself,because he is all the time conscious of his own self. Self-consciousness gives to an individual a distinct personality. Man has within himself Divine capacities. We bear the Divine spark within ourselves. There is in the self of man, at the very centre of his being, something deeper than the intellect, which is akin to the supreme.

For Radhakrishnan the spiritual man is freedom. Freedom is the essence of spirituality. Man is free to choose his own course of life and action, the future of man depends to a very great extent on man himself. This viewpoint is closer to the viewpoint of the existentialists of the West. Through Radhakrishan is impressed by the ancient Indian philosophical concept of Jivanmukta, individual salvation is not the ultimate destiny of the individual. The ultimate human destiny is not individual redemption,but universal redemption – 'Sarvamukti'.

Man is a mixture of earth and heaven, of dust and deity. The spirit in us is wrapped up in many non-spiritual layers. If man recovers his subjectivity, his individualness, he is able to control the non-spiritual and use it for spiritual ends. As man is a subject, not an object, this subjectivity gives him inwardness and freedom. If he cannot realise his subjectivity he escapes into routine, rigidity and mindlessness. Mankind is on trial. The contrast between our intellectual power and our immoral deeds has depressed thinking of sensitive people all over the world. "Physical unity and economic inter-dependence are not by themselves sufficient to create a universal human community. For this we require a human consciousness of community, a sense of personal relationship among man."

Man is a free being (Svatantrakarta). The agent is independent. It is the presence of spirit that gives dignity to human nature, that is the basis of democracy, that is the justification for the universal Declaration of Human Rights. "Man as he is incomplete, ignorant, unregenerated and he wishes to complete himself to get beyond his imperfections and he tries to achieve completeness of being. And if we are able to attain to that kind of perfectness of being, we try to use that wisdom for the purpose of creating better life in the world."The key word of Radhakrishnan's philosophy is spirit. According to him "Democracy requires us to respect and develop the free spirit of man, which is responsible for all progress in human history."

Radhakrishnan's originility lies in boldly reinterpreting the much abused doctrine with special reference to the present world and its need. His idealism though bearing the marks of Vedantic, Platonic and Hegelian influences is distinguished from all of this by some of its peculiar stresses and specially by its appeal to the modern mind. His idealism is not 'idea — ism', but idealism. It is the presentation of an ideal that can harmonize the flesh with the soul, individuals with individuals, nations with nations.Radhakrishnan's optimism is this — " Man has become the spectator of man. A new humanism is in the horizon."

**References:**


1. Joad, C.E.M. : 'Counter Attack from the East.'
2. Radhakrishnan, S. and Raju, P.T.: ' The Concept of Man– A Study in Comparative Philosophy."
3. Radhakrishnan, S.: 'Eastern Religion and Western Thought'.
4. Radhakrishnan, S : 'The Creative Life.'
5. Radhakrishnan, S. 'An Idealistic View Of Life.'
6. Schilpp, P.A. : 'The Philosophy of Radhakrishnan.'


●●●

# BIODIVERSITY AND ITS CONSERVATION

**Jayanta Kr. Sarma,** Lecturer, Dept.of Geography

Diversity is the characteristic of nature and the basis of ecological stability. Diverse ecosystems give rise to diverse life forms, and to diverse cultures. The co-evolution of cultures, life forms and habitats has conserved the biological diversity on this planet.

Biodiversity means multiplicity of life on the surface of the earth. These diversity has three different features ------ specises diversity, genetic diversity and geographical diversity. Species diversity indicates the diversity of life forms, genetic diversity indicated diversity within the same specises and geographical diversity indicates diversity of life forms and habitates with the variation of geographical condition.

The number of specises of plants and animals which inhabit the world may be any where from 2 to 80 million. As many as one million of these will be exterminated during the next two decades, many of which could be vital to the sustainability of life on earth (Pimentel, David - 1992 ).

According to Gaston and Raven, 1991, an esitmated number of 10 million species occur on the earth and more than 1'4 million species have yet been named. Estimates vary but the numbers are between 4 to 40 million species on the Earth which are unknown and unmonitored. Other elements of biodiversity like genes, population, communities and habitats also remain unidentified to a very large extent. Vertebrates are about 150 00 species appearing in different types of environment.

Diversity of life is unevenly distributed over the surface of the earth, especially rich are the tropics, mountainous regions and island or archipelagos. Lying at the trijunction of Africa, temperate Eurasia and tropical South east Asia enjoying a great diversity of environmental regimes.

There are several types of agricultural diversity. Only Asia contributes 19 varieties of common vegetables, 12 varities cereals, 18 varities of Fruits and other agricultural food item. The large diversity of ecological micro regions in turn a long diversity of crops. In each species of crop, there are a large number of varieties that have been developed. Within each crop variety there is multiple diversity in resistence to water and temperature stress, pests and so on.



Within each farmers' plot there are dozens of specieses of 'weeds' and other plants, in hedges or in the fields themselves. There are innumerable species of micro-organisations, insects and other smaller creatures and dozens of large animals and birds, perhaps fishes.

And there are species external to the field, on waste lands, roadsides and in forests, but all connected to that micro - region.

Plants, fungi, microbes and arthropods account for the bulk of species in many ecological regions. In one area sampled fungi alone added to about 4000 kg/ha; the anthropods about 1000kg/ ha, while the mammals and birds contributed only 2kg/ha and 0.03kg/ha biomass, respectively (Pimentel, david,1992).

India ranks about 10th amongst nations in terms of its diversity of species. India supports 15,000 species of flowering plants, 317 species of mammals, 969 species of birds, 389 species of reptiles and relatively well in terms of frogs, salamanders and their kith and kin (Gadgil,1996).

Eastern Himalaya (including N.E. India) and the western Ghats have been designated two of the world's eighteen hot spots of bio diversity. They qualify for this honour by virtue of the fact that Eastern Himalaya has some 3500 endemic species of higher plants, 20 endemic species of reptiles, 25 endemic species of amphibians; while the western ghat have 1600 endemic species of flowering plants, 7 endemic species of mammals 91 endemic species of reptiles, 84 endemic species of amphibians.

Each and every species plays roles within the ecosystem in which it exists, other wise it would not exist. What is highly probable is that any diminishing of this diversity by loss of even one species, or even a sizeable reduction in




**Eighteen hot spots of the world**

*Source : Nurturing Biodivesity : An Indian Agenda. M. Gadgil & P. R. S. Rao*

the population of a species, can cause short or long - term diminishment in the biomass productivity of the microsystem , and in its sustainability.

To day, however, the diversity of ecosystems, life forms and way of life of different communities is under threat of extinction. Habitats have been enclosed or destroyed, diversity has been eroded and livelihoods deriving from biodiversity are threatened.

There are two fundamental causes for the large scale destruction of biodiversity. First is the habitat destruction due to megaconstruction like building of dams, highways, mining operations etc. in the rich biodiversity regions. Second cause is the destruction of biodiversity in areas under cultivation through technical and economic push to replace diversity with homogeneity in forestry, agriculture, fisheries and animal husbandry. The Green Revolution in agriculture, the white revolution in dairying and the Blue Revolution in fisheries are revolutions based on the deliberate replacement of biological diversity with biological uniformity and monocultures.



Biodiversity erosion starts a chain reaction. The disappearance of a species is related to the extinction of innumerable other species with which it is inter-related through food webs and food chains, and about which humanity is totally ignorant. The crisis of biodiversity is not just a crisis of the disappearance of the specises which have the potential to support industrial production by providing raw materials. It is a crisis that threatens the life support systems and livelihoods of people, particularly in the third world countries.

The intensity of this assault against Third world genetic resources can be seen from the pressure exterted by major drug and agricultural input companies and their home governments on international institutions such as the General Agreement on Tariffs and Trade ( GATT ) and the FAO to recognise such resources as a " Universal heritage " in order to guarnatee them free acess to the raw materials. International patent and licensing agreements will increasingly be used to secure a monopoly over valuable genetic materials which can be developed into drugs, food and energy sources ( Vandana Shiva - 1995 ).

The Agenda of science, Environment and Development into the 21st century (ASCEND --- 21) --- arising from a conference organised by ICSU in 1991 in Vienna indicates the possibility of extinction to the extent of 20%, of important species of plants, animals, fungi and micro organisms in the next 30 years.

Species have genetic linkages and play an important role in maintaining the ecosystem which regulate the flow of energy derived from sun. The functioning of these ecosystems has a direct influence on the concentration of atmospheric gases, determining the nature of soil as also water bodies and cycling of nutrients on which life depends.



Organisms are important for sustainable functioning of each system and they form the basis of the life support system for the human beings. There are many aspects of biodiversity which require scientific investigations.



Scientific aspects of ecosystems and conservation of biodiversity call for major national and international scientific programmes. Significant research efforts are required to understand bio-diversity, genes and the ecosystems as also the role of species diversity in communities with the back ground of Bio-Geography. Aspects of modern taxonomy, genetics, microbiology and conservation method require intensive scientific efforts. Insitu convervation, including setting up of gene sanctuaries, parks, biosphere reserves and botanical gardens are as important as ex-situ conservation through gene banks, seeds, tissue, DNA etc.

To evolve a proper and precise methodology for conserving the ecology in our country a National Biodiversity strategy and Action Plan (NBSAP) was inauguarated recently. It will cover areas such as natural ecosystems, wild species and their varieties, agricultural ecosystems and domestic species and their varieties. Issues such as conservation, sustainable use, ethical practices and cultural, scientific and economic diversions of biological diversity will be looked into. It is targeted to evolve a mechanism to save the country's biodiversity within two years. The plan aims to maximise participation of villagers, non- governmental organisations, academics and scientists and especially the government officials and politicians.

**References:**


1. Borthakur D. N. (1992 ) "Agriculture of the N.E. Region - with special Reference to Hill Agriculture" BEECEE Prakashan, Guwahati.
2. Gadgil M ( 1996 ) "Resonance" vol 1 No.4 Indian Academy of science, Banglore.
3. Gadgil M. and Rao P.R. ( 1998 ) " Nurturing Biodiversity - an Indian Agenda" Centre for Environment Education, Ahmedabad.
4. Pereira,W., ( 1993 ) " Tending the Earth"— Traditional, Sustainable Agriculture in India, Earthcare book, Bombay.
5. Pimentel, D. (1992 ) " Conserving Biological Diversity in Agricultural / Forestry systems," Bio-Science vol.42, May 1992, p.354.
6. Sharma, M (1999 ), "New Biosciences : Opportunities and challenges as we move in to the next Millennium" Presidential Adress at 86th session of Indian Science Congress Association, Chennai.
7. Shiva, V. (1988), " Staying Alive — Women, Ecology and survival in India" Kali for women, N. Delhi.
8. Shiva, V. ( 1995 ) , " Bio diversity — A third world perspective", Third World Network, Pulau Pinang, Malaysia.


●●●

# CHILD LABOUR – THE HARSH REALITIES

**Rukmini Barua**, T.D.C. First Year

History reveals the torture meted out to children at different point of time. In the ancient civilizations children were sacrificed in religious cults and forced labour and slavery were prevalent as well. But if data were to be believed, the rate of child labour is much higher at present times compared to the ancient times. Though ancient civilizations were unacquainted with human rights organisations or the U.N. Organisations like U.N.I.C.E.F., I.L.O.etc, there existed a sense of respect for the children.



The concept of child labour and the harsh reality of child labour as a social evil is the creation of modern,industrial civilization. In the 16th and the 17th century forced child labour was practised in the West. In the 16th century, English children between the age of five and fourteen who were idle and found begging, were bound into agricultural or industrial services by local officials. In the United States such children were farmed out to contractors with a special wage agreement. The rapid industrialisation served as fuel to the fire in an already worsened child labour abuse.

In William Blake's poem "The Chimney Sweeper" the poet gives a vivid picture of the deplorable conditions of the little children who were made to sweep the chimneys neglecting the risk to their lives. The words of Charles Dickens, the famous English novelist, who was put to work in a blackening ware house at the age of 12, are a painful revealation of the pathetic life that he had to live. He wrote, "Even now, famous and caressed and happy, I often forget in my dreams that I have a dear wife and children; even that I am a man, and wander desolately back to that time of my life."

The picture has changed a little in the 19th century because of the initiative of the human rights organisations and U.N. organisations like U.N.I.C.E.F, I.L.O. etc. The United Nations has declared that" Every child has a right to opportunities, to develop physically, mentally, morally spiritualy and socially; to a name and nationality, to health and social security, to love and understanding under the care of parents; and to education. Every child has a right to protection against neglect, cruelty, exploitation and discrimination in every form."



This declaration is tenable in case of developed countries. But in case of developing and underdeveloped countries the declaration is more real on paper than in practice. In our country every day we come across children below fourteen years who are the bread eaners of their family. Children are forced by the circumstances to undertake the most hazardous work under conditions that are sub–human. In our country children below fourteen years take the job in fire – cracker factories, match – box industries, carpet industries, hotels, leather and tobaco industries etc in the urban areas. In the rural areas they work in the fields, look after cattles etc. The fact is that in India millions of children are the bread earners of their families. According to Central Government statistics in 1994, there were 20 million child workers in India. But according to surveys conducted by the All India Education Survey, The National Sample Survey etc there are 78.8 million children in India who are out of school. These children had to work to save the life of their family members who are dependant on them. Thus these children are made to take the responsibilities of an adult in their young shoulders.

Therefore, it is useless at least for the time being in our country to demand the abolition of child labour. Instead, provision should be made for the creation of human conditions in the working places. They should be paid justly. The government should make regulations fixing the types of work to be done by the children and the hours of work so that they can get rest and can spend time in other activities. More and more evening schools should be started so that these children can get the minimum basic education.

Instead of demanding the abolition of child labour, we should try to find solution to the problem of poverty and unemployment. In India more than 36% of the population live below the poverty line. Because these people donot have the minimum basic needs, they are bound to send their children to work. If these people had enough resources at their disposal to fulfill their requirements, then no parent would send his child to work or no child will willfully take up hazardous work risking his life.

So, initiative should be taken by each and everyone in our own way to make our economy strong and to find a permanent solution to the problem of poverty. The NGO's, human rights organisations etc should force the government to do the needful. The political parties should be sincere in their promise of taking steps to make the conditions of the poor better, instead of making "Garibi Hatao" an election agenda to collect votes. If poverty is removed and every person has the minimum basic needs, then the problem of child labour will automatically come to an end.

(With helps from articles published in 'The Assam Tribune', 'India Today' and 'Teenager') ●●●

# WOMAN'S DIALECT: A BRIEF STUDY

**Mithu Chakraborty, Dinee Samad,** T.D.C. III Year.

The words and sentences used by a speaker reflect his or her habit, and since the habits of men and women are not always the same for biological and other reasons, their vocabulary and sentence-patterns also show differences which cannot escape the observation of a linguist. Women use certain words and phrases which most men, even of the same social category, may dislike to use. Women have their own ways and devices of using quite a number of words and phrases, which are exclusively feminine. According to Rochefort, women understand a great many peculiar expressions but never pronounce themselves.



Woman's speech is more conservative than man's. Though a common woman uses less words than a common man, she is capable of using them most effectively and make herself understood. A considerable part of her vocabulary is full of religious words and phrases which are very expressive and lively. Some such words used by Assamese women are --- *Lakhimī tirotā* (লখিমী তিৰোতা, a woman as good as Lakṣmi) and *gharar Lakhimī* (ঘৰৰ লখিমী, Lakṣmi of the house). They use the word 'Lakhimi' to mean rice also, e.g. *Rātipuwārparā peṭat Lakhimī etā parā nāi* ( ৰাতিপুৱাৰপৰা পেটত লখিমী এটা পৰা নাই, Not even a grain of Lakhimi or rice has gone into the stomach since morning).

